PG EC/PS/SO S2-04 (DSE)

দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম
(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

অৰ্থনৈতিক সমাজতত্ত্ব
দ্বিতীয় ষাণ্মাসিক

সমাজতত্ত্ব

সূৰ্যকুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

অধ্যাপক চন্দন কুমাৰ শর্মা, তেজপুৰ বিশ্ববিদ্যালয়
ড° সঞ্জয় বৰবৰা, টাটা ইনষ্টিটিউত অফ চোচিয়েল চাইন্সেছ, গুৱাহাটী

সমন্বয়ৰক্ষীঃ ডোলা বৰকটকী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়,
মূর্চনা কৌশিক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়,
মৌৰিন কলিতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১,২,৬	ভূষিতা শর্মা, তেজপুৰ	
৩,৯	আটলান্তা তালুকদাৰ, গৱেষিকা, টিআইএছএছ (গুৱাহাটী)	
৪,৭	সুকণ্যা কাকতি, গৱেষিকা, টিআইএছএছ (গুৱাহাটী)	
৫,১২,১৩	মূর্চনা কৌশিক, গুৱাহাটী	
৮,১০	স্নেহস্মৃতা বৰা, গৱেষিকা, জে.এন.ইউ., দিল্লী	
১১	স্রুজনি স্মৃতিৰেহা, গৱেষিকা, টিআইএছএছ (গুৱাহাটী)	

সম্পাদনাঃ

মূল ইংৰাজী সম্পাদনা ঃ ড°
ড°
অসমীয়া ভাষা সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা ঃ মূর্চনা কৌশিক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ মার্চ, ২০২৫; দ্বিতীয় প্রকাশ ঃ মে', ২০২৬

© Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **অর্থনৈতিক সমাজতত্ত্ব ঃ এটি পৰিচয়** ৭-১৫
অর্থ আৰু সংজ্ঞা, উৎপত্তি আৰু বিকাশ, ধ্রুপদী অর্থনৈতিক সমাজতত্ত্ববিদ, পৰিসৰ আৰু গুৰুত্ব

অধ্যায় ২ ঃ **মৌলিক ধাৰণা** ১৬-২৭
মূল্য, বজাৰ, বিনিময়, মুঠ ঘৰুৱা উৎপাদন (জি.ডি.পি.), শ্রম, সম্পত্তি, মুদ্রা আৰু যুক্তিবাদ, অর্থনৈতিক বৃদ্ধি আৰু অর্থনৈতিক উন্নয়ন

অধ্যায় ৩ ঃ **অর্থনৈতিক সমাজতত্ত্বৰ প্রকার্যবাদী দৃষ্টিভংগী** ২৮-৩৯
অর্থনৈতিক সমাজতত্ত্ব, অর্থনৈতিক সমাজতত্ত্বৰ প্রকার্যবাদী দৃষ্টিভংগী ঃ সংজ্ঞা, পটভূমি, সমালোচনা

অধ্যায় ৪ ঃ **অর্থনৈতিক সমাজতত্ত্বৰ মার্ক্সবাদী দৃষ্টিভংগী** ৪০-৫০
মার্ক্সবাদী অর্থনৈতিক সমাজতত্ত্ব, মূল যুক্তি ঃ ব্যৱহাৰ মূল্য আৰু বিনিময় মূল্য, মূল্যৰ শ্রম তত্ত্ব, উদ্ধৃত্ত মূল্য, পুঁজিবাদী সঞ্চয়ৰ সাধাৰণ নিয়ম, অপসাৰণ, পণ্যৰ জড়বাদকৰণ, আন্তঃগাঁথনি হিচাপে অর্থনীতি

অধ্যায় ৫ ঃ **সম্পত্তি** ৫১-৬২
ধাৰণা, সম্পত্তি হিচাপে মানুহ, সামাজিক সম্পর্কৰ এটা ৰূপ হিচাপে সম্পত্তি, সম্পত্তি সম্পর্কীয় দৃষ্টিভংগী ঃ জর্জ উইলহেল্ম ফ্রেডৰিক হেগেলৰ দৃষ্টিভংগী, কার্ল মার্ক্সৰ দৃষ্টিভংগী

অধ্যায় ৬ ঃ **বিনিময়** ৬৩-৭৪
এক ধাৰণা হিচাপে বিনিময়, পাৰস্পৰিকতা আৰু উপহাৰ, বিনিময় সম্পর্কীয় দৃষ্টিভংগী ঃ মেলিনভস্কি, ম'চ আৰু লেভি ষ্ট্ৰ'ছ

অধ্যায় ৭ ঃ **মুদ্রা** ৭৫-৮৫
সংজ্ঞা; মুদ্রাৰ সমাজতাত্ত্বিক গাঁথনি, মুদ্রাৰ সংৰচনাত্মক দৃষ্টিভংগী; মুদ্রাৰ সাংস্কৃতিক দৃষ্টিভংগী

পৃষ্ঠা নং

অধ্যায় ৮ ঃ **উৎপাদনৰ ধৰণ** **৮৬-৯৬**

উৎপাদনৰ ধৰণ ঃ অর্থ আৰু ধাৰণা, উৎপাদন শক্তি; উৎপাদনৰ সম্পর্ক; উৎপাদনৰ বিভিন্ন ধৰণ

অধ্যায় ৯ ঃ **জনজাতীয় সমাজত উৎপাদন পদ্ধতি** **৯৭-১০৫**

উৎপাদন পদ্ধতি ঃ জনজাতি-সংজ্ঞা, উৎপাদন পদ্ধতি

অধ্যায় ১০ ঃ **কৃষক সমাজত উৎপাদন পদ্ধতি** **১০৫-১১৩**

কৃষক সমাজ ঃ অর্থ আৰু সংজ্ঞা, বৈশিষ্ট্য, উৎপাদন, বিতৰণ আৰু ব্যৱহাৰৰ ব্যৱস্থা

অধ্যায় ১১ ঃ **পুঁজিবাদী সমাজত উৎপাদন পদ্ধতি** **১১৪-১২৫**

সমাজবাদৰ উৎপত্তিৰ ইতিহাস, সামাজিক বিৱর্তনৰ মার্ক্সবাদী ধাৰণা-দ্বান্দ্বিক বস্তুবাদ, সমাজবাদী সমাজ, উৎপাদন পদ্ধতি, বিতৰণ পদ্ধতি, উপভোগ পদ্ধতি

অধ্যায় ১২ ঃ **সমাজবাদী সমাজত উৎপাদন পদ্ধতি** **১২৬-১৩৫**

সমাজবাদৰ উৎপত্তিৰ ইতিহাস, সামাজিক বিৱর্তনৰ মার্ক্সবাদী ধাৰণা-দ্বান্দ্বিক বস্তুবাদ, সমাজবাদী সমাজ, উৎপাদন পদ্ধতি, বিতৰণ পদ্ধতি, উপভোগ পদ্ধতি

অধ্যায় ১৩ ঃ **অর্থনীতি আৰু ৰাষ্ট্ৰ** **১৩৬-১৪৬**

পৰিকল্পিত অর্থনীতি; কল্যাণকামী ব্যৱস্থাৱলী; ৰাষ্ট্ৰ আৰু গোলকীয় বজাৰ; গোলকীকৰণ, অর্থনীতি আৰু সমাজ

প্রসংগ গ্রন্থসমূহ **১৪৭-১৪৮**

পাঠ্যবিষয়ৰ পৰিচয়

সমাজতত্ত্বৰ এক গুৰুত্বপূৰ্ণ অধ্যয়ন ক্ষেত্ৰ হৈছে অৰ্থনৈতিক সমাজতত্ত্ব । এই পাঠ্যবিষয় সমাজতত্ত্ব বিষয়ৰ স্নাতকোত্তৰ মহলাৰ দ্বিতীয় ষান্মাসিকৰ পাঠ্যক্ৰমৰ বাবে প্ৰস্তুত কৰা হৈছে। শিক্ষাৰ্থীক অৰ্থনৈতিক সমাজতত্ত্ব সম্পৰ্কীয় বিভিন্ন ধাৰণা আৰু তাত্ত্বিক দিশসমূহ গভীৰভাৱে বুজিবলৈ সহায় কৰাই হ'ল এই পাঠ্যবিষয়ৰ মূল উদ্দেশ্য। এই পাঠ্যবিষয়ত মুঠ তেৰটা অধ্যায় আছে। এই পাঠ্যবিষয় আৰম্ভ হৈছে অৰ্থনৈতিক সমাজতত্ত্বৰ প্ৰাৰম্ভিক পৰিচয়েৰে। তাৰ পিছত এই বিষয়টো বুজিবলৈ সহায়ক হোৱা বিভিন্ন তাত্ত্বিক দৃষ্টিভংগীৰ ওপৰত বিস্তৃত আলোচনা কৰা হৈছে। লগতে, এই ক্ষেত্ৰৰ সৈতে সম্পৰ্কিত গুৰুত্বপূৰ্ণ ধাৰণা, চিন্তা, প্ৰাসঙ্গিক সমস্যা আৰু বিভিন্ন দিশবোৰো বিশদভাৱে আলোচনা কৰা হৈছে। সমগ্ৰ পাঠ্যবিষয়টো অধ্যয়ন কৰাৰ পিছত শিক্ষাৰ্থীসকলে অৰ্থনৈতিক সমাজতত্ত্বৰ বিভিন্ন দিশ সম্পৰ্কে বিস্তৃত জ্ঞান লাভ কৰিব। এই পাঠ্যভাগটি পঢ়ি শেষ কৰাৰ পিছত শিক্ষাৰ্থীসকলে বিষয়টোৰ সৈতে সম্পৰ্কিত বিভিন্ন দিশ আৰু তাত্ত্বিক দৃষ্টিভংগীসমূহ বুজিব পাৰিব।

'অৰ্থনৈতিক সমাজতত্ত্ব ঃ এক পৰিচয়' শীৰ্ষক প্ৰথম অধ্যায়টোত অৰ্থনৈতিক সমাজতত্ত্বৰ অৰ্থ, সংজ্ঞা, ক্ষেত্ৰ আৰু গুৰুত্ব সম্পৰ্কে আলোচনা কৰা হৈছে।

'মৌলিক ধাৰণা' শীৰ্ষক দ্বিতীয় অধ্যায়ত মূল্য, বজাৰ, জি দি পি , বৃদ্ধি আৰু বিকাশ আদি মুখ্য ধাৰণাসমূহ আলোচনা কৰা হৈছে।

অধ্যায় ৩, 'অৰ্থনৈতিক সমাজতত্ত্বৰ প্ৰকাৰ্যবাদী দৃষ্টিভংগী' শীৰ্ষক অংশত প্ৰকাৰ্যবাদী দৃষ্টিভংগীৰ ওপৰত আলোকপাত কৰা হৈছে।

অধ্যায় ৪, 'অৰ্থনৈতিক সমাজতত্ত্বৰ মাৰ্ক্সবাদী দৃষ্টিভংগী' শীৰ্ষক অংশত মাৰ্ক্সবাদৰ ধাৰণা, মুখ্য যুক্তি আৰু সমালোচনা সমূহ আলোচনা কৰা হৈছে, যি এই বিষয়টো বুজিবলৈ অতি প্ৰয়োজনীয়।

'সম্পত্তি' শীৰ্ষক পঞ্চম অধ্যায়ত সমাজতাত্ত্বিক দৃষ্টিৰ পৰা সম্পত্তিৰ ধাৰণা সম্পকে আলোচনা কৰা হৈছে আৰু সম্পত্তি সম্পৰ্কীয় গুৰুত্বপূৰ্ণ তাত্ত্বিক দৃষ্টিভংগীসমূহও দিয়া হৈছে।

'বিনিময়' শীৰ্ষক ষষ্ঠ অধ্যায়টিত বিনিময়ৰ ধাৰণা সমাজতাত্ত্বিকভাৱে বুজোৱা হৈছে আৰু ইয়াক বুজিবলৈ প্ৰয়োজনীয় গুৰুত্বপূৰ্ণ তাত্ত্বিক দৃষ্টিভংগীসমূহো আলোচনা কৰা হৈছে।

অধ্যায় ৭, 'মুদ্ৰা' শীৰ্ষক অংশত মুদ্ৰাৰ সংজ্ঞা উল্লেখ কৰা হৈছে আৰু মুদ্ৰা সম্পৰ্কীয় গুৰুত্বপূৰ্ণ তাত্ত্বিক দৃষ্টিভংগীসমূহ আলোচনা কৰা হৈছে।

অধ্যায় ৮, 'উৎপাদনৰ ধৰণ' শীৰ্ষক অধ্যায়ত উৎপাদনৰ পদ্ধতিৰ ধাৰণাৰ লগতে উৎপাদন শক্তি আৰু সম্পৰ্ক আদি ধাৰণা আৰু বিভিন্ন ধৰণৰ উৎপাদনৰ পদ্ধতিৰ বিষয়ে আলোচনা কৰা হৈছে।

'জনজাতীয় সমাজত উৎপাদন পদ্ধতি' শীৰ্ষক নৱম অধ্যায়ত 'জনজাতি' শব্দটোৰ ধাৰণাক ব্যাখ্যা কৰি, জনজাতীয় সমাজত উৎপাদন আৰু উপভোগৰ প্ৰক্ৰিয়াবোৰৰ বিষয়ে আলোচনা কৰা হৈছে।

'কৃষক সমাজত উৎপাদন পদ্ধতি' শীৰ্ষক দশম অধ্যায়ত কৃষক সমাজৰ বৈশিষ্ট্যৰ লগতে এই সমাজসমূহৰ উৎপাদন, বিতৰণ আৰু উপভোগৰ প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰা হৈছে।

অধ্যায় ১১, 'পুঁজিবাদী সমাজত উৎপাদন পদ্ধতি' শীৰ্ষক অংশত পুঁজিবাদী সমাজত উৎপাদন, বিতৰণ আৰু উপভোগ প্ৰক্ৰিয়াসমূহৰ বিষয়ে আলোচনা কৰা হৈছে।

'সমাজবাদী সমাজত উৎপাদন পদ্ধতি' শীৰ্ষক দ্বাদশ অধ্যায়ত সমাজতান্ত্ৰিক সমাজত উৎপাদন, বিতৰণ আৰু উপভোগ প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰা হৈছে।

'অৰ্থনীতি আৰু ৰাষ্ট্ৰ' শীৰ্ষক ত্ৰয়োদশ তথা অন্তিম অধ্যায়টিত পৰিকল্পিত অৰ্থনীতি; কল্যাণকামী ব্যৱস্থাৱলী; ৰাষ্ট্ৰ আৰু গোলকীয় বজাৰ; গোলকীকৰণ আৰু অৰ্থনীতি-সমাজৰ মাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰা হৈছে।

অধ্যায় ১ ঃ অর্থনৈতিক সমাজতত্ব ঃ এটি পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ অর্থ আৰু সংজ্ঞা
১.৪ উৎপত্তি আৰু বিকাশ
১.৫ ধ্রুপদী অর্থনৈতিক সমাজতত্ববিদ
১.৬ পৰিসৰ আৰু গুৰুত্ব
১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৮ অধিক জানিবলৈ
১.৯ অগ্রগতিৰ খতিয়ান
১.১০ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অর্থনৈতিক সমাজতত্বৰ এটা ধাৰণা লাভ কৰিব পাৰিব
- অর্থনৈতিক সমাজতত্বৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব
- বিভিন্ন ধ্রুপদী সমাজতত্ববিদসকলে আগবঢ়োৱা অৱদানসমূহৰ বিষয়ে কিছু কথা জানিব পাৰিব
- অর্থনৈতিক সমাজতত্বৰ পৰিসৰ আৰু গুৰুত্ব বিশ্লেষণ কৰিব পাৰিব।

১.২ পৰিচয়

অর্থনৈতিক সমাজতত্ব সম্পর্কীয় চিন্তাধাৰাৰ প্রাৰম্ভিক আভাস পুৰণি সামাজিক আৰু দার্শনিক পৰম্পৰাৰ মাজতে পোৱা যায় যদিও এইসমূহৰ ক্রমবিকাশ ঘটি অর্থনৈতিক সমাজত্ব বিষয়টোৱে মাত্র এক শতিকাৰ পূৰ্ৱে পূর্ণাংগ ৰূপত প্রতিষ্ঠা লাভ কৰিছে। যোৱা শতিকাত অর্থনৈতিক সমাজতত্বৰ যথেষ্ট বিকাশ হৈছে আৰু ই এক গুৰুত্বপূর্ণ পৰিচয় দিবলৈ সক্ষম হৈছে। এই অধ্যায়ত আমি প্রথমে অর্থ আৰু সংজ্ঞা আৰু তাৰ পাছত উৎপত্তি আৰু বিকাশৰ বিষয়ে আলোচনা কৰিম। ইয়াৰ উপৰিও মার্ক্স, ৱেবাৰ, দুৰখেইমৰ অৱদানসমূহৰ লগতে শ্বুম্পেটাৰ, পার্চ্চনছ আৰু স্মেলছাৰৰ বিষয়েও আলোচনা কৰিম। সর্বশেষত সমাজতত্বৰ ক্ষেত্রখনৰ গুৰুত্ব আৰু পৰিসৰৰ বিষয়ে আলোচনা কৰা হ'ব।

১.৩ অর্থ আৰু সংজ্ঞা

অর্থনৈতিক সমাজতত্ব হৈছে সমাজতত্ত্বৰ এটা শাখা যিয়ে সমাজৰ অর্থনৈতিক পৰিঘটনা সমূহৰ বিষয়ে আলোচনা কৰে। ইয়াত বিভিন্ন ধৰণৰ গৱেষণামূলক প্রশ্ন জড়িত হৈ থাকে। যেনে- বজাৰৰ সম্পর্কই কেনেকৈ কাম কৰে? অর্থনৈতিক ক্ষেত্রত সুবিধা প্রদান কৰা সামাজিক ব্যৱস্থাসমূহ কি কি? অর্থনৈতিক বিনিময়ৰ বাবে সামাজিক সম্পর্ক কিমানখিনি গুৰুত্বপূর্ণ? অর্থনৈতিক মূল্যবোধ নির্দ্ধাৰণ কৰা সামাজিক ব্যৱস্থাসমূহ কি কি? গতিকে অর্থনৈতিক সমাজতত্ব হৈছে সেই প্রশ্নবোৰৰ উত্তৰ দিয়াৰ প্রয়াস যিবোৰ পৰম্পৰাগতভাৱে অর্থনীতিবিদসকলে উত্থাপন কৰে। অর্থনৈতিক সমাজতত্বই সামগ্রী আৰু সেৱাৰ উৎপাদন, বিতৰণ, বিনিময় আৰু ব্যৱহাৰৰ বিশ্লেষণ কৰিবলৈ চেষ্টা কৰে। ই মূলতঃ বিভিন্ন সামাজিক পৰিঘটনাৰ সামাজিক কাৰণ আৰু প্রভাৱৰ অধ্যয়ন। ইয়াত সমাজৰ ওপৰত প্রভাৱ পেলোৱা অর্থনৈতিক গাঁথনিৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। বহুতো ক'ব খোজে যে ই অর্থনৈতিক গাঁথনি আৰু আচৰণ গঢ় দিয়াত চাৰিটা মাত্রাৰ ওপৰত গুৰুত্ব আৰোপ কৰে! নেটৱর্ক, ক্ষমতা, প্রতিষ্ঠান আৰু জ্ঞান।

ৰিচার্ড ছুইডবার্গৰ মতে, অর্থনৈতিক সমাজতত্ব হৈছে বিভিন্ন অর্থনৈতিক পৰিঘটনাৰ সামাজিক কাৰণ আৰু প্রভাৱৰ অধ্যয়ণ। অর্থনৈতিক পৰিঘটনা বিশ্লেষণৰ এক নতুন দৃষ্টিভংগী হিচাপে ইয়াৰ উত্থান ঘটিছিল; বিশেষকৈ অর্থনৈতিক গাঁথনি আৰু প্রতিষ্ঠানসমূহে সমাজৰ ওৰত লোৱা ভূমিকা আৰু প্রকৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। (ৰিচার্ড ছুইডবার্গৰ প্রিন্সিপলছ অৱ ইক'নমিক ছ'চিয়ল'জি এক নিষ্কাশন, ২০০৯)।

এন. এবাৰক্রম্বিৰ মতে, "অর্থনৈতিক সমাজতত্ত্ব হৈছে এক বহল ক্ষেত্র যিয়ে বহুতো বস্তুনিষ্ঠ অর্থনৈতিক পৰিঘটনাক সামৰি লয়।" ইয়াৰ ভিতৰত ব্যক্তি আৰু গোটৰ অর্থনৈতিক কার্যকলাপৰ সকলো দিশ, সামাজিক, সংগঠন, বজাৰ আৰু অন্যান্য অর্থনৈতিক প্রতিষ্ঠানসমূহ ..... আৰু বিভিন্ন সংস্কৃতি আৰু ধর্মৰ অর্থনৈতিক প্রভাৱ আদি অন্যতম। (সমাজতত্ত্বৰ পেংগুইন অভিধান, ২০১৩)।

নীল স্মেলছাৰ আৰু ৰিচার্ড ছুইডবার্গে অর্থনৈতিক সমাজতত্ত্বক অর্থনৈতিক পৰিঘটনাৰ ক্ষেত্রত প্রয়োগ কৰা সমাজ বিজ্ঞানসন্মত দৃষ্টিভংগী হিচাপে সংজ্ঞায়িত কৰিছে। (The Handbook of Economic Sociology, 2nd 2005)।

জোচেফ শ্চুম্পিটাৰে "অর্থনৈতিক বিশ্লেষণৰ ইতিহাস" শীর্ষক বিশ্লেষণটোত চাৰিটা মৌলিক ক্ষেত্রৰ কথা উল্লেখ কৰিছে। সেইকেইটা হ'ল -অর্থনৈতিক ইতিহাস, পৰিসংখ্যা অর্থনৈতিক তত্ব আৰু অর্থনৈতিক সমাজতত্ত্ব। মানুহে নিজৰ সৈতে কেনেদৰে আচৰণ কৰিব লাগে সেই সম্পর্কে অর্থনৈতিক সমাজতত্বই আলোচনা কৰে। যদি মানুহৰ আচৰণক ব্যাপকভাৱে সংজ্ঞাবদ্ধ কৰা হয় তেন্তে ইয়াত কেৱল কার্য আৰু উদ্দেশ্যই নহয়, অর্থনৈতিক আচৰণৰ সৈতে প্রাসংগিক সামাজিক প্রতিষ্ঠান যেনে- চৰকাৰ, সম্পত্তিৰ উত্তৰাধিকাৰ, চুক্তি ইত্যাদিও অন্তর্ভুক্ত কৰা হয়।

১.৪ উৎপত্তি আৰু বিকাশ

যোৱা দুটা শতিকাত বহু বিশিষ্ট চিন্তাবিদ আৰু সমাজতত্ত্ববিদসকলে উৎপাদন, বিতৰণ আৰু উপভাগৰ ওপৰত থকা মানুহৰ পাৰস্পৰিক কার্যৰ বিষয়ে আলোচনা কৰিছে। মানৱ জীৱনৰ আদিম অৱস্থাৰ পৰাই অর্থনৈতিক সংস্থাৰ উৎপত্তি হৈছে। বিভিন্ন অর্থনৈতিক প্রতিষ্ঠানসমূহৰ ফলতেই সহযোগিতা, প্রতিযোগিতা পার্থক্য আৰু শ্রম বিভাজনৰ দৰে বিভিন্ন সম্পর্কসমূহ গঢ়ি উঠিছিল। অর্থনৈতিক কার্যকলাপ আৰু অর্থনৈতিক ইতিহাসৰ প্রধান বিষয়বস্তুৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। অর্থনৈতিক সমাজতত্ত্ব শব্দটো ১৮৭৯ চনত বিট্রিছ অর্থনীতিবিদ ড'ব্লিউ. ষ্টেনলি জেভন্সে প্রথমে ব্যৱহাৰ কৰিছিল। সমাজতত্ত্ববিদসকল যেনেঃ- কার্লমার্ক্স, ইমাইল দুৰখেইম, মেক্স ৱেবাৰ আদিয়ে সেই শব্দটো গ্রহণ কৰে। আৰু তেওঁলোকৰ গ্রন্থসমূহত ব্যৱহাৰ কৰে। বৃহত্তৰ সামাজিক গাঁথনিত শিপাই থকা অর্থনৈতিক জীৱনৰ সৈতে অর্থনৈতিক সমাজতত্ত্বৰ সামঞ্জস্য আছে। অর্থনৈতিক সমাজতত্ত্ব দুটা উৎসৰ পৰা অনুসন্ধান কৰিব পাৰি- এটা ৰাজনৈতিক অর্থনীতিৰ প্রত্যাৱর্তনৰ পৰা আৰু আনটো সাম্রাজ্যবাদৰ উত্থানৰ পৰা। লাখ লাখ মানুহৰ জীৱন আৰু জীৱিকাত ই যথেষ্ট প্রভাৱ পেলায়। অর্থনৈতিক সমাজতত্ত্বই অর্থনৈতিক কার্য, প্রক্রিয়া আৰু গাঁথনিসমূহক বহল সমাজৰ প্রেক্ষাপটত প্রসংগভিত্তিক কৰিবলৈ চেষ্টা কৰিছিল। সামাজিক প্রক্রিয়াৰ মাজেৰে জীৱনৰ বস্তুগত অৱস্থা কেনেকৈ উৎপন্ন আৰু পুনৰ উৎপাদন হয়, সেই বিষয়ে অধ্যয়ন কৰাটোৱেই অর্থনৈতিক সমাজতত্ত্ব। অর্থনীতি আৰু সমাজৰ মাজৰ সংযোগে সমাজতত্ত্বৰ বহু পণ্ডিতক আকর্ষণ কৰিছে। অর্থনৈতিক সমাজতত্ত্বক বহলভাৱে ধ্রপদী যুগ আৰু সমসাময়িক যুগ হিচাপে ভাগ কৰা হয় যিটোক নতুন অর্থনৈতিক সমাজতত্ত্ব বুলি জনা যায়। উদাহৰণস্বৰূপে, মার্ক্সৰ মূল লক্ষ্য আছিল অর্থনৈতিক বৈষম্য আৰু ঐতিহাসিক বস্তুবাদৰ ব্যৱস্থাগত কাৰণ আৰু পৰিণতিৰ বিষয়ে অধ্যয়ণ কৰা।

ৱেহাৰৰ তত্ত্বটো অর্থনৈতিক ধাৰণা আৰু গাঁথনিৰ ওপৰত আধাৰিত আছিল। দুৰখেইমৰ শ্রম বিভাজনত বিনিময়ৰ পূর্বৰ চুক্তিবদ্ধ উৎপাদনসমূহৰ বিষয়ে পোৱা যায়। আনহাতে ছিমেলে পুঁজিবাদী জীৱন আৰু সামাজিক সম্পর্কত গণনা যোগ্যতাৰ উত্থানৰ বিষয়ে আলোচনা কৰিছিল।

অর্থনৈতিক সমাজতত্ত্বৰ ক্ষেত্রখনক বজাৰৰ সমাজতত্ত্ব আৰু উপভোগৰ সমাজতত্ত্ব বুলি পৃথক কৰিব পাৰি। বজাৰৰ সমাজতত্ত্বত প্রতিযোগী, যোগানকাৰী আৰু গ্রাহকৰ মাজৰ সম্পর্ক নিয়ন্ত্রণ কৰা আনুষ্ঠানিক আৰু অনানুষ্ঠানিক নিয়মৰ এটা গোটৰ অধীনত ক্রেতা আৰু বিক্রেতাৰ মাজত বাৰে বাৰে বিনিময় ঘটে। আনহাতে উপভোগৰ সমাজতত্ত্বই উপভোগক এই দৃষ্টিকোণৰ পৰা চাই যে মানুহৰ বাবে উপভোগ কৰা বস্তুৰে কি অর্থ বহন কৰে।



অগ্রগতি নিৰীক্ষণ

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়ক —

১) অর্থনৈতিক সমাজতত্ত্ব শব্দটো প্ৰথম ব্যৱহাৰ কৰা বিদ্বান অর্থনীতিবিদ জন হ'ল .....।

২) অর্থনৈতিক সমাজতত্ত্বৰ ভাগসমূহ কি কি?

.....

.....

৩) নতুন অর্থনৈতিক সমাজতত্ত্ব বুলি কাক কোৱা হয়?

.....

.....

৪) "অর্থনৈতিক সমাজতত্ত্বৰ হাতপুথি"— গ্ৰন্থখন কোনে ৰচনা কৰিছিল?

.....

৫) বজাৰৰ সমাজতত্ত্ব বুলিলে কি বুজে?

.....

.....

১.৫ ধ্ৰুপদী অর্থনৈতিক সমাজতত্ত্ববিদ

কালমার্ক্সে (১৮১৮-১৮৮৩) সমাজত অর্থনীতিৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। আৰু এনে এটা তত্ত্ব গঢ়ি তুলিছিল যাৰ মতে অর্থনীতিয়ে সমাজৰ সাধাৰণ বিৱর্তন নির্দ্ধাৰণ কৰে। বস্তুগত স্বার্থই সমাজৰ গাঁথনি আৰু প্ৰক্ৰিয়া নির্দ্ধাৰণ কৰাত কেনেদৰে ভূমিকা গ্ৰহণ কৰে সেই বিষয়েও মাৰ্ক্সে আলোচনা কৰিছিল। মাৰ্ক্সে সমাজৰ প্ৰতি এক বৈজ্ঞানিক দৃষ্টিভংগী গঢ়ি তুলিব বিছাৰিছিল যিয়ে পৃথিৱীখনত সলনি কৰিব। মার্ক্সৰ অর্থনৈতিক বিশ্লেষণ মূল্যৰ শ্ৰম তত্ত্বৰ ওপৰত নির্ভৰ কৰিছিল য'ত কোনো সামগ্ৰীৰ মূল্যক সেই সামগ্ৰী উৎপাদনৰ বাবে প্ৰয়োজনীয় শ্ৰমৰ সৈতে সমান বুলি গণ্য কৰা হয়। মার্ক্সৰ মতে প্ৰকৃত উৎপাদকসকলেহে মূল্য সৃষ্টি কৰে, সম্পত্তিৰ মালিকসকলে নহয়। মার্ক্সৰ দৃষ্টিভংগীৰ ভিতৰত আটাইতকৈ গুৰুত্বপূর্ণ কথাটো হ'ল মানুহে নিজৰ বস্তুগত স্বার্থৰ বাবে সদায় যুঁজি আহিছে। একেধৰণৰ অর্থনৈতিক স্বার্থৰ বাবে সকলোৱে লগ-লাগি কিছুমান বিশেষ পৰিস্থিতিত কেনেকৈ একত্ৰিত হৈ নিজৰ স্বার্থ উপলব্ধি কৰিব পাৰে সেই কথা বুজিবলৈও তেওঁ অৱিহণা যোগাইছিল।

মাক্সবাদী চিন্তাধাৰাৰ সাধাৰণ কৌশল হৈছে অর্থনৈতিক উদ্যমিতাৰ তত্ত্ব ব্যৱহাৰ কৰি

(উদাহৰণ ঃ শ্ৰমিত নিয়োগৰ জৰিয়তে অতিৰিক্ত মূল্যৰ মূলধন আহৰণ) অর্থনৈতিক জীৱনত সামগ্ৰিক গতিশীলতাৰ লগত (উদাহৰণ ঃ লাভৰ হাৰ) ব্যক্তিৰ ওপৰত পৰা চাপৰ (উদাহৰণ ঃ শ্ৰমৰ বাবে বিকল্প যন্ত্ৰপাতিৰ ওপৰত গুৰুত্ব দিয়া) সম্পর্ক স্থাপন কৰা।

অর্থনৈতিক সমাজতত্ত্ববিদসকলৰ ভিতৰত মেক্সৱেবাৰে এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছিল। তেওঁ অর্থনৈতিক সমাজতত্ত্বৰ বিকাশৰ লগতে অর্থনৈতিক সংগঠনসমূহৰ প্ৰয়োজনীয়তাৰ বিষয়ে বুজি পোৱাত যথেষ্ট অৱদান আগবঢ়াই গৈছে আৰু লগতে আধুনিক যুক্তিবাদৰ পুঁজিবাদৰ উত্থানৰ বাবে তেওঁক অর্থনৈতিক সমাজতত্ত্বৰ অন্যতম পিতৃ হিচাপে উল্লেখ কৰা হয়।

ৱেবাৰৰ তুলনাত এমাইল দুৰখেইমৰ অর্থনীতিৰ বিষয়টোৰ ক্ষেত্ৰখনত কিঞ্চিৎ জ্ঞান থকাৰ বাবে অর্থনৈতিক সমাজতত্ত্বত তেওঁৰ অৱদানো সামান্য আছিল। তেওঁ অর্থনৈতিক সমাজতত্ত্বৰ সংজ্ঞা এনেদৰে দিছিল–"শেষত অর্থনৈতিক প্ৰতিষ্ঠানসমূহ আছে; সম্পদৰ উৎপাদনৰ সৈতে জড়িত প্ৰতিষ্ঠানসমূহ (Serfdom, ভাড়াতীয়া কৃষি, কর্পৰেট সংগঠন, কাৰখানাত, মিলত, ঘৰত ইত্যাদি), বিনিময়ৰ সৈতে জড়িত প্ৰতিষ্ঠান (বাণিজ্যিক সংস্থা, বজাৰ, ষ্টক এক্সচেইঞ্জ ইত্যাদি). বিতৰণৰ সৈতে জড়িত প্ৰতিষ্ঠান (ভাড়া, সুত, দৰমহা ইত্যাদি)। এইবোৰেই অর্থনৈতিক সমাজতত্ত্বৰ মূল বিষয়বস্তু। (নীল, জে. স্মেলছাৰ আৰু ৰিচার্ড ছুইডবার্গ, ২০০৫)।

ভিলফ্রেডো পেৰেটো (১৮৪৮-১৯২৩) ৰে তুলনামূলক আয় বিতৰণ বিশ্লেষণ আৰু উদাসীনতা বক্ৰৰ দৰে অর্থনৈতিক সমাজতত্ত্বৰ ধাৰণাসমূহত অৰিহণা যোগাইছিল। পেৰেটোৰ মতে সম্পদৰ অনুকূল আৱণ্টন (optimum allocation of resources) তেতিয়াহে সম্ভৱ হয় যেতিয়া আনৰ উপযোগিতা হ্ৰাস নকৰাকৈ কোনো ব্যক্তিৰ ব্যক্তিগত উপযোগিতা উন্নত কৰা নহয়। এই নীতিটো প্ৰায়ে সমাজ কল্যাণ বা আয় পুনঃবিতৰণ নীতিৰ প্ৰস্তাৱৰ নায্যতা মূল্যায়নৰ বাবে প্ৰয়োগ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

৬) অর্থনৈতিক সমাজতত্ত্বৰ লগত জড়িত তিনিজন সমাজতত্ত্ববিদৰ নাম লিখক।

.....

৭) অর্থনৈতিক সমাজতত্ত্বৰ পিতৃ বুলি কাক কোৱা হয়?

.....

৮) অর্থনীতিয়ে সমাজৰ সাধাৰণ বিৱর্তন নির্ধাৰণ কৰিছিল"— উক্তিটো কাৰ?

.....

৯) অর্থনৈতিক সমাজতত্ত্বৰ মূল বিষয়বস্তু কি?

.....

.....

১.৬ পৰিসৰ আৰু গুৰুত্ব

অর্থনৈতিক সমাজতত্ত্ব হৈছে সম্পদ সৃষ্টি, বিতৰণ, বিনিময় আৰু ব্যৱহাৰৰ সামাজিক প্রক্রিয়াৰ অধ্যয়ন। অর্থনৈতিক সমাজতত্ত্বত বিশেষকৈ ব্যৱসায় শুশ্রষা, অপৰাধ, অক্ষমতা, নিয়োগ, উদ্যোগী, পৰিৱেশ, পৰিয়াল, খাদ্য, জুৱা, লিংগ, স্বাস্থ্য, গৃহ, বজাৰ, ধন, নেটৱর্ক, দানশীলতা, কৰ, প্রযুক্তি, ধন আদি সন্নিৰিষ্ট কৰা হৈছে। অর্থনৈতিক সমাজতত্ত্ব অর্থনীতি আৰু সমাজৰ সংযোগত উদ্ভৱ হোৱা বিশ্লেষণাত্মক ৰাজনৈতিক আৰু নৈতিক সমস্যাসমূহৰ সৈতে জড়িত। ইয়াত ব্যক্তি আৰু গোটৰ অর্থনৈতিক কার্যকলাপৰ সকলো দিশ অধ্যয়ন কৰা হয়। ইয়াত সংগঠন, বজাৰ আৰু অন্যান্য অর্থনৈতিক সংস্থাৰ অন্তর্ভুক্ত কৰা হৈছে। ইয়াৰ উপৰিও পুঁজিবাদৰ বিকাশ, অর্থনৈতিক ব্যৱস্থাৰ তুলনাত্মক বিশ্লেষণ আৰু বিভিন্ন সংস্কৃতি আৰু ধর্মৰ অর্থনৈতিক প্রভাৱ আদি বিষয়সমূহৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। অর্থনৈতিক সমাজতত্ত্বই উপভোগ আৰু অৱসৰৰ উপাদানসমূহ বুজাত সহায় কৰে। অর্থনৈতিক পৰিঘটনা বুলিলে বহল সামাজিক গাঁথনিৰ প্রেক্ষাপটত মানুহৰ পাৰস্পৰিক ক্রিয়াৰ ফলত সৃষ্টি হোৱা সামাজিক পৰিঘটনা বুজায়। ইয়াত মূলতঃ অর্থনৈতিক কার্যকলাপ আৰু মানুহৰ মাজৰ সম্পর্কৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয় যিয়ে তেওঁলোকৰ অর্থনৈতিক কার্যকলাপত প্রভাৱ পেলায়। অর্থনৈতিক সমাজতত্ত্বৰ এটা প্রাথমিক বৈশিষ্ট্য হৈছে আধুনিকীকৰণ প্রক্রিয়াৰ জৰিয়তে সমসাময়িক সমাজখন অধ্যয়ন কৰা। ইয়াত অর্থনীতি আৰু কর্তাৰ সামাজিক সম্পর্কৰ বিষয়েও অধ্যয়ন কৰা হয়। উদাহৰণস্বৰূপে, অর্থনৈতিক সমাজতত্ত্ব অনুসৰি বজাৰ সংগঠনৰ কার্যকলাপ, ৰাজনৈতিক গাঁথনি, মতাদর্শ আৰু পৰম্পৰাগত পদ্ধতিৰ ওপৰত নির্ভৰশীল। সমাজতত্ত্বৰ শাখাত অর্থনৈতিক সমাজতত্ত্বৰ অন্যতম বিশিষ্ট অৱদান হৈছে স্তৰবিন্যাস আৰু শ্রেণী সংঘাতৰ ব্যাখ্যাৰ ভিত্তি। অর্থনৈতিক ধাৰণাসমূহৰ তত্ত্ব আৰু প্রয়োগৰ সহায়ত আদিম পশুপালন সমাজ, সামন্তীয় বা প্রাৰম্ভিক পুঁজিবাদী সমাজ আৰু আধুনিক সমাজ আদি বিকাশৰ ভিন্ন স্তৰৰ তিনিখন সমাজ বিশ্লেষণ কৰা হয়।

অর্থনৈতিক সমাজতত্ত্বই সমাজ এখনত নিজৰ জীৱিকা উৎপাদন কৰা সংস্থাগত ৰূপ আৰু কাৰিকৰী বাধাসমূহৰ পৰীক্ষা কৰি ব্যক্তিৰ আচৰণৰ সৈতে অর্থনৈতিক শক্তিসমূহক আন্তঃসংযোগ কৰিবলৈ চেষ্টা কৰে।

ইয়াত মূলতঃ অর্থনৈতিক পৰিঘটনাৰ এটা বিশেষ মাত্রা অর্থাৎ ইয়াৰ সামাজিক মাত্রাৰ বিষয়ে আলোচনা কৰা হৈছে। ই হৈছে অর্থনীতিৰ সামাজিক গাঁথনি আৰু সংগঠনৰ এক অধ্যয়ন। ই সাধাৰণতে অর্থনৈতিক পৰিঘটনাৰ সৈতে জড়িত অর্থাৎ ই কেৱল বৃহৎ সমস্যাসমূহেই)যেনে—

অর্থনীতিৰ ওপৰত ধর্মীয় মূল্যবোধৰ প্রভাৱ বা উদ্যোগীকৰণৰ ওপৰত জাতিগত প্রভাৱ) নহয়, সাধাৰণ সমস্যাসমূহো (যেনে— বজাৰসমূহৰ কাম-কাজৰ ধৰণ বা বিনিয়োগৰ সিদ্ধান্ত লোৱাৰ ধৰণ) চিনাক্ত কৰে। সমাজতত্ত্ববিদসকলে বিভিন্ন অর্থনৈতিক পৰিঘটনাসমূহক ভিত্তি কৰি ইয়াৰ লগত জড়িত সামাজিক গতিশীলতা বিশ্লেষণ কৰিবলৈ চেষ্টা কৰে।



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অর্থনৈতিক সমাজতত্ত্ব সম্পর্কীয় চিন্তাধাৰাৰ প্রাৰম্ভিক আভাস পুৰণি সামাজিক আৰু দার্শনিক পৰম্পৰাৰ মাজতে পোৱা যায় যদিও এইসমূহৰ ক্রমবিকাশ ঘটি অর্থনৈতিক সমাজতত্ত্ব বিষয়টোৱে মাত্র এক শতিকাৰ পূর্বেহে পূর্ণাংগ ৰূপত প্রতিষ্ঠা লাভ কৰিছে।
- ১৮৭৯ চনত বিট্রিছ অর্থনীতিবিদ ডব্লিউ, ষ্টেনলি জেভন্সে "অর্থনৈতিক সমাজতত্ত্ব" শব্দটো প্রথমে ব্যৱহাৰ কৰিছিল। এই শব্দটো মাক্স, দুৰখেইম আৰু ৱেবাৰৰ ৰচনাসমূহত দেখা পোৱা যায়।
- অর্থনৈতিক সমাজতত্ত্ব হৈছে সমাজতত্ত্বৰ এটা শাখা যিয়ে সমাজৰ অর্থনৈতিক পৰিঘটনাসমূহৰ বিষয়ে আলোচনা কৰে। অর্থনৈতিক সমাজতত্ত্বই সামগ্রী আৰু সেৱাৰ উৎপাদন, বিতৰণ, বিনিময় আৰু ব্যৱহাৰৰ বিশ্লেষণ কৰিবলৈ চেষ্টা কৰে। ই মূলতঃ বিভিন্ন সামাজিক পৰিঘটনাৰ সামাজিক কাৰণ আৰু প্রভাৱৰ অধ্যয়ন। ইয়াত সমাজৰ ওপৰত প্রভাৱ পেলোৱা অর্থনৈতিক গাঁথনিৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।
- অর্থনৈতিক সমাজতত্ত্বক ধ্রুপদী যুগ আৰু সমসাময়িক যুগৰ প্রেক্ষাপটত বুজা যায়। ধ্রুপদী অর্থনৈতিক সমাজতত্ত্বই আধুনিকীকৰণ, যুক্তিবাদীকৰণ, ধর্ম নিৰপেক্ষতা, সামাজিক স্তৰীকৰণ, নগৰীকৰণৰ সৈতে মোকাবিলা কৰে। নতুন অর্থনৈতিক সমাজতত্ত্ব নামেৰে জনাজাত অর্থনৈতিক সমাজত সমসাময়িক সময়ছোৱা আৰম্ভ হৈছে মার্ক গ্রেন'ভেটৰৰ "অর্থনৈতিক কার্য আৰু সামাজিক গাঁথনি নামৰ প্রৱন্ধটিৰ পৰা।
- মাক্সৰ মূল লক্ষ্য আছিল অর্থনৈতিক বৈষম্য আৰু ঐতিহাসিক বস্তুবাদৰ ব্যৱস্থাগত কাৰণ আৰু পৰিণতিৰ বিষয়ে অধ্যয়ন কৰা। ৱেবাৰৰ তত্ত্বটো অর্থনৈতিক ধাৰণা আৰু গাঁথনিৰ ওপৰত আধাৰিত আছিল। দুৰখেইমৰ শ্রম বিভাজনত বিনিময়ৰ পূর্বৰ চুক্তিবদ্ধ উপাদানসমূহৰ বিষয়ে পোৱা যায়। আনহাতে ছিমেলে পুঁজিবাদী জীৱন আৰু সামাজিক সম্পর্কত গণনা-যোগ্যতাৰ উত্থানৰ বিষয়ে আলোচনা কৰিছিল।

  অর্থনৈতিক সমাজতত্ত্বৰ অন্যতম গুৰুত্ব হৈছে— সম্পদৰ সৃষ্টি, বিতৰণ, বিনিময় আৰু ব্যৱহাৰৰ সামাজিক প্রক্রিয়াৰ অধ্যয়ণ।



১.৮ অধিক জানিবলৈ

- Smelser Neil J. and Richard Swedberg (2005) The Handbook of Economic Sociology
- Swedberg Richard (2007) Principles of Economic Sociology.



১.৯ অগ্রগতি খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ডব্লিউ ষ্টেনলি জেভন্স।

২ নং প্রশ্নৰ উত্তৰ ঃ অর্থনৈতিক সমাজতত্ত্বক বহলভাৱে দুটা ভাগত ভাগ কৰা হয়— ধ্রুপদী যুগ আৰু সম-সাময়িক যুগ যাক নতুন অর্থনৈতিক সমাজতত্ত্ব বুলি জনা যায়।

৩ নং প্রশ্নৰ উত্তৰ ঃ নতুন অর্থনৈতিক সমাজতত্ত্ব বুলি অর্থনৈতিক সমাজতত্ত্বৰ সমসাময়িক সময়খিনিক কোৱা হয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ নীল স্মেলছাৰ আৰু ৰিচার্ড ছুইডবার্গে "অর্থনৈতিক সমাজতত্ত্বৰ হাতপুথি" নামৰ গ্রন্থখন ৰচনা কৰিছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ বজাৰৰ সমাজতত্ত্ব এনে এক ব্যৱস্থা য'ত প্রতিযোগী যোগানকাৰী আৰু গ্রাহকৰ মাজৰ সম্পর্ক নিয়ন্ত্রণ কৰা আনুষ্ঠানিক আৰু অনানুষ্ঠানিক নিয়মৰ এটা গোটৰ অধীনত ক্রেতা আৰু বিক্রেতাৰ মাজত বাৰে বাৰে বিনিময় ঘটে।

৬ নং প্রশ্নৰ উত্তৰ ঃ কাল মার্ক্স, মেক্স ৱেবাৰ আৰু ইমাইল দুৰখেইম।

৭ নং প্রশ্নৰ উত্তৰ ঃ মেক্স ৱেবাৰক অর্থনৈতিক সমাজতত্ত্বৰ পিতৃ বুলি কোৱা হয়।

৮ নং প্রশ্নৰ উত্তৰ ঃ "অর্থনীতিয়ে সমাজৰ সাধাৰণ বিৱর্তন নির্দ্ধাৰণ কৰিছিল"— উক্তিটো কাল মার্ক্সৰ।

৯ নং প্রশ্নৰ উত্তৰ ঃ সম্পদৰ উৎপাদন বিনিময় সৈতে জড়িত সংস্থা, বিতৰণৰ সৈতে জড়িত সংস্থা আদিয়ে অর্থনৈতিক সমাজতত্ত্বৰ বিষয়বস্তু গঠন কৰে।



১.১০ আৰ্হি প্রশ্ন

(ক) এটা বা দুটা শব্দৰে উত্তৰ দিয়ক

প্রশ্ন নং ১) পুঁজিবাদী জীৱন আৰু সামাজিক সম্পর্কৰ গণনা-যোগ্যতাৰ সৈতে কোনে

মোকাবিলা কৰে?

প্রশ্ন নং ২) অর্থনৈতিক সমাজতত্ত্বৰ নীতি কোনে দিছিল?

(খ) চমু প্রশ্ন (প্রায় ১৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১) অর্থনৈতিক সমাজতত্ত্বৰ যাত্রাসমূহ কি কি?

প্রশ্ন নং ২) চমুটোকা লিখক—

(ক) উপভোগৰ সমাজতত্ত্ব

(খ) নতুন অর্থনৈতিক সমাজতত্ত্ব

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ১) অর্থনৈতিক সমাজতত্ত্বৰ অর্থ আৰু পৰিসৰৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন নং ২) ধ্রুপদী অর্থনৈতিক সমাজতত্ত্ববিদসকলে আগবঢ়োৱা অৱদানৰ বিষয়ে আলোচনা কৰক।

****

অধ্যায় ২ ঃ মৌলিক ধাৰণা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ মূল্য

২.৪ বজাৰ

২.৫ বিনিময়

২.৬ মুঠ ঘৰুৱা উৎপাদন

২.৭ শ্রম

২.৮ সম্পত্তি

২.৯ মুদ্রা আৰু যুক্তিবাদ

২.১০ অর্থনৈতিক বৃদ্ধি

২.১১ অর্থনৈতিক উন্নয়ন

২.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.১৩ অধিক জানিবলৈ

২.১৪ অগ্রগতিৰ খতিয়ান

২.১৫ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মূল্যৰ অর্থ ধাৰণা কৰিব পাৰিব
- বজাৰ আৰু বিনিময়ৰ অর্থ বুজিব পাৰিব
- মুঠ ঘৰুৱা উৎপাদনৰ ধাৰণাটো বুজিব পাৰিব
- সমাজতাত্ত্বিক দৃষ্টিকোণৰ জৰিয়তে সম্পত্তিৰ ধাৰণাটো বুজিব পাৰিব
- মুদ্রা আৰু যুক্তিবাদ সম্পর্কে ধাৰণা কৰিব পাৰিব
- অর্থনৈতিক বৃদ্ধি আৰু অর্থনৈতিক উন্নয়নৰ মাজৰ পার্থক্য সম্পর্কে জানিব পাৰিব।

২.২ পৰিচয়

সমাজৰ ব্যক্তিসকলে বিভিন্ন দ্রব্য আৰু সেৱাৰ উৎপাদন, বিতৰণ আৰু বিনিময়ৰ বাবে যিকোনো কার্যকলাপ সম্পাদন কৰে, তাকে সামগ্রিকভাৱে অর্থনীতি বুলি ক'ব পাৰি। এই অধ্যায়টিত অর্থনৈতিক সমাজতত্ত্বৰ সৈতে জড়িত প্রধান ধাৰণাসমূহৰ সৈতে পৰিচয় কৰাৰ লগতে ইয়াক

বৃহৎ দৃষ্টিভংগীৰে বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা হৈছে। ইয়াৰ উপৰিও মূল্য, সম্পত্তি, ঘৰুৱা মুঠ উৎপাদন (জি.ডি.পি.) আদি কেইবাটাও ধাৰণাক গুৰুত্ব আৰোপ কৰাৰ লগতে মানুহৰ অৰ্থনৈতিক আচৰণ আৰু সমাজত চলি থকা বজাৰ আৰু বিনিময় ব্যৱস্থা সম্পৰ্কে এই অধ্যায়টিত আলোচনা কৰা হৈছে।

২.৩ মূল্য

মূল্য মানে কোনো সামগ্ৰী উপযোগিতা কিন্তু অৰ্থনীতিত 'মূল্য' শব্দটোৰ অৰ্থ একেবাৰে বেলেগ। মূল্যবোধ হৈছে সামাজিক, বস্তুনিষ্ঠ আৰু ঐতিহাসিক শ্ৰেণীৰ অন্তৰ্ভূক্ত। ই প্ৰতিজন উৎপাদকৰ সামগ্ৰিক ফলাফলৰ দ্বাৰা নিৰ্ধাৰিত হয়। ই বস্তুনিষ্ঠ কাৰণ ইয়াক দিয়া হয়, এবাৰ কোনো এটা সামগ্ৰীৰ উৎপাদন শেষ হ'লে, আৰু এইদৰে বজাৰত গ্ৰাহকৰ ব্যক্তিগত (বা সামূহিক) মূল্যায়নৰ পৰা স্বাধীন আৰু ই ঐতিহাসিকভাৱে আপেক্ষিক কাৰণ ই প্ৰতিটো গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ লগে লগে (প্ৰগতি বা পশ্চাদগমন) সলনি হয়। আদাম স্মিথৰ মতে মূল্য শব্দটো দুটা অৰ্থত ব্যৱহাৰ কৰিব পাৰি অৰ্থাৎ ব্যৱহাৰ মূল্য আৰু বিনিময় মূল্য। ইয়াৰ বিষয়ে তলত ব্যাখ্যা কৰা হৈছে—

ব্যৱহাৰ মূল্য ঃ

ই হৈছে এনে এক শক্তি যি পণ্যৰ অভাৱ পূৰণ কৰিব পাৰে। কোনো এক সামগ্ৰী ব্যৱহাৰৰ পৰা যি সন্তুষ্টি লাভ কৰে; সেই সন্তুষ্টিকে ব্যৱহাৰৰ মূল্য বুলি জনা যায়। ব্যৱহাৰৰ মূল্যই কোনো সামগ্ৰীৰ মূল্য নিৰ্ণয়ৰ বাবে এক পূৰ্বচৰ্ত হিচাপে কাম কৰে। ইয়াৰ পৰিসৰ নিৰ্ধাৰণ কৰা নহয়। উদাহৰণস্বৰূপে, পানীৰ ব্যৱহাৰৰ মূল্য অপৰিসীম, কাৰণ ই পিয়াহ দূৰ কৰে আৰু ইয়াৰ অবিহনে দৈনন্দিন জীৱন সম্ভৱ নহয়। পানীৰ গুণগত মান হ'ল পানীৰ ব্যৱহাৰৰ মূল্য। পানীৰ ব্যৱহাৰৰ মূল্য অধিক হোৱা স্বত্তেও আমি বিশেষ গুৰুত্ব প্ৰদান নকৰো কাৰণ আমাৰ বাবে পানী সহজলভ্য। আমি পৰিমাণতকৈ প্ৰান্তীয় এককক বেছি গুৰুত্ব দিওঁ।

বিনিময় মূল্য ঃ

ই হৈছে আমি বজাৰত কোনো বিশেষ সামগ্ৰীৰ বিনিময়ত লাভ কৰিব পৰা সামগ্ৰী আৰু সেৱাৰ সংখ্যা। অৰ্থাৎ সেই সামগ্ৰীসমূহ বজাৰত বিক্ৰী আৰু ক্ৰয় কৰিব পৰা বিশেষ সামগ্ৰীৰ মূল্যৰ দ্বাৰা নিৰ্ধাৰিত হয়। উদাহৰণস্বৰূপে, যদি ১ ডজন কলৰ বিনিময়ত ১ কি.গ্ৰা. চাউল পোৱা যায়, তেন্তে আমি ক'ব পাৰো যে ১ কি.গ্ৰা. চাউলৰ মূল্য ১ ডজন কলৰ সৈতে সমান।

সেয়েহে, বিনিময় মূল্য দুটা উপাদানৰ ওপৰত নিৰ্ভৰ কৰে—

(I) সময় ঃ বিনিময় মূল্য 'সময়'ৰ ওপৰত নিৰ্ভৰ কৰে। অৰ্থাৎ সময়ৰ পৰিৱৰ্তনৰ লগে লগে কোনো এটা সামগ্ৰীৰ বিনিময় মূল্য ভিন্ন হ'ব পাৰে।

(II) স্থান ঃ স্থানভেদে বিনিময় মূল্যও ভিন্ন হয়। কোনো এটা বিশেষ সামগ্ৰীৰ বিনিময় মূল্য এখন বজাৰৰ পৰা আন এখন বজাৰলৈ ভিন্ন হয়। সেয়েহে সময় আৰু স্থান

অনুসৰি ইয়াৰ ভিন্নতা থাকে। আকৌ, কোনো এটা সামগ্ৰীৰ ব্যৱহাৰৰ মূল্য অপৰিসীম হ'লেও সেই একেই সামগ্ৰীটোৰ বিনিময় মূল্য নাথাকিবও পাৰে। উদাহৰণস্বৰূপে, পানীৰ ব্যৱহাৰ মূল্য অপৰিসীম যদিও বিনিময় মূল্য নাই। ইয়াৰ বিপৰীতে হীৰাৰ বিনিময় মূল্য অধিক যদিও ব্যৱহাৰৰ মূল্য নাই।

মাৰ্ক্সৰ মূল্য তত্ত্বক প্ৰায়ে উৎপাদন তত্ত্বৰ সৈতে উপস্থাপন কৰা হয়, য'ত উৎপাদনৰ বিভিন্ন পৰ্যায়ৰ মূল্য সংযোজিত কৰি চূড়ান্ত মূল্য নিৰ্ধাৰণ কৰা হয়। আদাম স্মিথৰ মূল্য তত্ত্ব হৈছে এনে এক তত্ত্ব যাৰ জৰিয়তে প্ৰতিটো উৎপাদনৰ কাৰকৰ অৱদানৰ মূল্যায়ন কৰিবলৈ চেষ্টা কৰা হয়। আনহাতে ৰিকার্ডো আৰু মাৰ্ক্সে এটা সামগ্ৰীৰ মূল্যক সুনিৰ্দিষ্ট সময়ত সমাধান কৰিছিল আৰু তাৰ পাছত উৎপাদিত মূল্যৰ ওপৰত উৎপাদনৰ কাৰকসমূহক ব্যক্তিগতকৰণ কৰা বুলি দাবী কৰা শ্ৰেণীসমূহৰ সংগ্ৰাম পৰীক্ষা কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ মূল্য বুলিলে কি বুজে?

.....

প্ৰশ্ন ২ ঃ মূল্যৰ বিভাজন কোনে কৰিছিল?

.....

প্ৰশ্ন ৩ ঃ মূল্যৰ বিভাজনসমূহ কি কি?

.....

২.৪ বজাৰ

বজাৰ হৈছে এনে এক স্থান য'ত বিশেষকৈ কৃষক সমাজৰ সামগ্ৰী আৰু সেৱাৰ বিনিময় হয়। বজাৰ ব্যৱস্থাই এটা অঞ্চলৰ ৰাজনৈতিক আৰু আৰ্থ-সামাজিক ক্ষেত্ৰখনৰ বৃদ্ধিত যথেষ্ট সহায় কৰে। বজাৰ এখনে বিনিময় ব্যৱস্থাটোক কাৰ্যক্ষম কৰি তোলে আৰু এটা ক্ৰমত গঢ় দিয়ে। আধুনিক পুঁজিবাদী অৰ্থনীতিত বজাৰসমূহে কেনেদৰে ভূমিকা পালন কৰে সেয়া বুজাটো গুৰুত্বপূৰ্ণ। ইয়াত মানুহৰ প্ৰয়োজনীয়তা কেনেকৈ পূৰণ কৰা হয় আৰু বিক্ৰেতাসকলৰ বাবে কেনেকৈ আয়ৰ সৃষ্টি হয় সেই বিষয়ে দেখুওৱা হৈছে। বিক্ৰেতাসকলে ব্যৱসায় কেনেকৈ চলায় সেই কথা বুজিবলৈ এই পাঠটিয়ে সহায় কৰিব। বজাৰ হৈছে লেনদেনৰ এক ব্যৱস্থা যিয়ে ক্ষুদ্ৰ ব্যৱসায়ী আৰু যোগানকাৰীৰ স্বাৱলম্বীতাক সমৰ্থন কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ বজাৰৰ মূল বৈশিষ্ট্য কি ?

.....

.....

প্রশ্ন ৫ ঃ বজাৰৰ এটা কার্য উল্লেখ কৰক।

.....

.....

২.৫ বিনিময়

বিনিময় সাধাৰণতে বজাৰত হোৱা দেখা যায় য'ত নিৰাপত্তা আৰু অন্যান্য আর্থিক সামগ্রীৰ লেনদেন কৰা হয়। বিনিময়ৰ মূল কাম হ'ল নিৰপেক্ষ আৰু শৃংখলাবদ্ধ লেনদেনৰ ব্যৱস্থা কৰা। এটা দুর্লভ সম্পদৰ সৈতে আন এটা সম্পদৰ বিনিময় অর্থনৈতিক আচৰণৰ লগত জড়িত হৈ থাকে। যেতিয়া মানুহে পাৰিশ্রমিকৰ বাবে কাম কৰে, তেওঁলোকে নিজৰ দুর্লভ সময়, কষ্ট আৰু দক্ষতাক আয়ৰ সৈতে বিনিময় কৰে আৰু যেতিয়া মানুহে ক্রয় কৰে, তেতিয়া তেওঁলোকৰ দুর্লভ আয়ৰ সৈতে সামগ্রী আৰু সেৱাৰ বিনিময় কৰে। সহজ অর্থত ক'বলৈ গ'লে বিনিময় অর্থনৈতিক কার্যকলাপ প্রয়োজনীয়তাৰ দ্বাৰা পৰিচালিত হয়। মেক্স ৱেবাৰে বিশ্লেষণ কৰিছিল যে বিনিময়ে আধুনিক অর্থনীতিৰ ওপৰত প্রভাৱ পেলায় আৰু লগতে ৰাজনৈতিক গাঁথনিতো ইয়াৰ অৱদান যথেষ্ট বেছি। ৱেবাৰৰ মতে বিনিময়ে পৰিমাণ নির্ণয়, বিশ্বায়ন আৰু ব্যক্তিহীনতাৰ ওপৰত ভিত্তি কৰি বিত্তীয় আৰু অর্থনৈতিক ব্যৱস্থাৰ নির্ধাৰণ কৰে। বজাৰ বিনিময় লেনদেনৰ ওপৰত ভিত্তি কৰি কৰা হয় বা মানুহৰ মাজত কোনো সামগ্রী বা সেৱাৰ অৱস্থাৰ পৰিৱর্তনৰ যোগেদি হয়, যাক বিক্রী বুলি কোৱা হয়। বিনিময়ৰ মাধ্যম হিচাপে মুদ্রাৰ বিৱর্তনে আধুনিক বাণিজ্য, আন্তঃৰাষ্ট্রীয় বাণিজ্য আৰু বিশ্ব সমৃদ্ধিৰ বিকাশত যথেষ্ট প্রভাৱ পেলাইছিল। বজাৰ অর্থনীতিত মুদ্রাই কেন্দ্রীয় ভূমিকা গ্রহণ কৰে কাৰণ ই বিনিময়ৰ মাধ্যম হিচাপে কাম কৰে। মুদ্রাৰ আগমনে বিনিময়ৰ জৰিয়তে উৎপাদকসকলক ব্যৱসায়ৰ বাবে সামর্থবান কৰি তুলিলে।

২.৬ মুঠ ঘৰুৱা উৎপাদন

মুঠ ঘৰুৱা উৎপাদন (GDP) হৈছে কোনো এখন দেশত এটা নির্দিষ্ট সময়ৰ ভিতৰত উৎপাদিত সকলো সামগ্রী আৰু সেৱাৰ আর্থিক মূল্য। কোনো এখন দেশৰ অর্থনৈতিক অগ্রগতি আন এখন দেশৰ লগত তুলনা কৰিবলৈ জি.ভি.পি. ব্যৱহাৰ কৰা হয়। অর্থনীতিৰ উত্থান-পতনৰ

ওপৰত নির্ভৰ কৰি জি.ডি.পি. বৃদ্ধিৰ হাৰ সলনি হয়। চৰকাৰী নেতাসকলে অর্থনৈতিক নীতি প্রস্তুত কৰাৰ সময়ত জি.ডি.পিৰ প্রতিবেদন বিশ্লেষণ কৰে। আনকি ব্যৱসায়িক নেতাসকলেও ভৱিষ্যতৰ বিনিয়োগ আৰু উৎপাদনৰ সিদ্ধান্ত ল'বলৈ জি.ডি.পি. প্রতিবেদন প্রতিফলিত হোৱা অর্থনীতিৰ প্রদর্শন বিশ্লেষণ কৰে।

মুঠ ঘৰুৱা উৎপাদন কোনো সর্বাংগীন পদক্ষেপ নহয়। ইয়াত এখন দেশৰ অর্থনীতিক প্রভাৱান্বিত কৰা কিছুমান কাৰক যেনে— মজুৰিবিহীন শ্রম, অর্থনৈতিক কার্যকলাপৰ পাৰিৱেশিক প্রভাৱ, আৰু অনা-আর্থিক কার্য যেনে— আজৰি সময়ৰ মূল্য আদি বাদ দিয়ে।

জি.ডি.পি.ক এখন দেশৰ মুঠ অর্থনৈতিক কার্যকলাপৰ আটাইতকৈ বহল পৰিমাণগত পৰিমাপ হিচাপে ধৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ মুঠ ঘৰুৱা উৎপাদন (GDP) বুলিলে কি বুজে?

.....

.....

২.৭ শ্রম

মার্ক্সে ব্যাখ্যা কৰিছে, "মই শ্রম-শক্তি বা শ্রমৰ ক্ষমতা শব্দটো মানুহৰ মাজত থকা সেই শাৰীৰিক আৰু মানসিক ক্ষমতাবোৰৰ সমষ্টিক বুজাবলৈ ব্যৱহাৰ কৰো, যিবোৰ তেওঁ প্রয়োজনত ব্যৱহাৰ কৰিব পাৰে।" শ্রম শক্তিৰ মূল্য, আন প্রতিটো পণ্যৰ দৰেই, উৎপাদনৰ বাবে প্রয়োজনীয় শ্রম সময়ৰ দ্বাৰা নির্ধাৰিত হয় আৰু ফলস্বৰূপে প্রজননৰ বাবে শ্রম শক্তি কেৱল জীৱিত ব্যক্তিৰ পূর্বধাৰণা হিচাপে গণ্য কৰা হয়; শ্রমৰ উৎপাদন শ্রমিকৰ নিজৰ প্রজননৰ ওপৰত, শ্রমিকৰ ৰক্ষণা-বেক্ষণৰ ওপৰত নির্ভৰশীল। কার্ল মার্ক্সেও বিমূর্ত শ্রম আৰু মূর্ত শ্রমৰ মাজত পার্থক্যৰ কথা উল্লেখ কৰিছে। প্রথমটোৰ অর্থ হৈছে মানৱ শ্রম অর্থাৎ অর্থনৈতিকভাৱে মূল্যবান কর্মসময়; দ্বিতীয়টোৰ অর্থ হৈছে মানৱ শ্রমক এটা নির্দিষ্ট কার্যকলাপ হিচাপে গণ্য কৰা।

অর্থনৈতিকভাৱে মূল্যবান কর্মৰ সময়ত, মানৱ শ্রম ব্যয় কৰা হয় সামগ্রী বা সম্পত্তিৰ মূল্য সংযোজনৰ বাবে। অর্থাৎ শ্রম হৈছে এনে এক কার্যকলাপ যিয়ে অর্থনৈতিক মূল্য বজাই ৰাখি শ্রমৰ সামগ্রীৰ বিক্রীৰ পাছত মুদ্রাৰ এক ৰাশি হিচাপে ধৰিব পৰা যায়। যদি সকলো শ্রম প্রত্যাহাৰ কৰা হয়, তেন্তে সম্পত্তিৰ মূল্যও হ্রাস পাব। অন্যহাতে, মানুহৰ শ্রমে এটা নির্দিষ্ট সামগ্রীৰ উৎপাদনৰ ক্ষেত্রত যথেষ্ট প্রভাৱ পেলায় যিবোৰ সামগ্রী আনে ব্যৱহাৰ কৰে। সহজ অর্থত শ্রম হৈছে এনে এক কার্য যিয়ে ব্যৱহাৰ মূল্য বস্তু অর্থাৎ বস্তুগত সামগ্রীৰ সৃষ্টি কৰে। যদি শ্রমে ব্যৱহাৰ কৰিব

নোৱাৰা সামগ্ৰী উৎপন্ন কৰে, তেন্তে সেয়া শ্ৰমৰ সময়ৰ অপচয় হোৱা বুজায়। সেয়েহে মাৰ্ক্সে এটা যুক্তি আগবঢ়ায় যে মানুহৰ শ্ৰম এনে এক কাৰ্যকলাপ যাৰ উপযোগী প্ৰভাৱ থাকে আৰু ই বিশেষ ধৰণৰ সামগ্ৰী সৃষ্টি কৰাত সহায় কৰে। অৰ্থনৈতিক অৰ্থত মূল্যৰ সৃষ্টি কৰিব পাৰে।

শ্ৰমৰ মূল্য মানুহৰ শ্ৰম শক্তিৰ পৰা হোৱা উৎপাদন আৰু উৎপাদন প্ৰক্ৰিয়াৰ মূল্যৰ সৈতে সংযোজিত হয়। কোনো কাৰ্যকালৰ বিনিময়ত পাৰিশ্ৰমিক দিয়া আৰু নিদিয়াটো কেৱল পুঁজিবাদৰ বৈশিষ্ট্য নহয়। এই কথা আমি পাই আহিছো যে সকলো শাসক শ্ৰেণীয়ে নিপীড়িত শ্ৰেণীক শোষণ কৰিয়েই বৰ্তি থাকে। কিন্তু পুঁজিবাদৰ ভিতৰত এটা বিশেষ বৈশিষ্ট্য আছে যি কৰ্মক্ষেত্ৰ এখনৰ শ্ৰম বিভাজনক বজাৰৰ বাবে উৎপাদনে যোগান ধৰে। কোনো শ্ৰমিকেই উৎপাদিত সামগ্ৰীটোক 'এইটো মোৰ' বুলি দাবী কৰিব নোৱাৰে। এটা সামগ্ৰী শ শ খুচুৰা শ্ৰমিকৰ হাতেৰে পাৰ হৈ যায় আৰু ই কাৰখানৰ সামূহিক শ্ৰমৰ উৎপাদন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৭ ঃ বিমূৰ্ত শ্ৰম আৰু মূৰ্ত শ্ৰম বুলিলে কি বুজে?

.....

.....

২.৮ সম্পত্তি

সম্পত্তি এনে এক অধিকাৰ আৰু কৰ্তব্যৰ সংহতি যিয়ে ব্যক্তি বা গোটৰ বস্তুগত সামগ্ৰীৰ ওপৰত তেওঁলোকৰ নিয়ন্ত্ৰণৰ সম্পৰ্কক বুজায়। সম্পত্তিৰ মূল ধাৰণাটো হ'ল কোনো ব্যক্তি বা গোটৰ বস্তুগত সামগ্ৰীৰ ওপৰত স্বীকৃতিপ্ৰাপ্ত অধিকাৰ থাকে অৰ্থাৎ ইয়াৰ সৈতে সাধাৰণতে নিষেধাজ্ঞা জড়িত হৈ থাকে।

যুগ যুগ ধৰি দাৰ্শনিকসকলে সম্পত্তিৰ উৎপত্তি নিৰ্ণয় কৰিবলৈ চেষ্টা কৰি আহিছে। ১৮৮৪ চনত ফ্ৰেড্ৰিখ এংগেলছে (১৮২০-১৮৯৫) "The Origin of the Family, Private Property and the State" নামৰ গ্ৰন্থখন লিখিছিল।আৰু মাৰ্ক্সে আদিম অৱস্থাৰ চিকাৰ আৰু সংগ্ৰহৰ পৰা কৃষিলৈকে হোৱা পৰিৱৰ্তনৰ সময়ছোৱাতে সম্পত্তিৰ উৎপত্তি ধাৰণাটো অহা বুলি অনুমান কৰে। জনজাতিসকলে এটা নিৰ্দিষ্ট মাটি খেতি কৰি বসতি স্থাপন কৰিলে সেই ঠাইখিনি আৰু উৎপাদিত সামগ্ৰীবোৰ নিজৰ বুলি দাবী কৰাৰ হেঁপাহ গঢ় লৈ উঠিল যাৰ ফলত সম্পত্তিৰ ধাৰণাটো গঢ় লৈ উঠে। লাহে লাহে সম্পত্তিৰ ধাৰণাটো সামূহিকৰ পৰা ব্যক্তিগত লৈ পৰিৱৰ্তন হয় আৰু খেতিত সহায় কৰা জীৱ-জন্তুবোৰকো সম্পত্তিৰ অন্তৰ্ভুক্ত কৰিবলৈ আৰম্ভ কৰে। কিন্তু খেতিৰ ৰোপণ চোৱাচিতা আৰু খেতিৰ সংগ্ৰহৰ ক্ষেত্ৰত মানুহৰ গুৰুত্ব আছিল কাৰণ ই এক শ্ৰম

নিবিড় প্ৰক্ৰিয়া আছিল। এটা সময়ত পুৰুষসকলে তেওঁলোকৰ জীৱজন্তু আৰু তেওঁলোকৰ মানুহৰ লগতে পত্নী আৰু সন্তানকো তেওঁলোকৰ সম্পত্তি আৰু তেওঁ নিজে তাৰ মালিক বুলি ভাবিবলৈ আৰম্ভ কৰে। মাটি, বস্তু বা সামগ্ৰী, জীৱ-জন্তু আৰু মানুহ সকলো পুঁজিবাদৰ বাবে অতি গুৰুত্বপূৰ্ণ আছিল। পুঁজিবাদৰ অধীনত এই সম্পত্তিৰ ধাৰণাটো পৰম্পৰাগত মাটিৰ ক্ৰয়ৰ পৰা মালিকীস্বত্ব কৰিব পৰা সামগ্ৰীলৈকে ৰূপান্তৰিত কৰা হৈছিল।

তলত সম্পত্তিৰ কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য দিয়া হৈছে—

i) সম্পত্তি মালিকে বিক্ৰী, বিনিময় বা উপহাৰৰ জৰিয়তে হস্তান্তৰ কৰিব পাৰে।

ii) ব্যক্তিৰ সম্পত্তিৰ অধিকাৰ মূৰ্ত আৰু বিমূৰ্ত দুয়ো প্ৰকাৰে লাভ কৰিব পাৰি।

iii) সম্পত্তিৰ অধিকাৰৰ অৰ্থ মালিকৰ প্ৰকৃত ব্যৱহাৰ আৰু উপভোগ কৰাটো বাধ্যতামূলক নহয়। আইনে মালিকীস্বত্ব আৰু দখলৰ মাজত পাৰ্থক্য ৰাখে।

iv) সম্পত্তিৰ দখলৰ অৰ্থ হ'ল আনৰ ক্ষমতাৰ ওপৰত দখল কৰা। মুদ্ৰা আৰু অন্যান্য মূৰ্ত আৰু অমূৰ্ত দ্ৰব্যই এজন ব্যক্তিৰ সুনাম অৰ্জনত সহায় কৰাৰ লগতে তেওঁৰ ক্ষমতাৰ আধাৰ হিচাপে কাম কৰে।

সম্পত্তিক তিনি ধৰণে পৃথক কৰিব পাৰি— সাধাৰণ, সামূহিক আৰু ব্যক্তিগত সম্পত্তি। সাধাৰণ সম্পত্তিত বহুতো ব্যক্তিৰ অধিকাৰ থাকে অৰ্থাৎ তেওঁলোকে সামূহিকভাৱে ধৰি ৰাখে। সম্পত্তিৰ বিতৰণ অধিকাৰ প্ৰথাগত নিয়মৰ দ্বাৰা বা সামূহিক তত্ত্বাৱধানৰ দ্বাৰা দিয়া হয়। কৃষিৰ বিকাশ আৰু সম্প্ৰসাৰণৰ লগে লগে ক্ৰমান্বয়ে উমৈহতীয়া সম্পত্তিৰ নীতি ত্যাগ কৰি ব্যক্তিগত মালিকীস্বত্বৰ নীতি গ্ৰহণৰ বাবে পোনপটীয়াকৈ নেতৃত্ব দিয়ে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৮ ঃ সম্পত্তিৰ ধাৰণাটো সংজ্ঞাবদ্ধ কৰিবলৈ ফ্ৰেড্ৰিক এংগেলছে লিখা কিতাপখনৰ নাম লিখক।

.....

.....

প্ৰশ্ন ৯ ঃ সম্পত্তি বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন ১০ ঃ মুদ্ৰাৰ সংজ্ঞা দিয়ক?

.....

.....

২.৯ মুদ্রা আৰু যুক্তিবাদ

জৰ্জ ছিমেলৰ 'The Philosophy of Money' গ্ৰন্থখনে মুদ্রাৰ সামাজিক তাৎপর্য লৈ উদ্বেগৰ সৃষ্টি কৰে। ছিমেলৰ বাবে মুদ্রা এটা বস্তুনিষ্ঠ অংশ যিটো মানুহৰ পাৰস্পৰিক ক্রিয়াৰ মৌলিক ৰূপ অর্থাৎ বিনিময়ৰ জৰিয়তে সৃষ্টি কৰা হয়। তেখেতে মুদ্রাক মানুহ আৰু সমাজত প্রভাৰ পেলোৱা এক প্রতীক বা চিহ্ন হিচাপে বিবেচনা কৰে। আধুনিক সমাজত অর্থৰ মূল্য এক ব্যক্তিহীন বা বস্তুনিষ্ঠ পৰিমাপ হৈ পৰে। উদাহৰণস্বৰূপে, আধিপত্য আৰু অধীনস্থতাৰ সম্পর্কবোৰ কম বেছি পৰিমাণে মুদ্রাৰ সৈতে জড়িত যিটো ব্যক্তিহীন আৰু যুক্তিসংগত। মুদ্রাৰ ব্যৱহাৰে ব্যক্তিক বস্তুৰ পৰা আঁতৰাই ৰাখে আৰু ইয়াৰ দূৰত্ব অতিক্রম কৰাৰ উপায়ো প্রদান কৰে। মুদ্রাৰ ব্যৱহাৰে সমাজৰ ব্যক্তিসকলৰ বাবে নমনীয়তাৰ সুবিধা প্রদান কৰে। আধুনিক মুদ্রা ব্যৱস্থাত আইনে নির্ধাৰণ কৰা আৰু ৰাষ্ট্রই বলবৎ কৰা বৈশিষ্ট্য আছে। ইয়াৰ ভিতৰত মান নিশ্চিতকৰণ, বিভাজনযোগ্যতা আৰু আইনী নিবিৰ স্থিতি আদি অন্তর্ভুক্ত। একেধৰণৰ মুদ্রাৰ প্রচলন দেশৰ সীমাৰ ভিতৰত ৰাজনৈতিক আৰু ইয়াৰ প্রচলন বেছিভাগ ঠাইতে উনবিংশ শতিকাৰ শেষলৈকে হোৱা নাছিল। অর্থনৈতিক সম্পর্কত মুদ্রাই একমাত্রিক পৰিমাপ আগবঢ়ায় যিয়ে তুলনা, মূল্যায়ন আৰু লেনদেনৰ সুবিধা প্রদান কৰে।

২.১০ অর্থনৈতিক বৃদ্ধি

বৃদ্ধিক পৰিৱর্তনৰ প্রক্রিয়া হিচাপে বর্ণনা কৰিব পাৰি। কোনো এখন দেশ সৰু হওঁক বা ডাঙৰ হওক, মুখ্য উদ্দেশ্য সদায় অর্থনৈতিক বিকাশ। উন্নয়নৰ বিতর্কৰ আৰম্ভণিৰ পৰাই ধৰা হয়। অর্থনৈতিক বিকাশ হ'ল এখন দেশৰ উৎপাদনশীল সম্ভাৱনাৰ দীর্ঘম্যাদী সম্প্রসাৰণ। ই হৈছে এটা প্রক্রিয়া যাৰ দ্বাৰা সময়ৰ লগে লগে এখন দেশৰ সম্পদ বৃদ্ধি পায়।

অর্থনৈতিক বৃদ্ধিয়ে এখন দেশৰ জুখিব পৰা ক্ষমতা বৃদ্ধিক সূচায় যেনে, মুঠ ঘৰুৱা উৎপাদন (GDP)। ই হৈছে কোনো এখন দেশত নির্দিষ্ট সময়ৰ ভিতৰত উৎপাদিত সামগ্রী আৰু সেৱাৰ মুঠ আর্থিক মূল্য। অর্থনৈতিক বৃদ্ধিৰ দুটা অর্থ আছে। প্রথমতো, বৃদ্ধিৰ সংজ্ঞা হ'ল এটা সময়ৰ ভিতৰত অর্থনীতিয়ে উৎপাদন কৰা উৎপাদন বৃদ্ধি। অর্থনৈতিক বৃদ্ধিৰ দ্বিতীয় অর্থ হ'ল— অর্থনীতিৰ দুর্লভ সম্পদৰ ব্যৱহাৰৰ দ্বাৰা ইয়াৰ উৎপাদন বৃদ্ধি। এইদৰে অর্থনৈতিক বৃদ্ধিয়ে দীর্ঘ সময়ৰ ভিতৰত অর্থনীতিৰ প্রকৃত ৰাষ্ট্রীয় আয়ৰ বার্ষিক বৃদ্ধি বর্তাই ৰাখে।

ৰ'ষ্ট'ৰ অর্থনৈতিক বৃদ্ধিৰ পর্যায়সমূহ ঃ

আমেৰিকাৰ অর্থনৈতিক বুৰঞ্জীবিদ ৱাল্ট হুইটমেন ৰ'ষ্টোৱে 'অর্থনৈতিক বৃদ্ধিৰ পর্যায়' (Stages of economic growth) নামেৰে এক অর্থনৈতিক অনুকল্প প্রকাশ কৰিছিল। এই অনুকল্প বা আর্হিত দেশসমূহৰ অনগ্রসৰ পৰা উন্নয়নলৈ পৰিৱর্তনৰ বিষয়ে বৃদ্ধিৰ পর্যায়ৰ ভিত্তিত বর্ণনা কৰা হৈছিল। তেওঁৰ মতে, দেশসমূহে তলত উল্লেখ কৰা পর্যায়সমূহৰ মাজেৰে পাৰ হ'ব লাগে—

১) পৰম্পৰাগত সমাজ ব্যৱস্থা
২) অর্থনৈতিক উন্নয়নৰ প্ৰাক-স্তৰ
৩) অর্থনৈতিক উন্নয়নৰ স্তৰ
৪) পূৰ্ণতা প্ৰাপ্তিৰ স্তৰলৈ অগ্ৰসৰৰ স্তৰ
৫) সর্বোচ্চ উপভোগৰ স্তৰ।

২.১১ অর্থনৈতিক উন্নয়ন

উন্নয়ন মানে নতুন পর্যায় বা পৰিৱর্তিত পৰিস্থিতি। উন্নয়নক ইতিবাচক বা বাঞ্ছনীয় কিবা এটা হিচাপে প্ৰকাশ কৰা হয়। সমাজ এখনৰ উন্নয়ন বুলিলে সাধাৰণতে উন্নতি হোৱাকে বুজায়। অর্থনৈতিক উন্নয়নক জটিল সাংস্কৃতিক আৰু পৰিৱেশগত কাৰক আৰু ইয়াৰ পাৰস্পৰিক ক্ৰিয়াৰ ওপৰত ভিত্তি কৰি অর্থনৈতিক আৰু সামাজিক পৰিৱর্তনৰ প্ৰক্ৰিয়া বুলি সংজ্ঞাৱদ্ধ কৰিব পাৰি। আগতে উন্নয়নৰ ধাৰণাটো সাধাৰণতে অর্থনৈতিক বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰি একমাত্ৰিক ধাৰণা হিচাপে গঢ় লৈ উঠিছিল। কিন্তু পিছলৈ অর্থনৈতিক বিকাশ যে কেৱল উন্নয়নৰ সূচকহে ইয়াৰ আত্মা নহয়, সেইকথা অনুভৱ কৰা হ'ল। সেয়ে সমাজবিজ্ঞানী আৰু উন্নয়নৰ পোষকতা কৰা ব্যক্তিসকলে বুজি উঠিছিল যে— উন্নয়ন সমাজৰ বিভিন্ন দিশক স্পর্শ কৰা বহুমাত্ৰিক ধাৰণা হ'ব লাগিব। ই নিজকে অর্থনৈতিক মাত্ৰাতে সীমাবদ্ধ নাৰাখি ৰাজনৈতিক, সাংস্কৃতিক আৰু সামাজিক মাত্ৰাৰ প্ৰতিও গুৰুত্ব দিব লাগে। ইয়াৰ ৰাজনৈতিক মাত্ৰা গণতান্ত্ৰীকৰণ, বিতৰণমূলক ন্যায়, মানৱ অধিকাৰ, সমতা আৰু স্বাধীনতা আদিৰ জৰিয়তে প্ৰকাশ পায়। আনহাতে, ধর্মনিৰপেক্ষ সাংস্কৃতিক বৃদ্ধিৰ জৰিয়তে উন্নয়নৰ সাংস্কৃতিক মাত্ৰা প্ৰকাশ পায়। উন্নয়নৰ সামাজিক মাত্ৰাসমূহৰ ভিতৰত সমাজৰ কাম-কাজত মানুহৰ অংশগ্ৰহণ, বৃদ্ধি, আত্মনির্ভৰশীলতাৰ বিকাশ, মানৱ উন্নয়ন আৰু পৰিৱেশ বহনক্ষমতা আদি অন্তর্ভূক্ত। উন্নয়নৰ ফলাফল সদায় ইতিবাচক আৰু প্ৰগতিশীল হ'ব লাগে যিবোৰ সমাজৰ উন্নতিৰ বাবে হয়। কিন্তু যেতিয়া উন্নয়নক মানুহে নেতিবাচকভাৱে ব্যৱহাৰ কৰে তেতিয়া ইয়াৰ পৰিণতি বিপর্যয়জনক হৈ পৰে। উদাহৰণস্বৰূপে— প্ৰযুক্তিগত বিকাশ মানৱ জীৱনৰ মান উন্নত কৰিছে। কিন্তু যেতিয়া মানুহে অন্ধভাৱে ইয়াক ধ্বংসাত্মক উদ্দেশ্যত ব্যৱহাৰ কৰে তেতিয়া ইয়াৰ পৰিণতি দুখজনক হৈ পৰে। গতিকে অর্থনৈতিক উন্নয়নৰ ধাৰণাটোৱে সঁচাকৈয়ে মানুহৰ জীৱনৰ মানদণ্ড উন্নত হোৱাটো বিচাৰে যিয়ে জাতিৰ কল্যাণৰ বাবে কাম কৰে।



২.১২ অধ্যায়টিৰ পৰা কি শিকিলোঁ

- মূল্য মানে কোনো সামগ্ৰীৰ উপযোগিতা। কিন্তু অর্থনীতিত 'মূল্য' শব্দটোৰ অর্থ বেলেগ। আদাম স্মিথৰ মতে মূল্য শব্দটো দুটা অর্থত ব্যৱহাৰ কৰিব পাৰি। অর্থাৎ ব্যৱহাৰ মূল্য

আৰু বিনিময় মূল্য।

- কোনো সামগ্ৰীৰ ব্যৱহাৰৰ পৰা যি সন্তুষ্টি লাভ কৰে, সেই সন্তুষ্টিক ব্যৱহাৰৰ মূল্য বুলি জনা যায়। ব্যৱহাৰ-মূল্য হৈছে মূল্য নির্ধাৰণৰ পূর্বচর্ত আনহাতে মূল্য-বিনিময় হৈছে আমি বজাৰত কোনো বিশেষ বস্তুৰ বিনিময়ত লাভ কৰিব পৰা সামগ্ৰী আৰু সেৱাৰ সংখ্যা। বিনিময় মূল্য দুটা বস্তুৰ ওপৰত নির্ভৰ কৰে— সময় আৰু স্থান।
- বজাৰখন ব্যক্তিগত বিনিময়ৰ শৃংখলাৰে গঠিত যিয়ে এক কার্যক্ষম আৰু ক্রমবদ্ধ ব্যৱস্থাৰ সৃষ্টি কৰে। আধুনিক পুঁজিবাদী অর্থনীতিত বজাৰসমূহে কেনেদৰে ভূমিকা পালন কৰে সেয়া বুজাটো গুৰুত্বপূর্ণ। বিশেষকৈ কৃষি সমাজত সামগ্ৰী আৰু সেৱাৰ বিনিময় ব্যৱস্থাৰ বাবে বজাৰখনেই আটাইতকৈ আদর্শ স্থান।
- মেক্স ৱেবাৰৰ বিনিময় বিশ্লেষণে এফালে আধুনিক অর্থনীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু আনফালে ইয়াৰ কার্যকলাপ নিয়ন্ত্রণ কৰা ৰাজনৈতিক গাঁথনিৰ সৃষ্টিত গুৰুত্ব আৰোপ কৰে।
- বজাৰ বিনিময় লেনদেনৰ ওপৰত ভিত্তি কৰি কৰা হয় বা মানুহৰ মাজত কোনো সামগ্ৰী বা সেৱাৰ অৱস্থাৰ পৰিৱর্তনৰ যোগেদি হয়, যাক বিক্রী বুলি কোৱা হয়। বজাৰ অর্থনীতিত মুদ্রাই কেন্দ্রীয় ভূমিকা গ্রহণ কৰে কাৰণ ই বিনিময়ৰ মাধ্যম হিচাপে কাম কৰে। মুদ্রাৰ আগমনে বিনিময়ৰ জৰিয়তে উৎপাদনকসকলক ব্যৱসায়ৰ বাবে সামর্থবান কৰি তুলিলে।
- মুঠ ঘৰুৱা উৎপাদন (GDP) হৈছে কোনো এখন দেশত এটা নির্দিষ্ট সময়ৰ ভিতৰত উৎপাদিত সকলো সামগ্ৰী আৰু সেৱাৰ আর্থিক মূল্য। কোনো এখন দেশৰ অর্থনৈতিক অগ্রগতি আন এখন দেশৰ লগত তুলনা কৰিবলৈ জি.ডি.পি. ব্যৱহাৰ কৰা হয়। অর্থনীতিৰ ওপৰত নির্ভৰ কৰি জি.ডি.পি. বৃদ্ধিৰ হাৰ সলনি হয়।
- অর্থনৈতিকভাৱে মূল্যবান কর্মৰ সময়ত, মানৱ শ্রম ব্যয় কৰা হয় সামগ্ৰী বা সম্পত্তিৰ মূল্য সংযোজনৰ বাবে অর্থাৎ শ্রম হৈছে এনে এক কার্যকলাপ যিয়ে অর্থনৈতিক মূল্য বজাই ৰাখি শ্রমৰ সামগ্ৰীৰ বিক্রীৰ পাছত মুদ্রাৰ এক ৰাশি হিচাপে ধৰা যায়। উদাহৰণস্বৰূপে যদি সকলো শ্রম প্রত্যাহাৰ কৰা হয়, তেন্তে সম্পত্তিৰ মূল্যও হ্রাস পাব।
- শ্রমৰ মূল্য আমাৰ শ্রম-শক্তিৰ উৎপাদনত মূর্ত হৈ থাকে আৰু উৎপাদন প্রক্রিয়াত মূল্য সংযোজন কৰে।
- সম্পত্তি এনে এক অধিকাৰ আৰু কর্তব্যৰ সংহতি যিয়ে ব্যক্তি বা গোটৰ বস্তুগত সামগ্ৰীৰ ওপৰত তেওঁলোকৰ নিয়ন্ত্রণৰ সম্পর্কক বুজায়।
- সম্পত্তিৰ মূল ধাৰণাটো হ'ল কোনো ব্যক্তি বা গোটৰ বস্তুগত সামগ্ৰীৰ ওপৰত স্বীকৃতিপ্রাপ্ত অধিকাৰ আছে অর্থাৎ ইয়াৰ সৈতে সাধাৰণতে নিষেধাজ্ঞা জড়িত হৈ আছে।
- ছিমেলৰ বাবে অর্থ এটা বস্তুনিষ্ঠ অংশ যিটো মানুহৰ পাৰস্পৰিক ক্রিয়াৰ মৌলিক ৰূপ অর্থাৎ বিনিময়ৰ জৰিয়তে সৃষ্টি কৰা হয়। তেওঁ অর্থক মানুহ আৰু সমাজত প্রভাৰ

পেলোৱা এক প্ৰতীক হিচাপে বিবেচনা কৰে।

- অৰ্থনৈতিক বৃদ্ধিয়ে দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ (জি.ডি.পি.) দৰে পৰিমাণসূচক বৃদ্ধিৰ ইংগিত দিয়ে। অৰ্থনৈতিক উন্নয়ন মানে নতুন পৰ্যায় বা পৰিৱৰ্তিত পৰিস্থিতি। উন্নয়নক ইতিবাচক হিচাপে প্ৰকাশ কৰা হয়।



২.১৩ অধিক জানিবলৈ

1) Swedberg, Richard.2003. Principles of Economic Sociology. Princeton University



২.১৪ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মূল্য হ'ল কোনো সামগ্ৰীৰ উপযোগিতা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মূল্যৰ বিভাজন আদাম স্মিথে আগবঢ়াইছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মূল্যৰ বিভাজনসমূহ হ'ল— ব্যৱহাৰ মূল্য আৰু বিনিময় মূল্য।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বিক্ৰেতাসকলে ব্যৱসায় কেনেদৰে কৰে সেই কথা বুজাত বজাৰে সহায় কৰে। ই হৈছে লেনদেনৰ এক ব্যৱস্থা যিয়ে ক্ষুদ্ৰ ব্যৱসায়ী আৰু যোগানকাৰীৰ স্বৱলম্বীতাক সমৰ্থন কৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বজাৰৰ কাৰ্য বহুলাংশে সীমাৰ জনসংখ্যা আৰু অৱস্থান, প্ৰশাসনিক চৰিত্ৰ আৰু বজাৰ আৰু ইয়াৰ আভ্যন্তৰীণ অঞ্চলৰ মাজৰ পথ সংযোগৰ ওপৰত নিৰ্ভৰ কৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ মুঠ ঘৰুৱা উৎপাদন (GDP) হৈছে কোনো এখন দেশৰ এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত উৎপাদিত সকলো সামগ্ৰী আৰু সেৱাৰ আৰ্থিক মূল্য।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ বিমূৰ্ত শ্ৰমৰ অৰ্থ হ'ল সাধাৰণতে মানৱ শ্ৰম অৰ্থাৎ অৰ্থনৈতিকভাৱে মূল্যবান কৰ্ম সময় আৰু মূৰ্ত শ্ৰমৰ অৰ্থ হ'ল মানৱ শ্ৰমক এটা বিশেষ কাৰ্যকলাপ হিচাপে অৰ্থাৎ নিৰ্দিষ্ট উপযোগী প্ৰভাৱ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ "The Origin of the Family, Private property and the State."

৯ নং প্ৰশ্নৰ উত্তৰ ঃ সম্পত্তি এনে এক অধিকাৰ আৰু কৰ্তব্যৰ সংহতি যিয়ে ব্যক্তি বা গোটৰ বস্তুগত সামগ্ৰীৰ ওপৰত তেওঁলোকৰ নিয়ন্ত্ৰণৰ সম্পৰ্কক বুজায়।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ সহজ অৰ্থত মুদ্ৰাক বিনিময়ৰ মাধ্যম হিচাপে বুজিব পাৰি।



২.১৫ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (প্ৰায় ১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১) চমুটোকা লিখক—

(ক) ৰ'ষ্ট'ৰ অৰ্থনৈতিক বৃদ্ধিৰ পৰ্যায়সমূহ

প্ৰশ্ন নং ২) অৰ্থনৈতিক বৃদ্ধি আৰু উন্নয়নৰ মাজৰ পাৰ্থক্য উল্লেখ কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ১) সম্পত্তিৰ ধাৰণাটোৰ বিষয়ে আলোচনা কৰক। ইয়াৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্ৰশ্ন নং ২) ভাৰতীয় অৰ্থনীতিত জিডিপিৰ ভূমিকা কি?

প্ৰশ্ন নং ৩) অৰ্থনৈতিক সমাজতত্ত্বত বজাৰ আৰু বিনিময়ৰ মাজৰ সম্পৰ্ক উল্লেখ কৰক।

****

অধ্যায় ৩ ঃ অর্থনৈতিক সমাজতত্ত্বৰ প্ৰকাৰ্যবাদী দৃষ্টিভংগী

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ অর্থনৈতিক সমাজতত্ত্ব

৩.৪ অর্থনৈতিক সমাজতত্ত্বৰ প্ৰকাৰ্যবাদী দৃষ্টিভংগী

৩.৪.১ সংজ্ঞা

৩.৪.২ পটভূমি

৩.৪.৩ সমালোচনা

৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৬ অধিক জানিবলৈ

৩.৭ অগ্ৰগতিৰ খতিয়ান

৩.৮ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সমাজতত্ত্বৰ প্ৰকাৰ্যবাদী দৃষ্টিভংগীৰ ধাৰণা সম্পৰ্কে বুজিব
- অর্থনৈতিক সমাজতত্ত্ব সম্পৰ্কে জানিব
- সামাজিক ব্যৱহাৰ গুৰুত্ব সম্পৰ্কে জানিব।

৩.২ পৰিচয়

আমি জানো যে, সমাজখনক বুজিবৰ বাবে সমাজতত্ত্বৰ বিভিন্ন দৃষ্টিভংগী আছে। তাৰে ভিতৰত প্ৰকাৰ্যবাদী দৃষ্টিভংগীৰ কেইজমান অন্যতম চিন্তাবিদ হৈছে আৰ. কে. মার্টন, এমিল দুৰখেইম, হার্বার্ট স্পেনচাৰ আৰু টালকট পার্ছন্ছ। এই অধ্যায়ত সমাজক বুজিবৰ বাবে প্ৰকাৰ্যবাদী দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব দিয়া হ'ব।

৩.৩ অর্থনৈতিক সমাজতত্ত্ব

অর্থনীতিবিদসকলে পৰম্পৰাগতভাৱে চিনাক্ত কৰা প্ৰশ্নসমূহক সমাজতত্ত্ববিদসকলে সমাজতাত্ত্বিকভাৱে পুনৰ সংজ্ঞাবদ্ধ কৰাৰ বাবে প্ৰচেষ্টা কৰাকে অর্থনৈতিক সমাজতত্ত্ব বোলা হয়। ইয়াক অর্থনীতিবিদসকলে সামাজিক পৰিস্থিতিৰ বিশ্লেষণত অর্থনৈতিক দৃষ্টিভংগী প্ৰদানৰ বাবে

ব্যৱহাৰ কৰিব পাৰে, যিবোৰ উৎপাদন আৰু বাণিজ্যৰ সৈতে সম্পূৰ্ণৰূপে জড়িত নহয়।

সহজ ভাষাত ক'বলৈ গ'লে অৰ্থনৈতিক সমাজতত্ত্ব হৈছে সমাজ এখনত বিভিন্ন অৰ্থনৈতিক পৰিঘটনাৰ কাৰণ আৰু প্ৰভাৱৰ সামাজিক গতিশীলতাৰ অধ্যয়ন। ১৮৭৯ চনত উইলিয়াম ষ্টেনলি জেভন্সে 'অৰ্থনৈতিক সমাজতত্ত্ব' নামৰ শব্দটো প্ৰথমবাৰৰ বাবে উদ্ভাৱন কৰিছিল, যিটো পিছলৈ এমিল দুৰখেইমে, মেক্স ৱেবাৰ, জৰ্জ চিমেল আদি বিভিন্ন চিন্তাবিদে ব্যৱহাৰ কৰিছিল। অৰ্থনৈতিক সমাজতত্ত্ব দুই প্ৰকাৰৰ—

- ধ্ৰুপদী অৰ্থনৈতিক সমাজতত্ত্ব ঃ অৰ্থনৈতিক পৰিঘটনা বিশ্লেষণৰ এক নতুন পদ্ধতি হিচাপে অৰ্থনৈতিক সমাজতত্ত্বৰ উত্থান ঘটিছিল। বিশেষকৈ অৰ্থনৈতিক গাঁথনি আৰু সংস্থাসমূহে সমাজৰ ওপৰত লোৱা ভূমিকা আৰু সমাজে ইয়াৰ ওপৰত পেলোৱা প্ৰভাৱৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।
- সমসাময়িক অৰ্থনৈতিক সমাজতত্ত্ব ঃ সমসাময়িক অৰ্থনৈতিক সমাজতত্ত্ব বিশেষকৈ অৰ্থনৈতিক বিনিময়ৰ সামাজিক পৰিণতি ইয়াৰ লগত জড়িত সামাজিক অৰ্থ আৰু ইয়াৰ দ্বাৰা সহজ কৰি তোলা বা বাধা দিয়া সামাজিক পাৰস্পৰিক ক্ৰিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

৩.৪ অৰ্থনৈতিক সমাজতত্ত্বৰ প্ৰকাৰ্যবাদী দৃষ্টিভংগী

৩.৪.১ সংজ্ঞা

প্ৰকাৰ্যবাদী দৃষ্টিভংগীয়ে সমাজখনক এক জটিল ব্যৱস্থা হিচাপে গ্ৰহণ কৰে যাৰ বিভিন্ন গঠনমূলক অংশই একেলগে কাম কৰি ব্যৱস্থাটোত ঐক্য আৰু স্থিৰতা বৃদ্ধি কৰে। এই পদ্ধতিয়ে সমাজখনক বহল দৃষ্টিভংগীৰে চায় আৰু সমাজক গঢ় দিয়া সামাজিক গাঁথনিসমূহৰ ওপৰত গুৰুত্ব দিয়ে। প্ৰকাৰ্যবাদী দৃষ্টিভংগীয়ে সামাজিক সংস্থাসমুহৰ ব্যক্তিগত আৰু সামাজিক প্ৰয়োজন পূৰণৰ সামূহিক উপায় হিচাৰে ব্যাখ্যা কৰাৰ চেষ্টা কৰে। ইয়াক কেতিয়াবা গাঁথনিগত-প্ৰকাৰ্যবাদ বুলিও কোৱা হয়, কিয়নো ই প্ৰায়ে সামাজিক গাঁথনিসমূহ (যেনে— সামাজিক সংস্থাসমূহ)ৰ প্ৰয়োজনীয়তা পূৰণৰ ওপৰত গুৰুত্ব দিয়ে। প্ৰকাৰ্যবাদে সমাজৰ প্ৰতিটো অংশই সমাজৰ স্থিৰতাৰ বাবে সক্ষম। হাৰ্বাৰ্ট স্পেনচাৰ, এমিল দুৰখেইম আদিয়ে সমাজখনক এটা শৰীৰ হিচাপে কল্পনা কৰিছিল আৰু ঠিক শৰীৰৰ দৰে ইয়াৰ প্ৰতিটো অংশই প্ৰয়োজনীয় ভূমিকা পালন কৰে। কিন্তু কোনো অংশই অকলে কাম কৰিব নোৱাৰে আৰু কোনো অংশই সংকটৰ সন্মুখীন হ'লে আন অংশসমূহে সংকট পূৰণ কৰাত সহায় কৰে।

৩.৪.২ পটভূমি

সমাজতত্ত্ব আৰু অন্যান্য সমাজবিজ্ঞানৰ বাবে প্ৰকাৰ্যবাদ হৈছে আটাইতকৈ পুৰণি আৰু প্ৰধান তাত্ত্বিক দৃষ্টিভংগী। প্ৰকাৰ্যবাদী দৃষ্টিভংগীত সামাজিক পৰিঘটনা এটাক ইয়াৰ সামাজিক ঐক্য বজাই ৰাখিব পৰা কাৰ্যৰ ভিত্তিত বিশ্লেষণ কৰা হয়। তাত্ত্বিক দৃষ্টিভংগী হিচাপে প্ৰকাৰ্যবাদে মানৱ শৰীৰৰ জৈৱ তত্ত্ব আৰু কাৰ্যকলাপৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। এই দৃষ্টিভংগীটো দুটা দিশৰ লগত জড়িত ঃ বস্তুনিষ্ঠ সামাজিক জগতখনৰ লগত বৈজ্ঞানিক পদ্ধতিৰ প্ৰয়োগ আৰু ব্যক্তিগত জীৱ আৰু সমাজৰ মাজত। মানুহৰ বিভিন্ন অংগসমূহৰ পৰস্পৰৰ লগত সম্পৰ্কিত কাৰ্যৰ লগতে সামগ্ৰিকভাৱে মানুহৰ কাৰ্যক্ষমতাৰ ভিত্তিত মানৱ শৰীৰৰ কাৰ্যকলাপৰ বিশ্লেষণ কৰা হয়। প্ৰকাৰ্যবাদেও একেধৰণৰ দৃষ্টিভংগী গ্ৰহণ কৰে। সমাজখন বিভিন্ন অংশৰে গঠিত আৰু সমাজৰ বিভিন্ন অংশসমূহে একেলগে এটা সম্পূৰ্ণ ব্যৱস্থা গঠন কৰে। জীৱবিজ্ঞানীসকলৰ দৰে প্ৰকাৰ্যবাদীসকলেও সমাজৰ যিকোনো অংশ যেনে পৰিয়াল বা ধৰ্ম আদি ৰক্ষাৰ ক্ষেত্ৰত ইয়াৰ অৱদানৰ দিশৰ পৰা বিশ্লেষণ কৰে।

এখন সমাজে গঠন কৰা মানুহৰ ব্যৱহাৰে প্ৰকাৰ্যবাদৰ সৃষ্টি কৰে। সমাজৰ ব্যক্তিসকলৰ মাজত থকা সম্পৰ্কবোৰো নিয়মৰ মাজেৰে গঠন হয়। সেয়েহে সামাজিক সম্পৰ্কবোৰ আৰ্হিযুক্ত আৰু পুনৰাবৃত্তিমূলক, যিবোৰ সামাজিক গাঁথনিৰ ভিত্তিত গঠন হয়। বিভিন্ন নীতি-নিয়মৰ মাপেৰে গঠন হোৱা সামাজিক সম্পৰ্কই সমাজ এখনৰ ছবি দাঙি ধৰে। সমাজৰ বিভিন্ন অনুষ্ঠান যেনে— পৰিয়াল, ধৰ্ম, অৰ্থনীতি, শৈক্ষিক আৰু ৰাজনৈতিক ব্যৱস্থা ইত্যাদি সামাজিক গাঁথনিৰ বিভিন্ন দিশ। সেয়েহে সংস্থাসমূহক পাৰস্পৰিক সম্পৰ্কযুক্ত নীতি-নিয়মৰ গাঁথনি হিচাপে ধৰিব পাৰি। পূৰ্বতে উল্লেখ কৰাৰ দৰে জীৱবিজ্ঞানীসকলৰ দৰে প্ৰকাৰ্যবাদীসকলেও সামাজিক গাঁথনিৰ বিভিন্ন অংশসমূহৰ কাৰ্যকলাপৰ বিষয়ে আলোচনা কৰে। ইয়াৰ লগত গাঁথনিটোৰ বিভিন্ন অংশৰ মাজৰ সম্পৰ্ক বা সেই অংশটোৰ সমগ্ৰ ব্যৱস্থাটোৰ ৰক্ষণাবেক্ষণৰ সৈতে সম্পৰ্ক পৰীক্ষা কৰাটো জড়িত হৈ থাকে। এইদৰে কাৰ্যক্ষেত্ৰত কাৰ্যৰ অৰ্থ হ'ল সমগ্ৰ ব্যৱস্থাটোৰ ৰক্ষণাবেক্ষণ আৰু অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত এটা সংস্থাই আগবঢ়োৱা অৱদান। উদাহৰণস্বৰূপে, পৰিয়ালৰ কাম হ'ল সমাজৰ নতুন সদস্যসকলৰ সামাজিকীকৰণ। সমাজ আৰু জীৱৰ মাজৰ এই উদাহৰণটোৱে সামাজিক ব্যৱস্থাৰ সাদৃশ্যমূলক প্ৰকৃতিৰ ওপৰত মনোযোগ কেন্দ্ৰীভূত কৰে ঃ সামাজিক ব্যৱস্থাই ভাৰসাম্য বজাই ৰাখিবলৈ কাম কৰে আৰু বাহ্যিক জোকৰণিয়ে সামাজিক সংস্থাসমূহৰ মাজত ভাৰসাম্য বিঘ্নিত কৰাৰ পাছত ইয়ালৈ ঘূৰি আহিবলৈ কাম কৰে। তেওঁলোকৰ মতে, সমাজৰ কিছুমান মৌলিক প্ৰয়োজনীয়তা বা প্ৰয়োজন থাকে, যিবোৰক কাৰ্যকৰী পূৰ্বতে বুলি জনা যায়,

যিবোৰ সামাজিক ব্যৱস্থাৰ অস্তিত্ব আৰু ভাৰসাম্য বজাই ৰখাৰ বাবে পূৰণ কৰিব লাগে। প্ৰকাৰ্যবাদীসকলৰ এটা প্ৰধান চিন্তা হৈছে সামাজিক ব্যৱস্থাৰ অস্তিত্ব আৰু তেওঁলোকে ধৰি লৈছে যে ইয়াৰ অংশসমূহৰ মাজত নূন্যতম মাত্ৰাৰ সংহতি আৰু নিৰ্দিষ্ট মাত্ৰাৰ শৃংখলা আৰু স্থিৰতা ইয়াৰ অস্তিত্বৰ বাবে অপৰিহাৰ্য। ইয়াৰ লগতে সামাজিক ব্যৱস্থাৰ উৎপত্তি আৰু স্থিৰতা বজাই ৰখাৰ বিষয়ে ব্যাখ্যা কৰাটোও তেওঁলোকৰ বাবে চিন্তাৰ বিষয়। প্ৰকাৰ্যবাদীসকল এমিল দুৰখেইমৰ ধাৰণাসমূহৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। সমাজ ব্যৱস্থাই আভ্যন্তৰীণ স্থিতিশীলতা কিদৰে বজাই ৰাখে আৰু সময়ৰ পৰিৱৰ্তনৰ পাছতো কিদৰে জীয়াই থাকে সেই সম্পৰ্কে দুৰখেইমে চিন্তা কৰিছিল। তেওঁ সামাজিক সংহতি ধাৰণাটোৰ জৰিয়তে সামাজিক স্থিতিশীলতাক ব্যাখ্যা কৰিছিল আৰু আদিম সমাজৰ যান্ত্ৰিক সংহতি আৰু আধুনিক সমাজৰ জৈৱিক সংহতিৰ মাজৰ পাৰ্থক্য দাঙি ধৰিছিল। দুৰখেইমৰ মতে, আদিম বা পৰম্পৰাগত সমাজসমূহক যান্ত্ৰিক সংহতিৰ দ্বাৰা একেলগে ধৰি ৰখা হৈছিল, য'ত সদস্যসকলে তুলনামূলকভাৱে সৰু আৰু অবিভাজিত গোটত বাস কৰিছিল আৰু তেওঁলোকৰ মাজত এটা শক্তিশালী পাৰস্পৰিক সম্পৰ্ক বৰ্তি আছিল। এনে সমাজৰ ব্যক্তিসকলে একেধৰণৰ মূল্যবোধ আৰু উমৈহতীয়া প্ৰতীক ব্যৱহাৰ কৰে। ইয়াৰ বিপৰীতে তেওঁ লক্ষ্য কৰিছিল যে, আধুনিক সমাজত পাৰস্পৰিক সম্পৰ্ক যথেষ্ট দুৰ্বল হয়, শ্ৰম বিভাজন অতি জটিল হয় য'ত ব্যক্তিয়ে নিজৰ কাৰ্যসমূহ বেলেগ বেলেগ প্ৰদৰ্শন কৰে। দুৰখেইমে যুক্তি দিছিল যে— আধুনিক ঔদ্যোগিক সমাজে আদিম সমাজসমূহক ধৰি ৰখা পৰম্পৰাগত যান্ত্ৰিক সংহতিক ধ্বংস কৰিব। আধুনিক সমাজবোৰ অৱশ্যে বিচ্ছিন্ন নহয়। বৰঞ্চ আধুনিক সমাজবোৰে জৈৱিক সংহতিৰ ওপৰত নিৰ্ভৰ কৰে। শ্ৰমৰ বিস্তৃত বিভাজনৰ বাবে সমাজৰ সদস্যসকলে ইজনে সিজনৰ লগত যোগাযোগ আৰু বিনিময় কৰি নিজৰ প্ৰয়োজনীয় বস্তুবোৰ যোগান ধৰিবলৈ বাধ্য হয়।

দুৰখেইমৰ প্ৰকাৰ্যবাদ ঃ দুৰখেইমৰ প্ৰকাৰ্যবাদ ধাৰণাটোক গাঁথনিগত প্ৰকাৰ্যবাদ বুলি জনা যায়। তেওঁ সংৰচনাত্মক প্ৰকাৰ্যবাদৰ অন্যতম প্ৰতিষ্ঠাপক। প্ৰকাৰ্যবাদত জৈৱিক বা ব্যক্তিগত প্ৰয়োজনীয়তা পূৰণৰ বাবে ইয়াৰ কাৰ্যৰ ভিত্তিত সামাজিক ঐক্য বজাই ৰখাৰ বাবে সামাজিক গাঁথনিৰ কাৰ্যসমূহ অধিক কেন্দ্ৰীভূত হয়। কাৰণ দুৰখেইমৰ মতে সমাজ নিজৰ মাজতে এটা সত্তা (sui-genris), যিটো কেইবাটাও গঠনমূলক অংশৰে গঠিত। দুৰখেইমে হ্ৰাসবাদী যুক্তিৰ বিৰোধিতা কৰিছিল। তেওঁ যুক্তি দিছিল যে সমাজৰ প্ৰত্যেকটো অংশৰে নিজস্ব পৰিচয় আছে। তেওঁ সামাজিক তথ্য, সামাজিক গাঁথনি, সাংস্কৃতিক নীতি আৰু মূল্যবোধৰ কাৰ্যসমূহ অধ্যয়ন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল, যিটো আন ব্যক্তিৰ বাহিৰৰ বুলি তেওঁ ক'ব খুজিছিল (কেনেথ ১৯৮২)।

দুৰখেইমে সামাজিক সংহতি আৰু এটা সামাজিক এককে নিজৰ সদস্যসকলক কিদৰে একেলগে বান্ধি ৰাখে সেই বিষয়ে চিন্তা কৰিছিল। তেওঁ সামাজিক পৰিঘটনাসমূহ

অধ্যয়ন কৰাৰ জৰিয়তে কিদৰে সামাজিক সংহতি বৰ্তাই ৰাখিব পাৰি তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল (ব্ৰ'চ, ১৯৭৩)। এনে প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ তেওঁ জৈৱিক সংহতি আৰু সামূহিক সচেতনতাৰ দৰে ধাৰণা ব্যৱহাৰ কৰিছিল। সমাজ এখনৰ ভাগ-বতৰা কৰা সচেতনতাৰ অংশস্বৰূপ সামাজিক তথ্যসমূহ অধ্যয়ন কৰি সমাজ অধ্যয়ন কৰিব লাগিব। তেওঁ সমাজৰ আপাতঃ স্থিৰতা আৰু আভ্যন্তৰীণ সংহতিৰ বিষয়ে ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল, যিবোৰ সময়ৰ লগে লগে ইয়াৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰয়োজনীয়। সমাজ ব্যৱস্থাক সুসংহত, সীমাবদ্ধ আৰু মৌলিকভাৱে সম্পৰ্কযুক্ত বুলি ক'ব পাৰি, যিয়ে জীৱৰ দৰে কাম কৰে। ইয়াৰ বিভিন্ন অংশই (সামাজিক সংস্থাসমূহ) একেলগে কাম কৰি ইয়াক ৰক্ষা কৰে আৰু পুনৰ উজ্জীৱিত কৰে। সমাজৰ বিভিন্ন অংশই সামগ্ৰিক সামাজিক ভাৰসাম্য বজাই ৰখাৰ বাবে অৰ্ধসচেতনভাৱে আৰু নিজস্ব শৈলীৰে গুৰুত্ব দিয়ে। সেয়েহে সকলো সামাজিক আৰু সাংস্কৃতিক পৰিঘটনাকে এই অৱস্থা লাভৰ বাবে একেলগে কাম কৰাৰ অৰ্থত কাৰ্যকৰী বুলি ধৰা হয় আৰু ফলপ্ৰসূভাৱে ইয়াক নিজস্ব 'জীৱন' থকা বুলি গণ্য কৰা হয়। তাৰ পাছত তেওঁলোকক মূলতঃ তেওঁলোকে কৰা এই কাৰ্যৰ ভিত্তিত বিশ্লেষণ কৰা হয়। ব্যক্তিসকল নিজৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ নহয়, কিন্তু তেওঁলোকৰ প্ৰস্থিতি, সামাজিক সম্পৰ্কৰ আৰ্হিত তেওঁলোকৰ অৱস্থান আৰু তেওঁলোকৰ ভূমিকা, তেওঁলোকৰ মৰ্যদাৰ সৈতে জড়িত আচৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ। তেতিয়া সামাজিক সংৰচনা হৈছে সংশ্লিষ্ট ভূমিকাসমূহৰ দ্বাৰা সংযুক্ত মৰ্যাদাৰ জালগোঁথনি (Layton 1997)।

পিছলৈ দুৰখেইমে সামাজিক সংহতিৰ আন এটা ব্যাখ্যা আগবঢ়ায়, যিটো সামূহিক সচেতনতাৰ ভিত্তিত গঢ়ি উঠে। ইংৰাজীত এই বাক্যাংশটোৰ অৰ্থ 'উমেহতীয়া সচেতনতা' বা 'উমেহতীয়া বুজাপৰা'। নৃতত্ত্ববিদসকলে যাক সংস্কৃতি বুলি বুজে দুৰখেইমৰ মতে সেয়াই সামাজিক তথ্য। ইয়াৰ উদাহৰণ ধৰ্মীয় জীৱনৰ প্ৰাথমিক ৰূপতে দেখা যায় য'ত দুৰখেইমে টোটেম, পবিত্ৰ বস্তুটোৰ বিষয়ে উল্লেখ কৰিছে যাৰ দ্বাৰা সমাজে নিজকে প্ৰতীকত কৰে। টোটেম হৈছে ধৰ্মৰ জৰিয়তে সমাজক যুক্তসংগত কৰা ব্যৱস্থা। এনে বিশ্বাসৰ অৰ্থ হ'ল যে আন যিকোনো প্ৰতীকৰ দৰেই টোটেমো এটা সামূহিক প্ৰতিনিধিত্ব। ইয়াৰ ফলত এনে এক জ্ঞানতত্ত্বৰ সৃষ্টি হয় যিয়ে দাবী কৰে যে ব্যক্তিগত জ্ঞান 'মন'ৰ পৰাও নহয়, 'ইন্দ্ৰিয়'ৰ পৰাও নহয়, বৰঞ্চ আমি যি জানো তাকেই জানো কাৰণ আমি সামাজিকভাৱে পৰিকল্পিত 'সামূহিক উপস্থাপন' শিকিছো।

প্ৰকাৰ্যবাদী দৃষ্টিভংগীয়ে সমাজৰ অংশসমূহে এটাই আনটোক কেনেদৰে প্ৰভাৱিত কৰে তাৰ ওপৰত ভিত্তি কৰি সমাজৰ আন্তঃসংযোগৰ ওপৰত গুৰুত্ব আৰোপ কৰে। প্ৰকাৰ্যবাদী দৃষ্টিভংগীৰ বহু অংশ হাৰ্বাট স্পেনচাৰ, এমিল দুৰখেইম, টালকট পাৰছন্ছ আৰু ৰবাৰ্ট মাৰ্টনৰ ৰচনাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। প্ৰকাৰ্যবাদৰ মতে,

সমাজ হ'ল আন্তঃসংযোগী অংশৰ এক ব্যৱস্থা যিয়ে সমন্বয়তাৰে কাম কৰি সামগ্ৰিক ভাৰসাম্য আৰু সামাজিক ভাৰসাম্য বজাই ৰাখে।

প্ৰকাৰ্যবাদী তত্ত্ব অনুসৰি, সমাজৰ প্ৰতিটো অংশ প্ৰাথমিকভাৱে সামাজিক সংস্থাৰ দ্বাৰা গঠিত, যাৰ প্ৰত্যেকটোৱেই বিভিন্ন প্ৰয়োজনীয়তা পূৰণৰ বাবে গঠন কৰা হৈছে, আৰু প্ৰতিটোৱেই নিৰ্দিষ্ট এটা ফলাফল দেখিবলৈ পোৱা যায় আৰু ইয়েই সমাজখনক আকাৰ দিয়ে। এই অংশবোৰ পাৰস্পৰিকভাৱে নিৰ্ভৰশীল। এই তত্ত্বৰ প্ৰয়োজনীয় সংস্থাসমূহৰ ভিতৰত পৰিয়াল, চৰকাৰ, অৰ্থনীতি, সংবাদ মাধ্যম, শিক্ষা, ধৰ্ম আদি অন্যতম। প্ৰকাৰ্যবাদৰ মতে, সংস্থাসমূহৰ অস্তিত্ব কেৱল সমাজত ইয়াৰ কাৰ্যকলাপৰ ওপৰতে বৰ্তি থাকে। যদি কোনো সংস্থাই সমাজত কোনো ভূমিকা পালন নকৰে তেনেহ'লে ই সমাজত বৰ্তি থাকিব নোৱাৰে। যেতিয়া নতুন প্ৰয়োজনীয়তাৰ বিকাশ হ'ব তেতিয়া সেইবোৰ পূৰণ কৰিবলৈ নতুন সংস্থাৰ সৃষ্টি হ'ব।

প্ৰকাৰ্যবাদী দৃষ্টিভংগীয়ে সামাজিক সংস্থাসমূহক ব্যক্তিগত আৰু সামাজিক প্ৰয়োজন পূৰণৰ সামূহিক উপায় হিচাপে ব্যাখ্যা কৰাৰ চেষ্টা কৰে। ইয়াক কেতিয়াবা সংৰচনাত্মক প্ৰকাৰ্যবাদ বুলিও কোৱা হয়, কাৰণ ইয়াত সামাজিক সংৰচনাসমূহে (যেনে— সামাজিক সংস্থাসমূহে) সামাজিক প্ৰয়োজনীয়তা পূৰণৰ উপায়সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

প্ৰকাৰ্যবাদী দৃষ্টিভংগীৰ মতে, ধৰ্ম হৈছে এক সামাজিক সংস্থা। প্ৰকাৰ্যবাদী সকলে ধৰ্মৰ কাৰ্য বা সমাজৰ মৌলিক প্ৰয়োজন যেনে— সামাজিক সংহতি, মূল্যবোধৰ সহমত, সমাজৰ বিভিন্ন অংশৰ মাজত সমন্বয় আৰু একত্ৰীকৰণ আদি পূৰণৰ বাবে দিয়া অৱদানৰ ভিত্তিত ধৰ্মৰ বিশ্লেষণ কৰে। তেওঁলোকৰ মতে ধৰ্মই সামাজিক ব্যৱস্থাৰ অস্তিত্ব নিশ্চিত কৰে (Haralambos, 1981)। প্ৰকাৰ্যবাদীসকলে যুক্তি আগবঢ়াই যে— ধৰ্ম সমাজৰ এক সংহত শক্তি, মানুহে নিজকে সমাজৰ বুলি অনুভৱ কৰাটো নিশ্চিত কৰাৰ এক মাধ্যম। ই জনসাধাৰণক উনৈহতীয়া মূল্যবোধ, বিশ্বাস আৰু আদৰ্শক দৃঢ় কৰাৰ এক উপায় প্ৰদান কৰে। ই হৈছে এক সামূহিক চেতনা। ই কেন্দ্ৰিয় মূল্য ব্যৱস্থা হিচাপেও কাম কৰে (Sell, 2003)।

প্ৰকাৰ্যবাদী দৃষ্টিভংগীয়ে সমাজে সময়ৰ লগে লগে নিজৰ অস্তিত্ব অব্যাহত ৰাখিবলৈ প্ৰয়োজনীয় স্থিৰতা আৰু আভ্যন্তৰীণ সংহতি কিদৰে বৰ্তাই ৰাখে তাৰ বিষয়ে ব্যাখ্যা কৰাৰ চেষ্টা কৰে। ইয়াত বিভিন্ন সামাজিক সংস্থাসমূহে একেলগে কাম কৰি ইয়াক ৰক্ষণাবেক্ষণ আৰু পুনৰ উজ্জীৱিত কৰে। সমাজৰ বিভিন্ন অংশসমূহে স্বাভাৱিক আৰু স্বয়ংক্ৰিয়ভাৱে কাম কৰি সমাজৰ সামগ্ৰিক ভাৰসাম্য বৰ্তাই ৰাখে। যিহেতু সামাজিক সংস্থাসমূহে কাৰ্যকৰীভাৱে একত্ৰিত হৈ এক সুস্থিৰ ব্যৱস্থা গঠন কৰে, সেয়েহে সংস্থাসমূহৰ পৰিৱৰ্তনৰ ক্ষেত্ৰত এটাৰ ওপৰত আনটো নিৰ্ভৰশীল হৈ থাকে।

এতিয়া কিছুমান মূল প্ৰতিষ্ঠানৰ মাজৰ সম্পৰ্ক আৰু কাৰ্যৰ বিষয়ে আলোচনা কৰা হ'ব। বেছিভাগ সমাজত চৰকাৰ বা ৰাজ্যই পৰিয়ালৰ ব্যক্তিসকলৰ শিক্ষাৰ ব্যৱস্থা কৰে, যিয়ে পিছত কৰ প্ৰদান কৰে আৰু ৰাষ্ট্ৰই নিজক চলাই নিবৰ বাবে তাৰ ওপৰত নিৰ্ভৰশীল হয়। পৰিয়ালটো বিদ্যালয়ৰ ওপৰত নিৰ্ভৰশীল যাতে শিশুসকলে ডাঙৰ হৈ ভাল কৰ্ম সংস্থাপন লাভ কৰিব পাৰে আৰু নিজৰ পৰিয়ালটো পোহপাল দিব পাৰে। এই প্ৰক্ৰিয়াত শিশুসকল আইন পালনকাৰী, কৰদাতা নাগৰিক হৈ পৰে, যিয়ে পিছলৈ ৰাষ্ট্ৰক সমৰ্থন কৰে। প্ৰকাৰ্যবাদী দৃষ্টিকোণৰ পৰা যদি সকলো ঠিকে থাকে তেন্তে সমাজৰ অংশবোৰে শৃংখলা, স্থিৰতা আৰু উৎপাদনশীলতা সৃষ্টি কৰে। যদি সকলো ঠিকে নাথকে, তেন্তে সমাজৰ অংশবোৰে শৃংখলা, স্থিতিশীলতা আৰু উৎপাদনশীলতাৰ নতুন ৰূপ সৃষ্টি কৰিব লাগিব।

প্ৰকাৰ্যবাদে সমাজত প্ৰচলিত সহমত আৰু শৃংখলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু লগতে সামাজিক স্থিতিশীলতা আৰু উমৈহতীয়া ৰাজহুৱা মূল্যবোধৰ ক্ষেত্ৰতো প্ৰাধান্য দিয়া দেখা যায়। এই দৃষ্টিভংগীৰ পৰা সমাজ ব্যৱস্থাটোত বিচ্যুত আচৰণৰ দৰে অসংগঠিততাই পৰিৱৰ্তন ঘটায় কাৰণ সমাজৰ উপাদনসমূহে স্থিৰতা লাভ কৰিবলৈ সামঞ্জস্য স্থাপন কৰিব লাগিব। যেতিয়া এই ব্যৱস্থাটোৰ এটা অংশই কাম নকৰে বা অকাৰ্যকৰী হয়, তেতিয়া ই বাকী সকলো অংশকে প্ৰভাৱিত কৰি সামাজিক সমস্যাৰ সৃষ্টি কৰে, যাৰ ফলত সামাজিক পৰিবৰ্তন ঘটে।

প্ৰকাৰ্যবাদী দৃষ্টিভংগীৰ মতে, অৰ্থনীতিৰ অবিৰত স্থিৰতা জাতিটোৰ স্থিৰতাৰ বাবে অতি প্ৰয়োজনীয়, কিয়নো ই সামগ্ৰী আৰু সেৱাৰ বিনিময় নিশ্চিত কৰে। উদাহৰণস্বৰূপে, পাম (farm)ৰ পৰা (উচ্চ কাৰ্যক্ষম আৰু কাৰ্যক্ষম কৃষি ব্যৱস্থা) পথ (নিৰাপদ আৰু ফলপ্ৰসু ট্ৰাকিং আৰু ৰে'ল পথ) ৰ জৰিয়তে চহৰৰ কেন্দ্ৰলৈ (উচ্চ ঘনত্বৰ অঞ্চল য'ত শ্ৰমিকসকলে গোট খাব পাৰে) যাবলৈ আমাক খাদ্যৰ প্ৰয়োজন হয়। কিন্তু কেতিয়াবা অৰ্থনীতিত এটা অকাৰ্যকাৰিতা— সামাজিক সংস্থা বা সংগঠনক বিঘ্নিত কৰাৰ সম্ভাৱনা থকা এটা কাৰ্য (১৯৬৮ মাৰ্টন) থাকে যাৰ বাবে কিছুমান সংস্থাই পৰিৱৰ্তিত সামাজিক পৰিস্থিতিৰ সৈতে সোনকালে খাপ খাব নোৱাৰে। বিৰ্ত্তীয় বজাৰৰ বাবে অৰ্থনৈতিক ব্যৱস্থাই মন্দাৱস্থাৰ পৰা সুস্থ হৈ উঠা বিষয়টোক মাৰ্টনে সম্ভৱত এক ডাঙৰ বিসংগতি হিচাপে আলোচনা কৰিছে।

প্ৰকাৰ্যবাদীসকলে সমাজৰ ওপৰত সামাজিক উপাদানৰ বিষয়ে বৰ্ণনা কৰিবলৈ কাৰ্যকৰী আৰু অকাৰ্যকৰী শব্দ দুটা ব্যৱহাৰ কৰে। সমাজৰ উপাদানসমূহে সামাজিক স্থিতিশীলতাত অবিহণা যোগালে কাৰ্যকৰী আৰু সামাজিক স্থিতিশীলতাক বিঘ্নিত কৰিলে অকাৰ্যকৰী হয়। সমাজৰ কিছুমন দিশ কাৰ্যক্ষম বা কাৰ্যকৰী আৰু অকাৰ্যক্ষম বা অকাৰ্যকৰী দুয়োটা হ'ব পাৰে। উদাহৰণস্বৰূপে, অপৰাধ অকাৰ্যকৰী কাৰণ ইয়াৰ সৈতে শাৰীৰিক

হিংসা, সম্পত্তি হেৰুওৱা আৰু ভয় জড়িত হৈ থাকে। কিন্তু দুৰখেইম আৰু অন্যান্য কার্যকৰীসকলৰ মতে, অপৰাধ সমাজৰ বাবেও কার্যকৰী কাৰণ ইয়াৰ ফলত ভাগ-বতৰা কৰা নৈতিক বান্ধোনৰ প্ৰতি সজাগতা বৃদ্ধি পায় আৰু সামাজিক সংহতি বৃদ্ধি পায়। সমাজতত্ত্ববিদসকলে দুবিধ কার্য চিনাক্ত কৰিছে ঃ প্ৰকাশ আৰু সুপ্ত (Merton 1968)। প্ৰকাশিত কার্যসমূহ হৈছে এনে পৰিণতি যিবোৰ উদ্দেশ্য প্ৰণোদিত আৰু সাধাৰণতে স্বীকৃতি দিয়া হয়। সুপ্ত কার্যসমূহ হৈছে এনে পৰিণতি যিবোৰ অনাকাংক্ষিত আৰু প্ৰায়ে লুকাই থাকে। যদিও এটা সময়ত প্ৰকার্যবাদক সমসাময়িক সমাজতত্ত্বৰ আটাইতকৈ সাধাৰণ প্ৰকাশ বুলি গণ্য কৰা হৈছিল, কিন্তু ইয়াৰ আদিম অৱস্থাক ব্ৰিটিছ নৃতত্ত্বতহে পোৱা, আমেৰিকাত নহয়। গতিকে ইয়াৰ উৎপত্তি আমেৰিকাত হৈছিল বুলি ক'ব পৰা নাযায়।

পোলেণ্ডত জন্মগ্ৰহণ কৰা ব্ৰিটিছ নৃতত্ত্ববিদ মালিন'স্কিয়ে পর্যবেক্ষণৰ জৰিয়তে নহয়, অন্তর্দৃষ্টিৰ জৰিয়তে সামাজিক পৰিস্থিতিৰ ব্যাখ্যা কৰাৰ প্ৰৱণতাৰ সমাধান হিচাপে প্ৰকার্যবাদী বিশ্লেষণৰ প্ৰস্তাৱ আগবঢ়াইছিল। মালিন'স্কিৰ মতে, প্ৰকার্যবাদী বিশ্লেষণে পর্যবেক্ষকৰ পৰা পৃথক হ'বলগীয়া সংস্কৃতিৰ অধ্যয়নত বৈজ্ঞানিক দৃষ্টি আকর্ষণ কৰে। গতিকে এই চিন্তাধাৰা অনুসৰি কোনো এটা সংস্কৃতিৰ সাধাৰণ সামাজিক পৰিঘটনা (এটা প্ৰতিষ্ঠান, বস্তুগত বস্তু, এটা ধাৰণা) বিশ্লেষণ কৰাৰ আগতে আমি এই সংস্কৃতিৰ ভিতৰত এই পৰিঘটনাটোৱে কি কাম পালন কৰে তাক ভাবিব লাগিব।

১৯৫০ চনত ৰবাৰ্ট মার্টনে প্ৰকাশ আৰু সুপ্ত কার্যৰ মাজত পার্থক্য বিশ্লেষণ কৰি প্ৰকার্যবাদী দৃষ্টিভংগীৰ বিশদ বিৱৰণ দিছিল। প্ৰকাশিত কার্য হৈছে কোনো এটা সংস্থা বা সামাজিক ব্যৱস্থাৰ কোনো পৰিঘটনাৰ উদ্দেশ্যপ্ৰণোদিত কার্য। সুপ্ত কার্যসমূহ ইয়াৰ অনাকাংক্ষিত কার্য। সুপ্ত কার্যসমূহ অবাঞ্ছিত হ'ব পাৰে, কিন্তু অনাংক্ষিত পৰিণতি বা স্পষ্টভাৱে অকার্যকৰী সংস্থাসমূহৰ সুপ্ত কার্য থাকিব পাৰে, যিয়ে ইয়াৰ স্থায়িত্ব বর্ণনা কৰে। উদাহৰণস্বৰূপে, কার্যকৰী দৃষ্টিভংগীৰে অপৰাধৰ ব্যাখ্যা কৰাটো সহজ নহয়, যদিও সমাজৰ স্থায়িত্ব ৰক্ষাত ই কম বেছি পৰিমাণে ভূমিকা পালন কৰি আহিছে। অপৰাধে অৱশ্যে সমাজৰ গ্ৰহণযোগ্য আচৰণৰ সীমা আৰু সামাজিক নীতি-নিয়ম বজাই ৰখাৰ সীমাৰ কার্য প্ৰদর্শন কৰাৰ উদাহৰণ দাঙি ধৰে।



অগ্ৰগতি নিৰীক্ষণ

১) প্ৰকাৰ্যবাদী দৃষ্টিভংগীৰ কিছুমান বিশিষ্ট চিন্তাবিদৰ নাম উল্লেখ কৰক।

.....

.....

২) প্ৰকাৰ্যবাদৰ ব্যাখ্যা কৰক।

.....

.....

.....

৩) অৰ্থনৈতিক সমাজতত্ত্বৰ সংজ্ঞা দিয়ক।

.....

.....

.....

৪) অৰ্থনৈতিক সমাজতত্ত্বৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

৩.৪.৩ সমালোচনা

সামাজিক ব্যৱস্থাৰ নেতিবাচক প্ৰভাৱক অৱহেলা কৰাৰ বাবে প্ৰকাৰ্যবাদক বহু সমাজতত্ত্ববিদে সমালোচনা কৰিছে। ইটালীৰ তত্ত্ববিদ এণ্টনিঅ' গ্ৰামচিৰ দৰে কিছুমান সমালোচকে দাবী কৰে যে দৃষ্টিভংগীয়ে যথাৰ্থ অৱস্থা আৰু সাংস্কৃতিক আধিপত্যৰ প্ৰক্ৰিয়াক নাযাতা প্ৰদান কৰে; যিয়ে ইয়াক বজাই ৰাখে। প্ৰকাৰ্যবাদে মানুহক নিজৰ সামাজিক পৰিৱেশ সলনি কৰাত সক্ৰিয় ভূমিকা ল'বলৈ উৎসাহিত নকৰে। বৰঞ্চ ই সামাজিক পৰিৱৰ্তনৰ বাবে আন্দোলন কৰাটো অবাঞ্ছিত বুলি ভাৱে কাৰণ সমাজৰ বিভিন্ন অংশই উদ্ভৱ হ'ব পৰা যিকোনো সমস্যাৰ সমাধান স্বাভাৱিকভাৱে কৰিব পাৰে।

ব্যক্তিগত কাৰ্যৰ ভূমিকাক তুচ্ছজ্ঞান কৰাৰ বাবে প্ৰকাৰ্যবাদক সমালোচনা কৰা হৈছে। প্ৰকাৰ্যবাদী দৃষ্টিভংগীত সমাজ আৰু ইয়াৰ সংস্থাসমূহেই হৈছে বিশ্লেষণৰ প্ৰাথমিক একক। ব্যক্তিসকল কেৱল সামাজিক ব্যৱস্থাৰ ভিতৰত নিজৰ স্থানৰ ক্ষেত্ৰতহে

গুৰুত্বপূৰ্ণ (অৰ্থাৎ সামাজিক সম্পৰ্কৰ আৰ্হিত সামাজিক প্ৰস্থিতি আৰু অৱস্থান)। কিছুমান সমালোচকে প্ৰকাৰ্যবাদৰ সমাজৰ প্ৰতি থকা প্ৰয়োজনীয়তাৰ বাবেও বিতৰ্ক কৰা দেখা যায়। তেওঁলোকে আঙুলিয়াই দিয়ে যে— মানুহৰ দৰে সমাজৰ প্ৰয়োজন নাই; সমাজখন কেৱল জীৱিত ব্যক্তিৰে গঠিত বাবেহে জীয়াই আছে। ব্যক্তিৰ ভূমিকাক তুচ্ছজ্ঞান কৰি প্ৰকাৰ্যবাদে ব্যক্তিৰ কাৰ্যই সামাজিক প্ৰতিষ্ঠানসমূহক কেনেদৰে পৰিৱৰ্তন কৰিব পাৰে সেই সম্পৰ্কে আলোচনা কৰে।

সমালোচকসকলে যুক্তি আগবঢ়ায় যে, প্ৰকাৰ্যবাদে সামাজিক পৰিৱৰ্তনৰ ব্যাখ্যা দিব নোৱাৰে কাৰণ ই সমাজৰ সামাজিক ব্যৱস্থা আৰু ভাৰসাম্যৰ ওপৰত বেছি গুৰুত্ব দিয়ে। প্ৰকাৰ্যবাদী যক্তি অনুসৰণ কৰি যদি কোনো সামাজিক সংস্থা থাকে তেন্তে ই এটা কাৰ্যৰ সেৱা কৰিব লাগিব। প্ৰতিষ্ঠানবোৰ অৱশ্যে সময়ৰ লগে লগে সলনি হয়, কিছুমান নোহোৱা হৈ যায় আৰু কিছুমান নতুনকৈ সৃষ্টি হয়। সামাজিক উপাদানসমূহৰ ক্ষেত্ৰত প্ৰকাৰ্যবাদে উপাদানসমূহৰ বৰ্তমানৰ কাৰ্যৰ ওপৰত গুৰুত্ব দিয়ে, অতীতৰ কাৰ্যকলাপৰ ওপৰত গুৰুত্ব নিদিয়ে যাৰ বাবে সমাজৰ কোনো এটা উপাদানৰ কাৰ্য কিয় সলনি হ'ব পাৰে বা এনে পৰিবৰ্তন কেনেকৈ হয়, সেই বিষয়ে ব্যাখ্যা কৰিবলৈ প্ৰকাৰ্যবাদ ব্যৱহাৰ কৰাটো কঠিন হৈ পৰে।



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰকাৰ্যবাদ হৈছে সমাজৰ এক বৃহৎ দৃষ্টিভংগী অৰ্থাৎ ই সমাজখনক ব্যক্তিগত ভিত্তিৰ পৰিৱৰ্তে সামগ্ৰিকতাৰ ভিত্তিত বিশ্লেষণ কৰে।
- প্ৰকাৰ্যবাদে সমাজত বিদ্যমান সহমত আৰু শৃংখলাৰ লগতে সামাজিক স্থিতিশীলতা আৰু উমৈহতীয়া ৰাজহুৱা মূল্যবোধৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই দৃষ্টিকোণৰ পৰা ব্যৱস্থাটোত বিচ্যুত আচৰণৰ দৰে অসংগঠিতাই পৰিৱৰ্তন ঘটাই কাৰণ সমাজৰ উপাদানসমূহে স্থিৰতা লাভ কৰিবলৈ সামঞ্জস্য স্থাপন কৰিব লাগিব।
- যেতিয়া ব্যৱস্থাটোৰ এটা অংশই কাম নকৰে বা অকাৰ্যকৰী হয়, তেতিয়া ই বাকী সকলো অংশক প্ৰভাৱিত কৰি সামজিক সমস্যাৰ সৃষ্টি কৰে যাৰ ফলত সমাজৰ পৰিৱৰ্তন ঘটে।
- প্ৰকাৰ্যবাদে সমাজৰ প্ৰতিটো অংশই সমগ্ৰ সমাজখনৰ স্থিৰতাত কেনেদৰে অৱিহণা যোগায় তাৰ ব্যাখ্যা কৰে। সমাজখন ইয়াৰ অংশসমূহতকৈও বৃহৎ, বৰঞ্চ সমাজক প্ৰতিটো অংশই সমগ্ৰতাৰ স্থিৰতাৰ বাবে কাৰ্যক্ষম।



৩.৬ অধিক জানিবলৈ

- Swedberg, R. (2003). The Classics in Economic Sociology, Principles of Economic Sociology, Princeton University Press, pp. 1-31.



৩.৭ অগ্রগতি খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকাৰ্যবাদী দৃষ্টিভংগীৰ কিছুমান প্ৰধান চিন্তাবিদ হ'ল— আৰ.কে. মাৰ্টন, এমিল দুৰখেইম, হাৰ্বাৰ্ট স্পেনছাৰ আৰু টালকট পাৰ্ছনছ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকাৰ্যবাদী দৃষ্টিভংগীয়ে সমাজক এক জটিল ব্যৱস্থা হিচাপে লয়, যাৰ অংশসমূহে একেলগে কাম কৰি সংহতি আৰু স্থিতিশীলতাক প্ৰসাৰিত কৰে। এই পদ্ধতিয়ে সমাজখনক বৃহৎ পৰ্যায়ৰ অভিমুখীতাৰ জৰিয়তে চায় আৰু সামগ্ৰিকভাৱে সমাজখনক গঢ় দিয়া সামাজিক গাঁথনিসমূহৰ ওপৰত ব্যাপকভাৱে গুৰুত্ব আৰোপ কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অৰ্থনীতিবিদসকলে পৰম্পৰাগতভাৱে চিনাক্ত কৰা প্ৰশ্নসমূহক সমাজতত্ত্ববিদসকলে সমাজতাত্ত্বিকভাৱে অধ্যয়ন কৰিবলৈ চেষ্টা কৰাকে অৰ্থনৈতিক সমাজতত্ত্ব বুলি কোৱা হয়। ইয়াত অৰ্থনীতিবিদসকলে বিশেষকৈ উপযোগিতা সৰ্বোচ্চকৰণ (utility maximization) আৰু তত্ত্ব (game theory)ক অৰ্থনৈতিক দৃষ্টিভংগীৰে অধ্যয়ন কৰিবলৈ চেষ্টা কৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ

ক) বিভিন্ন অৰ্থনৈতিক পৰিঘটনাৰ সামাজিক কাৰণ আৰু সামাজিক প্ৰভাৱৰ অধ্যয়ন।

খ) ইয়াত ব্যক্তি আৰু গোটৰ অৰ্থনৈতিক কাৰ্যকলাপৰ সকলো দিশ যেনে সংগঠন, বজাৰ আৰু অন্যান্য অৰ্থনৈতিক সংস্থা সম্পৰ্কে অধ্যয়ন কৰা হয়।



৩.৮ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (প্ৰায় ১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১) দুৰখেইমৰ প্ৰকাৰ্যবাদ ধাৰণাৰ সম্পৰ্কে বৰ্ণনা কৰক।

প্ৰশ্ন নং ২) অৰ্থনৈতিক সমাজতত্ত্বত প্ৰকাৰসমূহ কি কি?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১) অর্থনৈতিক সমাজতত্ত্বৰ প্ৰকাৰ্যবাদৰ বিস্তাৰভাৱে ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২) এক দৃষ্টিভংগী হিচাপে প্ৰকাৰ্যবাদৰ সমালোচনাৰ ওপৰত আলোকপাত কৰক।

****

অধ্যায় ৪ ঃ অর্থনৈতিক সমাজতত্ত্বৰ মার্ক্সবাদী দৃষ্টিভংগী

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ মার্ক্সবাদী অর্থনৈতিক সমাজতত্ত্ব

৪.৪ মূল যুক্তি

- ৪.৪.১ ব্যৱহাৰ মূল্য আৰু বিনিময় মূল্য
- ৪.৪.২ মূল্যৰ শ্ৰম তত্ত্ব
- ৪.৪.৩ উদ্ধৃত্ত মূল্য
- ৪.৪.৪ পুঁজিবাদী সঞ্চয়ৰ সাধাৰণ নিয়ম
- ৪.৪.৫ অপসাৰণ
- ৪.৪.৬ পণ্যৰ জড়বাদকৰণ (Fetishism of Commodities)

৪.৫ আন্তঃগাঁথনি হিচাপে অর্থনীতি

৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৭ অধিক জানিবলৈ

৪.৮ অগ্রগতিৰ খতিয়ান

৪.৯ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অর্থনৈতিক সমাজতত্ত্বৰ মার্ক্সবাদী দৃষ্টিভংগী সম্পর্কে বুজিব
- ইয়াৰ লগত জড়িত বিভিন্ন ধাৰণা সম্পর্কে জানিব।

৪.২ পৰিচয়

ঊনবিংশ শতিকাত সমাজতত্ত্বৰ উদ্ভৱ হয়। সমাজতত্ত্বই পুঁজিবাদৰ জন্ম, কার্যকলাপ আৰু সমাজৰ ওপৰত ইয়াৰ প্ৰভাৱ সম্পর্কে বুজিবলৈ চেষ্টা কৰে। কার্ল মার্ক্স, দুৰখেইম, ৱেবাৰ আদি বিভিন্ন চিন্তাবিদে অর্থনৈতিক সমাজতত্ত্বৰ ক্ষেত্ৰত অৱদান আগবঢ়াই গৈছে। চিন্তাবিদসকলৰ লেখনিত অর্থনৈতিক সমাজতত্ত্বৰ গভীৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। ১৯৮০ চনৰ মাজভাগৰ পৰা ইয়াৰ পৰিৱর্তন হোৱা দেখিবলৈ পোৱা যায়। অর্থনৈতিক সমাজতত্ত্ব হৈছে সমাজতত্ত্বৰ এটা অংশ যিয়ে সমাজতাত্ত্বিক ধাৰণা আৰু পদ্ধতিসমূহ ব্যৱহাৰ কৰি অর্থনৈতিক পৰিঘটনা সম্পর্কে বিশ্লেষণ কৰে। অর্থনৈতিক সমাজতত্ত্বৰ বিষয়বস্তু হৈছে বস্তুগত উপাদান। অর্থনৈতিক সমাজতত্ত্ব

বিষয়টো ইতিহাসত দুবাৰকৈ আটাইতকৈ বেছি আলোচিত হৈছিল। প্ৰথমতে, ইয়াৰ জন্মৰ সময়ত, ইয়াৰ প্ৰতিষ্ঠাপকসকলৰ সৈতে (যিসকল অৰ্থনীতিৰ প্ৰতি আগ্ৰহী হৈছিল আৰু লিখিছিল) অৰ্থাৎ ১৮৯০-১৯২০ চনত, দ্বিতীয়তে ১৯৮০ চনৰ আৰম্ভণিৰ পৰা। ১৯২০ চনৰ পৰা ১৯৮০ চনৰ মাজভাগলৈকে বহুতো গুৰুত্বপূৰ্ণ ৰচনা প্ৰস্তুত কৰা হৈছিল। অৰ্থনৈতিক সমাজতত্ত্বক সঠিকভাৱে বুজিবলৈ হ'লে আমি অৰ্থনৈতিক আগ্ৰহৰ বিশ্লেষণক মানৱ সম্পৰ্কৰ বিশ্লেষণৰ সৈতে সংযুক্ত কৰিব লাগিব।

১৮৭৯ চনত "অৰ্থনৈতিক সমাজতত্ত্ব" শব্দটো প্ৰথমবাৰৰ বাবে ব্যৱহাৰ হৈছিল। ব্ৰিটিছ অৰ্থনীতিবিদ ভেজনছৰ এখন গ্ৰন্থত এই শব্দটিৰ প্ৰকাশ হোৱাৰ ফলতে ইয়াক সমাজতত্ত্বত ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ পাছৰ পৰাই সমাজতত্ত্ববিদসকলে সমাজখনক অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা বুজিবলৈ আৰম্ভ কৰে। ১৮৯০-১৯২০ চনৰ ভিতৰত দুৰখেইম আৰু ৱেবাৰৰ লেখনিত ইয়াক পোৱা যায়। এই সময়ছোৱাত ধ্ৰুপদী অৰ্থনৈতিক সমাজতত্ত্বৰ জন্ম হয়। দুৰখেইমৰ "দ্য ডিভিজন অৱ লেবাৰ ইন ছ'চাইটি" (১৮৯৩), ছিমেলৰ "দ্য ফিলছ'ফি অৱ মনি" (১৯০০) আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ হিচাপে ৱেবাৰৰ "ইক'নমি এণ্ড ছ'চাইটি" (১৯০৮-১৯২০) আদিত অৰ্থনৈতিক সমাজতত্ত্ব সম্পৰ্কে পোৱা যায়। অৰ্থনৈতিক সমাজতত্ত্বৰ কেইটামান গুৰুত্বপূৰ্ণ দিশ হ'ল— সমাজখনক নতুন দৃষ্টিকোণৰ পৰা বুজা, সমাজত অৰ্থনীতিৰ ভূমিকা সম্পৰ্কে বুজা, অৰ্থনীতিৰ সম্পৰ্কে অৰ্থনীতিবিদ আৰু সমাজতত্ত্ববিদৰ বিশ্লেষণ কিদৰে পৃথক আৰু সমাজত পুঁজিবাদৰ প্ৰভাৱ।

৪.৩ মার্ক্সবাদী অর্থনৈতিক সমাজতত্ত্ব

কার্ল মার্ক্স আছিল ৰাজনৈতিক অৰ্থনীতিবিদ। তেওঁ সমাজতত্ত্ববিদ নাছিল যদিও তেওঁক সমাজতত্ত্বৰ অন্যতম প্ৰতিষ্ঠাপক হিচাপে গণ্য কৰা হয়। মার্ক্সৰ মৃত্যুৰ পিছত ঊনবিংশ শতিকাৰ শেষৰ ফালে মার্ক্সবাদী সমাজতত্ত্বৰ উত্থান ঘটিছিল। মার্ক্সবাদী সমাজতত্ত্বৰ পথ প্ৰদৰ্শকসকলৰ ভিতৰত আছিল— অষ্ট্ৰিয়ান কার্ল গ্ৰুণবার্গ, থিয়ডৰ এড'ৰ্ণ, মেক্স হৰখেইমাৰ, এৰিছ ফৰ্ম আৰু হাবার্ট মাৰকিউজ। মার্ক্সে আইনৰ প্ৰশিক্ষণ লৈছিল (আৰু দৰ্শনৰ) আৰু তাৰ পৰাই অৰ্থনীতি শিকিছিল। সমসাময়িক চিন্তাবিদসকলৰ তুলনাত মার্ক্স সমাজত অৰ্থনীতিৰ ভূমিকা সম্পৰ্কে জানিবৰ বাবে অধিক আগ্ৰহী আছিল। তেওঁ সমাজৰ সাধাৰণ বিৱৰ্তন নিৰ্ধাৰণ কৰা এটা তত্ত্ব গঢ়ি তুলিছিল। মার্ক্সে যুক্তি আগবঢ়া যে— বস্তুগত স্বাৰ্থই মানুহক দৈনন্দিন জীৱনত পৰিচালিত কৰে আৰু লগতে সমাজৰ গাঁথনি আৰু বিৱৰ্তন নিৰ্ধাৰণ কৰে। মার্ক্সে সমাজত বিজ্ঞানসন্মত দৃষ্টিভংগী গঢ়ি তুলিব বিচাৰিছিল আৰু তেওঁ ৰাজনৈতিৰ দৃষ্টিৰে সমাজখনক সলনি কৰাৰ ধাৰণা পোষকতা কৰিছিল। "দার্শনিকসকলে বিভিন্ন ধৰণেৰে কেৱল পৃথিৱীখনৰ ব্যাখ্যাহে কৰিছে", কিন্তু তেওঁৰ মতে, "কথাটো হ'ল ইয়াক সলনি কৰা"। শেষত ক'ব পাৰি, মার্ক্সবাদ হৈছে সমাজতত্ত্ব আৰু ৰাজনৈতিক মতাদৰ্শৰ মিশ্ৰণ, যাক একক মতবাদ হিচাপে একেলগে ব্যৱহাৰ কৰিব পাৰি। কিন্তু বৰ্তমান সময়ত অৰ্থনৈতিক সমাজতত্ত্বৰ বাবে মার্ক্সৰ যিবোৰ অংশৰ প্ৰয়োজন তাক বাছি উলিয়াবলৈ

কৰা প্ৰচেষ্টা খুবেই সীমিত ৰূপত দেখা যায়।

মার্ক্সৰ কার্যসমূহৰ বেছিভাগেই শ্ৰম আৰু উৎপাদনৰ লগত জড়িত। তেওঁৰ মতে মানুহে জীৱন-নির্বাহৰ বাবে কাম কৰিবই লাগিব আৰু এই ধাৰণা প্ৰত্যেক সমাজতে দেখা যায়। শ্ৰম হৈছে, "প্ৰতিখন সমাজৰ বাবে আৱশ্যকীয় আৰু নির্ভৰশীল অৱস্থা, য'ত মানৱ জাতিৰ অস্তিত্ব ৰক্ষা হয়" (মার্ক্স, ১৮৬৭)। তেওঁৰ মতে, বস্তুগত অৱস্থা সার্বজনীন প্ৰকৃতিৰ আৰু শ্ৰম সামাজিকভাৱে সম্পর্কিত। মার্ক্সে আডাম স্মিথক ব্যক্তিগত অর্থনৈতিক স্বার্থ ধাৰণাৰ বাবে সমালোচনা কৰিছিল। বিভিন্ন ধৰণৰ ৰচনা যেনে, গ্ৰুণৰিছৰ "দ্য মেনিফেষ্ট' অৱ দ্য কমিউনিষ্ট পার্টী (১৮৪৮, ফ্ৰেড্ৰিক এংগেলছৰ সৈতে), মার্ক্সৰ "এ কনট্ৰিবিউহন টু দ্য ক্ৰিটিক অন পলিটিকেল ইক'নমি (১৮৫৯) আৰু "কেপিটেল" (১৮৬৭) আদি জৰিয়তে মার্ক্সে শ্ৰেণী সংগ্ৰামৰ ইতিহাসৰ বিষয়ে আৰম্ভণিৰ পৰা ভৱিষ্যতলৈকে সন্ধান কৰে। মার্ক্সে ক'ব খোজে যে এটা নির্দিষ্ট পর্যায়ত 'উৎপাদনৰ সম্পর্ক' 'উৎপাদন আহিলা'ৰ সৈতে সংঘাতত লিপ্ত হয় তাৰ ফলত এটা নতুন 'উৎপাদন কৌশল'ৰ উদ্ভৱ হয়।

মার্ক্সবাদী অর্থনৈতিক সমাজতত্ত্ব ধাৰণাটো কার্ল মার্ক্সৰ লগত সম্পর্কিত। ই কার্ল মার্ক্সৰ পদ্ধতিগত আৰু বিশ্লেষণাত্মক কার্যৰ জৰিয়তে সমাজতত্ত্বৰ অনুশীলন কৰে। ইয়াৰ বিভিন্ন ধাৰণা আৰু তত্ত্বসমূহ মার্ক্সবাদী দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব আৰোপ কৰি আলোচনা কৰা হয়। অর্থনৈতিক শ্ৰেণীৰ ৰাজনীতি, শ্ৰম আৰু পুঁজিবাদৰ মাজৰ সম্পর্ক, সাংস্কৃতিক সম্পর্ক, সামাজিক জীৱন আৰু অর্থনীতিৰ মাজৰ সম্পর্ক, অর্থনৈতিক শোষণ আৰু অসমতা, সম্পদ আৰু ক্ষমতাৰ মাজৰ সম্পর্ক আৰু সমালোচনাত্মক চেতনা আৰু প্ৰগতিশীল সামাজিক পৰিৱর্তন আদি হৈছে মার্ক্সবাদী দৃষ্টিভংগীৰে আলোচনা কৰা কিছুমান বিষয়। কার্ল মার্ক্সৰ এখন বিশেষ গ্ৰন্থ 'কেপিটেল'ত অর্থনৈতিক পৰিঘটনাসমূহৰ লগতে অন্যান্য বিভিন্ন ৰচনা পোৱা যায়।

৪.৪ মূল যুক্তি

৪.৪.১ ব্যৱহাৰ মূল্য আৰু বিনিময় মূল্য

ব্যৱহাৰ মূল্য আৰু বিনিময় মূল্য ধাৰণাকেইটা হৈছে মার্ক্সীয় অর্থনীতিৰ বাবে এক প্ৰাৰম্ভিক বিন্দু। মানুহে সদায় নিজৰ ইচ্ছা পূৰণৰ বাবে ব্যৱহাৰ মূল্য সৃষ্টি কৰে। ব্যৱহাৰ মূল্য আৰু বিনিময় মূল্য এটা সম্প্ৰদায়ৰ উপযোগিতা হিচাপে বুজিব পাৰি আৰু কোনো এটা সামগ্ৰীৰ বিনিময় মূল্যক বজাৰত উপলব্ধ আন সামগ্ৰীৰ তুলনাত বুজিব পাৰি। ব্যৱহাৰ মূল্যৰ উপযোগিতাক গুণগতভাৱে বুজিব পাৰি আৰু বিনিময় মূল্যৰ উপযোগিতাক পৰিমাণগতভাৱে বুজিব পাৰি, গুণগতভাৱে নহয়। ব্যৱহাৰ মূল্য কোনো এটা সামগ্ৰীৰ ভৌতিক মূল্যৰ সৈতে জড়িত আৰু ইয়াৰ বস্তুগত ব্যৱহাৰক প্ৰয়োজনীয়তা অনুসৰি গ্ৰহণ কৰা হয়। কোনো এটা সামগ্ৰীৰ উপযুক্ত ব্যৱহাৰৰ বাবে প্ৰয়োজন হোৱা

শ্ৰমৰ পৰিমাণৰ দ্বাৰা বিনিময় মূল্যক সংজ্ঞাবদ্ধ কৰিব পাৰি আৰু ইয়াক মূল্যৰ সৈতে বিনিময় কৰিবলৈ উৎপাদন কৰা হয়। পুঁজিবাদী বজাৰত বিনিময় মূল্যৰ গুৰুত্ব সর্বাধিক। পুঁজিবাদ, বজাৰ, মুদ্রা আদিকে ধৰি পুঁজিবাদীৰ সম্পূর্ণ ধাৰণাটো বিনিময় মূল্যৰ ওপৰত আধাৰিত।

৪.৪.২ মূল্যৰ শ্ৰম তত্ত্ব

মূল্যৰ শ্ৰম তত্ত্ব অনুসৰি, কোনো সামগ্ৰীৰ মূল্য ইয়াৰ উৎপাদনত প্ৰয়োজন হোৱা শ্ৰমৰ ওপৰত ভিত্তি কৰি নির্ণয় কৰা হয়। মার্ক্সে সামগ্ৰী বা পণ্যক এনে এক বাহ্যিক বস্তু বুলি সংজ্ঞাবদ্ধ কৰিছে যিয়ে ইচ্ছা বা প্ৰয়োজন পূৰণ কৰে আৰু ইয়াৰ বাবে আৰোপ কৰিব পৰা দুটা ভিন্ন ধৰণৰ মূল্যৰ মাজত পার্থক্য ৰাখে। পণ্যৰ এটা ব্যৱহাৰ মূল্য থাকে যিটো এনে ইচ্ছা আৰু প্ৰয়োজন পূৰণ কৰাৰ ক্ষমতাৰে গঠিত। অর্থনৈতিক বিনিময়ৰ উদ্দেশ্যে পণ্যসমূহৰ এটা বিনিময় মূল্য থাকে, বজাৰৰ আন সামগ্ৰী বা পণ্যৰ লগত এটা সম্পর্ক থাকে যিটোক মুদ্রাৰ সহায়ত জুখিব পাৰি। মার্ক্সে দৃঢ়তাৰে ক'ব খোজে যে বিভিন্ন ব্যৱহাৰ মূল্যৰ অতি ভিন্ন সামগ্ৰীৰ আপেক্ষিক মূল্য নির্ণয় কৰিবলৈ হ'লে বিনিময় মূল্য বা আর্থিক মূল্য এনে সকলো সামগ্ৰীৰ বাবে সাধাৰণ সম্পত্তিৰ দ্বাৰা জুখিব পৰা হ'ব লাগিব। সকলো সামগ্ৰীৰ মাজত সাদৃশ্য থকা একমাত্ৰ কথাটো হ'ল ই শ্ৰমৰ উৎপাদন। গতিকে বজাৰ এখনত কোনো সামগ্ৰীৰ মূল্যই ইয়াৰ উৎপাদনত প্ৰয়োজন হোৱা শ্ৰমৰ পৰিমাণক প্ৰতিনিধিত্ব কৰে। মার্ক্সৰ ৰচনাত শ্ৰম তত্ত্বৰ গুৰুত্ব এই কাৰণেই নহয় যে ই মূল্যৰ প্ৰকৃতিৰ বিষয়ে অন্তর্দৃষ্টি প্ৰদান কৰে, বৰঞ্চ ই মার্ক্সৰ শোষণৰ ধাৰণাটোৰ ভেটি গঠন কৰে। বিনিময়ৰ সৰল ৰূপত মানুহে সামগ্ৰী উৎপাদন কৰি বিক্ৰী কৰে যাতে নিজৰ ইচ্ছা আৰু প্ৰয়োজন অনুসৰি আন সামগ্ৰী ক্ৰয় কৰিব পাৰে। এনে বিনিময়ত মুদ্রা হৈছে এটা সাধাৰণ মাধ্যম যাৰ সহায়ত লেনদেন কৰিব পাৰি। ইয়াৰ বিপৰীতে পুঁজিপতিসকল সামগ্ৰীৰ পৰিৱর্তে অর্থৰ বাবেহে আগ্ৰহী হয়। পুঁজিপতিসকলে নিজৰ ক্ষমতাৰ সুযোগ লৈ মজুৰি আৰু কর্মৰ সময় নির্ধাৰণ কৰি শ্ৰমিকৰ পৰা সর্বাধিক পৰিমাণৰ শ্ৰম সম্ভৱপৰ কম খৰচত উলিয়ায় আৰু শ্ৰমিকৰ সহায়ত উৎপাদন কৰা সামগ্ৰীসমূহ তেওঁলোকে অধিক মূল্যত বিক্ৰী কৰে। পুঁজিপতিসকলে তেওঁলোকৰ প্ৰকৃত বিনিময় মূল্যত সামগ্ৰী ক্ৰয় বা বিক্ৰী কৰাতকৈ সামগ্ৰীটোৰ উৎপাদনৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা শ্ৰমৰ দ্বাৰাহে নির্ধাৰিত কৰে আৰু তেওঁলোকে শ্ৰমিকক শোষণ কৰি তেওঁলোকৰ পৰা এটা 'উদ্ধৃত মূল্য' নিজৰ স্বার্থৰ বাবে উলিয়াই লয়। এই শোষণমূলক সম্পর্কৰ ধ্বংসাত্মক প্ৰভাৱৰ বাবে মার্ক্সে মানচেষ্টাৰৰ দৰে ঠাইত ঔদ্যোগিক শ্ৰমিকৰ অতি দৰিদ্ৰতাৰ দিশটো আঙুলিয়াই দিছিল।

৪.৪.৩ উদ্ধৃত্ত মূল্য

সমাজতত্ত্বৰ মার্ক্সবাদী বিশ্লেষণত শোষণৰ বিষয়বস্তু হ'ল হৃদয়। উদ্ধৃত্ত মূল্যৰ তত্ত্বই মার্ক্সৰ বাবে তেওঁৰ সমাজতত্ত্ব আৰু ঐতিহাসিক চিন্তাৰ পৰিসৰক মুকলি কৰি দিছিল যাৰ ফলত তেওঁ পুঁজিবাদী উৎপাদন পদ্ধতিক ঐতিহাসিক প্ৰেক্ষাপটত স্থান দিবলৈ সক্ষম হৈছিল। কোনো সামগ্ৰীৰ উৎপাদনত জড়িত শ্ৰমৰ দ্বাৰা পণ্য মূল্য নিৰ্ধাৰণ কৰা হয়। পুঁজিপতিয়ে শ্ৰমিকক উৎপাদিত মূল্যতকৈ কম দৰমহা দিয়ে আৰু উদ্ধৃত্তখিনি নিজৰ বাবে ৰাখে। এইক্ষেত্ৰত মার্ক্সৰ উদ্ধৃত্ত মূল্যৰ ধাৰণাটো আহি পৰে। মার্ক্সৰ উদ্ধৃত্ত মূল্যৰ ধাৰণাটোক বিক্ৰী কৰাৰ সময়ত হোৱা উপাদানৰ মূল্যৰ মাজৰ পাৰ্থক্য হিচাপে সংজ্ঞা দিব পাৰি। যদিও উৎপাদনৰ ক্ষেত্ৰত কেঁচামাল আৰু আহিলাৰ প্ৰয়োজন হয় কিন্তু মার্ক্সৰ মতে উদ্ধৃত্ত মূল্য শ্ৰম শক্তিৰ পৰাই আহে। উদ্ধৃত্ত মূল্য হৈছে পুঁজিবাদৰ শোষণৰ এক নিৰ্দিষ্ট ৰূপ। উদ্ধৃত্ত মূল্যৰ উৎপাদন আৰু স্বকীয়তাই পুঁজিবাদৰ মৌলিক অৰ্থনৈতিক নিয়মৰ সাৰমৰ্ম গঠন কৰে। উদ্ধৃত্ত মূল্যৰ ধাৰণাটো মার্ক্সে প্ৰথমে ১৮৫৭-৫৮ চনত "এ ক্ৰিটিক অৱ পলিটিকেল ইক'নমি'ত বিশদভাৱে উল্লেখ কৰিছিল। উদ্ধৃত্ত মূল্যৰ পূৰ্বচর্ত হ'ল শ্ৰমশক্তিক পণ্যলৈ ৰূপান্তৰ কৰা। এই তত্ত্বত উল্লেখ থকা কেন্দ্ৰীয় সমস্যাটো হ'ল বুৰ্জোৱা সমাজত প্ৰচলিত পণ্য-ধন সম্পৰ্কৰ ভিত্তিত পুঁজিবাদী শোষণৰ ব্যৱস্থাটো ব্যাখ্যা কৰা। পুঁজিবাদী শোষণৰ ব্যৱস্থাটোৱে পৰস্পৰ বিৰোধীভাৱে কাম কৰে অৰ্থাৎ শ্ৰমিক আৰু পুঁজিপতিৰ মাজত বিনিময় অসমতা বিৰাজ কৰে বা মজুৰি আৰু পুঁজিৰ মাজত বিনিময় প্ৰকৃত মূল্যৰ নিয়মৰ ভিত্তিত কৰা হয়— অৰ্থাৎ সমতুল্য বা একে মূল্যৰ সামগ্ৰীৰ বিনিময়ৰ ভিত্তি কৰা হয়। মার্ক্সে উদ্ধৃত্ত মূল্য উৎপাদন প্ৰক্ৰিয়াৰ অনুসন্ধান আৰম্ভ কৰে পুঁজিৰ বাবে সার্বজনীন সূত্ৰ বিশ্লেষণৰ জৰিয়তে, M-C-M3, য'ত 'M' হৈছে মুদ্ৰা বা ধন, 'C' হৈছে সামগ্ৰী বা পণ্য আৰু 'M2' M তকৈ ডাঙৰ (M2=M+M)। সূত্ৰটোত এটা সামগ্ৰী ক্ৰয় (MC) আৰু বিক্ৰী (C–M?) দেখুওৱা হৈছে, যাৰ ফলত মূলধনৰ পৰিমাণ বৃদ্ধি পায়। মার্ক্সে প্ৰথমে মুদ্ৰাৰ যোগফল (M)ৰ ওপৰত মূল্য (m) ৰ বৃদ্ধিক বুজাবলৈ 'উদ্ধৃত্ত মূল্য' শব্দটো ব্যৱহাৰ কৰিছিল। মূল ধনৰাশি উদ্ধৃত্ত মূল্য সংযোজনৰ জৰিয়তে মূলধনলৈ ৰূপান্তৰিত হয়।

৪.৪.৪ পুঁজিবাদী সঞ্চয়ৰ সাধাৰণ নিয়ম

পুঁজিপতিৰ বাবে প্ৰধান লক্ষ্য হৈছে পুঁজিৰ সম্প্ৰসাৰণ। অধিক লাভ আৰু সম্প্ৰসাৰণৰ বাবে অধিক উদ্ধৃত্ত মূল্যৰ আকাংক্ষা কৰাৰ বাবেই পুঁজিবাদক মার্ক্সে পুঁজিবাদী সঞ্চয়ৰ সাধাৰণ নিয়ম বুলি কোৱাৰ দিশলৈ ঠেলি দিয়ে। পুঁজিপতিসকলে উদ্ধৃত্ত মূল্য বৃদ্ধি কৰিবৰ বাবে শ্ৰমৰ শোষণ কৰিবলৈ আৰম্ভ কৰে। তেওঁলোকৰ এনে অহৰহ প্ৰচেষ্টাৰ

কাৰণ হৈছে— তেওঁলোকৰ শ্ৰমৰ ব্যয় শূণ্যলৈ উন্নীত কৰা। মার্ক্সে এই ক্ষেত্ৰত যুক্তি দর্শাই যে, পুঁজিবাদৰ গাঁথনি আৰু নীতি-নিয়মে পুঁজিবাদীক পুঁজি সঞ্চয়ৰ দিশলৈ ঠেলি দিয়ে, যাৰ ফলত পুঁজিপতিৰ দ্বাৰা সর্বহাৰাৰ শোষণ হয়।

৪.৪.৫ অপসাৰণ

মার্ক্সৰ প্ৰাৰম্ভিক লেখা যিবোৰ অর্থনীতিতকৈ অধিক দার্শনিক আছিল, তাত মার্ক্সে বর্ণনা কৰিছে যে— কেনেকৈ পুঁজিবাদী উৎপাদন ব্যৱস্থাত শ্ৰমিক এজন নিজৰ পৰা, নিজৰ কামৰ পৰা আৰু আন শ্ৰমিকৰ পৰা অপসাৰিত হৈ পৰে। মার্ক্সে যুক্তি প্ৰদর্শন কৰে যে মানুহৰ আত্মধাৰণা আৰু স্ব-বিকাশৰ বাবে শ্ৰম হৈছে কেন্দ্ৰীয় বা মূল শক্তি, অর্থাৎ শ্ৰম যিমানেই ব্যক্তিগত সৃষ্টি আৰু নিজৰ পৰিচয়ৰ বাবে কৰিব পাৰি সিমানেই লাভ হোৱা দেখা যায়। কিন্তু পুঁজিবাদত, উৎপাদন মাধ্যমৰ ব্যক্তিগত মালিকীস্বত্বৰ ব্যৱস্থাই মানুহক আত্মমূল্যৰ এই অপৰিহার্য উৎসৰ পৰা বঞ্চিত কৰে। শ্ৰমিকজনে কামক সহায় জীয়াই থকাৰ উপায় হিচাপেহে লয় আৰু কামৰ বাবে আন কোনো ব্যক্তিগত সন্তুষ্টি লাভ নকৰে কাৰণ তেওঁলোকৰ শ্ৰমৰ উৎপাদনসমূহ ইয়াত ব্যৱহাৰ কৰাৰ সুযোগ নাপায়। এই সামগ্ৰীসমূহ পুঁজিপতিসকলে কেৱল নিজৰ লাভৰ বাবে বিক্ৰী কৰে।

যদিও শ্ৰমিকসকল অপসাৰিত হয় কিন্তু মার্ক্সে চিন্তা কৰিছিল পুঁজিবাদৰ গাঁথনি সম্পর্কে যিয়ে অপসাৰণ সৃষ্টি কৰে। মার্ক্সৰ অপসাৰণ তত্ত্বটো মূলতঃ সামাজিক গাঁথনিৰ ওপৰত ভিত্তি কৰি গঠিত। তেওঁ ইয়াৰ বিভিন্ন উপাদানৰ বিষয়ে আলোচনা কৰে। প্ৰথমতে, পুঁজিবাদী সমাজৰ শ্ৰমিকসকল তেওঁলোকৰ উৎপাদনশীল কার্যকলাপৰ পৰা অপসাৰিত হৈ পৰে। দ্বিতীয়তে, শ্ৰমিকসকল উৎপাদনৰ পৰা অপসাৰিত হয়। তৃতীয়তে, শ্ৰমিকসকল সহকর্মীৰ পৰা অপসাৰিত হয় আৰু চতুর্থতে, তেওঁলোকে নিজৰ মানবীয় সম্ভাৱনীৰ পৰা অপসাৰিত হয়।

৪.৪.৬ পণ্যৰ জড়বাদকৰণ (Fetishism of Commodities)

জড়বাদ (Fetish) শব্দটোৱে এনে বস্তুক বুজায় যিয়ে মানুহক বস্তুটোৰ প্ৰতি আকর্ষিত কৰে আৰু ই মানুহক বাস্তৱতাৰ পৰা আঁতৰাই ৰাখে। মার্ক্স যুক্তি আগবঢ়াই যে সামগ্ৰীৰ বিকাশৰ লগে লগে পণ্যৰ জড়বাদী অস্তিত্ব আহি পৰিল। পণ্য এটাৰ উৎপাদনত শ্ৰমে সামগ্ৰীটোৰ মূল্য প্ৰদান কৰে। পণ্যৰ জড়বাদকৰণ হ'ল এনে এটা প্ৰক্ৰিয়া য'ত শ্ৰমিকে তেওঁলোকৰ শ্ৰমেই যে পণ্যৰ মূল্য প্ৰদান কৰে তাক চিনাক্ত কৰিব নোৱাৰে। পণ্যৰ স্বাভাৱিক মূল্যই পণ্যটোক মূল্য দিয়ে বুলি তেওঁলোকে বিশ্বাস কৰিবলৈ আৰম্ভ কৰে।

মার্ক্সে বিশ্বাস কৰিছিল যে পণ্য আৰু ধন হৈছে ফেটিছ যিয়ে মানুহক অর্থনীতি আৰু সমাজৰ সত্যটো দেখাত বাধা দিয়ে ঃ যে এটা শ্রেণীৰ মানুহক আন এটা শ্রেণীৰ মানুহে শোষণ কৰি আছে। পুঁজিবাদত পণ্যৰ উৎপাদন কাৰখানাৰ মালিক আৰু পণ্যৰ উৎপাদন কৰা শ্রমিকৰ মাজত শোষণমূলক অর্থনৈতিক সম্পর্কৰ গঢ় লৈ উঠে। দৈনন্দিন জীৱনত আমি কেৱল এটা সামগ্রীৰ বজাৰ মূল্যৰ কথা ভাবো— আন কথাত ক'বলৈ গ'লে ইয়াৰ মূল্যৰ কথা। কিন্তু এই আর্থিক মূল্য একেলগে নির্ভৰ কৰে সেই সামগ্রীটোৰ উৎপাদনত যে কাৰোবাক শোষণ কৰা হৈছিল সেইয়া ঢাকি ৰাখে। মার্ক্সে যুক্তি আগবঢ়ায় যে এই ক'ম'ডিটি ফেটিছিজমে পুঁজিপতিসকলক তেওঁলোকে নির্ভৰশীল শোষণ ব্যৱস্থাৰ প্রকৃত প্রভাৱৰ সন্মুখীন নোহোৱাকৈ পুঁজিবাদী উৎপাদন পদ্ধতিৰ দৈনন্দিন কাম-কাজ আগবঢ়াই নিবলৈ অনুমতি দিয়ে।

৪.৫ আন্তঃগাঁথনি হিচাপে অর্থনীতি

মার্ক্সে এখন সমাজৰ অর্থনৈতিক গাঁথনিৰ ব্যাখ্যাৰ বাবে ভিত্তি আৰু আন্তঃগাঁথনি শব্দ আৰু সমাজ এখনৰ আইনী, সাংস্কৃতিক, ৰাজনৈতিক আৰু মতাদর্শগত দিশটোক বুজাবলৈ উপগাঁথনি ব্যৱহাৰ কৰিছিল। মার্ক্সৰ মতে অর্থনীতি আছিল সমাজৰ সকলো গাঁথনিৰ ভিত্তি। মার্ক্সৰ যুক্তিৰ ওপৰত ভিত্তি কৰিয়েই অর্থনৈতিক আধাৰে সমাজৰ আইনী, সাংস্কৃতিক, ৰাজনৈতিক আৰু মতাদর্শগত দিশৰ জন্ম দিছিল। মার্ক্সে ক'ব খোজে যে পুৰুষৰ সামাজিক সম্পর্ক তেওঁলোকৰ বস্তুগত উৎপাদনৰ লগত বান্ধ খাই থাকে। মধ্যযুগত কিছুমান উৎপাদনশীল শক্তিৰ ভগৱানৰ লগত সম্পর্ক আছিল। ইয়াক সামন্তবাদ বুলি জনা যায়। ইয়াৰ পাছৰ পৰা নতুন নতুন উৎপাদন পদ্ধতিৰ বিকাশ হোৱা দেখিবলৈ পোৱা যায়। এনে বিকাশ সামাজিক সম্পর্কৰ পৰিৱর্তিত গোটৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। ইয়াৰ ফলত পুঁজিবাদী শ্রেণী আৰু সর্বহাৰা শ্রেণীৰ জন্ম হয়। পুঁজিবাদী শ্রেণীটো উৎপাদনৰ মাধ্যম আৰু সর্বহাৰা শ্রেণীৰ মালিক যাৰ শ্রম-শক্তি পুঁজিপতিয়ে নিজৰ লাভৰ বাবে ক্রয় কৰে। মার্ক্সৰ মতে, এই 'শক্তি' আৰু 'উৎপাদনৰ সম্পর্ক'ই 'সমাজৰ অর্থনৈতিক গাঁথনি' গঠন কৰে। মার্ক্সবাদী দর্শনে ইয়াক 'অর্থনৈতিক ভিত্তি' বা 'আন্তঃগাঁথনি' হিচাপে স্বীকৃতি দিয়ে। ভিত্তি হৈছে সেই অর্থনৈতিক ব্যৱস্থা যাৰ ওপৰত অধিঃগাঁথনিটো থিয় হৈ আছে। আমি এই অর্থনৈতিক ভিত্তিৰ পৰাই এই অধিগাঁথনিৰ উত্থান লাভ কৰোঁ। তলত মার্ক্সৰ তত্ত্বৰ কিছু সমালোচনা বর্ণনা কৰা হ'ল—

- বিভিন্ন কাৰণত অর্থনৈতিক সমাজতত্ত্বই মার্ক্সবাদক গ্রহণ কৰিব নোৱাৰে। ঊনবিংশ শতিকাৰ বেছিভাগ চিন্তাধাৰাৰ সাধাৰণ ভূলৰ বাহিৰেও মার্ক্সৰ ৰচনাৱলীক সামগ্রিকভাৱে গ্রহণ কৰিব নোৱাৰাকৈ বহুত বেছি প্রৱণতাপূর্ণ আৰু ৰক্ষণশীল।
- মার্ক্সৰ সামাজিক শ্রেণীৰ ধাৰণাটো বর্তমান সময়ৰ বাবে অতি সৰল বুলি সমালোচনা কৰা হৈছে। কিয়নো বর্তমান সময়ত সামাজিক শ্রেণী কেইবাটাও, কেৱল দুটা নহয়।

তদুপৰি বেছিভাগ মানুহেই নিজৰ সামাজিক শ্রেণীৰ আন সদস্যৰ সৈতে পৰিচয় নিদিয়ে। গতিকে আজি সামাজিক শ্রেণীৰ ধাৰণাটো কিমান প্রাসংগিক সেয়া প্রশ্নবোধক।

- স্পষ্টভাৱে পুঁজিবাদৰ অন্ত পৰা আৰু 'সাম্যবাদৰ অনিবার্য সফলতা' সম্পর্কে মার্ক্সৰ ভৱিষ্যৎবাণী ইউ এছ এছ আৰ (USSR) ৰ দৰে ৰাষ্ট্রৰ পতনৰ লগে লগে ভুল প্রমাণিত হৈছে।
- মার্ক্সৰ সময়ৰ তুলনাত পুঁজিবাদৰ বহু পৰিৱর্তন হৈছে আৰু ই বর্তমান পুঁজিবাদে বহু মানুহৰ বাবে কাম কৰে আৰু ই কম শোষণমূলক।
- ইয়াৰ নেতিবাচক দিশটো হ'ল অর্থনৈতিক সমাজতত্ত্বৰ দৃষ্টিকোণৰ পৰা মার্ক্সে অর্থনৈতিক স্বার্থৰ বাহিৰে আন স্বার্থই লোৱা ভূমিকাত তীব্রভাৱে তুচ্ছজ্ঞান কৰিছিল। তেওঁৰ ধাৰণা অনুসৰি সমাজত কি চলি থাকে সেয়া শেষত অর্থনৈতিক স্বার্থই নির্ধাৰণ কৰে বুলি মানি লোৱাটো অসম্ভৱ। শ্বুম্পেটাৰৰ পুঁজিবাদ, সমাজবাদ আৰু গণতন্ত্রৰ ধাৰণা মতে, "সামাজিক গাঁথনি, প্রকাৰ আৰু মনোভাৰ এন মুদ্রা, যিবোৰ সহজে গলি নাযায়"।
- মার্ক্সে নিজৰ বিশ্লেষণক ইতিহাসৰ দর্শনলৈ ৰূপান্তৰিত কৰাৰ বাবে আধুনিক অর্থনৈতিক সমাজতত্ত্বৰ দৃষ্টিকোণৰ পৰাও গ্রহণযোগ্য নহয়।



অগ্রগতি নিৰীক্ষণ

১) ব্যৱহাৰ মূল্য আৰু বিনিময় মূল্য বুলিলে কি বুজোৱা হয়?

.....

.....

২) মূল্যৰ শ্রম তত্ত্ব ব্যাখ্যা কৰক।

.....

.....

৩) উদ্বৃত্ত মূল্য কি?

.....

.....

৪) ক'ম'ডিটি ফেটিছিজমৰ সংজ্ঞা আগবঢ়াওক।

.....

.....



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ঊনবিংশ শতিকাত সমাজতত্ত্বৰ উদ্ভৱ হৈছিল আৰু ই পুঁজিবাদৰ জন্ম, কার্যকাৰিতা আৰু সমাজত ইয়াৰ প্রভাৱ বুজিবলৈ চেষ্টা কৰিছিল। কার্ল মার্ক্স, দুৰখেইম, ৱেবাৰ আদি বহু চিন্তাবিদে অর্থনৈতিক সমাজতত্ত্বৰ প্রতি অৱদান আগবঢ়াইছিল।
- "অর্থনৈতিক সমাজতত্ত্ব" শব্দটো ১৮৭৯ চনত প্রথম ব্যৱহাৰ হৈছিল, যেতিয়া ই ব্রিটিছ অর্থনীতিবিদ জেভনছৰ এখন গ্রন্থত প্রকাশ পাইছিল। ইয়াৰ পাছত সমাজতত্ত্ববিদসকলে সমাজখনক অর্থনৈতিক দৃষ্টিকোণৰপৰা বুজিবলৈ এই শব্দটো ব্যৱহাৰ কৰিছিল।
- কার্ল মার্ক্স এজন ৰাজনৈতিক অর্থনীতিবিদ আছিল। তেওঁ সমাজতত্ত্ববিদ নাছিল যদিও তেওঁক সমাজতত্ত্বৰ অন্যতম প্রতিষ্ঠাপক হিচাপে গণ্য কৰা হয়।
- মার্ক্সৰ বেছিভাগ কামেই শ্রম আৰু উৎপাদনৰ লগত জড়িত। তেওঁৰ মতে মানুহে জীৱন নির্বাহৰ বাবে কাম কৰিব লাগিব আৰু এইয়া প্রতিখন সমাজতে প্রযোজ্য।
- মার্ক্সবাদী অর্থনৈতিক সমাজতত্ত্ব কার্ল মার্ক্সৰ চিন্তাধাৰাৰ লগত সম্পর্কিত। সমাজতত্ত্বই মার্ক্সৰ ৰচনাৱলীৰ পদ্ধতিগত আৰু বিশ্লেষণাত্মক অন্তর্দৃষ্টি অনুসৰণ কৰে। মার্ক্সে তেওঁৰ গ্রন্থত আলোচনা কৰা বিষয়সমূহৰ ওপৰত ভিত্তি কৰিয়ে মার্ক্সবাদী দৃষ্টিভংগীৰ বিভিন্ন ধাৰণা আৰু তত্ত্বসমূহ গঢ় লৈ উঠিছিল।
- মার্ক্সে সামগ্রীৰ ব্যৱহাৰ মূল্য আৰু বিনিময় মূল্যৰ মাজত পার্থক্য ৰাখিছিল। ব্যৱহাৰ মূল্যক গুণগতভাৱে উপযোগী বা উপযোগী নহয় বুলি সংজ্ঞাবদ্ধ কৰিব পাৰি। আনহাতে বিনিময় মূল্যক পৰিমাণগতভাৱেহে সংজ্ঞাবদ্ধ কৰিব পাৰি।
- মূল্যবোধৰ শ্রম তত্ত্বত কোৱা হৈছে যে কোনো সামগ্রীৰ মূল্য ইয়াৰ উৎপাদনত প্রয়োজন হোৱা শ্রমৰ ওপৰত ভিত্তি কৰি নির্ণয় কৰা হয়।
- মার্ক্সৰ উদ্ধৃত্ত মূল্যৰ ধাৰণাটো হৈছে কোনো সামগ্রীৰ বিক্রীৰ সময়ত ইয়াৰ মূল্য আৰু সেই সামগ্রী উৎপাদনৰ বাবে ব্যৱহাৰ কৰা মৌলৰ বা উপাদানৰ মাজৰ পার্থক্য।
- অধিক লাভ আৰু সম্প্রসাৰণৰ বাবে অধিক উদ্ধৃত মূল্যৰ আকাংক্ষই পুঁজিবাদক মার্ক্সে পুঁজিবাদী সঞ্চয়ৰ সাধাৰণ নিয়ম বুলি কোৱাৰ দিশলৈ ঠেলি দিয়ে।
- মার্ক্সে পুঁজিবাদী উৎপাদন পদ্ধতিৰ অধীনত শ্রমিক কিদৰে নিজৰ পৰা, নিজৰ কামৰ পৰা আৰু আন শ্রমিকৰ পৰা বিচ্ছিন্ন হৈ পৰে তাক বর্ণনা কৰিছে।
- মার্ক্সে এখন সমাজৰ অর্থনৈতিক গাঁথনি বুজাবলৈ আন্তঃগাঁথনি বা ভিত্তি ব্যৱহাৰ কৰিছিল আৰু এখন সমাজৰ আইনী, সাংস্কৃতিক, ৰাজনৈতিক আৰু মতাদর্শগত দিশক বুজাবলৈ উপগাঁথনি ব্যৱহাৰ কৰিছিল।



৪.৭ অধিক জানিবলৈ

- Kundu, Abhijit,(2012) "Sociological Theory", Pearson publication, New Delh
- Ritzer, George(2000) "Sociological Theory", Tata Mcgraw-Hill publication, New Delhi



৪.৮ অগ্রগতি খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ব্যৱহাৰ মূল্য বুলিলে কোনো এটা সামগ্রীৰ উপযোগিতাক বুজোৱা হয় আৰু বিনিময় মূল্য বুলিলে বজাৰৰ আন সামগ্রীৰ তুলনাত সামগ্রীটোৰ মূল্যক বুজোৱা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ মূল্যৰ শ্রম তত্ত্ব বুলিলে কোনো এটা সামগ্রীৰ ইয়াৰ উৎপাদনত প্রয়োজন হোৱা শ্রমৰ ওপৰত ভিত্তি কৰি মূল্য নির্ণয় কৰাকে বুজা যায়।

৩ নং প্রশ্নৰ উত্তৰ ঃ কোনো সামগ্রীৰ উৎপাদনত জড়িত শ্রমৰ দ্বাৰা সামগ্রীৰ মূল্য নির্ধাৰণ কৰা হয়। পুঁজিপতিয়ে শ্রমিকক উৎপাদিত মূলতকৈ কম দৰমহা দিয়ে আৰু উদ্ধৃত্তখিনি নিজৰ বাবে ৰাখে। ইয়াৰ ফলত মার্ক্সৰ উদ্ধৃত্ত মূল্যৰ ধাৰণাটো আহি পৰে। উদ্ধৃত্ত মূল্যৰ ধাৰণাটোক বিক্রী কৰাৰ সময়ত সামগ্রীটোৰ মূল্য আৰু সেই সামগ্রী উৎপাদন কৰিবলৈ ব্যৱহাৰ কৰা উপাদনৰ মূল্যৰ মাজৰ পার্থক্য বুলি সংজ্ঞাবদ্ধ কৰিব পাৰি।

৪ নং প্রশ্নৰ উত্তৰ ঃ ক'ম'ডিটি ফেটিছিজম হ'ল এনে এটা ব্যৱস্থা য'ত শ্রমিকে তেওঁলোকৰ শ্রমেই যে পণ্যৰ মূল্য দিয়ে তাক চিনাক্ত কৰিব নোৱাৰে। তেওঁলোকে বিশ্বাস কৰিবলৈ আৰম্ভ কৰে যে পণ্যটোৰ স্বাভাৰিক মূল্যই তাক মূল্য প্রদান কৰে।



৪.৯ আৰ্হি প্রশ্ন

(ক) চমু প্রশ্ন (প্রায় ১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ পুঁজিবাদী সঞ্চয়ৰ সাধাৰণ নীতি কি?

প্রশ্ন নং ২ ঃ মার্ক্সৰ মতে আন্তঃগাঁথনি আৰু উপ-গাঁথনি কি?

(খ) ৰচনাধর্মী প্রশ্ন (প্রায় ৩০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ অর্থনৈতিক সমাজতত্ত্বত মার্ক্সবাদী দৃষ্টিভংগীৰ ব্যাখ্যা কৰক।

প্রশ্ন নং ২ ঃ মার্ক্সৰ অপসাৰণ তত্ত্বৰ অর্থ কি?

****

অধ্যায় ৫ ঃ সম্পত্তি

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ সম্পত্তিৰ ধাৰণা

৫.৪ দাস ঃ সম্পত্তিৰ প্ৰকাৰ হিচাপে মানুহ

৫.৫ সামাজিক আন্তঃসম্বন্ধৰ স্বৰূপ হিচাপে সম্পত্তি

৫.৬ সম্পত্তি সম্পৰ্কীয় দৃষ্টিভংগী

৫.৬.১ জৰ্জ উইলহেম ফ্ৰেডৰিক হেগেলৰ দৃষ্টিভংগী

৫.৬.২ কাৰ্ল মাৰ্ক্সৰ দৃষ্টিভংগী

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্ৰগতিৰ খতিয়ান

৫.১০ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সম্পত্তিৰ ধাৰণা, ইয়াৰ বিভিন্ন প্ৰকাৰ আৰু স্বৰূপ সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিব
- সম্পত্তিৰ ধাৰণাটোৰ সমাজতাত্ত্বিক আৰু অৰ্থনৈতিক গুৰুত্ব সম্পৰ্কে জানিব পাৰিব
- দাসত্বৰ সম্পৰ্কে আভাস পাব
- হেগেল আৰু মাৰ্ক্সৰ দৃষ্টিভংগীৰে সম্পত্তিৰ অন্তৰ্নিহিত দৰ্শন বুজি পাব।

৫.২ পৰিচয়

সাধাৰণ ভাষাত সম্পত্তিক কাৰোবাৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু মালিকাধীন যিকোনো বস্তু বা সামগ্ৰী হিচাপে সংজ্ঞায়িত কৰিব পাৰি। সৰল অৰ্থনৈতিক পদ্ধতিত সম্পত্তিৰ অধিকাৰক বস্তুগত সম্পদ আৰু ইয়াৰ সৈতে জড়িত আইনী দিশৰ সৈতে চিনাক্ত কৰা হয়। অৱশ্যে, সমাজতাত্ত্বিক পৰিভাষাত সম্পত্তিৰ অৰ্থ কেৱল সম্পদ আৰু বৈধতাৰ মাজতে সীমাবদ্ধ নহয়। বৰঞ্চ সমাজতত্ত্বত সম্পত্তিয়ে সামাজিক সম্বন্ধৰ দিশটোও সাঙুৰি লয়। সমাজ আৰু ইয়াৰ বিভিন্ন উপাদানসমূহ স্থিৰ নহয়, গতিশীল বা পৰিবৰ্তনশীল— আৰু সেয়ে সমাজক উপাদানসমূহৰ পৰিৱৰ্তনৰ লগে লগে সংশ্লিষ্ট সমাজখনত সম্পত্তিৰ ধাৰণাৰো পৰিৱৰ্তন ঘটে। সেইবাবে, সম্পত্তিৰ ধাৰণাটো সাময়িক আৰু স্থানিক পৰিৱৰ্তনৰ অধীন, যাক এই অধ্যায়ত আলোচনা কৰা বিভিন্ন তত্ত্ব আৰু দৰ্শনৰ

সহায়ত ভালদৰে বুজিব পাৰি।

সম্পত্তি আৰু ইয়াৰ মালিকীস্বত্বৰ ধাৰণা অৰ্থনীতিবিজ্ঞান আৰু সমাজতত্ত্ব দুয়োটা বিষয়ৰে শিক্ষার্থীৰ বাবেই গুৰুত্বপূৰ্ণ। তলৰ আলোচনাত সম্পত্তিৰ ধাৰণা আৰু সংজ্ঞাৰ বিষয়ে বিশেষভাৱে আলোকপাত কৰা হৈছে।

৫.৩ সম্পত্তিৰ ধাৰণা

সম্পত্তি হৈছে কোনো মূৰ্ত বা অমূৰ্ত সামগ্ৰী বা উপাদান, যাৰ মালিকীস্বত্ব এজন ব্যক্তি, এটা গোট, এখন সমাজ বা নিগমৰ (corporation) হাতত ন্যস্ত থাকিব পাৰে। সম্পত্তিৰ লগত কঠোৰ আইনী ব্যৱস্থাৱলী সংযুক্ত হৈ থাকে, যি সম্পত্তিৰ ব্যৱহাৰ তথা বন্ধকী, বিক্ৰী, ভাড়া বা হস্তান্তৰৰ অধিকাৰ নির্দিষ্ট কৰি দিয়ে। এটা কথা স্পষ্ট যে, যিকোনো সম্পত্তিৰ ওপৰত কেৱল মালিকৰহে একচেটিয়া অধিকাৰ থাকে।

অর্থনৈতিক পৰিভাষাত সম্পত্তিক তিনিটা প্ৰধান ভাগত ভাগ কৰি আলোচনা কৰা হয়—

- **বেচৰকাৰী সম্পত্তি ঃ** এনে সম্পত্তিৰ মালিকীস্বত্ব বেচৰকাৰী সংস্থাৰ হাতত থাকে। ই ব্যক্তিগত সম্পতিতকৈ পৃথক, যি এজন ব্যক্তিৰ বাক্তিগত ব্যৱহাৰ বা উপভোগৰ বাবে থকা সম্পত্তিক বুজায়।
- **ৰাজহুৱা সম্পত্তি ঃ** ৰাজহুৱা সম্পত্তিৰ মালিকীস্বত্ব ৰাষ্ট্ৰৰ হাতত থাকে আৰু এনে সম্পত্তি ৰাজহুৱা বা উমৈহতীয়াকৈ ব্যৱহাৰ কৰাৰ উপযোগী।
- **সমূহীয়া সম্পত্তি ঃ** সমূহীয়া সমিতিৰ কোনো ব্যক্তিগত মালিকীস্বত্ব নাথাকে। এনে সম্পত্তি সাধাৰণতে কোনো সম্প্ৰদায় বা প্ৰতিষ্ঠানৰ মালিকাধীন হয়। সমূহীয়া সম্পত্তিক সমবায় সম্পত্তি বুলিও জনা যায়।

ইয়াৰ উপৰিও আধুনিক সমাজব্যৱস্থাত সম্পত্তিৰ নিম্নোক্ত প্ৰকাৰসমূহ পৰিলক্ষিত হয়—

- **প্ৰকৃত সম্পত্তি ঃ** এনে সম্পত্তিয়ে ভূমি আৰু ইয়াৰ যিকোনো ৰূপান্তৰিত বা পৰিৱৰ্ধিত ৰূপক বুজায়।
- **বৌদ্ধিক সম্পত্তি ঃ** এনে সম্পত্তিয়ে মালিক বা সৃষ্টিকর্তাৰ নিজৰ সৃষ্টি যেনে ঃ উদ্ভাৱন, কলাত্মক সৃষ্টি, আৱিষ্কাৰ আদিৰ ওপৰত থকা একচেটিয়া অধিকাৰক বুজায়।

সম্পত্তিৰ ধাৰণাটো সমাজ দার্শনিকসকলে বিভিন্ন দৃষ্টিভংগীৰে আলোচনা কৰিছে। এই সম্পর্কে থকা বিভিন্ন তত্ত্ব/ সিদ্ধান্তসমূহ তলত উল্লেখ কৰা হ'ল ঃ

- **ধ্ৰুপদীয় উদাৰতাবাদী তত্ত্ব ঃ** এই তত্ত্বৰ লগত সম্পত্তিৰ শ্ৰম তত্ত্বৰ (Labour theory of Property) সম্পর্ক আছে। এই তত্ত্বৰ মতে, প্ৰত্যেকজন ব্যক্তিয়ে নিজৰ জীৱনৰ গৰাকী বা মালিক; সেইবাবে তেওঁলোকৰ জীৱনকালত তেওঁলোকৰ দ্বাৰা উৎপাদিত সকলো সামগ্ৰী মালিকৰ ইচ্ছা অনুযায়ী আনৰ লগত ব্যৱসায় বা বিনিময় কৰা হ'ব পাৰে।
- **ৰক্ষণশীল তত্ত্ব ঃ** এই মতবাদ অনুসৰি এজন ব্যক্তিৰ স্বাধীনতাৰ লগত সম্পত্তিৰ সম্পর্ক

আছে। যি সমাজত সম্পত্তিৰ ব্যক্তিগত মালিকীস্বত্বৰ গুৰুত্ব অধিক, তেনে সমাজ অধিক উৎপাদনক্ষম আৰু সুস্থিৰ হোৱাৰ সম্ভাৱনা থাকে বুলি এই মতবাদে যুক্তি আগবঢ়ায়।

- **সমাজবাদী তত্ত্ব ঃ** সম্পত্তিৰ এই দৃষ্টিভংগীয়ে ৰক্ষণশীল দৃষ্টিভংগীৰ কঠোৰ বিৰোধিতা কৰে। এই দৃষ্টিভংগী অনুসৰি, ব্যক্তিগত সম্পত্তিয়ে সামগ্রিকভাৱে সমাজখনক উপকৃত কৰাৰ পৰিৱর্তে ব্যক্তিবিশেষকহে লাভান্বিত কৰে। সেয়ে, সম্পত্তিৰ সমাজবাদী দৃষ্টিভংগীয়ে সর্বাংগীন বিকাশ আৰু উপকাৰিতাৰ স্বার্থত সম্পত্তিৰ অধিকাৰ ৰাষ্ট্ৰ অথবা এটা সমূহীয়া গোটৰ ৰূপত নাগৰিকৰ হাতত ন্যস্ত থাকিব লাগে বুলি দাবী কৰে।

৫.৪ দাসত্ব ঃ সম্পত্তিৰ ৰূপত মানুহ

আক্ষৰিক অর্থত দাসত্বই মানুহক সম্পত্তি হিচাপে গণ্য কৰা এক ব্যৱস্থাক বুজায়, যাৰ দ্বাৰা মানুহৰো অন্যান্য সম্পত্তিৰ দৰে লেনদেন সম্ভৱপৰ হৈ উঠে। দাসপ্রথা প্রচলিত হৈ থকাৰ সময়ত ইয়াক বৈধ হিচাপে স্বীকৃতি প্রদান কৰা হৈছিল। এজন ব্যক্তি জন্মৰ সময়ৰ পৰাই অথবা তেওঁক ক্রয় বা বন্দী কৰাৰ সময়ৰ পৰাই দাস হ'ব পাৰে। এক বৈধ ব্যৱস্থা হোৱাৰ বাবে দাসসকলে স্বেচ্ছাই চুক্তিৰ পৰা আঁতৰি আহিব নোৱাৰে। তদুপৰি, দাসসকলে কোনো পাৰিশ্রমিক অবিহনেই তেওঁলোকৰ সেৱা আগবঢ়াবলৈ বাধ্য হৈছিল। দাসত্বক প্রায়ে বলপূর্বক বা মুক্ত শ্রম বুলিও কোৱা হয়। দাস প্রথাৰ আৰম্ভণি ইতিহাসে ঢুকি নোপোৱা দিনৰে। যদিও বিভিন্ন সমাজব্যৱস্থা, সংস্কৃতি আৰু সময়সীমাত দাসত্ব বা দাস প্রথা বিদ্যমান আছিল বুলি কোৱা হয়, তথাপিও লক্ষণীয় যে আদিম চিকাৰী সমাজত (Hunting gathering societies) ই অতি বিৰল আছিল। ইয়াৰ কাৰণ হ'ল, দাস প্রথাৰ প্রচলনৰ বাবে অতিৰিক্ত অর্থনীতি (surplus economy) আৰু জনসংখ্যাৰ অধিক ঘনত্বৰ প্রয়োজন হয় যিয়ে বিভাজন, পদানুক্রম, অসমতা আদি ধাৰণাৰ সৃষ্টি কৰি দাস প্রথাৰ প্রচলনত ইন্ধন যোগাব পাৰে আৰু আদিম চিকাৰী সমাজত এনে বৈশিষ্ট্য দেখা পোৱা নগৈছিল। সেয়েহে, নৱপ্রস্তৰ যুগত কৃষিব্যৱস্থাৰ প্রৱর্তনৰ পাছতহে দাসপ্রথাৰ প্রসাৰ ঘটিছিল বুলি কোৱা হয়। দাস প্রথা বিশ্বৰ বিভিন্ন সমাজ আৰু সভ্যতাৰ অন্যতম বৈশিষ্ট্য। লগতে লক্ষণীয় যে, দাসসকলৰ পোছাক-পৰিচ্ছদ অন্যান্য মানুহতকৈ বেলেগ আছিল, যাতে তেওঁলোকক সহজতে চিনাক্ত কৰিব পৰা যায়। উদাহৰণস্বৰূপে ঃ দাসসকলক কেতিয়াও জোতা পৰিধান কৰাৰ অনুমতি দিয়া নহৈছিল।

দাসত্বৰ বিভিন্ন স্বৰূপ বা প্রকাৰ পৰিলক্ষিত হয়। তাৰে কিছুমান চিনাক্ত কৰি তলত আলোচনা কৰা হ'ল ঃ

- **ব্যক্তিগত দাস (Chattel Slavery) ঃ** এনে দাসত্বক পৰম্পৰাগত দাসত্ব বুলিও কোৱা হয়। এনে প্রথা বা ব্যৱস্থাত দাসসকলক মালিক বা গৰাকীৰ ব্যক্তিগত সম্পত্তি হিচাপে গণ্য কৰা হয়। সেয়ে এই ব্যৱস্থাত অন্যান্য পণ্যৰ দৰে দাসসকলৰ কিনা-বেচাও হয়। সাধাৰণতে, এই ব্যৱস্থাত দাসসকল বংশানুক্রমিক হয়। গতিকে, দাসসকলৰ সন্তান

জন্মসূত্রেই দাস হয়। পৰম্পৰাগত সমাজত এই ধৰণৰ দাসত্বৰ প্ৰচলন তেনেই স্বাভাৱিক আছিল যদিও কালক্ৰমত আধুনিক সমাজব্যৱস্থাৰ বিকাশৰ লগে লগে ইয়াৰ অৱসান ঘটে। অৱশ্যে, বৰ্তমানেও কোনো কোনো সমাজত পৰম্পৰাগত দাস প্ৰথাৰ অৱস্থিতি দেখা যায়, যদিও ইয়াৰ আইনী বৈধতা বা স্বীকৃতি নাই।

- **বন্ধোৱা বনুৱা ঃ** বন্ধোৱা বনুৱাক ঠিকাভিত্তিক বনুৱা বা ঋণগত বন্ধকী বুলিও কোৱা হয়। এই দাস ব্যৱস্থাত এটা ঋণৰ বিনিময়ত দাস হৈ থাকিবলগা হয় আৰু নিজৰ কামৰ যোগেদি তেওঁ ঋণ পৰিশোধ কৰিব লাগে। উক্ত ঋণ পৰিশোধৰ সময় অনিৰ্দিষ্ট, ফলত ই আন্তঃপ্ৰজন্মৰ দাসত্ব (intergenerational slavery)ৰ সৃষ্টি কৰে, য'ত পূৰ্বপুৰুষৰ ঋণ পৰিশোধৰ বাবে সন্তানসকলেও দাস হিচাপে কাম কৰিব লগা হয়। ই বৰ্তমানেও বহুল প্ৰচলিত দাসত্বৰ এক স্বৰূপ।
- **বলপূৰ্বক শ্ৰম ঃ** এই ধৰণৰ দাসত্বত দাসসকলে মালিকৰ ক্ষমতা আৰু নিয়ন্ত্ৰণৰ তলতীয়া হৈ অনিচ্ছা সত্ত্বেও কাম কৰিবলৈ বাধ্য হয়। ভূমি দাস, সশ্ৰম কয়দী আদি এই ধৰণৰ দাসত্বৰে ৰূপ। মানৱ সৰবৰাহ (human trafficking) বলপূৰ্বক শ্ৰমৰ দ্বাৰা হোৱা দাসত্বৰ অন্যতম প্ৰশস্ত উদাহৰণ।
- **বলপূৰ্বক বিবাহ ঃ** বলপূৰ্বক বিবাহক পোনপটীয়াকৈ দাসত্বৰ এক প্ৰকাৰ বুলি অভিহিত কৰিব নোৱাৰি যদিও এই ধৰণৰ বিবাহৰ লগত জড়িত যিকোনো পক্ষ বা এনে বিবাহ নিৰীক্ষণ কৰা লোকসকলে ইয়াকো দাসত্বৰ এক প্ৰকাৰ হিচাপে চিনাক্ত কৰিব পাৰে। কিছুমান কাম বা ব্যৱস্থা যিয়ে বলপূৰ্বক বিবাহক দাসত্বৰ শাৰীলৈ পৰ্যবসিত কৰিব পাৰে, সেইবোৰ হ'ল যেনে ঃ যৌন কাৰ্যকলাপত বলপূৰ্বক অংশগ্ৰহণ, বিভিন্ন ঘৰুৱা বা কন্যামূলৰ দৰে প্ৰথাৰ ফলতো মানৱ সত্ত্বাৰ দ্ৰব্যকৰণৰ (Commodification) নিচিনা প্ৰক্ৰিয়াৰ উদ্ভৱ হৈছে।
- **নিৰ্ভৰশীলতা ঃ** ই এনে এক অৱস্থাৰ কথা সূচায়, য'ত এজন ব্যক্তি বা এটা সমূহ আইনগতভাৱে আন ব্যক্তিৰ নিৰ্ভৰশীল হৈ থাকিব লগা হয়।

দাসত্ব বা দাস প্ৰথা বৌদ্ধিক আলোচনাৰ এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে বিবেচিত হৈ আহিছে। কিছুমান অৰ্থনৈতিক অধ্যয়নে এনে কিছু অৱস্থা আৰু পৰিণতিৰ কথা আলোচনা কৰিছে, যিয়ে কেঙ্গনো এখন সমাজত দাসত্বৰ অৱস্থিতি বা অনুপস্থিতি নিৰ্ণয় কৰে। সেই সম্পৰ্কে তলত চমুকৈ আলোচনা কৰা হ'ল ঃ

যিবোৰ ঠাইত মালিকৰ হাতত অজস্ৰ মাটি থাকে আৰু তাৰ বিপৰীতে শ্ৰমিকৰ অভাৱ হয়, তেনে ঠাইত দাসত্ব এক বাঞ্ছনীয় ব্যৱস্থা হিচাপে পৰিগণিত হয়। এনে ঠাইত শ্ৰমিকৰ চাহিদা বেছি হোৱাৰ বাবে মজুৰিৰ বিনিময়ত কাম কৰা শ্ৰমিকসকলে উচ্চ হাৰত মজুৰি দাবী কৰাৰ সম্ভাৱনা থাকে। সেয়ে, ভূমিপতিসকলৰ বাবে এনে শ্ৰমিকৰ পৰিৱৰ্তে দাস ৰখাটো অধিক লাভজনক হয়।

আকৌ, কৰিবলগীয়া শ্ৰমৰ প্ৰকৃতি যদি সৰল হয়, তেনে ঠাইত দাসত্বৰ প্ৰচলন হোৱাৰ সম্ভাৱনা থাকে। ইয়াৰ ফলত শ্ৰম নিৰীক্ষণ কৰা সহজসাধ্য হৈ পৰে, যিটো জটিল প্ৰকৃতিৰ শ্ৰমত সম্ভৱ নহয়।

৫.৫ সামাজিক আন্তঃ সম্বন্ধৰ স্বৰূপ হিচাপে সম্পত্তি

ইতিমধ্যে, অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা সম্পত্তিৰ ধাৰণা ওপৰত আলোচনা কৰা হ'ল। সমাজতাত্ত্বিক পৰিভাষাত ইয়াৰ ধাৰণা কিছু পৃথক। সমাজতত্ত্বত সম্পত্তিক জীৱিত (মানুহ, জন্তু) আৰু জড় বস্তু (ভূমি, ঘৰ ইত্যাদি) দুয়োটাৰ ওপৰত অধিকাৰ সাব্যস্তকৰণৰ ৰূপত বুজি পোৱা যায়। সময় আৰু পৰিস্থিতি সাপেক্ষে এই অধিকাৰ সাব্যস্তকৰণৰ স্বৰূপৰ ভিন্নতা পৰিলক্ষিত হয়। এই অধিকাৰে ব্যক্তিবিশেষক এক নিৰ্দিষ্ট পৰিচয় প্ৰদান কৰে, সম্পত্তিৰ অধিকাৰ থকা বা নথকাই বিশেষ কিছুমান সামগ্ৰী বা ব্যক্তিৰ লগত কাৰ সম্পৰ্ক থাকিব বা কাৰ নাথাকিব, তাক সূচায়; যিয়ে সমাজত কোন শ্ৰেণীৰ ব্যক্তি অধিক ক্ষমতাশালী তাকো নিৰ্ণয় কৰে।

সম্পত্তি সম্পৰ্কীয় সমাজতাত্ত্বিক দৃষ্টিভংগীয়ে মূলতঃ সম্পত্তিৰ নিম্নোক্ত দিশকেইটাত গুৰুত্ব আৰোপ কৰে ঃ

- **অধিগ্ৰহণ (acquisition)** ঃ অধিগ্ৰহণে যি প্ৰক্ৰিয়াৰ দ্বাৰা ব্যক্তি বা সমূহে সম্পত্তি অৰ্জনৰ অনুমতি লাভ কৰে, তাকেই সূচায়।
- **বিতৰণ (distribution)** ঃ ই সম্পত্তিৰ মালিকীস্বত্বৰ নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ সামগ্ৰিক ব্যৱস্থাটোক সূচায়, যি এই প্ৰক্ৰিয়াৰ লগত জড়িত হৈ থকা সকলো অন্তৰ্নিহিত নিয়মাৱলী আৰু সংস্থাগত ব্যৱস্থাপনাকো সাঙুৰি লয়। তদুপৰি, সম্পত্তিৰ সমাজতাত্ত্বিক বিশ্লেষণে সম্পত্তিৰ মালিকীস্বত্বৰ আধাৰত ব্যক্তি, সমূহ বা সামগ্ৰিকভাৱে সমাজৰ পেৰত পৰিব পৰা পৰিমাণগত প্ৰভাৱ সম্পৰ্কেও আলোকপাত কৰে।

লগতে, সম্পত্তি আৰু সম্পত্তিৰ ওপৰত থকা মানুহৰ অধিকাৰক ন্যায্যতা দিয়া আৰু সংজ্ঞায়িত কৰা প্ৰমূল্য আৰু আদৰ্শৰ বিষয়েও সমাজতত্ত্বই বিচাৰ আৰু বিশ্লেষণ কৰাৰ প্ৰয়াস কৰে।

সম্পত্তিক সামাজিক সম্বন্ধৰ এক স্বৰূপ হিচাপে প্ৰখ্যাত সমাজতত্ত্ববিদ কাৰ্ল মাৰ্ক্সৰ 'উৎপাদনৰ সম্পৰ্ক' ধাৰণাটো যোগেদি ভালদৰে বুজিব পাৰি। উৎপাদনৰ সম্পৰ্কই সাধাৰণতে উৎপাদনৰ উপাদানসমূহৰ (Means of production) মালিকীস্বত্ব থকা আৰু নথকাসকলৰ মাজৰ সম্পৰ্কক বুজায়। সি যি কি নহওক, সমাজ বিজ্ঞানীসকলে এই সংজ্ঞাটো সম্পূৰ্ণ শুদ্ধ বুলি মানি ল'ব নোখোজে। তেওঁলোকে যুক্তি দৰ্শাইছে যে, উৎপাদনৰ সম্পৰ্কক কেৱল উৎপাদনৰ উপাদানৰ মালিকীস্বত্বৰ আধাৰত সংজ্ঞায়িত কৰিলে ই কেৱল আইনী আৰু অৰ্থনৈতিক দিশটোহে সাঙুৰি লয়। কিন্তু, ইয়াৰ সামাজিক গুৰুত্ব এই সংজ্ঞাই প্ৰতিফলিত নকৰে। সেয়ে, উৎপাদনৰ সম্পৰ্কক অৰ্থনৈতিক আৰু আইনী পৰিগণ্ডীৰ বাহিৰৰ পৰা অধ্যয়ন কৰাৰ প্ৰয়াস চলি আহিছে। এনে প্ৰয়াসৰ

ফলশ্রুতিতে উৎপাদনৰ সম্পৰ্কক কোনো এক বস্তু বা উৎপাদিত সামগ্ৰীক নিজৰ আয়ত্বলৈ অনা সামৰ্থ আৰু ক্ষমতা হিচাপে অভিহিত কৰা হৈছে। স্বাভাৱিকতে সমাজভেদে উৎপাদনৰ সম্পৰ্কৰ ভিন্নতা আছে। সেইবাবে, আদিম চিকাৰী সমাজত প্ৰভাৱশালী উৎপাদনৰ সম্পৰ্ক আৰু মানুহৰ মাজত দমনমূলক মনোভাৱ পৰিলক্ষিত নহয় যিহেতু এনে সমাজত মানুহবোৰ অঘৰী আছিল আৰু সম্পত্তি দখলৰ দৰে ধাৰণাৰ বিষয়ে সজাগ নাছিল। ইয়াৰ বিপৰীতে, ভূমিক আটাইতকৈ গুৰুত্বপূৰ্ণ সম্পত্তি হিচাপে গণ্য কৰা সামন্তবাদী সমাজত (Feudak society), ভূমিপতি (landloards) আৰু ভূমিদাসৰ (surfs) মাজত ভূমি সম্পত্তিৰ ওপৰত থকা অধিকাৰৰ ভিত্তিত এক কৰ্তৃত্বশীল সম্পৰ্কই (power relation) বিৰাজ কৰিছিল। আকৌ পুঁজিবাদী সমাজত বুৰ্জোৱা (মালিক) আৰু প্ৰলিটিৰিয়েট (সৰ্বহাৰা) শ্ৰেণীৰ মাজত এক শক্তিশালী উৎপাদনৰ সম্পৰ্ক থকা দেখা যায়। কাৰণ, বুৰ্জোৱাসকলে উৎপাদনৰ উপাদানসমূহৰ লগতে দ্ৰব্য আৰু সেৱাৰ বিতৰণ আৰু উপভোগৰ সমগ্ৰ প্ৰক্ৰিয়াটোৱে পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰে। ই স্বাভাৱিকতেই উচ্চাঙ্কাকা আৰু নীচাত্মিকাবোধৰ এক বিপৰীতধৰ্মী সম্পৰ্কৰ জন্ম দিয়ে, যচত প্ৰলিটেৰিয়েটসকল গ্ৰহণকাৰী হিচাপে থাকে। এটা কথা লক্ষণীয় যে, উৎপাদনৰ সম্পৰ্কই মালিকীস্বত্ব থকা আৰু নথকা ব্যক্তিবিশেষৰ মাজৰ সম্পৰ্কৰ কথা নুবুজায়, বৰঞ্চ ই সামগ্ৰিকভাৱে উৎপাদনৰ উপাদানৰ মালিকীস্বত্ব থকা আৰু নথকা শ্ৰেণী দুটাৰ মাজৰ সম্পৰ্ককহে নিৰ্দেশ কৰে। অৰ্থাৎ, এজন ব্যক্তিৰ দ্ৰব্য বা সামগ্ৰীৰ ওপৰত থকা অধিকাৰৰ এটা সামাজিক দিশ আছে, যি আইনী পৰিসীমীৰ উৰ্ধ্বত।

গতিকে, সম্পত্তিৰ মালিকীস্বত্বৰ ধাৰণাই কেৱল এজন ব্যক্তি, সমূহ বা সমাজৰ অৰ্থনৈতিক অৱস্থানকে নুবুজায়, সমান্তৰালভাৱে ই ব্যক্তি আৰু শ্ৰেণীৰ মাজত থকা সামাজিক সম্পৰ্ককো আঙুলিয়াই দিয়ে।

৫.৬ সম্পত্তি সম্পৰ্কীয় দৃষ্টিভংগী

ইতিপূৰ্বে উল্লেখ কৰাৰ দৰে, সম্পত্তি এক বহুল আলোচিত ধাৰণা। তলত হেগেল আৰু মাৰ্ক্সৰ দৃষ্টিৰে সম্পত্তিৰ ধাৰণা আৰু দৰ্শন আলোচনা কৰা হ'ল।

৫.৬.১ জৰ্জ উইলহেম ফ্ৰেডৰিক হেগেলৰ দৃষ্টিভংগী

সম্পত্তিৰ ধাৰণা আৰু দৰ্শন সম্পৰ্কে হেগেলৰ অৱদান অতি গুৰুত্বপূৰ্ণ। তেওঁ তিনিটা দিশৰ পৰা সম্পত্তিক আলোচনা কৰিছে— সম্পত্তিৰ আহৰণ, সম্পত্তিৰ ব্যৱহাৰ আৰু সম্পত্তিৰ অপসাৰণ। হেগেলে যুক্তি দৰ্শাইছে যে প্ৰয়োজনীয়তা পূৰণেই প্ৰধান লক্ষ্য হ'লহেতেন, তেনেহ'লে সম্পত্তি আহৰণ ইয়াৰ সাধনৰ এক মাধ্যম হ'লহেতেন। হেগেলে কৈছে যে মানুহে সম্পত্তি এই কাৰণেই বিচাৰে কাৰণ সম্পত্তিৰ আহৰণে ব্যক্তিক এক প্ৰকাৰৰ স্বতন্ত্ৰতা আৰু নিজ অস্তিত্বৰ বাবে এক উদ্দেশ্য প্ৰদান কৰে। অৰ্থাৎ, সম্পত্তি এক স্বয়ংসম্পূৰ্ণ সত্তা। সি যি কি নহওক, যিহেতু এজন ব্যক্তিৰ পৰিচয় সম্পত্তিৰ

সতে সংপৃক্ত হৈ থাকে, যি প্রকৃততে এক বাহ্যিক সত্তাহে, সেয়ে ইয়াক এক ভ্রান্ত উপলব্ধি (false realisation) বুলিও ক'ব পাৰি।

হেগেলে লগতে যুক্তি দিছে যে বস্তুবোৰৰ প্রকৃতি এনেকুৱা যে ইয়াক কাৰোবাৰ ব্যক্তিগত সম্পত্তি বা অধিকাৰ হিচাপে গণ্য কৰিব পৰাকৈ বিশেষ নহয়।

হেগেলৰ মতে, কোনো এটা সামগ্রী তিনিটা প্রধান মাধ্যমেৰে আহৰণ কৰিব পাৰি ঃ সামগ্রীটো শাৰীৰিকভাৱে সাব্যস্ত কৰি, নির্মাণ কৰি আৰু সাধাৰণভাৱে নিজৰ বুলি চিনাক্ত কৰি, প্রথম মাধ্যম, অর্থাৎ সামগ্রীৰ শাৰীৰিক সাব্যস্তকৰণক সম্পত্তি আহৰণৰ আটাইতকৈ যুক্তিসংগত উপায় হিচাপে বিবেচনা কৰিব পাৰি, কিয়নো ইয়াত আহৰণকাৰীৰ শাৰীৰিক উপস্থিতি আৰু সম্পত্তি আহৰণৰ প্রত্যক্ষ প্রমাণ দৃষ্টিগোচৰ হয়। অৱশ্যে, ব্যৱহাৰিক ক্ষেত্রত এই প্রক্রিয়াত কিছু জটিলতাও আছে।

সম্পত্তি আহৰণৰ পৰৱর্তী মাধ্যমটো হৈছে কোনো এটা সামগ্রীক এক নির্দিষ্ট ৰূপ প্রদান কৰা। অৱশ্যে, এটা সামগ্রীক এটা ৰূপ প্রদান কৰাৰ পাছত সেই সামগ্রীটো ৰূপ প্রদান কৰোঁতাজনৰ সম্পত্তি হ'বই লাগিব বুলিও কোনো কথা নাই। প্রকৃততে, ই এটা বাহ্যিকতাৰ বিকাশ ঘটায়, যিয়ে ৰূপ প্রদান কৰোঁতা বা নির্মাতাজনৰ প্রত্যক্ষ আহৰণ বা দখলক নিৰুৎসাহিত কৰে।

সম্পত্তি আহৰণৰ তৃতীয় মাধ্যমটো হ'ল কোনো সামগ্রীৰ ওপৰত ব্যক্তিবিশেষৰ অধিকাৰ ঘোষণা। এই ব্যৱস্থাই কোনো সামগ্রীক কাৰোবাৰ বুলি আনৰ দ্বাৰা স্বীকৃতি দিয়াত সহায় কৰে।

তদুপৰি, কোনো এটা বস্তু বা সামগ্রী প্রথম যিজন ব্যক্তিয়ে আহৰণ কৰে তেওঁ সহজাতভাৱেই উক্ত সামগ্রীটোৰ মালিকীস্বত্ব লাভ কৰে। তেওঁ সামগ্রীটোৰ ওপৰত কেৱল প্রথম অধিকাৰ সাব্যস্ত কৰাৰ বাবেই মালিকীস্বত্ব লাভ নকৰে, বৰঞ্চ তেওঁ সেই অধিকাৰ সাব্যস্তকৰণৰ বাবে নিজৰ মুক্ত ইচ্ছা প্রদর্শন কৰাটোও ইয়াৰ অন্যতম কাৰম। অৱশ্যে, কেৱল মুক্ত ইচ্ছা আৰু সম্পত্তিৰ আহৰণেই এই ক্ষেত্রত যথেষ্ট নহ'বও পাৰে। তেওঁ যুক্তি দর্শাইছে যে, কোনো এটা সামগ্রী কাৰোবাৰ বুলি চিনাক্ত কৰিবলৈ হ'লে ইয়াক একেধৰণে অন্যান্য লোকসকলেও স্বীকৃতি দিব লাগিব। অন্যান্য লোকসকলৰ দ্বাৰা এই উপলব্ধি আৰু স্বীকৃতিৰ জৰিয়তে কোনো বস্তু বা সামগ্রী আহৰণ সম্ভৱ হৈ উঠে।

হেগেলে গুৰুত্ব প্রদান কৰা সম্পত্তিৰ দ্বিতীয়টো দিশ হৈছে ঃ গৰাকী বা আহৰণকাৰীৰ দ্বাৰা সম্পত্তিৰ ব্যৱহাৰ। তেওঁ যুক্তি দিয়ে যে বস্তু এটা ব্যক্তিবিশেষৰ সম্পত্তি হিচাপে চিহ্নিত কৰাৰ পিছত উক্ত বস্তুটো তেওঁৰ সম্পত্তি হিচাপে স্বীকৃতি লাভ কৰে আৰু গৰাকীৰ ব্যৱহাৰ দ্বাৰা তাৰ ওপৰত পুনৰ অধিকাৰ স্থাপন কৰা হয়। তদুপৰি, কোনো এটা বস্তু দখল কৰি যদি তাক তাৎক্ষণিক প্রয়োজনীয়তা পূৰণৰ বাবে ব্যৱহাৰ

কৰা হয়, তেন্তে ইয়াক এটা বস্তুৰ অধিকাৰ হিচাপে গণ্য কৰা হয় আৰু ই কার্যটোৰ তাৎক্ষণিক নির্ণয় কৰে। অৱশ্যে, যদি সেই একেটা বস্তু অবিৰতভাৱে ব্যৱহাৰ কৰা হয়, তেতিয়া ইয়াৰ অধিকাৰে এক সার্বজনীনতা লাভ কৰে। যিকোনো এটা বস্তুৰ ওপৰত অধিকাৰ স্থায়ীভাৱে অব্যাহত ৰাখিবলৈ ব্যৱহাৰকাৰীজনৰ ইচ্ছা আৰু পৰিচয় অটুট থাকিব লাগিব। এই ইচ্ছা আৰু পৰিচয়ৰ ধাৰাবাহিকতা সামগ্রীৰ অবিৰত ব্যৱহাৰ আৰু সুৰক্ষা নিশ্চিতকৰণৰ দ্বাৰা অব্যাহত ৰাখিব পাৰি।

হেগেলৰ মতে, সম্পত্তিৰ তৃতীয়টো দিশ হ'ল সম্পত্তিৰ অপসাৰণ (alienation of property)। এটা সম্পত্তি গৰাকীৰ মালিকানাধীন হোৱাৰ বাবে তেওঁৰ দ্বাৰা ইয়াক অপসাৰিত কৰিব পাৰি। সেয়েহে, সম্পত্তিৰ গৰাকীয়ে তেওঁৰ নিয়ন্ত্রণ ত্যাগ কৰিব পাৰে অথবা সম্পত্তিৰ স'তে তেওঁৰ মুক্ত ইচ্ছাক চিনাক্ত কৰা বন্ধ কৰিব পাৰে আৰু ইয়াক আন কাৰোবাক দি দিব পাৰে। এই প্রক্রিয়াত সম্পত্তিটো নতুন গৰাকীৰ মুক্ত ইচ্ছা, নিয়ন্ত্রণ আৰু ব্যৱহাৰৰ সৈতে চিনাক্ত কৰা আৰম্ভ হয়।

আকৌ, সম্পত্তি আহৰণৰ ক্ষেত্রত চুক্তিৰ গুৰুত্বও হেগেলে আলোচনা কৰিছে। ওপৰৰ আলোচনাত এটা সামগ্রীৰ ওপৰত এজন ব্যক্তিৰ মুক্ত ইচ্ছাৰ উপলব্ধিৰ গুৰুত্ব আৰু ইয়াক তেওঁৰ অধিকৃত সামগ্রী বুলি স্বীকৃতি দিবলৈ অন্যান্য লোকসকলৰ দ্বাৰা মান্যতা প্রদানৰ প্রাসংগিকতাক বিশেষভাৱে গুৰুত্ব দিয়া হৈছে। সি যি কি নহওক, হেগেলে মত দিছে যে, দুয়ো পক্ষৰ ইচ্ছা, অর্থাৎ উমৈহতীয়া ইচ্ছাইহে এজন ব্যক্তিক সম্পত্তিৰ গৰাকী হিচাপে স্বীকৃতি দিয়াটো সম্ভৱপৰ কৰি তোলে। সেয়ে, দুটা পক্ষৰ চুক্তিৰ আধাৰতহে কোনো সামগ্রীৰ মালিকীস্বত্ব আৰু নিয়ন্ত্রণৰ ন্যায্যতা আৰু গুৰুত্ব নিশ্চিত কৰিব পৰা যায়।

৫.৬.২ কার্ল মার্ক্সৰ দৃষ্টিভংগী

কার্লমার্ক্সৰ সম্পত্তিৰ ধাৰণা আৰু ইয়াৰ উৎস তেওঁৰ ঐতিহাসিক বস্তুবাদ বা দ্বন্দ্বাত্মক বস্তুবাদৰ ধাৰণাৰ আধাৰত বুজিব পাৰি। ঐতিহাসিক বস্তুবাদৰ ধাৰণাৰ আধাৰত কার্লমার্ক্সে মানৱ সমাজৰ ক্রমবিকাশৰ এটা স্তৰৰ পৰা আন এটা স্তৰলৈ হোৱা বিৱর্তন আৰু প্রগতিৰ বিষয়ে আলোচনা কৰিছে। মার্ক্সৰ মতে, প্রতিটো স্তৰেই প্রযুক্তিগত উন্নয়নৰ পর্যায় বিশেষৰ দ্বাৰা বৈশিষ্ট্যযুক্ত হৈ আছে, যিয়ে সমসাময়িক সমাজখনৰ অর্থনৈতিক গাঁথনিৰ সমান্তৰালকৈ ইয়াৰ ব্যক্তিসকলৰ মাজত বিৰাজ কৰা সামাজিক সম্পর্ককো আঙুলিয়াই দিয়ে। গতিকে এনে প্রেক্ষাপটত মানৱ সমাজৰ বিৱর্তন আৰু বিকাশৰ লগে লগে সম্পত্তিৰ ধাৰণাৰো পৰিৱর্তন ঘটে। এই সম্পর্কে বুজিবলৈ হ'লে কার্লমার্ক্সৰ উৎপাদন পদ্ধতি, উৎপাদনৰ সম্পর্ক আৰু উৎপাদনৰ আহিলা (forces of production)ৰ ধাৰণাৰ বিষয়ে জানিব লাগিব।

উৎপাদন পদ্ধতিয়ে সাধাৰণতে উৎপাদনৰ সম্পৰ্ক আৰু উৎপাদনৰ আহিলাৰ মাজত বিৰাজ কৰা সম্পৰ্কৰ কথা বুজিব পাৰি। উৎপাদনৰ সম্পৰ্কই সহজ অৰ্থত উৎপাদনৰ উপাদানসমূহৰ মালিকীস্বত্ব থকা মালিক পক্ষ আৰু মালিকীস্বত্ত্ব নথকা শ্ৰমিক বা কৰ্মচাৰীসকলৰ মাজৰ পাৰস্পৰিক সম্পৰ্ককে বুজায়। আনহাতে, উৎপাদনৰ আহিলাই উৎপাদন কাৰ্যত ব্যৱহৃত কৌশল আৰু সঁজুলিবোৰক বুজায়। মাৰ্ক্সৰ মতে, উৎপাদন পদ্ধতিভেদে সম্পত্তিৰ ধাৰণা ভিন্ ভিন্ হয় আৰু সেয়ে ইয়াৰ সামাজিক দিশৰ পৰিণামো ভিন্ ভিন্ হয়।

ইতিপূৰ্বে উল্লেখ কৰা হৈছে যে, আদিম উৎপাদন পদ্ধতিৰ সমাজত সম্পত্তি আৰু ইয়াৰ মালিকীস্বত্ব সম্পৰ্কে সুনিৰ্দিষ্ট কোনো ধাৰণা নাছিল, কাৰণ এনে সমাজৰ প্ৰকৃতি অঘৰী বা যাযাবৰী আছিল। ইয়াৰ বিপৰীতে, সামন্তবাদী উৎপাদন ব্যৱস্থাত দখল বা আহৰণৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ সামগ্ৰী হিচাপে ভূমিৰ উদ্ভৱ আৰু প্ৰাধান্যতাৰ ফলত সম্পত্তি সম্পৰ্কীয় ন ন ধাৰণাৰ সৃষ্টি হ'ল।

সম্পত্তি আৰু ইয়াৰ লগত আনুষংগিক অধিকাৰ বা দাবীসমূহ আটাইতকৈ স্পষ্ট ৰূপত পুঁজিবাদী সমাজত পৰিলক্ষিত হয়। পুঁজিবাদী সমাজৰ প্ৰধান বৈশিষ্ট্যই হৈছে সম্পত্তিৰ ব্যক্তিগত মালিকীস্বত্বৰ ওপৰত গুৰুত্ব। ই প্ৰকাশ্যভাৱে দুটা সামাজিক শ্ৰেণীৰ সৃষ্টি কৰে ঃ বুৰ্জোৱা বা পুঁজিপতি আৰু প্ৰলিটেৰিয়েট বা সৰ্বহাৰা। ইয়াৰে বুৰ্জোৱাসকলৰ হাতত উৎপাদনৰ উপাদানসমূহৰ মালিকীস্বত্ব থাকে আৰু প্ৰলিটেৰিয়েটসকলৰ হাতত নাথাকে। এনে সমাজত বুৰ্জোৱাসকলেই দ্ৰব্য আৰু সেৱাৰ উৎপাদন, বিতৰণ আৰু উপভোগৰ সমগ্ৰ প্ৰক্ৰিয়া পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰে। তদুপৰি, তেওঁলোক উদ্যোগ, কাৰখানাসমূহৰো গৰাকী হয়, অৰ্থাৎ অৰ্থনৈতিক ব্যৱস্থাত তেওঁলোকে মূলধন বিনিয়োগকাৰী হিচাপে কাম কৰে। আনহাতে, প্ৰলিয়েৰিয়েট শ্ৰেণীটোৱেই হৈছে শ্ৰমিক শ্ৰেণী, যিয়ে অৰ্থনৈতিক ব্যৱস্থাত শ্ৰমশক্তিৰ যোগান ধৰে। অৰ্থনৈতিক ব্যৱস্থাত এই দুয়োটা শ্ৰেণীৰে স্থান আৰু ভূমিকাই সমাজত থকা ক্ষমতাৰ ধাৰণাকো স্পষ্ট কৰি দিয়ে। এই ক্ষমতা বুৰ্জোৱা আৰু প্ৰলিটেৰিয়েটসকলৰ মাজত থকা উৎপাদনৰ সম্পৰ্কৰ দ্বাৰা প্ৰকাশ্য হয়, যি বুৰ্জোৱাসকলৰ প্ৰলিয়েৰিয়েটৰ ওপৰত থকা উচ্চাত্মিকাবোধ ভাৱৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। কাৰ্লমাৰ্ক্স ব্যক্তিবিশেষৰ দ্বাৰা সম্পত্তিৰ আহৰণৰ ধাৰণাৰ বিৰোধী আছিল। মাৰ্ক্সৰ মতে, সম্পত্তিৰ ব্যক্তিগত মালিকীস্বত্বই সমাজৰ দুই শ্ৰেণীৰ মাজত একধৰণৰ বিপৰীতধৰ্মী সম্পৰ্কৰ সৃষ্টি কৰে। এই বৈশিষ্ট্যই পৰৱৰ্তী সময়ত শ্ৰমিক শোষণৰ ৰূপ লয়। মাৰ্ক্সে ব্যাখ্যা কৰিছে যে, অৰ্থনৈতিক ব্যৱস্থাৰ কাৰ্যকাৰিতাতে পুঁজিবাদী সমাজৰ শ্ৰমিকৰ শোষণ সংঘটিত হয়। ইয়াৰ এক প্ৰশস্ত উদাহৰণ হ'ল, সামাজিকভাৱে প্ৰয়োজনীয় শ্ৰমৰ সময়ৰ ধাৰণা, যি প্ৰকৃততে নিৰ্দিষ্ট পৰিমাণৰ সামগ্ৰী উৎপাদনৰ বাবে শ্ৰমিকসকলে শ্ৰম কৰিব লগা মুঠ সময়ৰ পৰিমাণক

নির্দেশ কৰে। এই ধাৰণাই ইয়াকেই সূচাই যে, শ্ৰমিকসকল এক নির্দিষ্ট সময়লৈকে কাম কৰিবলৈ বাধ্য যিয়ে তেওঁলোকক ভাগৰুৱা কৰি তোলাৰ লগতে সামাজিক জীৱনৰ পৰাও বিচ্ছিন্ন কৰে। এই বিচ্ছিন্নতাক মার্ক্সে পুঁজিবাদী সমাজৰ এক অন্যতম বৈশিষ্ট্য হিচাপে চিহ্নিত কৰিছে আৰু ইয়াকে 'অপসাৰিতা' (alienation) বুলি অভিহিত কৰিছে। মার্ক্সে অপসাৰিতাক মূলতঃ চাৰিটা ভাগত ভাগ কৰি আলোচনা কৰিছে ঃ

১) **উৎপাদিত সামগ্ৰীৰ পৰা অপসাৰিত ঃ** ইয়াত এজন শ্ৰমিকে তেওঁ নির্মাণ কৰা বা নির্মাণত অংশ লোৱা সামগ্ৰীসমূহৰ সৈতে নিজকে চিনাক্ত কৰিব নোৱাৰে। কাৰণ, পুঁজিবাদী সমাজত উৎপাদিত সামগ্ৰী বা সেৱাৰ আৰ্হি আৰু পদ্ধতি শ্ৰমিকে নির্ণয় কৰিব নোৱাৰে।

২) **উৎপাদন কার্যৰ পৰা অপসাৰিত ঃ** পুঁজিবাদী সমাজব্যৱস্থাত শক্তিশালী শ্ৰমবিভাজনৰ উপস্থিতি পৰিলক্ষিত হয়। সেয়ে, শ্ৰমিকসকলৰ প্ৰত্যেকৰে অর্থনৈতিক ব্যৱস্থাৰ কিছুমন বিশেষ বিশেষ কামৰ বাবে নিয়োগ কৰা হয়। ফলত, তেওঁলোকৰ কামবোৰ পৌনঃপৌনিক আৰু যান্ত্রিক হৈ পৰে। কামৰ এই প্ৰকৃতিৰ ফলত শ্ৰমিকজনে কামৰ যোগেদি কোনো ধৰণৰ মানসিক পৰিতৃপ্তি লাভ নকৰে। ফলশ্ৰুতিত, শ্ৰমিকজনৰ নিজৰ কর্মক লৈ কোনো ধৰণৰ উৎসাহ বা আনুগত্য নোহোৱা হয়।

৩) **মানুহৰ পৰা অপসাৰিত ঃ** শ্ৰমিকসকলে পুঁজিবাদী সমাজব্যৱস্থাত দৈনিক এক ধৰাবন্ধা সময়ৰ বাবে কাম কৰিবলৈ বাধ্য। দীঘলীয়া আৰু গতানুগতিক শ্ৰমৰ ফলত শ্ৰমিকসকলে অৱসৰ বিনোদন বা সামাজিকীকৰণৰ বাবে কোনো সুযোগ নাপায়। ফলত, শ্ৰমিকসকলে নিজকে আনৰ পৰা পৃথক অনুভৱ কৰিবলৈ লয়।

৪) **সহকর্মীৰ পৰা অপসাৰিত ঃ** পুঁজিবাদী সমাজ ব্যৱস্থাত শ্ৰম এক পণ্য যাক অর্থৰ মাধ্যমেৰে বিনিময় কৰিব পাৰি। এনে স্বৰূপৰ ফলত শ্ৰমিকসকলৰ মাজত যোগাযোগ আৰু মিলামিছাৰ ইচ্ছা হ্ৰাস পাবলৈ ধৰে।

কার্ল মার্ক্সৰ মতে, সমাজবাদী সমাজ ব্যৱস্থাত সম্পত্তিৰ ধাৰণা আৰু বিশেষকৈ সম্পত্তিৰ ব্যক্তিগত মালিকীস্বত্বৰ ধাৰণাৰ অৱসান ঘটিব, কিয়নো এনে সমাজ ব্যৱস্থাত অর্থনীতিৰ নিয়ন্ত্রণ ৰাষ্ট্রৰ হাতত থাকিব। সেইবাবে, সমাজৰ সম্পদসমূহ মানুহৰ মাজত বিতৰণ কৰি দিয়া হ'ব।



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সম্পত্তি বুলিলে কোনো ব্যক্তি/সমূহ আদিৰ দ্বাৰা অধিকৃত আৰু নিয়ন্ত্রিত কোনো বস্তু/সামগ্রীৰ অনুৰূপ ধাৰণাকে বুজা হয়। সম্পত্তিৰ তিনিটা মুখ্য প্রকাৰ হ'ল ব্যক্তিগত সম্পত্তি, ৰাজহুৱা সম্পত্তি আৰু সমষ্টিগত সম্পত্তি।
- দাসত্ব বুলিলে মানুহৰ ওপৰত স্বত্তাধিকাৰ আৰু নিয়ন্ত্রণ প্রয়োগ কৰাৰ প্রথাক বুজায়, যি পৃথিৱীৰ বিভিন্ন স্থানত বিভিন্ন ৰূপত বিভিন্ন প্রকাশত দেখা গৈছে। দাসত্বৰ কিছুমান স্বীকৃত ৰূপ হ'ল— ব্যক্তিগত দাসত্ব, বন্ধা বনুৱা, বলপূর্বক শ্রম, বলপূর্বক বিবাহ, নির্ভৰশীলতা আদি।
- সমাজতাত্ত্বিক অর্থত সম্পত্তি কেৱল সামগ্রী/বস্তুৰ অধিকাৰকে বুজায় নহয়, বৰঞ্চ সমাজৰ সামাজিক সম্পর্কসমূহক পৰিব্যক্ত কৰে।
- হেগেল আৰু কার্ল মার্ক্সৰ মতামতসমূহ এই দার্শনিক ধাৰণাটো বুজিবলৈ গুৰুত্বপূর্ণ, কাৰণ তেওঁলোকে ইয়াত এক গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছে।



অগ্রগতি নিৰীক্ষণ

১) দাসত্বৰ দুটা প্রকাৰ উল্লেখ কৰক।

.....

.....

২) সম্পত্তিৰ দুটা প্রকাৰ উল্লেখ কৰক।

.....

.....

৩) উৎপাদনৰ পৰা শ্রমিকৰ বিচ্ছিন্নতা বুলিলে (alienation) কি বুজায়?

.....

.....

.....

.....



৫.৮ অধিক জানিবলৈ

1. Abercrombie, Nicholas; Stephen Hill & Bryan S. Turner; 2000; The Penguin Dictionary of Sociology; England.
2. Borgotta, Edgar F. & Rhonda J. V. Montgomery; 2000; Encyclopedia of Sociology; Cengage Learning Publisher.
3. Haralambos, H & R M Heald; 1997; Sociology : Themes and Perspectives; Oxford Publication.
4. Ritzer, George; 2010; Sociological Theory; McGraw Hill Education.



৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বন্ধকী শ্রম, বলপূর্বক শ্রম।

২ নং প্রশ্নৰ উত্তৰ ঃ স্থাবৰ সম্পত্তি, বৌদ্ধিক সম্পত্তি।

৩ নং প্রশ্নৰ উত্তৰ ঃ যেতিয়া এজন শ্রমিকে নিজৰ দ্বাৰা প্রস্তুত কৰা বা য'ত তেওঁ অৱদান আগবঢ়াইছে তেনে উৎপাদনৰ সৈতে নিজকে চিনাক্ত নকৰে, তেতিয়া তাক শ্রমিকৰ উৎপাদনৰ পৰা বিচ্ছিন্নতা বুলি কোৱা হয়। ইয়াক পুঁজিবাদী সমাজত দেখা পোৱা যায়, কাৰণ তাত সামগ্রী আৰু সেৱা উৎপাদনৰ ৰূপৰেখা আৰু পদ্ধতি শ্রমিকে নিজে নির্ধাৰণ নকৰে।



৫.১০ আৰ্হি প্রশ্ন

(ক) চমু প্রশ্ন (প্রায় ১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ 'সম্পত্তি'ৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্রশ্ন নং ২ ঃ দাসত্ব বুলিলে কি বুজায়?

(খ) ৰচনাধর্মী প্রশ্ন (প্রায় ৩০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ সমাজতাত্ত্বিক অর্থত সম্পত্তিৰ গুৰুত্ব কি? ব্যাখ্যা কৰক।

প্রশ্ন নং ২ ঃ হেগেল আৰু কার্ল মার্ক্সৰ সম্পত্তি বিষয়ক দার্শনিক মতামত ব্যাখ্যা কৰক।

****

অধ্যায় ৬ ঃ বিনিময়

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ এক ধাৰণা হিচাপে বিনিময়
৬.৪ পাৰস্পৰিকতা আৰু উপহাৰ
৬.৫ বিনিময় সম্পৰ্কীয় দৃষ্টিভংগী ঃ মেলিন'ৱস্কি, ম'চ আৰু লেভি ষ্ট্ৰাউছ
৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৭ অধিক জানিবলৈ
৬.৮ অগ্ৰগতিৰ খতিয়ান
৬.৯ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অৰ্থনৈতিক সমাজতত্ত্বৰ আধাৰত বিনিময়ৰ ধাৰণা বুজিব পাৰিব
- পাৰস্পৰিকতা আৰু উপহাৰৰ অৰ্থ বুজি পাব
- বিনিময়ৰ বিভিন্ন দৃষ্টিভংগীৰ বিষয়ে জানিব পাৰিব।

৬.২ পৰিচয়

বিনিময় হৈছে সকলো সমাজতে থকা সদস্যসকলৰ মাজত সামগ্ৰী আৰু উপহাৰ হস্তান্তৰ কৰা এক প্ৰক্ৰিয়া। ব্যক্তিসকল স্বাৰ্থৰ দ্বাৰা প্ৰেৰিত হয় আৰু তেওঁলোকে সদায় সামাজিক আন্তঃক্ৰিয়াত সৰ্বাধিক লাভ (Profit manimization) কৰিবলৈ বিচাৰে। সাংস্কৃতিক নৃতত্ত্ববিদসকলে সামাজিক আচৰণৰ আদান-প্ৰদানৰ মাধ্যমেৰে আদিম সমাজৰ ভাৰসাম্য আৰু শৃংখলা অধ্যয়ন কৰিছিল। সেয়ে পাৰস্পৰিক আদান-প্ৰদান (reciprocity)ক সামাজিক জীৱনৰ এক গুৰুত্বপূৰ্ণ দিশ বুলি ক'ব পাৰি। বহু সম্পৰ্ক এক নিৰ্দিষ্ট আদান-প্ৰদানৰ যোগেদি গঢ় লৈ উঠে, কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে সেইবোৰ সদায় সমান। সামাজিক বিনিময় হৈছে ব্যয় আৰু লাভালাভৰ মূল্য আৰু মানুহে সামাজিক সম্বন্ধ বজাই ৰাখিবই লাগিব। এই অধ্যায়টোৰে সামাজিক বিনিময়ৰ অৰ্থৰ লগতে ব্ৰনিশ্ল মেলিনৱস্কি, মার্চেল ম'ছ, লেভি ষ্ট্ৰছ আদিৰ এই সম্পৰ্কে থকা দৃষ্টিভংগীৰ বিষয়ে সামৰি ল'ব লগতে, ই পাৰস্পৰিকতা আৰু উপহাৰৰ ধাৰণা সৰল ভাৰে বুজাবুজি চেষ্টা কৰিব।

৬.৩ এক ধাৰণা হিচাপে বিনিময়

যুক্তিবাদী জীৱ হিচাপে মানুহ স্বার্থৰ দ্বাৰা প্ৰেৰিত হয় আৰু সামাজিক আন্তঃক্ৰিয়াত নিজৰ লাভ বৃদ্ধি কৰিব বিচাৰে। আন্তঃক্ৰিয়াত সংযুক্ত হৈ থকা ব্যক্তিসকলে যুক্তিসংগতভাৱে নিজৰ লাভ বৃদ্ধি কৰিব বিচাৰে। লাভ আৰু লোকচান, পুৰস্কাৰ আৰু শাস্তি আদিৰ বিনিময়ৰ যোগেদি মানুহে পৰস্পৰৰ সৈতে আন্তঃক্ৰিয়াত মিলিত হয়। মৌলিক প্ৰয়োজনীয়তাসমূহৰ উপলব্ধিৰ বাবে মানুহে কৰা প্ৰচেষ্টাৰ ফলাফলেই হ'ল বিনিময়। এই বিনিময় প্ৰক্ৰিয়াই পাৰস্পৰিক আন্তঃক্ৰিয়াৰ আৰ্হিৰ সৃষ্টি কৰে যি আৰ্হিয়ে কেৱল ব্যক্তিৰ প্ৰয়োজনীয়তাসমূহেই পূৰ কৰাই নহয়, বৰঞ্চ সামাজিক সংৰচনাৰ প্ৰকাৰসমূহক বাধ্য কৰে যাতে ই পৰিৱৰ্তন আনিব পাৰে। মানুহৰ নিজৰ আন্তঃক্ৰিয়াৰ সামাজিক, অৰ্থনৈতিক আৰু মনস্তাত্বিক দিশসমূহৰ বিষয়ে জনাৰ সুবিধা জনাৰ সুবিধা আছে, যিয়ে তেওঁলোকক সমসাময়িক অৱস্থাৰ তুলনাত বিকল্প, অধিক লাভজনক অৱস্থাৰ বিষয়ে বিবেচনা কৰিবলৈ অনুমতি দিয়ে। মানুহ যুক্তিবাদী আৰু সেয়ে পুৰস্কাৰজনক পৰিস্থিতিত প্ৰতিযোগিতাৰ বাবে সৰ্বশ্ৰেষ্ঠ সম্ভাব্য উপায় বাছনি কৰে। শাস্তি পৰিহাৰ কৰাৰ ক্ষেত্ৰতো একেই কথা খাটে।

বিনিময় সম্পৰ্কীয় কিছুমান ধাৰণা হৈছে ঃ

- আনৰ সৈতে কৰা লেনদেনত মানুহে সদায় অলপ হ'লেও লাভ অৰ্জনৰ প্ৰয়াস কৰে।
- কোনো সামাজিক লেনদেনত হ'ব পৰা খৰচ আৰু লাভ সম্পৰ্কে তেওঁলোকে হিচাপ-নিকাচ কৰি লয়।
- তেওঁলোকে সদায় কিছুমান সীমাবদ্ধতাৰ মাজত কাম কৰে, তথাপিও লাভ আহৰণৰ বাবে এজনে আনজনৰ লগত প্ৰতিযোগিতাত মিলিত হয়।
- যেতিয়া মানুহে বিনিময় সম্পৰ্কত প্ৰৱেশ কৰে, তেওঁলোক সীমিত সম্পদৰ দ্বাৰা আৱদ্ধ হয়। (টাৰ্ণাৰ, ২০১১)

সামাজিক বিনিময় সিদ্ধান্তই আন্তঃব্যক্তিক যোগাযোগ (interpersonal communication) বৃদ্ধি কৰে, যিহেতু ই অগভীৰ সম্পৰ্কৰ পৰা ঘনিষ্ঠ সম্পৰ্কলৈ বিকশিত হয়। মানুহে কেৱল নিজৰ চাৰিওফালৰ অৱস্থিতিৰ সম্পৰ্কেই নহয়, নিজৰ সচেতনতাৰ বিষয়েও সজাগ। এই সিদ্ধান্তই বুজাই যে, মানুহে ইজনে সিজনৰ চিন্তা আৰু প্ৰয়োজনীয়তাৰ প্ৰতি সচেতন। এনেদৰে ই মানুহৰ মাজত ফলপ্ৰসূ যোগাযোগ বৃদ্ধি কৰে। মানুহে কেনেদৰে আন্তঃসংযোগ (network) গঠন কৰে, তেওঁলোকৰ মতামত প্ৰকাশ কৰে আৰু ৱিকিপেডিয়া, ইউটিউব, ফেচবুক, টুইটাৰ আদি এপ্লিকেচনসমূহত ইজনে সিজনলৈ তথ্য প্ৰেৰণ কৰে সেই বিষয়ে অধ্যয়ন আৰু ব্যাখ্যা কৰাৰ বাবে সমাজিক বিনিময় তত্ত্ব এক বৈধ দৃষ্টান্ত হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ বিনিময় মানে কি? এটা ধাৰণা আগবঢ়াওক।

.....

.....

প্রশ্ন ২ ঃ সামাজিক বিনিময় তত্ত্ব এটা গুৰুত্বপূর্ণ কাম কি?

.....

.....

প্রশ্ন ৩ ঃ বিনিময়ে কেনেকৈ মানুহৰ সেৱা কৰে?

.....

.....

৬.৪ পাৰস্পৰিকতা আৰু উপহাৰ

থমাছ হ'বছৰ 'Leviathan' গ্রন্থত পাৰস্পৰিকতাৰ (reciprocity) উৎপত্তিৰ সন্ধান পোৱা যায়, য'ত মানুহে পাৰস্পৰিক বিনিময়ৰ সলনি কিবা এটা আহৰণ কৰাৰ অধিকাৰ ত্যাগ কৰে বুলি উল্লেখ কৰা হৈছে। আডাম স্মিথৰ 'The Wealth of Nation' (১৭৭৬) তো পাৰস্পৰিকতাৰ উল্লেখ আছে। পাৰস্পৰিকতা বা 'reciprocity' শব্দৰ মূল হৈছে লেটিন শব্দ 'reciprocal', যাৰ অর্থ 'moving back & forth', অর্থাৎ আগ-পিছ কৰা। পাৰস্পৰিকতা হৈছে এক সামাজিক প্রতিমান, য'ত মানুহৰ মাজত এক প্রকাৰৰ বিনিময় জড়িত হৈ থাকে— য'ত কোনো এজন ব্যক্তিৰ এটা কার্যক আন এটা সমতুল্য কার্যৰে সঁহাৰি জনোৱা হয়। ই সাধাৰণতে ধনাত্মক হয়, অর্থাৎ উদাৰ আচৰণৰ প্রদর্শনৰ পিছত প্রায়ে বিনিময়ত উপহাৰ দিয়া হয়। আকৌ, ঋণাত্মক বা নেতিবাচক পাৰস্পৰিকতাৰ অর্থ হৈছে এনে কৌশলপূর্ণ আচৰণ যি বিনিময়ত প্রতিশোধমূলক আচৰণ আকর্ষণ কৰে। আচৰণগত অর্থনীতিৰ দৃষ্টিকোণৰ পৰা পাৰস্পৰিকতা এক আকর্ষণীয় ধাৰণা, কিয়নো ই কেৱল অর্থনৈতিক বিনিময়ৰ লগতে জড়িত নহয়, বৰঞ্চ পাৰস্পৰিকতা প্রয়োগ কৰা অনুষ্ঠানসমূহকো সাঙুৰি লয়। চিকিৎসালয় এনে অনুষ্ঠানৰ উদাহৰণ, যিহেতু চিকিৎসালয়ে ৰোগীৰ পৰা অনুদান/সাহার্য বিচাৰিব পাৰে। পাৰস্পৰিকতাক 'পাৰস্পৰিক ৰেহাই'ৰ (reciprocal concessions) ৰূপত এক সামাজিক প্রভাৱৰ আহিলা হিচাপেও ব্যৱহাৰ কৰা হয়, যাক 'door-in-the-face' কৌশল বুলি জনা যায়। যেতিয়া এজন ব্যক্তিয়ে প্রথমতে বৃহৎ অনুৰোধ কৰে আৰু উত্তৰদাতাই তাক প্রত্যাখ্যান কৰিলে সৰু অনুৰোধ কৰে, তেতিয়া এনে পৰিস্থিতিৰ উদ্ভৱ হয়। পাৰস্পৰিকতা সামাজিক সমতুল্যৰ মাজত হোৱা এনে এক বিনিময়, যাৰ বেছিভাগেই অনা-বজাৰ (non-market) বিনিময় আৰু পণ্য বিনিময়ৰ পৰা আৰম্ভ কৰি কিবা

এটাৰ বিনিময়ত আন কিবা এটা আশা কৰা বিনিময়ৰ সকলো প্ৰকাৰ সাঙুৰি লয়। মাৰ্শ্বাল শ্বহলিনৰ মতে, সামাজিক সম্পৰ্কসমূহ পাৰস্পৰিকতাৰ অনুশীলনৰ ওপৰত আধাৰিত।

পাৰস্পৰিকতাৰ তিনিটা প্ৰকাৰ পৰিলক্ষিত হয় ঃ সাধাৰণীকৃত পাৰস্পৰিকতা, সন্তুলিত পাৰস্পৰিকতা আৰু নেতিবাচক পাৰস্পৰিকতা।

সাধাৰণীকৃত পাৰস্পৰিকতাই নিকট সম্পৰ্কীয় ব্যক্তিৰ মাজৰ বিনিময়ক বুজায়। ইয়াত উপহাৰৰ মূল্য গণনা কৰা নহয় আৰু কোনো প্ৰতিদানো আশা কৰা নহয়। সন্তুলিত পাৰস্পৰিকতা বিনিময়ৰ এনে এক প্ৰকাৰ, যি দূৰ সম্পৰ্কীয় ব্যক্তিৰ মাজত হয় আৰু ইয়াৰ দিওঁতাই প্ৰতিদানত কিবা এটা আশা কৰে। ইয়াত তাৎক্ষণিকভাৱে বিনিময় হয়। নেতিবাচক পাৰস্পৰিকতাত ব্যক্তিসকল অতি দূৰ সম্পৰ্কীয় বা কোনো ধৰণে সম্পৰ্কিত নহ'বও পাৰে। ইয়াত বিনিময় হৈছে তাৎক্ষণিক লক্ষ্য আৰু যিকোনো মূল্যৰ কোনো সামগ্ৰী গ্ৰহণ কৰা হয়, অৰ্থাৎ একো নোহোৱাকৈ কিবা এটা পাবলৈ চেষ্টা কৰা হয়। পাৰস্পৰিকতাৰ প্ৰতিমান হৈছে এই আশা যে, ব্যক্তিয়ে এজনে আনজনক লাভৰ বিনিময়ত লাভ ঘূৰাই দি ইতিবাচক প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰিব। এই ব্যৱস্থাই সমাজ ভেদে সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰত বিভিন্ন ৰূপত দেখা যায়। উদাহৰণস্বৰূপে, কৃতজ্ঞতা, পাৰস্পৰিক সদিচ্ছা আদি হৈছে পাৰস্পৰিকতাৰ অন্তৰ্নিহিত প্ৰতিমান, যি নিজেই সামাজিক আচৰণক প্ৰেৰিড, সৃষ্টি আৰু নিয়ন্ত্ৰণ কৰাৰ এক শক্তিশালী ইন্দনস্বৰূপ। পাৰস্পৰিকতাৰ প্ৰতিমানৰ শক্তিয়ে বিদ্ধেষপূৰ্ণ কাৰ্যৰো সৃষ্টি কৰিব পাৰে, উদাহৰণস্বৰূপে, বিজ্ঞাপন বা উদ্দেশ্যপ্ৰণোদিত প্ৰচাৰত ব্যৱহাৰ কৰা কৌশল, য'ত ইচ্ছা উৎপন্ন কৰাৰ আশাৰে এটা সৰু উপহাৰ আগবঢ়োৱা হয়। সহজ অৰ্থত, পাৰস্পৰিকতাৰ অৰ্থ হৈছে আনক কিবা এটা ঘূৰাই দিয়া, কাৰণ ব্যক্তিয়ে প্ৰতিদান বা বিনিময়ত উপহাৰ লাভ কৰিব লাগিব। ইয়াক আৰু ভালদৰে সমাজৰ সঠিক পৰিচালনাৰ বাবে প্ৰয়োজনীয় বিনিময় আৰু সঁহাৰি প্ৰণালীৰ মাধ্যমেৰে বুজিব পাৰি।

উপহাৰ অৰ্থনীতি বা দিয়া-লোৱাৰ প্ৰক্ৰিয়াৰ আধাৰত গঢ় লোৱা সম্পৰ্ক সাধাৰণতে অনাপাশ্চাত্য (Non-Western) দেশসমূহত বেছিকৈ পোৱা যায়। পাৰস্পৰিকতা আচলতে উপহাৰ প্ৰদানৰ নিয়মৰ ওপৰত আধাৰিত দ্ৰব্য আৰু সেৱাৰ বিতৰণৰ এক ব্যৱস্থা। উপহাৰ বিনিময়ে পাৰস্পৰিকতাকে ধৰি বিভিন্ন অৰ্থনৈতিক প্ৰক্ৰিয়াক সাঙুৰি লয়। উদাহৰণস্বৰূপে, মেলিনৱস্কিৰ ট্ৰবিয়াণ্ডসকলৰ ওপৰত কৰা অধ্যয়নত দেখা গৈছে যে, তাত কুলা ৰিঙৰ আকাৰৰ নেক্‌লেচৰ লগত বিনিময় কৰা হৈছিল বা দ্বীপপুঞ্জৰ মাছমৰীয়াসকলে অন্যান্য সম্প্ৰদায়সমূহৰ মাছ উপহাৰ হিচাপে দিছিল আৰু বিনিময়ত তেওঁলোকে মাছমৰীয়াসকলক অন্য উপহাৰ আগবঢ়াইছিল। মাৰ্শ্বল ম'ছৰ 'The Gift' (১৯২৪) অনা-পাশ্চাত্য সমাজৰ উপহাৰ বিনিময়ৰ এক তুলনামূলক অধ্যয়ন, যিয়ে ইয়াক এক আধ্যাত্মিক (spiritual) প্ৰক্ৰিয়া হিচাপে চিনাক্ত কৰিছে বা দিওঁতাক কে পৰিচয় প্ৰদান কৰিছে। ম'ছে সামূহিক সংহতিত গুৰুত্ব দিয়াৰ লগতে দায়বদ্ধতাৰ সামাজিক ধাৰণাৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰিছে য'ত দায়বদ্ধতাই দিয়া আৰু লোৱাৰ প্ৰক্ৰিয়াক সচাইছে। ম'ছে পলিনেছিয়া, মেলানেছিয়া আৰু আমেৰিকাৰ উত্তৰ-পশ্চিমত তেওঁৰ নৃতাত্ত্বিক অধ্যয়ন কৰিছিল।

তেওঁ মানুহৰ মাজত পাৰস্পৰিকতাক ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল আৰু যুক্তি দিছিল যে, এইয়া হৈছে— 'হাউ', এই সভ্যতাত সন্ধান পোৱা এক ধাৰণা। ম'ছে তিনিপ্ৰকাৰৰ দায়বদ্ধতাৰ আধাৰত উপহাৰ বিনিময়ৰ ব্যাখ্যা আগবঢ়াইছিল, এই দায়বদ্ধতাসমূহ আছিল ঃ দিয়া, ঘূৰাই দিয়া আৰু গ্ৰহণ কৰা।

জ্যাক ডেৰিডাই মছক উপহাৰৰ প্ৰতিদান আশা কৰাৰ অধিকাৰ সংযোজিত কৰাৰ বাবে সমালোচনা কৰে। মছে ব্যৱহাৰ কৰা উপহাৰৰ ধাৰণাটো কিছু পৰিমাণে স্ববিৰোধী, কিয়নো ইয়াত বিনিময় এক প্ৰতিদানৰ দাবীৰ ওপৰত আধাৰিত। উপহাৰ কেৱল উপহাৰ হব লাগে যত প্ৰতিদানৰ কথা নাহে। প্ৰতিদানত কিবা লাভ কৰাৰ আশা জড়িত হৈ থকা ভুৱা উপহাৰৰ ধাৰণাই মানুহৰ ওপৰত হেঁচাৰ সৃষ্টি কৰিব পাৰে। ই একপ্ৰকাৰৰ নৈতিক ঋণ, বন্ধকী বা কপটতাস্বৰূপ, যাৰ পৰিণতিত দুৰ্নীতিৰ অৱকাশ আহি পৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ পাৰস্পৰিকতাৰ প্ৰকাৰসমূহ কি কি?

.....

.....

প্ৰশ্ন ৫ ঃ মার্চেল মছৰ মতে উপহাৰ বিনিময়ৰ দায়বদ্ধতাসমূহ কি কি?

.....

.....

প্ৰশ্ন ৬ ঃ পাৰস্পৰিকতাৰ উৎপত্তি আলোচনা কৰক।

.....

.....

প্ৰশ্ন ৭ ঃ ইতিবাচক আৰু নেতিবাচক পাৰস্পৰিকতাৰ পাৰ্থক্য লিখক।

.....

.....

৬.৫ বিনিময় সম্পৰ্কীয় দৃষ্টিভংগী ঃ মেলিনৱস্কি, মছ আৰু লেভি ষ্ট্ৰাউছ

নব্য-ধ্ৰুবদী অৰ্থনীতিত বিকশিত হোৱা সামাজিক বিনিময় তত্ত্ব যুক্তিসংগত পছন্দ তত্ত্ব (Rational Choice Theory)ৰ সৈতে জড়িত আছিল। জৰ্জ হোমন্স আৰু অন্যান্যসকলে আগবঢ়োৱা সামাজিক বিনিময় তত্ত্বৰ উপযোগী অৰ্থনীতিৰ নীতি আছিল মানৱ আচৰণক যুক্তিসংগত ভিত্তিত লাভ সৰ্বাধিক কৰা সিদ্ধান্ত হিচাপে তত্ত্ববদ্ধ কৰিবলৈ প্ৰেৰিত কৰা। ১৯৫৮ চনত সমাজবিজ্ঞানী জৰ্জ হোমানছে সামাজিক বিনিময় তত্ত্ব আগবঢ়াইছিল। তেওঁ কমেও দুজন লোকৰ

মাজত দৃশ্যমান বা অদৃশ্যমান আৰু কম-বেছি পৰিমাণে পুৰস্কাৰজনক বা ব্যয়বহুল কার্যকলাপৰ বিনিময়কে সামাজিক বিনিময় হিচাপে সংজ্ঞাবদ্ধ কৰিছিল। আগশাৰীৰ নৃতত্ত্ববিদ ব্ৰনিশ্ল' মেলিন'ৱস্কিৰ মেলানিছিয়ান দ্বীপপুঞ্জৰ ট্ৰ'ব্ৰিয়েণ্ডাৰসকলৰ অধ্যয়ন বা মার্চেল ম'ছৰ বহুতো আদিম সমাজৰ তুলনামূলক বিৱৰণত উপহাৰ বিনিময়ৰ সামাজিক ভূমিকাৰ ওপৰত আৰোপ কৰা গুৰুত্ব সামাজিক বিনিময় তত্ত্বৰ সৈতে সম্পর্কিত। সেয়েহে সামাজিক বিনিময় তত্ত্ব যুক্তসংগত পছন্দ তত্ত্বৰ অনুমানৰ ওপৰত আধাৰিত কিয়নো ই সামাজিক পৰিৱর্তন আৰু স্থিৰতাক দলসমূহৰ মাজৰ লেনদেনৰ প্রক্রিয়া হিচাপে ব্যাখ্যা কৰে।

- **ব্ৰনিশ্ল' মেলিন'ৱস্কি ঃ** ব্ৰনিশ্ল' কেছপাৰ মেলিন'ৱস্কিৰ ১৮৮৪ চনৰ ৭ এপ্রিলত ক্রাকোৱৰ এক উচ্চ-মধ্যবিত্ত প'লিছ পৰিয়ালত জন্ম হৈছিল। ক্রাকোৱ তেতিয়া অষ্ট্রিয়া-হাংগেৰী প্রদেশৰ অংশ আছিল যাক গেলিচিয়া আৰু লোডোমেৰিয়া ৰাজ্য বুলি জনা গৈছিল। তেওঁ এগৰাকী নৃতত্ত্ববিদ আছিল আৰু সামাজিক নৃতত্ত্বৰ পিতৃ হিচাপে জনাজাত আছিল আৰু তেওঁৰ নৃতত্ত্ব, সামাজিক তত্ত্ব আৰু ক্ষেত্র অধ্যয়নৰ বিষয়ে লিখা লিখনিবোৰে নৃতত্ত্বক যথেষ্ট প্রভাৱান্বিত কৰিছিল।

  তেওঁ নৃতাত্ত্বিক অধ্যয়ন "Argonaults of Western Pacific" ত তেওঁ South Sea Islands ৰ এটা গোট ট্ৰ'ব্ৰিয়েণ্ড দ্বীপবাসীসকলৰ বিষয়ে অধ্যয়ন কৰিছিল আৰু তাত তেওঁ বিনিময়ৰ এক অনন্য আৰ্হি দেখা পাইছিল আৰু ইয়াক কুলা ৰিং বুলি অভিহিত কৰিছিল। ই ব্যক্তিসকলৰ মাজত এক পাৰস্পৰিক বিনিময় সম্পর্ক আছিল য'ত তেওঁলোকে আর্মলেটছ আৰু নেকলেচ বিনিময় কৰিছিল। কুলা ৰিং আর্মলেটৰ নেকলেচৰ বাবে বিনিময় কৰা হৈছিল। মেলিন'ৱস্কিয়ে স্বীকাৰ কৰিছিল যে কুলা কেৱল এক অর্থনৈতিক বা সামগ্রিক বিনিময় নেটৱর্ক নহয় বৰঞ্চ এক প্রতীকী বিনিময় আৰু সামাজিক সম্পর্কৰ এক জাল আছিল। তেওঁ উল্লেখ কৰিছিল যে ট্ৰ'ব্ৰিয়েণ্ডত হোৱা বিনিময় কেৱল এক সম্পূর্ণ উপযোগী আৰু অর্থনৈতিক ব্যৱস্থা নহয়, বৰঞ্চ ইয়াৰ আঁৰত কিছুমান মনো-সামাজিক প্রয়োজনীয়তাও জড়িত হৈ আছিল যাক ব্যক্তি আৰু সমাজ দুয়োটাই পূৰণ কৰিব লাগিব। এইদৰে মেলিন'ৱস্কিয়ে কুলা ৰিঙে সামাজিক একত্রীকৰণ আৰু সামাজিক সংহতিৰ বাবে মনস্তাত্ত্বিক প্রয়োজনীয়তা আৰু সামাজিক প্রয়োজনীয়তা পূৰণ কৰে বুলি গণ্য কৰিছিল।

কিছুমান বিশ্লেষণ হৈছে—

- কুলাক সহায়ক আৰু যুক্তিসংগত বুলি গণ্য কৰা হয় কিয়নো ই জনসাধাৰণৰ অর্থনৈতিক প্রয়োজনীয়তা পূৰণ কৰে।
- এটা বিনিময় সম্পর্ক বজাই ৰখা শক্তিবোৰ অর্থনৈতিকৰ পৰিৱর্তে মানসিক আৰু ই সামাজিক আচৰণ ব্যাখ্যা কৰে।
- প্রতীকী বিনিময় সম্পর্ক হৈছে এক প্রাথমিক সামাজিক প্রক্রিয়া যি সমাজত শ্রেণীৰ

পৃথকীকৰণ আৰু সামগ্রিকভাৱে এক সংহত আৰু ঐক্যবদ্ধ গোটত সমাজৰ একত্রীকৰণ দুয়োটাকে অন্তর্ভুক্ত কৰে। (টার্নাৰ, ২০১১)

- **মার্চেল ম'ছ ঃ** মার্চেল ম'ছ এজন ফৰাচী সমাজবিজ্ঞানী আছিল। তেওঁ ১৮৭২ চনৰ ১০ মে'ত এপিনালৰ এক ইহুদী পৰিয়ালত জন্মগ্রহণ কৰিছিল। ম'ছৰ শৈক্ষিক সৃষ্টিৰাজি সমাজতত্ত্ব আৰু নৃতত্ত্বৰ মাজতে সীমাবদ্ধ নহয়। আজি তেওঁ সমগ্র বিশ্বৰ বিভিন্ন সংস্কৃতিত যাদু, ত্যাগ আৰু উপহাৰ বিনিময়ৰ দৰে ক্ষেত্রত আগবঢ়োৱা অৱদানৰ বাবে জনাজাত। গঠনমূলক নৃতত্ত্বৰ প্রতিষ্ঠাপক ক্লড লেভিছ ষ্ট্রাছৰ ওপৰত ম'ছৰ গুৰুত্বপূর্ণ প্রভাৱ আছিল। মার্চেল ম'ছে মেলিনৱস্কিৰ কুলাৰ বিশ্লেষণক পুনৰ ব্যাখ্যা কৰিছিল আৰু এক বিস্তৃত সংৰচনাত্মক বিনিময় দৃষ্টিভংগী প্রস্তুত কৰিছিল। এনে বিনিময়ৰ সৈতে জড়িত ব্যক্তিসকলে সমূহৰ নৈতিক সংকেতসমূহ অর্থাৎ সমূহ অনুসৰি নিয়মবোৰ প্রতিনিধিত্ব কৰে। তেওঁ মেলিনৱস্কিৰ মনস্তাত্ত্বিক প্রয়োজনীয়তাৰ পৰিৱর্তে ডুৰখেইমৰ সামূহিক চিন্তাধাৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু সমূহৰ ব্যক্তিসকলৰ প্রতিনিধিত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। বিনিময় সম্পর্কই দলীয় নৈতিকতাৰ সৃষ্টি কৰে আৰু ইয়াক শক্তিশালী কৰি সামাজিক জীৱন নিয়ন্ত্রণ কৰে। এইদৰে ম'ছে আধুনিক সমাজতাত্ত্বিক চিন্তাধাৰাৰ বিনিময় সম্পর্কীয় দৃষ্টিভংগীক প্রভাৱিত কৰিছিল।
- **লেভি ষ্ট্রাউছ ঃ** ১৯০৮ চনৰ ২৮ নৱেম্বৰত ফৰাচী ইহুদী পিতৃ-মাতৃৰ ঘৰত ক্লড লেভি-ষ্ট্রাউছৰ জন্ম হৈছিল। তেওঁ এজন ফৰাচী নৃতত্ত্ববিদ আছিল আৰু তেওঁ সংৰচনাবাদ আৰু সংৰচনাত্মক নৃতত্ত্বৰ তত্ত্বৰ বিকাশৰ বাবে বিখ্যাত আছিল।

ক্রছ-কাজিন বিবাহৰ ওপৰত ক্লড লেভিছ ষ্ট্রাউছৰ এক উৎকৃষ্ট কাম আছিল "The Elementary Structures of Kinship"। তেওঁ ফ্রেডাৰৰ ক্রছ-কাজিন বিবাহৰ ব্যাখ্যা প্রত্যাখ্যান কৰিছিল আৰু মেলিনৱস্কিৰ মনস্তাত্ত্বিক প্রয়োজনীয়তাৰ ধাৰণাৰো বিৰোধিতা কৰিছিল। তাৰ ঠাইত তেওঁ এক সংৰচনাত্মক বিনিময় দৃষ্টিভংগীৰ বিকাশ কৰিছিল।

ফ্রেজাৰে উল্লেখ কৰিছিল যে অষ্ট্রেলিয়াৰ দৰিদ্র আদিবাসীসকলৰ পত্নী লাভ কৰাৰ ক্ষেত্রত কোনো বস্তুগত লাভ নাই, সেয়েহে তেওঁলোকে তেওঁলোকৰ ভনীয়েকসকলক বিবাহৰ যোগেদি বিনিময় কৰে কিয়নো এইটো পত্নী লাভ কৰাৰ আটাইতকৈ সহজ উপায়। লেভি ষ্ট্রাউছে ফ্রেজাৰৰ বিনিময় প্রক্রিয়াৰ বিষয়সমূহৰ পৰিৱর্তে সংখ্যাগত দিশৰ পেৰত গুৰুত্ব আৰোপ কৰা উপযোগিতাৰ ধাৰণাক নাকচ কৰিছিল। লেভি-ষ্ট্রাউছে বিনিময়ক বৃহৎ সামাজিক গাঁথনি একত্রিত কৰাত সহায় কৰা কার্য হিচাপে গণ্য কৰিছিল। লেভি ষ্ট্রাউছে বিনিময় প্রক্রিয়াৰ বিষয়ে মেলিনৱস্কিৰ মনস্তাত্ত্বিক প্রয়োজনীয়তাৰ ধাৰণাকো নাকচ কৰিছিল আৰু তেওঁ মানুহৰ প্রতিমান আৰু মূল্যবোধৰ সাংস্কৃতিক ঐতিহ্যৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল যিয়ে তেওঁলোকৰ আচৰণ

আৰু সামাজিক সংগঠনক জীৱ-জন্তুৰ পৰা পৃথক কৰে। মানুহৰ কার্য গুণগতভাৱে জীৱ-জন্তুৰ আচৰণৰ পৰা সামাজিক বিনিময় সাপেক্ষে পৃথক। (টার্নাৰ, ২০১১)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৮ ঃ বিনিময় ব্যৱস্থা হিচাপে কুলাই কি বুজায়?

.....

.....

প্রশ্ন ৯ ঃ ফ্রেজাৰৰ বিনিময়ৰ ব্যাখ্যাৰ ওপৰত এটা টোকা লিখক।

.....

.....

প্রশ্ন ১০ ঃ মার্চেল ম'ছৰ অৱদানৰ বিষয়ে চমুকৈ লিখক।

.....

.....

প্রশ্ন ১১ ঃ মেলিনৱস্কিৰ অধ্যয়নৰ কোনটো দিশ ম'ছৰ দ্বাৰা পুনৰ ব্যাখ্যা কৰা হৈছিল?

.....

.....



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিনিময় প্রক্রিয়াৰ ফলত পাৰস্পৰিক ক্রিয়া-প্রতিক্রিয়াৰ আৰ্হিৰ সৃষ্টি হয় আৰু পাৰস্পৰিক ক্রিয়া-প্রতিক্রিয়াৰ এই আৰ্হিবোৰে কেৱল ব্যক্তিৰ প্রয়োজনীয়তা পূৰণ কৰাই নহয় বৰঞ্চ সামাজিক সংৰচনাকো পৰিৱর্তনৰ বাবে বাধ্য কৰে।
- সামাজিক বিনিময় তত্ত্বই আন্তঃব্যক্তিগত যোগাযোগ বৃদ্ধি কৰে যিহেতু ই অগভীৰ বা নিস্তেজ সম্পর্কৰ পৰা ঘনিষ্ঠ সম্পর্কলৈ বিকশিত হয়। ১৯৫৮ চনত সমাজবিজ্ঞানী জর্জ হোমানছে সামাজিক বিনিময় তত্ত্ব বিকশিত কৰিছিল। তেওঁ কমেও দুজন লোকৰ মাজত দৃশ্যমান বা অদৃশ্যমান আৰু কম-বেছি পৰিমাণে পুৰস্কাৰজনক বা ব্যয়বহুল কার্যকলাপৰ বিনিময়কে সামাজিক বিনিময় হিচাপে ব্যাখ্যা কৰিছিল।
- এই তত্ত্বটোৱে বুজায় যে মানুহ ইজনে সিজনৰ চিন্তা আৰু প্রয়োজনীয়তাৰ প্রতি সচেতন আৰু এনেদৰে ই মানুহৰ মাজত ফলপ্রসূ যোগাযোগ বৃদ্ধি কৰে।

- আগশাৰীৰ নৃতত্ত্ববিদ ব্রনিশ্ল' মেলিন'ৱস্কিৰ মেলানেছিয়ান দ্বীপপুঞ্জৰ ট্র'ব্রিয়েণ্ডাৰসকলৰ অধ্যয়ন বা মার্চেল ম'ছৰ বহুতো আদিম সমাজৰ তুলনামূলক বিৱৰণত উপহাৰ বিনিময়ৰ সামাজিক ভূমিকাৰ ওপৰত আৰোপ কৰা গুৰুত্ব সামাজিক বিনিময় তত্ত্বৰ সৈতে সম্পর্কিত। সেয়েহে সামাজিক বিনিময় তত্ত্ব যুক্তিসংগত পছন্দ তত্ত্বৰ অনুমানৰ ওপৰত আধাৰিত কিয়নো ই সামাজিক পৰিৱর্তন আৰু স্থিৰতাক দলসমূহৰ মাজৰ লেনদেনৰ প্রক্রিয়া হিচাপে ব্যাখ্যা কৰে।
- উপহাৰ বিনিময়ৰ লগত পাৰস্পৰিকতাকে আদি কৰি বিভিন্ন অর্থনৈতিক দিশ জড়িত হৈ থাকে। উদাহৰণস্বৰূপে, ট্র'ব্রিয়েণ্ডাৰসকলৰ ওপৰত মেলিন'ৱস্কিয়ে কৰা অধ্যয়নৰ কথা কব পাৰি কাম য'ত কুলা ৰিঙক আর্হিত নেকলেচৰ সৈতে আর্মলেট বিনিময় কৰা হয় বা দ্বীপটোৰ মাছমৰীয়াসকলে আভ্যন্তৰীণ সম্প্রদায়ক মাছ উপহাৰ দিয়ে আৰু ইয়াৰ বিনিময়ত, আভ্যন্তৰীণ লোকসকলেও তেওঁলোকক উপহাৰ দিছিল।
- মার্চেল মাছৰ The Gift (১৯২৪) হৈছে অনা-পশ্চিমীয়া সমাজত উপহাৰ বিনিময়ৰ এক তুলনামূলক অধ্যয়ন যিয়ে ইয়াক আধ্যাত্মিক হিচাপে স্বীকৃতি দিছিল বা দাতাক এক পৰিচয় দিছিল। মছে দলীয় সংহতিৰ কার্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু দায়বদ্ধতাৰ সামাজিক ধাৰণাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই দায়বদ্ধতা হৈছে দিয়া আৰু গ্রহণ কৰা। মছে পলিনেছিয়া, মেলানেছিয়া আৰু আমেৰিকাৰ উত্তৰ-পশ্চিম অঞ্চলত নৃতাত্ত্বিক অধ্যয়ন কৰিছিল।
- ক্রছ-কাজিন বিবাহৰ ওপৰত ক্লড লেভিছ ষ্ট্রাউছৰ এক উৎকৃষ্ট কাম আছিল "The Elementary Structures of Kinship"। তেওঁ ফ্রেজাৰৰ ক্রছ-কাজিন বিবাহৰ ব্যাখ্যা প্রত্যাখ্যান কৰিছিল আৰু মেলিননস্কিৰ প্রয়োজনীয়তাৰ ধাৰণাৰো বিৰোধিতা কৰিছিল। তাৰ ঠাইত তেওঁ এক সংৰচনাত্মক বিনিময় দৃষ্টিভংগীৰ বিকাশ কৰিছিল।



৬.৭ অধিক জানিবলৈ

1) Kundu, Abhijit. 2012. Sociological Theory. Pearson publication

2) Turner, Jonathan. H. 1987. The Structure of Sociological theory. Rawat publication

৬.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বিনিময় হৈছে সকলো সমাজৰ সদস্যসকলৰ মাজত বস্তু আৰু উপহাৰ হস্তান্তৰ কৰাৰ প্রক্রিয়া। লাভ আৰু ক্ষতি, পুৰস্কাৰ বা শাস্তিৰ বিনিময় কৰি মানুহে ইজনে সিজনৰ সৈতে পাৰস্পৰিক সম্পর্ক স্থাপন কৰে। বিনিময় হৈছে মৌলিক প্রয়োজনীয়তাসমূহ উপলব্ধি কৰাৰ বাবে মানুহৰ প্রচেষ্টাৰ ফলাফল।

২ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক বিনিময় তত্ত্বসমূহে আন্তঃব্যক্তিগত যোগাযোগৰ বিকাশত কৰাত সহায় কৰে যিয়ে মানুহক ইজনে সিজনৰ চিন্তা আৰু প্রয়োজনীয়তাৰ বিষয়ে অৱগত কৰে, এনেদৰে ই মানুহৰ মাজত ফলপ্রসূ যোগাযোগ বৃদ্ধি কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ বিনিময় প্রক্রিয়াৰ ফলত পাৰস্পৰিক ক্রিয়া-প্রতিক্রিয়াৰ আৰ্হিৰ সৃষ্টি হয় আৰু পাৰস্পৰিক ক্রিয়া-প্রতিক্রিয়াৰ এই আৰ্হিবোৰে কেৱল ব্যক্তিৰ প্রয়োজনীতা পূৰণ কৰাই নহয়, সামাজিক সংৰচনাও সলনি কৰে। বিনিময়ৰ এটা ধাৰণা আছিল যে মানুহে সদায় আনৰ সৈতে লেনদেনত কিছু লাভ অর্জন কৰাৰ প্রয়াসত থাকে।

৪ নং প্রশ্নৰ উত্তৰ ঃ মার্শ্বেল শ্বাহলিনৰ মতে তিনি প্রকাৰৰ পাৰস্পৰিকতা আছে— সাধাৰণীকৃত পাৰস্পৰিকতা, সন্তুলিত পাৰস্পৰিকতা আৰু নেতিবাচক পাৰস্পৰিকতা। সাধাৰণীকৃত পাৰস্পৰিকতা হৈছে ঘনিষ্ঠ সম্পর্ক থকা ব্যক্তিসকলৰ মাজত হোৱা এক বিনিময়। সন্তুলিত পাৰস্পৰিক সম্পর্ক হৈছে অধিক দূৰ সম্পর্কিত লোকসকলৰ মাজত এক প্রকাৰৰ বিনিময় যচত প্রদানকাৰীয়ে ইয়াৰ বিনিময়ত কিবা এটা আশা কৰে। নেতিবাচক পাৰস্পৰিকতাত, মানুহ অতি দূৰ সম্পর্কিত বা একেবাৰে সম্পর্কিত নহয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ মছে তিনিটা পৃথক দায়বদ্ধতা বিচাৰি পায় যাত তেওঁ উপহাৰ বিনিময় বুলি কয়; দায়বদ্ধতা হ'ল দিয়া, প্রতিদান দিয়া আৰু গ্রহণ কৰা। মছৰ দ্বাৰা আগবঢ়োৱা কিছুমান উদাহৰণ তলত দিয়া ধৰণৰ— পলিনেছিয়াত ব্যৱহৃত পটলেচ শব্দটোৰ অর্থ উপহাৰ দিয়া, গুয়ানছি হৈছে এটা চীনা শব্দ যাৰ অর্থ হৈছে এক নেটৱর্ক যি ব্যক্তিৰ মাজত পাৰস্পৰিকভাৱে লাভজনক বিনিময়কে উৎসাহিত কৰে।

৬ নং প্রশ্নৰ উত্তৰ ঃ পাৰস্পৰিকতাৰ উৎপত্তি থমাছ হ'বছৰ পৰা। তেওঁৰ Leviathan গ্রন্থত উল্লেখ কৰিছে যে, মানুহে পাৰস্পৰিক বিনিময়ৰ বিনিময়ত কিবা এটা আহৰণ কৰাৰ অধিকাৰ ত্যাগ কৰে। এডাম স্মিথৰ The Wealth of Nation (১৭৭৬)ৰ গ্রন্থতো পাৰস্পৰিক সম্পর্কৰ উল্লেখ পোৱা যায়।

৭ নং প্রশ্নৰ উত্তৰ ঃ ইতিবাচক পাৰস্পৰিকতাৰ অর্থ হৈছে আনক প্রতিদান দিয়া কাৰণ মানুহে উপহাৰৰ বিনিময়ত উপহাৰ লাভ কৰিব লাগিব। সমাজৰ ভাল কাম-কাজৰ বাবে প্রয়োজনীয় বিনিময় আৰু প্রতিক্রিয়া প্রণালীৰ ক্ষেত্রত ইয়াক বুজিব পাৰি। নেতিবাচক

পাৰস্পৰিক সম্পৰ্ক থকা লোকসকল অতি দূৰ সম্পৰ্কীয় বা একেবাৰে সম্পৰ্কিত নহয়। ইয়াত বিনিময় হৈছে তাৎক্ষণিক লক্ষ্য আৰু যিকোনো মূল্যত কিবা এটা গ্ৰহণ কৰে, অৰ্থাৎ একো নোহোৱাকৈ কিবা এটা পাবলৈ চেষ্টা কৰে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ মেলিনৱস্কিৰ নৃতাত্ত্বিক অধ্যয়ন "Argonaults of Western Pacific"ত তেওঁ South Sea Islands ৰ এটা গোট ট্ৰ'ব্ৰিয়েণ্ড দ্বীপবাসীসকলৰ বিষয়ে অধ্যয়ন কৰিছিল আৰু তাত তেওঁ বিনিময়ৰ এক অনন্য আৰ্হি দেখা পাইছিল আৰু ইয়াক কুলা ৰিং বুলি অভিহিত কৰিছিল। ই ব্যক্তিসকলৰ মাজত এক পাৰস্পৰিক বিনিময় সম্পৰ্ক আছিল য'ত তেওঁলোকে আৰ্মলেটছ আৰু নেকলেচ বিনিময় কৰিছিল। কুলা ৰিং আৰ্মলেটৰ নেকলেচৰ বাবে বিনিময় কৰা হৈছিল। মেলিন'ৱস্কিয়ে স্বীকাৰ কৰিছিল যে কুলা কেৱল এক অৰ্থনৈতিক বা সামগ্ৰিক বিনিময় নেটৱৰ্ক নহয় বৰঞ্চ এক প্ৰতীকী বিনিময় আৰু সামাজিক সম্পৰ্কৰ এক জাল আছিল।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ফ্ৰেজাৰে উল্লেখ কৰিছিল যে অষ্ট্ৰেলিয়াৰ দৰিদ্ৰ আদিবাসীসকলৰ পত্নী লাভ কৰাৰ ক্ষেত্ৰত কোনো বস্তুগত লাভ নাই, সেয়েহে তেওঁলোকে তেওঁলোকৰ ভনীয়েকসকলক বিবাহৰ যোগেদি বিনিময় কৰে কিয়নো এইটো পত্নী লাভ কৰাৰ আটাইতকৈ সহজ উপায়। লেভি ষ্ট্ৰাউছে ফ্ৰেজাৰৰ বিনিময় প্ৰক্ৰিয়াৰ বিষয়সমূহৰ পৰিৱৰ্তে সংখ্যাগত দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰা উপযোগিতাৰ ধাৰণাক নাকচ কৰিছিল। ফ্ৰেজাৰৰ দ্বাৰা বিনিময় প্ৰণালীৰ ব্যাখ্যা এইটোৱেই।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ম'ছৰ শৈক্ষিক সৃষ্টিৰাজি সমাজতত্ত্ব আৰু নৃতত্ত্বৰ মাজতে সীমাবদ্ধ নহয়। আজি তেওঁ সমগ্ৰ বিশ্বৰ বিভিন্ন সংস্কৃতিত যাদু, ত্যাগ আৰু উপহাৰ বিনিময়ৰ দৰে ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে জনাজাত।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ মার্চেল ম'ছে মেলিনৱস্কিৰ কুলাৰ বিশ্লেষণক পুনৰ ব্যাখ্যা কৰিছিল আৰু এক বিস্তৃত সংৰচনাত্মক বিনিময় দৃষ্টিভংগী প্ৰস্তুত কৰিছিল। এনে বিনিময়ৰ সৈতে জড়িত ব্যক্তিসকলে সমূহৰ নৈতিক সংকেতসমূহ অৰ্থাৎ সমূহ অনুসৰি নিয়মবোৰ প্ৰতিনিধিত্ব কৰে। তেওঁ মেলিনৱস্কিৰ মনস্তাত্ত্বিক প্ৰয়োজনীয়তাৰ পৰিৱৰ্তে ডুৰখেইমৰ সামূহিক চিন্তাধাৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু সমূহৰ ব্যক্তিসকলৰ প্ৰতিনিধিত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। বিনিময় সম্পৰ্কই দলীয় নৈতিকতাৰ সৃষ্টি কৰে আৰু ইয়াক শক্তিশালী কৰি সামাজিক জীৱন নিয়ন্ত্ৰণ কৰে।



৬.৯ আৰ্হি প্ৰশ্ন

(ক) তলৰ প্ৰশ্নসমূহৰ উত্তৰ এটা শব্দত দিয়ক।

প্ৰশ্ন নং ১ঃ উপহাৰ শব্দটো কোনে উদ্ভাৱন কৰিছিল?

প্ৰশ্ন নং ২ঃ "Argonaults of Westen Pacific" কোনে লিখিছিল?

প্ৰশ্ন নং ৩ঃ দ্য এলিমেণ্টাৰী ষ্ট্ৰাকচাৰ্ছ অৱ কিনশ্বিপ কোনে লিখিছিল?

প্ৰশ্ন নং ৪ঃ দ্য ৰেল্থ অৱ নেশ্যন কোনে লিখিছিল?

প্ৰশ্ন নং ৫ঃ সামাজিক নৃতত্ত্বৰ পিতৃ কাক কোৱা হয়?

প্ৰশ্ন নং ৬ঃ গঠনমূলক নৃতত্ত্বৰ প্ৰতিষ্ঠাপক হিচাপে কাক জনা যায়?

(খ) চমু টোকা লিখক (প্ৰায় ১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ঃ পাৰস্পৰিকতাক 'পাৰস্পৰিক ৰেহাই'ৰ ৰূপত এক সামাজিক প্ৰভাৱৰ সঁজুলি হিচাপেও ব্যৱহাৰ কৰা হয়, যাক 'door in the face' কৌশল বুলিও জনা যায়। ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ঃ উপহাৰ অৰ্থনীতিৰ বিষয়ে মছৰ ব্যাখ্যা আলোচনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৪০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ঃ মেলিনৱস্কি, মছ আৰু লেভি ষ্ট্ৰাউছে আগবঢ়োৱা সামাজিক বিনিময়ৰ ধাৰণাটো আলোচনা কৰক।

****

অধ্যায় ৭ ঃ মুদ্রা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ সংজ্ঞা
৭.৪ মুদ্রাৰ সমাজতাত্ত্বিক গাঁথনি/ কাঠামো (Framework)
৭.৫ মুদ্রাৰ সংৰচনাত্মক দৃষ্টিভংগী (structural perspective)
৭.৬ মুদ্রাৰ সাংস্কৃতিক দৃষ্টিভংগী (cultural perspective)
৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৮ অধিক জানিবলৈ
৭.৯ অগ্রগতিৰ খতিয়ান
৭.১০ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- মুদ্রাৰ ধাৰণা লাভ কৰিব
- মুদ্রাৰ সমাজতাত্ত্বিক দৃষ্টিভংগী আৰু মূল সংজ্ঞাসমূহৰ বিষয়ে অৱগত হ'ব।

৭.২ পৰিচয়

মুদ্রা মানুহক অবিৰতভাৱে প্রয়োজন হয় যদিও ই মানৱতাৰ সর্বস্ব বিষয় নহয়। মানুহৰ জীৱনত মুদ্রা বা অর্থৰ ভূমিকা অতিশয় গুৰুত্বপূর্ণ। ৱেবাৰ, ছিমেল (Simmel), মার্ক্স আদিৰ দৰে প্রাৰম্ভিক পর্যায়ৰ সমাজতত্ত্ববিদসকলে ৰাষ্ট্রীয় বজাৰ একত্রিকৰণৰ আকস্মিক উন্নয়ন আৰু অস্থিৰতা পর্যবেক্ষণ কৰি মুদ্রাক সামাজিক পৰিৱর্তনৰ চালিকা শক্তি হিচাপে চিহ্নিত কৰিছিল। তেওঁলোকৰ পৰৱর্তী Parsons (1967), Baker (1987), Coleman (1990), Zelizer (1989) ইত্যাদি সমাজ বিজ্ঞানীয়ে সমাজতাত্ত্বিক দৃষ্টিভংগীৰে মুদ্রা অধ্যয়নৰ ধাৰাটো অব্যাহত ৰাখিছিল। সেই হ'লেও মুদ্রা অধ্যয়নৰ ক্ষেত্রত পদ্ধতিগত মানৱ বিজ্ঞানৰ বর্তনানেও অভাৱ।

মানৱিকীবিদ্যাৰ বিভিন্ন উপ অধ্যয়ন ক্ষেত্রত মুদ্রা অধ্যয়নৰ বিষয়বস্তু হিচাপে পৰিগণিত হোৱাৰ পিছতো মুদ্রাৰ সামাজিক গুৰুত্বৰ প্রতি লক্ষ্য ৰাখি ইয়াক সমাজতাত্ত্বিক অধ্যয়নৰ এক মূল বিষয় হিচাপে অধ্যয়নৰ অৱকাশ আছে। ইতিমধ্যে সামাজিক ইতিহাসবিদ, অর্থনীতিবিদ, অর্থনৈতিক নৃতত্ত্ববিদসকলে মুদ্রাৰ সমাজতাত্ত্বিক বিকাশৰ বাদধাৰাটো আগবঢ়াই নিছে। এই অধ্যায়ত মুদ্রাক এক সমাজতাত্ত্বিক সত্তা হিচাপে বিশদ আলোচনা আগবঢ়োৱা হ'ব।

আৰম্ভণিতে মুদ্রাৰ অধ্যয়ন সম্পৰ্কীয় দুই বিশেষজ্ঞ দল অৰ্থনীতিবিদ আৰু নৃতত্ত্ববিদসকলৰ দৃষ্টিভংগীৰ লগত মুদ্রাৰ সমাজতাত্ত্বিক দৃষ্টিভংগীৰ এক তুলনামূলক অধ্যয়ন কৰা যাওঁক। এনে কৰিলে মুদ্রাৰ সমাজতত্ত্ব (Sociology of Money) বা মুদ্রাৰ সমাজতাত্ত্বিক পৰিসৰৰ আভাস পোৱা যায়।

মুদ্রাৰ সমাজতাত্ত্বিক অধ্যয়নত সমাজতত্ত্ববিদসকলে অৰ্থনীতিবিদৰ দৰেই মুদ্রাৰ প্রচলিত ৰূপবোৰ যেনে— য়েন, ডলাৰ, পাউণ্ড, ৰুবল, ফ্রেংকচ ইত্যাদিবোৰৰ ওপৰত মনোনিৰেশ কৰে। অধিকাংশ সমাজতত্ত্ববিদেই তেওঁলোকৰ অধ্যয়ন মুদ্রা, নগদ ধন, সঞ্চয় ইত্যাদিৰ ভিতৰতেই সীমাবদ্ধ কৰি ৰাখে। অন্যহাতে অৰ্থনীতিবিদসকলে মুদ্রাৰ বিকল্প হিচাপে এক বহল পৰিসৰৰ বিত্তীয় দিশ অধ্যয়ন কৰে। মধ্য ম্যাদী পুৰণৰ ক্রয় চুক্তি (Medium term repurchase understanding), মুদ্রা বজাৰ (Money market), মিউচুৱেল ফাণ্ড (Mutual fund), শ্বেয়াৰ (Shares), বাণিজ্যিক পত্র (Commercial paper), বিনিয়োগকাৰীৰ স্বীকৃতি (investors acknowledgement) ইত্যাদি দিশবোৰ অৰ্থনীতিবিদৰ অধ্যয়নৰ বিষয়বস্তু। কিন্তু অৰ্থনীতিবিদসকলৰ অধ্যয়নৰ পৰিসৰৰ অন্তর্ভুক্ত নোহোৱা কেতবোৰ গুৰুত্বপূর্ণ দিশ সমাজতত্ত্ববিদসকলে অধ্যয়ন কৰে। উদাহৰণস্বৰূপে সমাজতত্ত্ববিদ Coleman এ (Coleman. 1990, PP. 129-131) আর্থিক কল্যাণক (Economic wellbeing) মুদ্রাৰ এক কার্যকৰী বিকল্প হিচাপে বিবেচনা কৰিছে। অৰ্থনৈতিক নৃতত্ত্ববিদসকলৰ অধ্যয়নৰ বিষয়বস্তু অৰ্থনীতিবিদ আৰু সমাজতত্ত্ববিদসকলৰ বিপৰীত। অৰ্থনৈতিক নৃতত্ত্ববিদসকলে মুদ্রাৰ আদিম ৰূপৰ ওপৰত গুৰুত্ব আৰোপ কৰে। পুঁজিবাদী ব্যৱস্থা বা বজাৰ অৰ্থনীতিয়ে ঢুকি নোপোৱা মুদ্রাৰ আদিম ৰূপ যেনে— গাহৰি, গৰু, সামুদ্রিক প্রাণী, কুকুৰ আদিৰ দাঁত অৰ্থনৈতিক নৃতত্ত্ববিদৰ অধ্যয়নৰ বিষয়বস্তু (Dalton, 1967; Hogendorn & Johnson, 1986)।

আদিম বা আধুনিক যি সমাজেই নহওঁক কিয় মুদ্রাই ইয়াৰ ব্যৱহাৰ ধৰণ অনুসৰি অর্থ বহন কৰে। আধুনিক সমাজত মুদ্রা বজাৰ অৰ্থনীতিৰ সৈতে গভীৰভাৱে জড়িত, য'ত টকা সামগ্রী কিনা-বেচাৰ বাবে ব্যৱহাৰ কৰা হয়। কিন্তু আদিম সমাজৰ মুদ্রা কোনো বজাৰ বা আনুষ্ঠানিক অৰ্থনীতিৰ লগত জড়িত নাছিল। ৰাষ্ট্রবিহীন, বজাৰ অৰ্থনীতিবিহীন, পুঁজিবাদী সমাজ ব্যৱস্থা বিহীন অৱস্থাত আদিম সমজৰ মুদ্রা বর্তি আছিল। কিন্তু আধুনিক সমাজ ব্যৱস্থাত মুদ্রা আৰু বজাৰ এনেদৰে সংপৃক্ত হৈ আছে যে "মুদ্রা অৰ্থনীতি" (Money Economy) আৰু "বজাৰ অৰ্থনীতি" (Market Economy) ধাৰণা দুটাক সমার্থক ৰূপত ব্যৱহাৰ কৰিব পাৰি। বজাৰ-বাণিজ্যত ব্যৱহাৰ অবিহনে আধুনিক সময়ত মুদ্রাৰ কোনো অর্থ নাই। ডেল্টৰ মতে— আধুনিক অৰ্থনীতিৰ ক্ষেত্রত মুদ্রাৰ প্রধান ব্যৱহাৰ হৈছে বজাৰ-বাণিজ্য, য'ত ই লেনদেন কার্য সহজসাধ্য কৰি তোলে। (Dalto. 1967)। সমাজতত্ত্ববিদ আৰু অৰ্থনীতিবিদসকলে মুদ্রাক ঘাইকৈ ঔদ্যোগিক সমাজ ব্যৱস্থাৰ পৰিপ্রেক্ষিতত বিচাৰ কৰে।

সমাজতত্ত্ববিদসকলে অৰ্থনীতিক সমাজৰ গৌণ অংশ হিচাপে বিচাৰ কৰে। তেওঁলোকৰ

বাবে অর্থনীতিৰ ওপৰত সামাজিক কাৰকৰ প্ৰভাৱ থাকে। কিন্তু অর্থনীতিবিদসকলে বিশ্বাস কৰে যে মুদ্রাৰ বিকাশৰ লগে লগে অর্থনীতি স্বনিয়ন্ত্রিত আৰু স্বয়ংসম্পূর্ণ হৈ পৰে। এখন দেশৰ ৰাষ্ট্রীয় বেংকৰ মুদ্রা যোগান ব্যৱস্থাৰ মাজেৰে দেশখনৰ অর্থনীতি নিয়ন্ত্রণ কৰিব পৰা যায়। ইয়ে সমাজক সুস্থিৰতা প্রদান কৰে। পূর্ণ নিয়োগ, অর্থনৈতিক প্রগতি, স্থিৰ মূল্য লাভৰ বাবে মুদ্রা যোগান নিয়ন্ত্রণ আৰু অর্থনৈতিক নীতি (fiscal policy) যেনে— কৰ, চৰকাৰী ব্যয় ইত্যাদি দিশত গুৰুত্ব দিয়াৰ প্রয়োজন। তেতিয়াহে দেশ এখনৰ অর্থনীতি সুস্থিৰ হয়।

অর্থনীতি যে স্বনিয়ন্ত্রিত আৰু স্বয়ংসম্পূর্ণ এই কথা সমাজতত্ত্ববিদসকলে মানি ল'ব নোখোজে। বজাৰকো তেওঁলোকে এক সামাজিক সংগঠন হিচাপেহে বিচাৰ কৰিব খোজে (Baker, 1984, 1990; Baker and Iyer, 1992; Burt, 1983, 1988; White, 1981)। White এ ক'ব খোজে যে, "market action is serously social as social as connection system or feudal militaries" অর্থাৎ বজাৰ সম্পূর্ণৰূপে এক সামাজিক সংযোগ ব্যৱস্থা। বাস্তৱত অর্থনৈতিক চৰিত্রসমূহ স্বতন্ত্র বা স্বাৱলম্বী নহয়। Granovetter (1985) এ মত পোষণ কৰিছে যে অর্থনৈতিক কার্যাৱলীসমূহো সামাজিক সংৰচনাৰ দ্বাৰা প্রভাৱিত হয়।

মুদ্রাৰ আলোচনা প্রসংগত অর্থনীতিবিদ আৰু নৃতত্ত্ববিদসকলৰ মাজতে সমাজতত্ত্ববিদসকলে অৱস্থান কৰে। অর্থনীতিবিদসকলে অর্থনীতি আৰু সমাজৰ এটা বিভাজন প্রত্যক্ষ কৰে য'ত তেওঁলোকে মৌদ্রিক আচৰণৰ (monetary conduct) ক্ষেত্রত সামাজিক বা সাংস্কৃতিক উপাদানৰ প্রভাৱ নুই কৰে। আনফালে নৃতত্ত্ববিদসকলে কয় যে আদিম অর্থনীতি আৰু সমাজ ইমানেই আন্তঃসংলগ্ন আছিল যে দুয়োটাৰে মাজত পার্থক্য অস্পষ্ট। অর্থাৎ অর্থনীতি আৰু সমাজৰ মাজত বিভাজন নাছিল বুলি তেওঁলোকে। ক'ব খোজে। ইয়াৰ মাজতে সমাজতত্ত্ববিদসকলে মুদ্রাক এক স্বায়ত্তশাসিত চলক হিচাপে বিবেচনা কৰে য'ত মুদ্রা সামাজিক পৰিৱর্তনৰো কাৰণ হৈ পৰিব পাৰে।

অর্থনীতিবিদসকলে মুদ্রাৰ এক সীমিত পৰিসৰৰ কার্যৰ ওপৰত গুৰুত্ব আৰোপ কৰে যেনে— মুদ্রা বিনিময়ৰ মাধ্যম, ব্যৱসায়ৰ মাধ্যম, ধনৰ কিস্তি দিয়াৰ পদ্ধতি (a method for instalment) ইত্যাদি। তাৰ বিপৰীতে সমাজতত্ত্ববিদসকলে মুদ্রাৰ বিস্তৃত ব্যৱহাৰ বিবেচনা কৰে। Parsons আৰু Smelser (1956) এ লক্ষ্য কৰিছে যে মুদ্রাই পণ্য সামগ্রী ক্রয়ৰ বাবে ধন বিনিয়োগৰ ক্ষেত্রত ব্যক্তিৰ পছন্দ পছন্দক নিয়ন্ত্রণ কৰে। Weber এ (১৯২২) অর্থনৈতিক কার্যৰ ক্ষেত্রত মুদ্রাৰ প্রভাৱ আৰু নিযন্ত্রণৰ বিষয়ে আলোচনা কৰিছে। Weber ৰ মতে মুদ্রাই ক্ষমতাৰ দ্বন্দ্ব প্রকাশ কৰে। মুদ্রা ক্ষমতাৰ বাবে মানুহ আৰু মানুহৰ সংঘর্ষৰ অস্ত্রস্বৰূপ। "Money is fairly, fundamentally a weapon in the batle of man against man" (P. 108)।

বিভিন্ন সামাজিক পৰিসৰত মুদ্রাৰ সংজ্ঞা আৰু ব্যৱহাৰ বেলেগ বেলেগ। Zelizer (1989) এ স্থানীয় পইছাৰ অধ্যয়নত দেখুৱাইছে কিদৰে পুৰুষৰ বেতন আৰু মহিলাৰ উপার্জন ভিন্ন ধৰণ দেখা যায়। সমাজতত্ত্ববিদসকলে উল্লেখ কৰে যে আধুনিক ধনৰ ব্যৱহাৰ সামাজিক দৃষ্টিকোণৰ

পৰা সীমিত। ধনৰ উৎস, ব্যৱহাৰ, বিতৰণ পদ্ধতি, পৰিমাণ ইত্যাদি বৈশিষ্ট্যসমূহে ধনৰ প্ৰকৃতিক চিহ্নিত কৰে বুলি Zelizer এ কৈছে (P. 342)। নৃতত্ত্ববিজ্ঞানৰ "constrained reason"cash ধাৰণাটোৰ আধাৰত Polanyi এ নগদ ধনৰ সামাজিক ধাৰণা দিবলৈ গৈ "একক মুদ্রা" (Unique Money) ধাৰণাটো আগবঢ়াইছে। (Douglas, 1967 চাওঁক)।

ভাষাই সামাজিক সংৰচনা আৰু সংস্কৃতি প্ৰতিফলিত কৰে। ভাষাৰ সূক্ষ্ম অনুশীলনেও সমাজত অন্তর্নিহিত হৈ থকা ধনৰ গোপন অর্থ প্ৰতিফলিত কৰে। বিভিন্ন সামাজিক পটভূমিত মুদ্রাৰ পৃথক পৃথক অর্থ থাকে। সমাজ ব্যৱস্থাত মুদ্রাক ইয়াৰ উৎসৰ আধাৰত বেলেগ বেলেগ নামকৰণ কৰা হয়। অর্থনৈতিক মূল্য একে থাকিলেও সমাজ ব্যৱস্থাত "লেতেৰা/ কলা ধন" (filthy money) আৰু "চাফা ধন" (clean money) সমতুল্য নহয় (Douglas, 1967 চাওঁক)। সৎ ব্যৱসায় বা সৎ পথত থাকি অর্জন কৰা ধন আৰু অসৎ পথ বা অনৈতিক কার্যৰে (যেনে— ড্ৰাগছ, বেশ্যাবৃত্তি, বাজি ইত্যাদি) অর্জন কৰা ধনৰ প্ৰভেদ সামাজিক পৰিৱেশত লক্ষ্য কৰা যায়। ব্যৱসায়িক বিশ্লেষকসকলেও ধনৰ বিশ্লেষণত ভাষিক অর্হতা লাভ কৰাৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰে। সময়ে সময়ে ফেডাৰেল ৰিজার্ভেও বিত্তীয় গাঁথনিৰ পৰিৱর্তন প্ৰতিফলিত কৰিবলৈ ধনৰ অর্থৰ সালসলনি ঘটাব লগীয়া হয় (Baker, 1987)। "ধূসৰ বজাৰ" (Gray Market) আৰু "ক'লা বজাৰ" (Black Market)— অর্ধ আইনী আৰু অবৈধ বিত্তীয় ভেঁটিক স্বীকৃতি দিবলৈ ব্যৱহাৰ কৰা হয় যদিও ইয়ো কেতিয়াবা বৈধ কেন্দ্ৰীভূত বজাৰৰ দৰে ক্ষমতা লাভ কৰিব পাৰে।

৭.৩ সংজ্ঞা (Definition)

তলত মুদ্রাৰ কেতবোৰ সংজ্ঞা আগবঢ়োৱা হ'ল। মেক্স ৱেবাৰ (Max Weber)ৰ ভাষাত— মুদ্রা কেৱল অনির্দিষ্ট উপযোগিতাৰ বাবে কেতবোৰ ৰচিদ (voucher) নহয়, দৰ ব্যৱস্থাত কোনো মৌলিক প্ৰভাৱ নেপেলোৱাকৈ ইয়াক সলনি কৰিব পৰা যায়। ই হিচাপৰ আহিলা।

"মুদ্রা উৎপাদনৰ এক বস্তুনিষ্ঠ সামাজিক সম্পর্ক"— Karl Mark (Money is an objectified social relation of production)। মাক্সৰ মতে—

"মুদ্রা শ্ৰমৰ সৈতে ঘনিষ্ঠভাৱে জড়িত আৰু শ্ৰমৰ ওপৰত ভিত্তি কৰি মূল্যবোধৰ ধাৰণা, সেয়েহে ই মূলতঃ শ্ৰমৰ উৎপাদন।" মার্ক্সৰ দৃষ্টিভংগী অনুসৰি মুদ্রা নিজেই এক পণ্য-সামগ্ৰী (money is itself a commodity), কিন্তু মুদ্রাই বিমূর্ত্ত ৰূপত আন সামগ্ৰীৰ মূল্যকো প্ৰতিনিধিত্ব কৰে। "Money is not just a medium of exchange, but also a means of production" — Marx. অর্থাৎ মার্ক্সে ক'ব খোজে যে মুদ্রা কেৱল বিনিময়ৰ মাধ্যম নহয়, বৰঞ্চ ই উৎপাদনৰো মাধ্যম।

মুদ্রা সম্পর্কে George Simmel ৰ মন্তব্য এনে ধৰণৰ— মুদ্রা হৈছে বাস্তৱিক আৰু আকস্মিক পৰিঘটনা আৰু অস্তিত্বৰ আটাইতকৈ আদর্শগত শক্তি; ই ব্যক্তিগত জীৱনৰ বা ইতিহাসৰ বিদ্যমান সম্পর্কসমূহৰ উপস্থাপনৰ বাবে এক মাধ্যম বা বস্তু।

৭.৪ মুদ্রাৰ সমাজতাত্ত্বিক গাঁথনি/ কাঠামো (Framework for Sociology of Money)

মুদ্রাৰ সমাজতত্ত্ব (Sociology of Money) বা মুদ্রাৰ সমাজতাত্ত্বিক অধ্যয়নক দুটা মুখ্য ভাগত ভাগ কৰিব পাৰি। ইয়াৰে প্ৰথমটো ভাগে সংৰচনাত্মক আৰু সাংস্কৃতিক দৃষ্টিভংগীৰ মাজত পাৰ্থক্য আনে। এই দুয়োটা ভাগকেই ক্ষুদ্ৰ আৰু বৃহৎ পৰিসৰত পৰ্যালোচনা কৰিব পাৰি। সংৰচনাত্মক দৃষ্টিভংগীৰ কেন্দ্ৰীভূত বিষয় হ'ল ভূমিকা আৰু সম্পৰ্কৰ আৰ্হি। একেবাৰে ক্ষুদ্ৰ পৰিসৰত (Micro level) মুদ্রা হৈছে যোগাযোগ আৰু বিনিময়ৰ ক্ষেত্ৰত ব্যৱহৃত বস্তু (object) বা উপাদান। অৰ্থাৎ মুদ্রা হৈছে আন্তঃব্যক্তিগত সম্পৰ্কৰ বাবে ব্যৱহৃত এনে এক উপাদান যিটোৱে যোগাযোগ আৰু বিনিময় কাৰ্য সাধন কৰে। বহল পৰিসৰত (macro level) অৰ্থৰ দ্বাৰা বাণিজ্য আৰু বজাৰৰ আৰ্থিক, ৰাজনৈতিক আৰু আইনগত ব্যৱস্থাসমূহ কিদৰে প্ৰভাৱিত হয় সংৰচনাত্মক দৃষ্টিভংগীয়ে সেই কথা আলোচনা কৰে।

অন্যহাতে সাংস্কৃতিক দৃষ্টিভংগীয়ে অৰ্থৰ সৈতে সম্পৰ্কিত বৌদ্ধিক শ্ৰেণীবিভাজন আৰু সাংস্কৃতিক অৰ্থবোধৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ক্ষুদ্ৰ পৰিসৰত ই ব্যক্তিৰ অৰ্থ/মুদ্রাৰ প্ৰতি আচৰণ গঠন কৰা মূল্যবোধ, মনোভাৱ আৰু বিশ্বাসসমূহক পৰ্যালোচনা কৰে। বৃহৎ পৰিসৰত ই মূল্যবোধ ব্যৱস্থাসমূহে মুদ্রাক কিদৰে প্ৰভাৱিত কৰে সেইকথা আলোচনা কৰে। নাগৰিক সমাজ (civil society) আৰু ধৰ্মৰ দৰে বৃহত্তৰ মূল্যবোধ ব্যৱস্থাই মুদ্রাক কিদৰে প্ৰভাৱিত কৰে সেই কথা সাংস্কৃতিক দৃষ্টিভংগীৰ বৃহৎ পৰিসৰত আলোচনা কৰা হয়।

মুদ্রাৰ সমাজতাত্ত্বিক অধ্যয়নৰ দ্বিতীয়টো ভাগত স্বতন্ত্ৰ আৰু নিৰ্ভৰশীল চলক (Independent variable and Dependent variable) হিচাপে মুদ্রাক আলোচনা কৰা হয়। স্বতন্ত্ৰ চলক হিচাপে মুদ্রাৰ কাৰণ, অনুঘটক আদি দিশৰ আলোচনাৰ বিপৰীতে নিৰ্ভৰশীল চলক হিচাপে মুদ্রাৰ প্ৰভাৱ, পৰিণতি বা ফলাফল আদি দিশ বিচাৰ কৰা হয়।

বিশেষকৈ অৰ্থনীতিবিদসকলে মুদ্রাক এক স্বতন্ত্ৰ চলক (independent variable) হিচাপে বিবেচনা কৰে। মুদ্রানীতি (monetary policy) আৰু মুদ্রাৰ যোগান এই দুটা দিশতে অৰ্থনীতিবিদসকলে সৰ্বাধিক গুৰুত্ব আৰোপ কৰে। অন্যহাতে ধ্ৰুপদী সমাজতত্ত্ববিদ যেনে— Marx, Weber, Durkheim, Simmel আদিয়ে মুদ্রাক সামাজিক পৰিৱৰ্তনৰ কাৰক হিচাপে অধ্যয়ন কৰিব খোজে।

৭.৫ মুদ্রাৰ সংৰচনাত্মক দৃষ্টিভংগী (Structural Perspective on Money)

প্ৰখ্যাত সমাজতত্ত্ববিদ তথা দাৰ্শনিক George Herbert Mead এ মুদ্রা সম্পৰ্কত কৈছিল— ভাষাৰ ক্ষেত্ৰত প্ৰতীক বা ইংগিত কেতবোৰ থকাৰ দৰেই মুদ্রাৰ ক্ষেত্ৰতো প্ৰতীক বা ইংগিত কিছুমান থাকে। সহজকৈ ক'বলৈ গ'লে মুদ্রা ভাষাৰ দৰেই। ভাষাৰ দৰেই মুদ্রাই কিছুমান

অর্থ বহন কৰে। ভাষাৰ দৰেই টকাও সামাজিক ৰীতি-নীতিৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে। কোনো এখন বিশেষ কাগজৰ ওপৰত থকা শব্দ বা ছবিয়ে কিদৰে ইয়াৰ মালিকক অর্থনৈতিক নির্দেশ দিবলৈ অনুমতি দিয়ে তাৰ কোনো অন্তর্নিহিত কাৰণ নাই। মুদ্রাই ভাষাৰ দৰেই নির্দিষ্ট অর্থ বহন কৰে, যদিও দুয়োটাৰ মাজত পার্থক্য আহি পৰে। মুদ্রাৰ অর্থ হৈছে ঠেক, য'ত ই কেৱল অর্থনৈতিক বিনিময়ৰ অর্থহে প্রকাশ কৰে। কিন্তু ভাষাই আন বহুবোৰ কাম কৰে। অর্থাৎ ভাষাৰ পৰিসৰ ব্যাপক।

Coleman ৰ মতে বিনিময় ব্যৱস্থাত Edgeworth কোৱাৰ দৰে "দ্বৈত সমকালীনতা" (double coincidence) আছে। বিনিময় ব্যৱস্থাত ক-য়ে বিচৰা বস্তুটোৱেইমে খ-ৰ ওচৰত থাকে এনে নহয়। বৰঞ্চ খ-য়ে বিচৰা বস্তুটোও ক-ৰ ওচৰত থাকে। অর্থাৎ বিনিময়ৰ বাবে দুয়োজনেই ইচ্ছুক হয়। ইয়াকে Edgeworth এ 'double coincidence of wants' বুলিছে। উদাহৰণস্বৰূপে যদি ক-য়ে আটা বিচাৰে আৰু তেওঁৰ হাতত চাউল আহে তেনেহ'লে তেওঁ এনে এজন ব্যক্তি বিনিময়ৰ বাবে পাব লাগিব যি চাউল বিচাৰে আৰু বিনিময় কৰিব পৰাকৈ তেওঁৰ হাতত আটা থাকে। এই প্রক্রিয়াটো যথেষ্ট জটিল আৰু ইয়াৰ সীমাবদ্ধতা আছে।

আৱশ্যকতাৰ দ্বৈত সমকালীনতাৰ (Double coincidence of wants) ক্ষেত্রত উদ্ভৱ হোৱা সমস্যা কেৱল মুদ্রাইহে সমাধান কৰিব পাৰে। Edgeworth ৰ এই ধাৰণাই মুদ্রাৰ সংৰচনাত্মক দৃষ্টিভংগীৰ পাতনিস্বৰূপ। আধুনিক মুদ্রাই লেনাদেন কার্যক ব্যক্তিগতকৃত কৰি ৰাখে আৰু ব্যক্তিৰ সম্পর্ক ঢাকি পেলায়। বিনিময় ব্যৱস্থাত বস্তুৰ সলনি বস্তু, সেৱাৰ সলনি বস্তু আদিৰ বিনিময়ে সমাজ এখনৰ এক সংৰচিত সম্পর্কক প্রতিফলিত কৰে, যিটো আধুনিক মুদ্রা ব্যৱস্থাত অদৃশ্যমান। আধুনিক মুদ্রা ব্যৱস্থাত বস্তুৰ সলনি মুদ্রা বিনিময় কৰা হয়, য'ত কোনো ব্যক্তিগত সম্পর্ক ব্যক্তিৰ মাজত বিৰাজ নকৰে। আধুনিক মুদ্রা অহাৰ লগে লগেই সমাজত ব্যক্তিৰ আন্তঃসম্পর্কত সংৰচনাত্মক পৰিৱর্তন (Structural change) আহে।

সমাজতত্ত্ববিদ Talcott Parsons এ মুদ্রাৰ চাৰিটা স্বাধীনতাৰ কথা কৈছে। সেইকেইটা হ'ল— কিনাৰ স্বাধীনতা, বিক্রীৰ স্বাধীনতা, সঞ্চয়ৰ স্বাধীনতা আৰু বিনিয়োগ কৰাৰ স্বাধীনতা। উদাহৰণস্বৰূপে— যিকোনো বস্তু কাৰ পৰা কিনিব, কি কিনিব, কেতিয়া কিনিব আৰু বস্তু কিনাৰ পৰিস্থিতিটো গ্রহণ অথবা বর্জন কৰাৰ স্বাধীনতা গ্রাহকক মুদ্রাই প্রদান কৰে। George Simmel য়েও মুদ্রাৰ ক্ষেত্রত ব্যক্তিগত স্বাধীনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ব্যক্তিগত স্বাধীনতাই মুদ্রাৰ ক্ষেত্রত বিভিন্ন অর্থনৈতিক কার্যকলাপ আৰু ব্যক্তিগত সিদ্ধান্তক সহজ কৰি তোলে।

Coleman এ তিনিধৰণৰ মুদ্রাৰ কথা কৈছে। প্রথম পণ্য মুদ্রা (commodity money) য'ত মুদ্রাৰ মূল্য থাকে, দ্বিতীয়তে ফিডুচিয়াৰী মুদ্রা (fiduciary money) যিটোও পৰিশোধ কৰাৰ প্রতিশ্রুতি থাকে আৰু তৃতীয়তে ফীয়েট মুদ্রা (fiat money) যিটো প্রতিশ্রুতিতকৈ কম। পণ্যৰ মুদ্রাই এই তিনিপ্রকাৰৰ ভিতৰত আটাইতকৈ আদিম মুদ্রা কাৰণ ইয়াৰ ব্যৱহাৰিক মূল্য (use value) আছে। ফিয়েট মুদ্রা আটাইতকৈ আধুনিক কাৰণ ইয়াৰ কোনো প্রবৃত্তিমূলক মূল্য

(instict value) নাই। ফিয়েট মুদ্রা আটাইতকৈ গ্রহণযোগ্য; ইয়াৰ গ্রহণযোগ্যতা আইন বা আইনা ব্যৱস্থাৰ দ্বাৰা প্রয়োজনীয় আৰু ইয়াৰ মূল্য সামগ্রী আৰু সেৱাৰ মানদণ্ডৰ সৈতে জড়িত। ক'লয়েন এ যুক্তি আগবঢ়াইছে যে নগদ ধন বিহীন সমাজখনেই হৈছে পৰৱৰ্তী বিৱৰ্তনৰ পর্যায় য'ত কেন্দ্রীয় ইলেক্ট্রনিক ডাটাবেছে বিত্তীয় লেন দেন আৰু ঋণৰ তথ্য মজুত ৰাখে। নগদ ধন বিহীন সমাজখনে সমাজৰ বিনিময়ৰ ব্যৱস্থাটোত পৰিৱৰ্তন সাধে। সংৰচনাত্মক দৃষ্টিভংগীৰ সমাজতত্ত্ববিদসকলে মুদ্রাক সমাজৰ নিয়ন্ত্রক হিচাপে গণ্য কৰে।

সমাজতত্ত্ববিদ বেকাৰে অর্থনৈতিক নৃতত্ত্ববিদৰ যুক্তিটো সম্প্রসাৰিত কৰিছে আৰু যুক্তি আগবঢ়াইছে যে মুদ্রাই সমাজৰ অন্তর্নিহিত আর্থ-সামাজিক গাঁথনিটোক প্রতিফলিত কৰে। বেকাৰৰ মতে আধুনিক মুদ্রাৰ ব্যৱহাৰ সমাজৰ সামাজিক সংৰচনা আৰু বজাৰ অর্থনীতিৰ দ্বাৰা নির্দ্ধাৰিত হয়। মুদ্রাৰ সংৰচনাত্মক দৃষ্টিভংগীক সামাজিক সংৰচনাত মুদ্রাৰ কার্যাৱলী পর্যবেক্ষণ কৰা দৃষ্টিভংগী বুলি ক'ব পাৰি।

৭.৬ মুদ্রাৰ সাংস্কৃতিক দৃষ্টিভংগী (Cultural Perspective on Money)

মুদ্রাৰ সাংস্কৃতিক দৃষ্টিভংগীয়ে মুদ্রাৰ সাংস্কৃতিক অর্থ, সংজ্ঞা আৰু বর্ণনাক নির্দেশ কৰে। মুদ্রাৰ সাংস্কৃতিক বোধ ক্ষমতাক এই দৃষ্টিভংগীয়ে সামৰি লয়। এই দৃষ্টিভংগী অনুসৰি মুদ্রা কি, মুদ্রা হিচাপে কি ব্যৱহাৰ কৰা হয় আৰু মুদ্রা কিদৰে ব্যৱহাৰ কৰা হয় এই সকলোখিনি সংস্কৃতিয়ে নির্দ্ধাৰণ কৰে। অর্থনতিবিদসকলৰ মতে মুদ্রাৰ সাংস্কৃতিক দৃষ্টিভংগী এক স্বভাৱবিৰুদ্ধ ধাৰণা (alien concept)। মুদ্রাৰ সামাজিক ব্যাখ্যা আৰু অর্থক তেওঁলোকে মানি ল'ব নোখোজে। মুদ্রা আৰু আর্থিক লেনদেনত সংস্কৃতিৰ প্রভাৱক অর্থনীতিবিদসকলে নস্যাৎ কৰে। নির্ভৰশীল চলক হিচাপেও মুদ্রাক তেওঁলোকে নাকচ কৰে আৰু ইয়াক এক স্বতন্ত্র চলক হিচাপে বিবেচনা কৰে। অর্থনীতিবিদ Joseph Schumper এ যুক্তি আগবঢ়াইছে যে,— মুদ্রা সম্পূর্ণৰূপে সামাজিক প্রক্রিয়াৰ অংশ, সকলো ঠাই আৰু সময়ৰ লগত খাপ খাব পৰা এটা আর্থিক/ বিত্তীয় তত্ত্ব (monetary theory) আগবঢ়োৱাত মুদ্রাৰ সাংস্কৃতিক দৃষ্টিভংগী বিফল। আধুনিক মুদ্রা সংস্কৃতিৰ দ্বাৰা কিদৰে বাধাগ্রস্ত হৈছে এই কথা বুজাবলৈ Zelizer এ ১৯৮৯ চনত 'সামাজিক ধন' (Socil money) ধাৰণাটো আগবঢ়াইছিল। তেখেতে যিকোনো সামাজিক প্রেক্ষাপটত প্রয়োগ কৰিব পৰাকৈ বিভিন্ন বিষয়বস্তুত ঘৰুৱা ধন (Domestic money) ৰ বিষয়ে বিশ্লেষণ আগবঢ়াইছিল। তেখেতৰ মতে অতিৰিক্ত আর্থিক কাৰক কিছুমানে মুদ্রাক পদ্ধতিগতভাৱে কেতবোৰ সাঁচ দিয়াৰ লগতে বাধ্যবাধকতা কিছুমানো আৰোপ কৰে। Zelizer এ আগবঢ়োৱা এনে কেতবোৰ দিশ হ'ল— ক) মুদ্রাৰ ব্যৱহাৰ অর্থাৎ কিছুমান বিশেষ ব্যৱহাৰৰ বাবে কিছুমান বিশেষ মুদ্রা, খ) মুদ্রাৰ ব্যৱহাৰকাৰী অর্থাৎ বিভিন্ন ধন চম্ভালিবলৈ কিছুমান বিশেষ মানুহক নিযুক্তি দিয়া, গ) প্রতিটো বিশেষ মুদ্রাৰ বাবে আৱণ্টন ব্যৱস্থা, ঘ) বিভিন্ন মুদ্রাৰ নিয়ন্ত্রণ ব্যৱস্থা আৰু ঙ) মুদ্রাৰ উৎস অর্থাৎ বিভিন্ন উৎসক বিভিন্ন ব্যৱহাৰৰ মতে সংযোগ কৰা। সাংস্কৃতিক দৃষ্টিভংগীৰে আটাইতকৈ বেছি অধ্যয়ন কৰা সামাজিক

ক্ষেত্র পৰিয়াল ব্যৱস্থাৰ লগত এই অনা অর্থনৈতিক কাৰকসমূহ জড়িত হৈ থাকে।

সংস্কৃতিৰ জৰিয়তে মুদ্রাৰ প্রচলন বা ব্যৱহাৰ আদিও সাংস্কৃতিক দৃষ্টিভংগীয়ে বুজিবলৈ প্রয়াস কৰে। কেনেকৈ বিভিন্ন সামাজিক প্রেক্ষাপটত সংস্কৃতিয়ে মুদ্রাৰ সংজ্ঞা দিয়ে, কোনো এক নির্দিষ্ট সাংস্কৃতিক পৰিৱেশত মুদ্রাৰ ভূমিকা, মুদ্রাৰ সৈতে জড়িত বিভিন্ন সাংস্কৃতিক বিশ্বাস ব্যৱস্থা ইত্যাদিবোৰ সাংস্কৃতিক দৃষ্টিভংগীৰে বিচাৰ কৰা হয়। উদাহৰণস্বৰূপে— এজন কিশোৰে যেতিয়া ঘৰৰ বাহিৰত উপার্জন কৰে, তেতিয়া তেওঁলোকে সেয়া ঘৰৰ খৰচত ব্যৱহাৰ কৰাৰ বিপৰীতে নিজৰ ব্যৱহাৰৰ বাবে খৰচ কৰে। এনেবোৰ দিশ মুদ্রাৰ সাংস্কৃতিক দৃষ্টিভংগীয়ে বিচাৰ কৰে। Caplow এ ১৯৮৪ চনত মিডলটাউনত কৰা এক অধ্যয়নত দেখা গৈছে যে বৰদিনৰ উপহাৰ দিয়াৰ সময়ত জ্যেষ্ঠ আত্মীয়ৰ পৰা জ্যেষ্ঠ আত্মীয়লৈ ধনৰ উপযুক্ত ব্যৱহাৰ হোৱাৰ বিপৰীতে কনিষ্ঠ আত্মীয়ৰ পৰা জ্যেষ্ঠ আত্মীয়লৈ ধনৰ উপযুক্ত ব্যৱহাৰ হোৱা নাই। এনে দৃষ্টান্তবোৰে ধনৰ সাংস্কৃতিক সংজ্ঞা প্রকাশ কৰে। Zelizer এ ১৮৭০ চনৰ পৰা ১৯৩০ চনৰ মাজৰ সময়ছোৱাত আমেৰিকা যুক্তৰাষ্ট্রত বিবাহিত মহিলাৰ ক্ষেত্রত ঘৰুৱা মুদ্রা সম্পর্কে অধ্যয়ন কৰি কিদৰে তেওঁলোকৰ বাবে মুদ্রাৰ অর্থ আৰু ব্যৱহাৰ সলনি হৈছে তাক দেখুৱাইছে। পাৰিৱাৰিক জীৱন, লিংগ ভূমিকা আৰু সামাজিক শ্রেণী অনুসৰি তেওঁলোকৰ মুদ্রাক প্রকৃত মুদ্রাৰ পৰা পৃথক বুলি ভবা হৈছিল। ধন পৰিয়ালৰ ভিতৰত কিদৰে বিতৰণ কৰা হৈছিল, কেতিয়াৰ পৰা বিতৰণ কৰা হৈছিল, কিমান পৰিমাণে বিতৰণ কৰা হৈছিল এইবোৰ দিশৰ ওপৰত মহিলাসকলৰ পাৰিবাৰিক জীৱন, লিংগ ভূমিকা, সামাজিক শ্রেণী ইত্যাদিৰ প্রভাৱ আছিল। মুদ্রা আৰু পৰিয়াল, পৰিয়ালৰ ভিতৰত মুদ্রাৰ নিয়ন্ত্রণ আদি দিশত অন্যান্য অধ্যয়নসমূহেও Zelizerৰ অনুৰূপ তথ্য প্রদান কৰে।

সমাজত পুৰুষৰ তুলনাত মহিলাই কম ধন উপার্জন কৰে বুলি থকা ধাৰণাটোৱে মুদ্রাৰ সাংস্কৃতিক প্রভাৱৰ সমর্থন লাভ কৰে। পুৰুষ আৰু মহিলাৰ মাজত উপার্জনৰ ক্ষেত্রত থকা ধনৰ বৈষম্যৰ ধাৰণাটো সমাজত প্রচলিত লিংগ বৈষম্য আৰু লিংগ ভূমিকাৰ বাবেই হয়। এই কথা ভবা হয় যে মহিলাসকলৰ ঘৰুৱা দায়িত্ব থকা বাবে তেওঁলোকে কর্মক্ষেত্রত কম উদ্যমিতা দেখুৱায় বা কম কষ্ট কৰে। পুৰুষসকলে ঘৰৰ সকলো আর্থিক দায়িত্ব ল'বলগীয়া হোৱা বাবে তেওঁলোকে কামত সম্পূর্ণ উদ্যমিতা দেখুৱায় বা বেছিকৈ কষ্ট কৰে। পুৰুষ আৰু মহিলাৰ মাজত মজুৰীৰ ক্ষেত্রত থকা পার্থক্যটো সম্পূর্ণৰূপে সামাজিকভাৱে সৃষ্ট। সাংস্কৃতিক দৃষ্টিভংগীয়ে মুদ্রা, আর্থিক কার্যাৱলী আদিৰ লগত জড়িত এই সামাজিক কথাবোৰ বুজিবৰ প্রয়াস কৰে। মুদ্রা যদিও পৰিমাণগত বা সংখ্যাগত কিন্তু ইয়াৰ বিভিন্ন গুণগত (qualitative) দিশ আছে। সাংস্কৃতিক দৃষ্টিভংগীয়ে মুদ্রাৰ লগত জড়িত এই গুণগত দিশটো পর্যালোচনা কৰে। মুদ্রাৰ সামাজিক প্রেক্ষাপট অধ্যয়নৰ প্রয়াস কৰা হয়। সাংস্কৃতিক দৃষ্টিভংগীয়ে ঘৰুৱা মুদ্রাক (Domestic money) বেছি গুৰুত্ব আৰোপ কৰে যদিও বজাৰ, ব্যৱসায়, চৰকাৰ ইত্যাদি প্রসংগত গভীৰ অন্তর্দৃষ্টিও ইয়াত পোৱা যায়। বজাৰ, ব্যৱসায় ইত্যাদিৰ ক্ষেত্রত মুদ্রাৰ যি সংজ্ঞা দিয়া হয় সেইবোৰে সামাজিক,

অর্থনৈতিক আৰু ৰাজনৈতিক ফলাফলক প্ৰতিফলিত কৰে। বেছিভাগ ক্ষেত্ৰতেই সামাজিক নিৰ্মাণ এটা দেখা যায়। ইয়াৰ পৰা স্পষ্ট হয় যে ধনৰ সংজ্ঞা, প্ৰচলন ইত্যাদিৰ ক্ষেত্ৰত সামাজিক কাৰকে বিশেষ প্ৰভাৱ পেলায়। বজাৰত সংস্কৃতি আৰু ধনৰ আন্তঃক্ৰিয়া মানুহৰ তেজৰ সৈতে জড়িত লেনদেনত তীব্ৰভাৱে স্পষ্ট হৈ পৰিছে। তেজ পইছা নোলোৱাকৈ দান কৰা আৰু পইছা লৈ দান কৰা এই দুই ধৰণৰ ৰক্তদাতাৰ পৰা পাব পাৰি। যেতিয়া ইয়াক পইছাৰ বিনিময়ত লোৱা হয় তাক পণ্য হিচাপে গণ্য কৰা হয়, এই কথাই ধনৰ সাংস্কৃতিক দৃষ্টিভংগী কিদৰে মূল্য আৰু ধাৰণাৰ লগত জড়িত সেইকথা প্ৰতিফলিত কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ মুদ্ৰাৰ বিভিন্ন দিশবোৰ কি কি?

.....

.....

.....

প্ৰশ্ন ২ ঃ মুদ্ৰাৰ সংৰচনাত্মক আৰু সাংস্কৃতিক দৃষ্টিভংগীৰ পাৰ্থক্য বিচাৰ কৰক।

.....

.....

.....

.....

.....



৭.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- Weber, Marx, Simmel আদিৰ দৰে প্ৰাৰম্ভিক পৰ্যায়ৰ সমাজতত্ত্ববিদসকলে ৰাষ্ট্ৰীয় বজাৰ একত্ৰীকৰণৰ আকস্মিক উন্নয়ন আৰু অস্থিৰতা পৰ্যবেক্ষণ কৰি মুদ্ৰাক সামাজিক পৰিৱৰ্তনৰ চালিকাশক্তি হিচাপে চিহ্নিত কৰিছিল।
- আদিম বা আধুনিক যি সমাজেই নহওঁক কিয় মুদ্ৰাই ইয়াৰ ব্যৱহাৰৰ ধৰণ অনুসৰি অৰ্থ বহন কৰে। আধুনিক সমাজত মুদ্ৰা বজাৰ অৰ্থনীতিৰ সৈতে জড়িত, য'ত দুবিধ সামগ্ৰী বেচা-কিনাৰ বাবে ব্যৱহৃত হয়। কিন্তু আদিম সমাজত মুদ্ৰা কোনো বজাৰ বা আনুষ্ঠানিক অৰ্থনীতিৰ লগত জড়িত নাছিল।
- সমাজতত্ত্ববিদসকলে অৰ্থনীতিক সমাজৰ অধীন বুলি বিবেচনা কৰা। কিন্তু

অর্থনীতিবিদসকলে বিশ্বাস কৰে যে মুদ্রাৰ বিকাশৰ লগে লগে অর্থনীতি স্বনিয়ন্ত্রিত আৰু স্বয়ংসম্পূর্ণ হৈ পৰে।

- অর্থনীতি যে স্বনিয়ন্ত্রিত আৰু স্বয়ংসম্পূর্ণ এই কথা সমাজতত্ত্ববিদসকলে মানি ল'ব নোখোজে। তেওঁলোকে বজাৰ ব্যৱস্থাক এক সামাজিক সংগঠন হিচাপে বিচাৰ কৰে।
- বিভিন্ন সামাজিক পৰিসৰত মুদ্রাৰ সংজ্ঞা আৰু ব্যৱহাৰ বেলেগ বেলেগ হয়।
- মুদ্রাৰ সমাজতাত্ত্বিক অধ্যয়নক দুটা মুখ্য ভাগত ভাগ কৰিব পাৰি। ইয়াৰ প্রথমটো ভাগে সংৰচনাত্মক আৰু সাংস্কৃতিক দৃষ্টিভংগীৰ মাজত পার্থক্য বিচাৰ কৰে। এই দুয়োটা ভাগকে ক্ষুদ্র আৰু বৃহৎ পৰিসৰত (micro and macro level) পর্যালোচনা কৰিব পাৰি।
- সমাজতাত্ত্বিক অধ্যয়নৰ দ্বিতীয়টো ভাগত স্বতন্ত্র চলক (independent variable) আৰু নির্ভৰশীল চলক (Dependent variable) হিচাপে মুদ্রাৰ কাৰণ, অনুঘটক, প্রভাৱ, পৰিণতি বা ফলাফল আদি দিশ বিচাৰ কৰা হয়।
- প্রখ্যাত সমাজতত্ত্ববিদ George Herbert Mead এ মুদ্রা সম্পর্কত কৈছিল যে— ভাষাৰ ক্ষেত্রত প্রতীক বা ইংগিত আদি থকাৰ দৰেই মুদ্রাৰ ক্ষেত্রতো কেতবোৰ প্রতীক থাকে।
- Coleman এ তিনিধৰণৰ মুদ্রাৰ কথা কৈছে। সেইবোৰ হ'ল— পণ্য মুদ্রা, ফিযুচিয়াৰী মুদ্রা আৰু ফীয়েট মুদ্রা (fiat money)।
- Coleman এ যুক্তি আগবঢ়াইছে যে— নগদ ধন বিহীন সমাজখনেই হৈছে পৰৱর্তী বিৱর্তনৰ পর্যায় য'ত কেন্দ্রীয় ইলেক্ট্রনিক ডাটাবেছে বিত্তীয় লেনদেন আৰু ঋণৰ তথ্য মজুত ৰাখে।
- মুদ্রাৰ সাংস্কৃতিক দৃষ্টিভংগীয়ে মুদ্রাৰ সাংস্কৃতিক অর্থ, সংজ্ঞা আৰু বর্ণনাক নির্দেশ কৰে।



৭.৮ অধিক জানিবলৈ

1. Baker ,W.E. & Jimerson, J.B., (1992). The Sociology of Money. The American Behavioral;July/August, 35, 6



৭.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মুদ্রাৰ সমাজতাত্ত্বিক অধ্যয়নক দুটা দিশত আলোচনা কৰিব পাৰি। ইয়াৰ প্রথমটোৰে সংৰচনাত্মক আৰু সাংস্কৃতিক দৃষ্টিভংগীৰ মাজত পার্থক্য বিচাৰ কৰে। দ্বিতীয়টো ভাগে মুদ্রাক স্বতন্ত্র আৰু নির্ভৰশীল চলক হিচাপে আলোচনা কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ সংৰচনাত্মক দৃষ্টিভংগীয়ে সমাজৰ সংৰচনাত মুদ্রাৰ কার্যাৱলী অধ্যয়ন কৰে। মুদ্রা, বজাৰ ব্যৱস্থা আদিৰ দ্বাৰা সমাজৰ আর্থিক, সামাজিক, ৰাজনৈতিক, আইনগত আদি দিশবোৰ কিদৰে প্রভাৱিত হয় এই কথা সংৰচনাত্মক দৃষ্টিভংগীয়ে আলোচনা কৰে।

মুদ্রাৰ সাংস্কৃতিক দৃষ্টিভংগীয়ে মুদ্রাৰ সাংস্কৃতিক অর্থ, সংজ্ঞা আৰু ব্যাখ্যাক নির্দেশ কৰে। মুদ্রাৰ সাংস্কৃতিক বোধ ক্ষমতাক ই সামৰি লয়। মুদ্রাৰ পৰিমাণ দিশতকৈ গুণগত দিশত ইয়াৰ গুৰুত্ব বেছি।



৭.১০ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (প্রায় ১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ ঃ মুদ্রাৰ সংৰচনাত্মক দৃষ্টিভংগী কি?

প্রশ্ন নং ২ ঃ মুদ্রাৰ সাংস্কৃতিক দৃষ্টিভংগী কি?

(খ) ৰচনাধর্মী প্রশ্ন (প্রায় ৩০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ ঃ সংজ্ঞাসহ মুদ্রা কি ব্যাখ্যা কৰক।

প্রশ্ন নং ২ ঃ মুদ্রাৰ সমাজতত্ত্বৰ পৰিসৰ আলোচনা কৰক।

****

অধ্যায় ৮ ঃ উৎপাদনৰ ধৰণ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ উৎপাদনৰ ধৰণ
৮.৩.১ অর্থ আৰু ধাৰণা
৮.৩.২ উৎপাদন শক্তি
৮.৩.৩ উৎপাদনৰ সম্পর্ক
৮.৩.৪ উৎপাদনৰ বিভিন্ন ধৰণ
৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৫ অধিক জানিবলৈ
৮.৬ অগ্রগতিৰ খতিয়ান
৮.৭ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উৎপাদন পদ্ধতিৰ অর্থ আৰু ধাৰণা জানিব পাৰিব
- উৎপাদনৰ সম্পর্কৰ বিষয়ে জানিব পাৰিব
- উৎপাদন শক্তিৰ বিষয়ে জানিব পাৰিব
- বিভিন্ন ধৰণৰ উৎপাদন পদ্ধতিৰ বিষয়ে জানিব পাৰিব।

৮.২ পৰিচয়

উৎপাদন পদ্ধতি (Mode of Production) অভিধাটো প্রধানকৈ কার্ল মার্ক্সৰ কর্মৰাজিৰ পৰা উদ্ভূত। মাক্সবাদী তত্ত্বসমূহত এই অভিধাৰ বিশেষ গুৰুত্ব আছে। সহজ ভাষাত ব্যক্তিয়ে সামাজিক প্রাণী হিচাপে জীয়াই থাকিবলৈ সামূহিকভাৱে অৱলম্বন কৰা জীৱন নির্বাহৰ বিভিন্ন উপায়সমূহকে উৎপাদন পদ্ধতি অভিধাৰে বুজোৱা হয়।

কার্ল মার্ক্সে ঐতিহাসিকভাৱে সমাজৰ বিভিন্ন অর্থনৈতিক ব্যৱস্থাৰ বর্ণনা তথা এইবোৰক পৃথকে বুজাবলৈ এক আহিলা হিচাপে উৎপাদন পদ্ধতি অভিধাটো ব্যৱহাৰ কৰিছিল। মার্ক্সবাদী দৃষ্টিভংগী অনুসৰি উৎপাদন শক্তি (Productive forces) আৰু উৎপাদনৰ সম্পর্ক (relation of production)ৰ মাজত বিৰাজ কৰা ঐক্যভাৱেই উৎপাদন পদ্ধতি। সমাজ এক গতিশীল সত্তা। সামাজিক পৰিৱর্তন আৰু প্রগতি মানৰ সমাজৰ অতি গুৰুত্বপূর্ণ আৰু অত্যাৱশ্যকীয় বৈশিষ্ট্য।

এই অধ্যায়টোত কার্ল মার্ক্সে উৎপাদন পদ্ধতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি ইতিহাসত মানৰ সম্পর্কক কিদৰে ব্যাখ্যা কৰিছে সেই সম্পর্কে বুজিব পৰা যাব।

৮.৩ উৎপাদন পদ্ধতি/ধৰণ

৮.৩.১ অর্থ আৰু ধাৰণা

মানুহ সামাজিক প্রাণী। আন মানুহ অথবা বৃহত্তৰ সমাজৰ লগত সংস্পর্শবিহীনভাৱে জীয়াই থকাৰ কথা মানুহে ভাবিব নোৱাৰে। মানুহৰ আন্তঃসম্পর্কই মানৱ সমাজৰ ঘাই উপাদান। জীৱনৰ প্রয়োজনীয়তাসমূহ পূৰাবলৈ যাওঁতে কিবা নহয় কিবা প্রকাৰে মানুহ আনৰ ওপৰত নির্ভৰশীল হয়। আমাৰ প্রয়োজনীয় সামগ্রী বা বস্তুবোৰ পোনপটীয়াভাৱে আমি প্রকৃতিৰ পৰা ব্যৱহাৰ কৰিব নোৱাৰোঁ। প্রাকৃতিক সামগ্রীবোৰক বিভিন্ন প্রক্রিয়াৰে বস্তুগত সামগ্রীলৈ ৰূপান্তৰিত কৰাৰ পিছতহে ইবোৰক আমি বিভিন্ন উদ্দেশ্যৰে ব্যৱহাৰ কৰিব পাৰোঁ। এই বস্তু উৎপাদন প্রক্রিয়াটোৱে দীর্ঘদিন ধৰি মানৰ সমাজত গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। মানুহৰ আন্তসম্পর্ক গঢ় দিয়াৰ ক্ষেত্রতো উৎপাদন প্রক্রিয়াৰ উল্লেখযোগ্য ভূমিকা আছে। মানুহে জীয়াই থাকিবলৈ তথা সামাজিক মংগলৰ অর্থে সামূহিকভাৱে গ্রহণ কৰা জীৱন নির্বাহৰ উপায়সমূহকে উৎপাদন পদ্ধতি অভিধাৰে বুজোৱা হয়। মার্ক্সৰ বাবে মানৱ ইতিহাসৰ পদ্ধতিগত বর্ণনাৰ কাৰণে ধাৰাবাহিকভাৱে থকা বিভিন্ন উৎপাদন পদ্ধতিয়েই মৌলিক উপাদান। অর্থাৎ মার্ক্সৰ মতে ক্রমাগত উৎপাদন পদ্ধতি (successive mode of production)ৰ আধাৰতেই মানৱ ইতিহাসৰ পদ্ধতিগত বর্ণনা কৰিব পাৰি। সামাজিক উন্নয়নৰ মার্ক্সীয় ব্যাখ্যাত উৎপাদন পদ্ধতিয়ে কেন্দ্রীয় স্থান দখল কৰি আছে।

মার্ক্সৰ মতে, বস্তু বা অর্থনীতিয়েই মানৱ জীৱনৰ আন্তঃগাঁথনিস্বৰূপ; আৰু এই অর্থনীতিৰ ভিত্তিতেই সমাজ এখনৰ সামাজিক সম্বন্ধ সংৰচিত হয়। মার্ক্সে উল্লেখ কৰা অনুসৰি আন্তঃগাঁথনিয়ে (infrastructure) সমাজৰ অধিগাঁথনি (superstructure) নিয়ন্ত্রণ অথবা নির্দ্ধাৰণ কৰে। ইয়াত মার্ক্সে অধিগাঁথনি বুলি ধর্ম, ৰাজনীতি, চৰকাৰ ইত্যাদি সত্তাসমূহক নির্দেশ কৰিছে। সেয়েহে বস্তু বা অর্থনীতিয়েই যিকোনো উৎপাদন ব্যৱস্থাৰ কেন্দ্রীয় বিষয়। মার্ক্সৰ দৃষ্টিকোণেৰে এছোৱা নির্দিষ্ট সময়ত এখন সমাজৰ মানুহবোৰে যি বস্তুগত সামগ্রী উৎপাদন কৰে যিয়েই উৎপাদন পদ্ধতি; আৰু এই উৎপাদন পদ্ধতিয়ে এখন সমাজৰ ঐতিহাসিক বিকাশ নির্দ্ধাৰণ কৰে। এই গোটেই প্রক্রিয়াটোত মানুহৰ সামাজিক সম্পর্কৰ বিশেষ ভূমিকা আছে। মার্ক্সে উৎপাদন পদ্ধতিৰ ওপৰত ভিত্তি কৰি মানৱ সমাজৰ বিভিন্ন স্তৰ সম্পর্কে আলোচনা কৰিছে। এই অধ্যায়ৰ শেষৰ ফালে মার্ক্সৰ এই শ্রেণীকৰণ সম্পর্কে আলোচনা আগবঢ়োৱা হৈছে।

সমসাময়িক সমাজ ব্যৱস্থাত উৎপাদন পদ্ধতিৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে ৰাহি বা উদ্বৃত্ত (Surplus) ৰ ধাৰণাটো বুজি উঠাতো প্ৰয়োজনীয়। কিয়নো উৎপাদন পদ্ধতি সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে মাৰ্ক্সে উদ্বৃত্ত মূল্য (Surplus value) আৰু উদ্বৃত্ত শ্ৰমশক্তি (Surplus Labour) এই দুই অৱধাৰণাৰ বিষয়ে উত্থাপন কৰিছে। ৰাহি বা উদ্বৃত্ত (surplus) শব্দই প্ৰয়োজনীয়তা পূৰণ অথবা সন্তুষ্টি লাভৰ অন্তত ৰাহী হৈ থকা পৰিমাণক নিৰ্দেশ কৰে। পুঁজিবাদী উৎপাদন ব্যৱস্থাত মাৰ্ক্সে পুঁজিপতি বা বুৰ্জোৱা আৰু প্ৰলিটেৰিয়েট (শ্ৰমিক) এই দুই শ্ৰেণী তথা উৎপাদন প্ৰক্ৰিয়াৰ লগত ইহঁতৰ সম্পৰ্কৰ কথা কৈছে। এই ব্যৱস্থাত প্ৰ'লিটেৰিয়েট বা শ্ৰমিক শ্ৰেণীটোক সদায় বুৰ্জোৱাসকলৰ নিজৰ নিৰ্দিষ্ট কামৰ সময় অথবা প্ৰয়োজনীয়তা পূৰণ হোৱাৰ পিছতো উৎপাদন কাৰ্যত জড়িত হ'বলৈ বাধ্য কৰোৱা হয়। এই অতিৰিক্ত কামৰ সময় অথবা অতিৰিক্ত উৎপাদন হৈছে উদ্বৃত্ত পৰিমাণ, ইয়াৰ মুনাফা পুঁজিপতি বা বুৰ্জোৱা সকলেহে উপভোগ কৰে। অতিৰিক্ত কামৰ সময় বা শ্ৰমশক্তিৰ বাবে শ্ৰমিকসকলক অতিৰিক্ত সুবিধা দিয়া নহয়। এই ব্যৱস্থাত উদ্বৃত্তৰ পৰা প্ৰাপ্ত মুনাফা কেৱল পুঁজিপতিৰ হাতত থাকে।

উৎপাদন পদ্ধতিৰ বিষয়ে অনুধাৱন কৰিবলৈ যাওঁতে ইয়াৰ সৈতে সম্পৰ্কিত দুটা প্ৰাথমিক আৰু অতি গুৰুত্বপূৰ্ণ উপাদানৰ প্ৰসংগ আহি পৰে। সেই দুটা হৈছে— উৎপাদনৰ শক্তি (Forces of Production) আৰু উৎপাদনৰ সম্পৰ্ক (Relations of Production)।

৮.৩.২ উৎপাদন শক্তি (Forces of Production)

উৎপাদন শক্তিয়ে উৎপাদনৰ ভৌতিক উপায় আৰু কৌশলক বুজায় য'ত শ্ৰমিকসকলে পুঁজিক বিক্ৰীৰ বাবে পণ্য সমাগ্ৰীলৈ ৰূপান্তৰিত কৰে আৰু ইবোৰৰ মূল্য সংযোজন কৰে। মাৰ্ক্সৰ মতে উৎপাদন ব্যৱস্থাৰ দুটা গুৰুত্বপূৰ্ণ উপাদানৰ আধাৰত উৎপাদন শক্তি গঢ়ি উঠে; সেই দুটা হ'ল— উৎপাদনৰ উপাদান (Means of Production) আৰু মানৱ শ্ৰম শক্তি (Human Labour Power)। উৎপাদনৰ উপাদানসমূহৰ ভিতৰত কাৰখানা, যন্ত্ৰপাতি, কেঁচা সামগ্ৰী আৰু অন্যান্য ভৌতিক বস্তু (Physical objects) অন্তৰ্ভুক্ত হয়। উৎপাদনৰ উপাদানসমূহ ব্যৱহাৰ আৰু পৰিচালনাৰ বাবে যি জ্ঞান আৰু শাৰীৰিক শক্তিৰ প্ৰয়োজন হয় সেয়া মানুহৰ শ্ৰম শক্তিৰ পৰা পোৱা যায়। সহজ ভাষাত ক'বলৈ গ'লে— উৎপাদনৰ বিভিন্ন আহিলা আৰু শ্ৰমশক্তিৰে 'উৎপাদন শক্তি' গঠিত হয়।

আমি জানোঁ যে, পৰিৱৰ্তন সমাজৰ এক এৰাব নোৱাৰা বিষয়, মানুহে সদায়েই পৰিৱৰ্তনৰ পোষকতা কৰে। পৰিৱৰ্তনে সমাজৰ উৎপাদন ব্যৱস্থাক প্ৰভাৱিত কৰে।

সেইবাবেই মার্ক্সেও পৰিৱৰ্তিত সময়ৰ প্ৰেক্ষাপটত বিভিন্ন সমাজৰ বিভিন্ন উৎপাদন পদ্ধতি সম্পৰ্কে আলোচনা কৰিছে। প্ৰাকৃতিক আৰু পাৰিপাৰ্শ্বিক পৰিঘটনাৰ লগতে বস্তু উৎপাদনৰ ক্ষেত্ৰত অহা পৰিৱৰ্তনে নিৰ্দিষ্ট উৎপাদন পদ্ধতিৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তনক নিৰ্দেশ কৰে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে যন্ত্ৰপাতিৰ উদ্ভাৱন, উৎপাদন প্ৰক্ৰিয়া, শ্ৰমিকৰ জ্ঞান আৰু কৌশল, দক্ষতা ইত্যাদিৰ ক্ষেত্ৰত পৰিৱৰ্তন সংঘটিত হয়। ইয়াৰ লগে লগেই উৎপাদন শক্তিসমূহেও এইবোৰক উৎপাদন ক্ষেত্ৰখনত অন্তৰ্ভুক্ত কৰে। বিভিন্ন মাৰ্ক্সবাদী গৱেষকে উৎপাদন শক্তিৰ অংশ হিচাপে ভৌগোলিক আৰু পাৰিপাৰ্শ্বিক ক্ষেত্ৰৰ কথা কয়। বস্তুগত সামগ্ৰী পাবৰ বাবে মানুহে অহৰহ প্ৰকৃতিৰ মতে সংগ্ৰাম কৰি থাকে। উৎপাদন শক্তিৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তন লক্ষ্য কৰোঁতে মানুহৰ প্ৰকৃতিৰ সতে হোৱা সংগ্ৰামৰ ছবিখন প্ৰতিফলিত হয়। উৎপাদন শক্তিৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তনে প্ৰাকৃতিক সম্পদক বস্তুগত সামগ্ৰী তথা পণ্যলৈ ৰূপান্তৰিত কৰাত সহায় কৰে। বিনিময় বজাৰ ব্যৱস্থাত এই সামগ্ৰীবোৰৰ মূল্য অপৰিসীম। মাৰ্ক্সৰ মতে উৎপাদন শক্তি হৈছে মানৰ সমাজৰ ঐতিহাসিক বিকাশৰ প্ৰাণশক্তিস্বৰূপ। নতুন উৎপাদন শক্তি আৰু প্ৰচলিত সামাজিক সম্পৰ্কৰ মাজত সংঘাতৰ সূচনা হ'লে এক নতুন উৎপাদন পদ্ধতি (Mode of production) গঢ় লৈ উঠে বুলি মাৰ্ক্সে ক'ব খোজে।

৮.৩.৩ উৎপাদনৰ সম্পৰ্ক (Relations of Production)

মানুহ সমাজত বসবাস কৰে। এইক্ষেত্ৰত এজন আন এজনৰ ওপৰত নিৰ্ভৰশীল হয়। উৎপাদন ব্যৱস্থাতো মানুহৰ আন্তঃসম্পৰ্ক বা এই নিৰ্ভৰশীলতা প্ৰতিফলিত হয়। উৎপাদন ব্যৱস্থাত উৎপাদন শক্তিয়েই কেৱল গুৰুত্বপূৰ্ণ কাৰক নহয়, উৎপাদনৰ সম্পৰ্কয়োইয়াত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। প্ৰকৃততে উৎপাদন শক্তি আৰু উৎপাদনৰ সম্পৰ্ক এই দুয়োটা উপাদান শক্তিশালীভাৱে আন্তঃসম্পৰ্কিত হৈ আছে। সামাজিক সম্পৰ্ক আৰু অৰ্থনৈতিক নিৰ্ভৰশীলতাৰ সংযোগৰ ফলতেই উৎপাদনৰ সম্পৰ্ক গঢ় লয়। মাৰ্ক্সৰ মতে উৎপাদন ব্যৱস্থাত যিকোনো বস্তু উৎপাদন কৰিবলৈ যাওঁতে এজন মানুহ আন এজনৰ লগত এটা সামাজিক সম্পৰ্কৰে সম্পৰ্কিত হয়। এই সামাজিক সম্পৰ্কৰ মাজেৰেহে উৎপাদন কাৰ্য সমাপন হয়। এই গোটেই প্ৰক্ৰিয়াটোও উৎপাদন শক্তিৰ বৈশিষ্ট্যৰ ভিত্তিতেই সামাজিক সম্পৰ্ক নিৰ্দ্ধাৰণ হয়।

সহজ ভাষাত ক'ব পাৰি যে, মানুহে জীয়াই থাকিবলৈ উৎপাদন আৰু পুনৰ উৎপাদন কৰিবলৈ উৎপাদন ব্যৱস্থাত যি সামাজিক সম্পৰ্কৰে সম্পৰ্কিত হয়, সেয়াই উৎপাদনৰ সম্পৰ্ক। এই প্ৰক্ৰিয়াত মানুহে জীৱনৰ বাবে প্ৰয়োজনীয় আৰু জীৱন উপভোগ্য কৰি তুলিব পৰা সামগ্ৰীসমূহ উৎপাদন কৰে। উৎপাদনৰ সম্পৰ্কৰ আটাইতকৈ আমোদজনক কথাটো হ'ল যে সমাজৰ দুয়োটা শ্ৰেণীয়ে (Haves and Have-nots)

উৎপাদন ব্যৱস্থাত একেলগে কাম কৰে।

৮.৩.৪ বিভিন্ন প্ৰকাৰৰ উৎপাদন পদ্ধতি (Different Modes of Production)

কার্ল মার্ক্সে তেওঁৰ "A contribution to the critique of Political Economy" (১৮৫৯) গ্ৰন্থখনত মানৱ সমাজে পাৰ কৰি অহা চাৰিটা পৃথক উৎপাদন পদ্ধতিৰ কথা কৈছে। সেইকেইটা হ'ল—

(ক) এচিয়াটিক উৎপাদন পদ্ধতি (Asiatic Mode of Production)

(খ) আদিম উৎপাদন পদ্ধতি (Ancient Mode of Production)

(গ) সামন্তবাদী উৎপাদন পদ্ধতি (Feudal Mode of Production)

(ঘ) পুঁজিবাদী উৎপাদন পদ্ধতি (Capitalist Mode of Production)

(ক) এচিয়াটিক উৎপাদন পদ্ধতি (Asiatic Mode of Production) ঃ

এচিয়াটিক উৎপাদন পদ্ধতিৰ প্ৰধান বৈশিষ্ট্য হৈছে আদিম সম্প্ৰদায়। তেওঁলোক আত্মীয় সম্পৰ্কৰ দ্বাৰা সংগঠিত হৈ থাকে। শ্ৰেণীবিহীন সমাজৰ পৰা শ্ৰেণীভিত্তিক সমাজলৈ পৰিৱৰ্তনৰ ধাৰাটো এই উৎপাদন পদ্ধতিৰ পৰাই আৰম্ভ হয়। এচিয়াটিক উৎপাদন পদ্ধতি মূলতঃ কম শ্ৰমবিভাজন থকা আদিম সমাজ ব্যৱস্থাত পোৱা গৈছিল। জনজাতীয় উৎপাদন পদ্ধতিৰ লগত এই উৎপাদন পদ্ধতিৰ সামঞ্জস্য আছে। এচিয়াটিক উৎপাদন পদ্ধতিৰ প্ৰধান বৈশিষ্ট্যবোৰ হ'ল— ৰাষ্ট্ৰৰ মালিকীস্বত্বৰ অনুপস্থিতি আৰু ভূমিৰ সামূহিক মালিকীস্বত্বৰ উপস্থিতি, সৰল কৃষি আৰু ঔদ্যোগিক সমাজ; ভৌগোলিক কাৰক আৰু জলবায়ুৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা কৃত্ৰিম জৰসিঞ্চন ইত্যাদি। এই উৎপাদন পদ্ধতি ভাৰত, চীন, পার্চিয়া, ইণ্ডোনেচিয়া আৰু অন্যান্য এচিয়া মহাদেশৰ অন্তৰ্গত দেশত এই পদ্ধতি প্ৰথম চিহ্নিত হৈছিল বাবেই মার্ক্সে ইয়াক এচিয়াটিক উৎপাদন পদ্ধতি বুলি নামকৰণ কৰিছে (Krader, 1980)।

এচিয়াটিক উৎপাদন পদ্ধতিত এটা গোটে হিংসাৰ জৰিয়তে বলপূৰ্বকভাৱে আনটো গোটৰ পৰা সামাজিক উদ্বৃত্ত (Social Surplus) আদায় কৰে আৰু নিজৰ মতাদর্শ জোৰকৈ তেওঁলোকৰ ওপৰত জাপি দিয়ে। এই ব্যৱস্থাত বিজয়ী বা শাসক গোটে নিয়ন্ত্ৰণ কৰে য'ত পূৰ্বৰ পৰা বসবাস কৰা সকলে মালিকীস্বত্ব হেৰুৱায়। শোষিতসকলক খাদ্যশস্য উৎপাদনৰ বাবে ভূমি দিয়া হয় যদিও পৰৱৰ্তী সময়ত সেয়া ভূমিও শাসক পক্ষৰ মলিকাধীন হয়। আটাইকেইটা উৎপাদন পদ্ধতিৰ ভিতৰত এচিয়াটিক উৎপাদন পদ্ধতিয়েই আটাইতকৈ বিতর্কমূলক।

এচিয়াটিক উৎপাদন পদ্ধতিৰ সামাজিক বিশ্লেষণৰ বাবে বিভিন্ন পণ্ডিতে মার্ক্সক সমালোচনা কৰিছে। তেওঁলোকৰ মতে মার্ক্সে প্রাচ্যৰ সমাজবোৰক পৃথকে ৰাখি পশ্চিমীয়া সমাজবোৰৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। Karl Wittforgel এ "Oriental Despotism" গ্রন্থত এচিয়াটিক উৎপাদন পদ্ধতি সম্পর্কে দুটা মৌলিক যুক্তি আগবঢ়াইছে। তেওঁৰ মতে—

- এচিয়াটিক সমাজ ঘাইকৈ জলসিঞ্চনৰ ভিত্তিত গঢ়ি উঠা কৃষিভিত্তিক সমাজ। সেইবাবে ইয়াক 'হ্ৰাইড্ৰ'লিক ছ'ছাইটি' বা জলশক্তিৰ ওপৰত নির্ভৰশীল সমাজ বুলিব পাৰি। এই সমাজত ভূগোলৰ বিশিষ্ট প্রভাৱ আছে।
- এচিয়াটিক সমাজখন নির্ভিকতাবাদ/স্বৈৰতান্ত্রিকবাদৰ (Despotism) ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে।

(খ) আদিম উৎপাদন পদ্ধতি (Ancient Mode of Production) ঃ

এচিয়াটিক উৎপাদন পদ্ধতিৰ অৱসান লগে লগে 'দাসত্ব'ৰ (slavery) ধাৰণাৰে আদিম উৎপাদন পদ্ধতিৰ সৃষ্টি হয়। এই উৎপাদন পদ্ধতিত জটিল শ্রম বিভাজন (complex division of labour) প্রক্রিয়াৰ বিকাশৰ লগে লগে উৎপাদন ব্যৱস্থাত ব্যক্তিগত সম্পত্তিৰ ধাৰণাৰ উন্মেষ ঘটে। বসতিপ্রধান কৃষিকার্য, বর্দ্ধিত ৰূপত পশুপালন, হস্তশিল্প ইত্যাদিৰ উত্থানে জটিল শ্রম বিভাজন প্রক্রিয়াৰ প্রমাণ দিয়ে।

এই ব্যৱস্থাত শাৰীৰিক, ৰাজনৈতিক আৰু বস্তুগতভাৱে শক্তিশালী গোটবিলাক শাসক অথবা ভূমিৰ মালিক (Landowners) হিচাপে পৰিগণিত হয়। তেওঁলোকে দাস অথবা দাসসুলভ কৃষক (service peasants) ৰ পৰা কৃষিজাত সামগ্রীৰ উদ্বৃত্ত (surplus) আত্মসাৎ কৰে। কোনো সম্পত্তি বা উৎপাদন কৰা সামগ্রী ব্যৱহাৰৰ অধিকাৰ দাস (slaves) সকলক দিয়া হোৱা নাছিল। দাসসকলক মালিকসকলৰ দ্বাৰা বেচা-কিনা কৰা হৈছিল। এই ব্যৱস্থাই দাসৰ পৰিয়াল আৰু মালিকৰ পৰিয়াল এই দুই ধাৰণাৰ জন্ম দিছিল। অর্থাৎ সমাজৰ দাস আৰু মালিক এই দুই শ্রেণীৰ সৃষ্টি হৈছিল।

আদিম উৎপাদন ব্যৱস্থাত দাস বা দাসসুলভ কৃষকসকলেই আটাইতকৈ শোষিত শ্রেণী হিচাপে পৰিগণিত হৈছিল। তেওঁলোকে মালিকৰ লাভৰ বাবে নিজৰ শ্রমশক্তি বিক্রী কৰিছিল আৰু শোষিত শ্রেণীলৈ ৰূপান্তৰিত হৈছিল। শোষণৰ বিৰুদ্ধে সাত সত্তাৰ কোনো ধৰণৰ সুযোগ তেওঁলোকক দিয়া হোৱা নাছিল। শোষণৰ বিৰুদ্ধে থিয় হ'ব পৰাকৈ সংঘবদ্ধ নোহোৱা অৱস্থাটোক মার্ক্সে 'class-in-itself' হিচাপে অভিহিত কৰিছে।

(গ) সামন্তবাদী উৎপাদন পদ্ধতি (Feudal Mode of Production) ঃ

সামন্তবাদী উৎপাদন পদ্ধতিত সমাজৰ দুয়োটা শ্রেণীৰ মাজৰ পার্থক্য অধিক স্পষ্ট হৈ পৰে। পুঁজিবাদী সমাজ ব্যৱস্থাত মার্ক্সে বুর্জোৱা আৰু প্রলিটেৰিয়েট এই দুই শ্রেণীৰ কথা উল্লেখ কৰাৰ দৰেই সামন্তবাদী উৎপাদন পদ্ধতিত বস্তুগত উৎপাদনৰ দিশৰ পৰা সামন্ত (Lords) আৰু ভূমিদাস (serfs) বা ভূমিহীন কৃষক (tenants) এই দুই শ্রেণীৰ অৱস্থান দেখা যায়। এই পদ্ধতিত সামন্তসকল মাটিৰ মালিক হিচাপে পৰিগণিত হয়। তেওঁলোকে কৃষি শ্রমিকসকলক মাটিখিনি চুক্তি অনুসৰি উৎপাদনৰ বাবে দিয়ে। ইয়াৰ বাবে মালিকসকলে কিছুমান কৰ দিবলগীয়া হোৱাৰ বিপৰীতে শ্রমিকসকলক মজুৰি দিয়া হৈছিল। এই উৎপাদন পদ্ধতিত মাটিৰ মালিক (Lords) সকলে ভূমিদাসসকলৰ পৰা মাটিৰ বিনিময়ত মূল্য পাইছিল।

এই ব্যৱস্থাত ভূমিদাসসকল সামন্তসকলৰ ওচৰত বান্ধোনত থাকিব লাগিছিল। তেওঁলোক সম্পত্তিৰ অধিকাৰৰ পৰা বঞ্চিত হৈছিল যদিও উৎপাদনৰ বাবে মালিকৰ পৰা ভূমি লাভ কৰিছিল। পৰিয়াল ভৰণ পোষণৰ বাবে ভূমিদাসসকলে মালিকৰ ওচৰত শ্রম বিক্রী কৰিছিল। মালিকৰ অর্থনৈতিক চাহিদা পূৰণৰ বাবে তেওঁলোকক বাধ্য কৰা হৈছিল। টকা-পইছা অথবা বস্তু এই দুই ধৰণে তেওঁলোকে মালিকৰ অর্থনৈতিক চাহিদা পূৰাব লাগিছিল। ভূমিদাসসকলে সামন্তসকলক সেৱা অথবা কৰ উভয় ধৰণে ধাৰ শোধাব লগা হৈছিল। সামন্তসকলে তেওঁলোকক সৰহ কৰ আৰোপ কৰি শোষণ কৰিছিল।

কল-কাৰখানাৰ বিকাশ, যন্ত্রপাতিৰ উদ্ভাৱন, নগৰীকৰণ ইত্যাদি কাৰণত সামন্তবাদী উৎপাদন পদ্ধতি বৰ বেছিদিন নিটিকিল। ক্রমান্বয়ে পুঁজিবাদী উৎপাদন পদ্দতিৰ উত্থানে সামন্তবাদী উৎপাদন পদ্ধতিৰ স্থান অধিগ্রহণ কৰিলে।

(ঘ) পুঁজিবাদী উৎপাদন পদ্ধতি (Capitalist Mode of Production) ঃ

পুঁজিবাদী উৎপাদন পদ্ধতিত উৎপাদন ব্যৱস্থাত (Production System) পুঁজি বা মূলধনে (capital) প্রভাৱশালী ভূমিকা গ্রহণ কৰে। এই ব্যৱস্থাত পুঁজি টকা-পইছা; উৎপাদনৰ বাবে প্রয়োজনীয় বস্তু, যন্ত্রপাতি আদি ক্রয়ৰ বাবে ধন বা ঋণ; শ্রমশক্তি ক্রয় আদি বিভিন্ন ৰূপত পোৱা যায়। এই উৎপাদন পদ্ধতিত এটা নির্দিষ্ট শ্রেণীৰ হাতত মূলধন মজুত থাকে। উৎপাদন ব্যৱস্থা, বিনিয়োগ আদিৰ লগত জড়িত সকলো সিদ্ধান্ত পুঁজিপতিৰ দ্বাৰা নিয়ন্ত্রিত হয়। পুঁজিৰ ব্যক্তিগত মালিকীস্বত্ব পুঁজিবাদী উৎপাদন পদ্ধতিৰ মুখ্য বৈশিষ্ট্য।

পুঁজিবাদী উৎপাদন পদ্ধতিত শ্রমিক শ্রেণীৰ অৱস্থা পূর্বৰ উৎপাদন পদ্ধতিবোৰৰ তুলনাত উদাৰ। ইয়াত শ্রমিকসকল নিয়োগকর্তা বা পুঁজিপতিসকলৰ

সতে চুক্তিবদ্ধ হয়। এই ব্যৱস্থাত শ্রমিকসকলে শাৰীৰিক আৰু মানসিক শ্রম পুঁজিপতিসকলক বিক্রী কৰে, ইয়াৰ বিনিময়ত তেওঁলোকে মজুৰী বা দৰমহা লাভ কৰে। ইয়াত মুদ্রা বিনিময়ৰ মাধ্যম হিচাপে পৰিগণিত হয়। তাৰ লগে লগে বেংকৰ দৰে বিত্তীয় প্রতিষ্ঠানৰ গুৰুত্ব বৃদ্ধি পায়।

পুঁজিবাদী উৎপাদন ব্যৱস্থা ইউৰোপত আৰম্ভ হৈছিল। ইংলেণ্ডৰ শিল্প বিপ্লৱে ইয়াৰ প্রসাৰতা বৃদ্ধিত অৰিহণা আগবঢ়ায়। উৎপাদন ব্যৱস্থাত যন্ত্রপাতিৰ বহুল ব্যৱহাৰ, শ্রমিক শ্রেণীৰ ব্যৱহাৰে সমগ্র বিশ্বতে পুঁজিবাদী উৎপাদন পদ্ধতিৰ দ্রুত বিকাশ সাধন কৰে। মার্ক্সৰ মতে পুঁজিপতি উৎপাদন পদ্ধতি সমাজৰ ঐতিহাসিক বিৱর্তনৰ শেষ পর্যায়। অৱশেষত সমাজবাদে ইয়াৰ স্থান অধিগ্রহণ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ উৎপাদন শক্তি কি?

.....

.....

.....

প্রশ্ন ২ ঃ উৎপাদনৰ সম্পর্ক মানে কি?

.....

.....

.....

প্রশ্ন ৩ ঃ কার্ল মার্ক্সে আগবঢ়োৱা উৎপাদন পদ্ধতিৰ বিভিন্ন প্রকাৰবোৰ কি কি?

.....

.....

.....



৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আনৰ লগত সংস্পর্শ অবিহনে মানুহ জীয়াই থাকিব নোৱাৰে। সেয়েহে এৰিষ্টটলে মানুহক সামাজিক প্রাণী বুলি কয়। জীৱনৰ প্রয়োজনীয়তা পূৰাবলৈ মানুহে আন মানুহৰ লগত সম্পর্ক গঢ়ি তোলে। এনেদৰেই তেওঁলোক বিভিন্ন উপায়েৰে ইজনে সিজনৰ

ওপৰত নির্ভৰশীল হয়।

- সহজ ভাষাত, উৎপাদন পদ্ধতিয়ে ব্যক্তিয়ে সামাজিক প্ৰাণী হিচাপে জীয়াই থাকিবলৈ সামূহিকভাৱে অৱলম্বন কৰা জীৱন নির্বাহৰ বিভিন্ন উপায়সমূহক বুজায়।
- ঐতিহাসিকভাৱে বিভিন্ন অর্থনৈতিক ব্যৱস্থাৰ বর্ণনা প্ৰসংগত কার্ল মার্ক্সে উৎপাদন পদ্ধতি ধাৰণাটো আগবঢ়াইছিল আৰু ইয়াৰ শ্ৰেণীকৰণ কৰিছিল।
- মার্ক্সৰ মতে, বস্তু বা অর্থনীতি মানৰ জীৱনৰ আন্তঃগাঁথনিস্বৰূপ; ইয়াৰ আধাৰতে এখন সমাজৰ সামাজিক সম্পর্ক সংৰচিত হয়।
- আন্তঃগাঁথনিয়ে (infrastructure) অধিগাঁথনি (superstructure) যেনে— ধর্ম, চৰকাৰ, ৰাজনীতি আদি নিয়ন্ত্ৰণ আৰু নির্দ্ধাৰণ কৰে।
- উৎপাদন শক্তি (Forces of Production) আৰু উৎপাদনৰ সম্পর্ক (relations o? production)— উৎপাদন পদ্ধতিৰ দুটা মৌলিক উপাদান।
- উৎপাদনৰ মাধ্যম (means of production) আৰু মানৱ শ্ৰমশক্তিৰ দ্বাৰা উৎপাদন শক্তি সংগঠিত হয়।
- মানুহে জীয়াই থাকিবলৈ, জীৱনৰ বাবে প্ৰয়োজনীয় বস্তু উৎপাদন আৰু পুনৰ উৎপাদন কৰিবলৈ যি সামাজিক সম্পর্ক গঢ়ি তোলে, সিয়েই উৎপাদনৰ সম্পর্ক।
- কার্ল মার্ক্সে তেওঁৰ "A contribution to the critique of the Political Economy" গ্ৰন্থত মানৱ সমাজে পাৰ কৰি অহা চাৰিটা ভিন্ন ধৰণৰ উৎপাদন পদ্ধতিৰ কথা আলোচনা কৰিছে।
- এছিয়াটিক উৎপাদন পদ্ধতি হৈছে মূলতঃ আদিম উৎপাদন ব্যৱস্থা। ইয়াত শ্ৰম বিভাজন প্ৰক্ৰিয়া একেবাৰে সৰল আছিল। এনে ব্যৱস্থাত মাটিবোৰ সম্প্ৰদায়ৰ মালিকাধীন আছিল।
- আদিম উৎপাদন পদ্ধতিয়ে সমাজলৈ দাসত্বৰ (slavery) ধাৰণা আনিছিল। সম্পত্তিৰ ব্যক্তিগত মালিকীস্বত্বৰ ধাৰণাৰ উন্মেষ ঘটাৰ লগতে শ্ৰমবিভাজন জটিল অৱস্থালৈ আহিছিল। দাসসকল পণ্য হিচাপে পৰিগণিত হৈছিল। মালিকে তেওঁলোকক ক্ৰয়-বিক্ৰয় কৰিব পাৰিছিল।
- সামন্তবাদী উৎপাদন ব্যৱস্থা আৰম্ভ হৈছিল সামন্ত (lord) আৰু ভূমিহীন কৃষক বা ভূমিদাস (serfs) এই দুই ধাৰণাৰে। সামন্তসকল মাটিৰ মালিক আছিল। তেওঁলোকে ভূমিহীন কৃষকক ভূমি লীজত দিছিল আৰু দুয়োপক্ষৰ মাজত চুক্তি হৈছিল।
- পুঁজিবাদী উৎপাদন পদ্ধতি সমসাময়িক সমাজ ব্যৱস্থাত পোৱা যায়। ঔদ্যোগিক নগৰীয়া সমাজৰ ইয়াক ঘাইকৈ পোৱা যায় য'ত শ্ৰমবিভাজন প্ৰক্ৰিয়া অতি জটিল। এই উৎপাদন পদ্ধতিত দুটা শ্ৰেণী পোৱা যায়। সেই দুটা হ'ল— বুর্জোৱা বা পুঁজিপতি আৰু প্ৰ'লিটেৰিয়েট বা শ্ৰমিক শ্ৰেণী। শ্ৰমিক শ্ৰেণীয়ে তেওঁলোকৰ শাৰীৰিক আৰু মানসিক শ্ৰম পুঁজিপতিক বিক্ৰী কৰে ইয়াৰ বিনিময়ত তেওঁলোকে মজুৰী বা বেতন লাভ কৰে।



৮.৫ অধিক জানিবলৈ

1) Bottomore, Thomas B.(1975). Marxist Sociology. Macmillan: London
2) Donaldson, M. (2012). "The riddle of history solved": socialist strategy, modes of production and social formations in Capital. The Journal of Australian Political Economy, (70), 130.
3) Krader, L. (1980). The Asiatic Mode of Production. International Journal of Politics, 10(2/3), 99-128.
4) Marx, K. (2010). A Contribution to the Critique of Political Economy. **In Marx Today (pp. 91-94). Palgrave Macmillan, New York



৮.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ উৎপাদন শক্তিক উৎপাদনৰ ভৌতিক উপায় আৰু কৌশল হিচাপে সংজ্ঞায়িত কৰিব পাৰি য'ত শ্রমিকসকলে মূলধনক বিক্রীযোগ্য পণ্য সামগ্রীলৈ ৰূপান্তৰিত কৰে। মার্ক্সৰ মতে উৎপাদন ব্যৱস্থাৰ দুটা গুৰুত্বপূর্ণ উপাদানৰ আধাৰত উৎপাদন শক্তি গঢ়ি উঠে; সেই দুটা হ'ল— উৎপাদনৰ উপাদান আৰু মানৰ শ্রম শক্তি।

২ নং প্রশ্নৰ উত্তৰ ঃ মানুহে জীয়াই থাকিবলৈ, জীৱনৰ বাবে প্রয়োজনীয় বস্তু উৎপাদন আৰু পুণৰ উৎপাদন কৰিবলৈ যি সামাজিক সম্পর্ক গঢ়ি তোলে, সিয়েই উৎপাদনৰ সম্পর্ক। মার্ক্সৰ মতে ব্যক্তিয়ে উৎপাদন প্রক্রিয়াত এজনে আনজনৰ লগত সামাজিক সম্পর্ক গঢ়ি তোলে।

৩ নং প্রশ্নৰ উত্তৰ ঃ মানৰ ইতিহাসে অতিক্রম কৰি অহা চাৰিটা উৎপাদন পদ্ধতিৰ কথা মার্ক্সে আলোচনা কৰিছে। সেইকেইটা হ'ল— এছিয়াটিক উৎপাদন পদ্ধতি, আদিম উৎপাদন পদ্ধতি, সামন্তবাদী উৎপাদন পদ্ধতি আৰু পুঁজিবাদী উৎপাদন পদ্ধতি।



৮.৭ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (প্ৰায় ১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ এছিয়াটিক উৎপাদন পদ্ধতিৰ মৌলিক বৈশিষ্ট্যবোৰ কি?

প্ৰশ্ন নং ২ ঃ পুঁজিবাদী উৎপাদন পদ্ধতিৰ বৈশিষ্ট্যবোৰ কি কি?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ উৎপাদন পদ্ধতি বুলিলে কি বুজা? নিজৰ ভাষাৰে লিখক।

প্ৰশ্ন নং ২ ঃ কার্ল মার্ক্সে বর্ণনা কৰা বিভিন্ন উৎপাদন পদ্ধতিৰ বিষয়ে আলোচনা কৰক।

****

অধ্যায় ৯ ঃ জনজাতীয় সমাজ উৎপাদন পদ্ধতি

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ উৎপাদন পদ্ধতি

৯.৪ জনজাতি— সংজ্ঞা, উৎপাদন পদ্ধতি

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্রগতিৰ খতিয়ান

৯.৮ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জনজাতীয় সমাজৰ উৎপাদন পদ্ধতিৰ বিষয়ে জানিব পাৰিব
- উৎপাদন আৰু উপভোগৰ ওপৰত ভিত্তি কৰি জনজাতীয় সমাজৰ অর্থনৈতিক ব্যৱস্থাৰ বিষয়ে পৰিচিত হ'ব
- উৎপাদন পদ্ধতিৰ অন্যান্য বিষয়সমূহৰ বিষয়ে জানিব পাৰিব।

৯.২ পৰিচয়

উৎপাদন পদ্ধতি শব্দটো কার্ল মার্ক্সৰ ৰচনাৰ পৰা উদ্ভৱ হৈছে। মানুহে সামূহিকভাৱে জীৱিকাৰ মাধ্যমেৰে জীয়াই থাকিবলৈ আৰু সামাজিক সত্তা বৃদ্ধি কৰিবলৈ যি উপায় উদ্ভাৱন কৰি তুলিব পাৰে তাকেই সাধাৰণ অর্থত উৎপাদন পদ্ধতি বুলিব পাৰো। মার্ক্সে বিশ্বাস কৰিছিল যে মানৱ ইতিহাসৰ মূল বৈশিষ্ট্য হ'ল উন্নত উৎপাদন পদ্ধতি। এই অর্থত শব্দটোৱে এটা নির্দিষ্ট ব্যৱস্থাক বুজায়। এই অধ্যায়টোত আমি জনজাতীয় সমাজৰ উৎপাদন পদ্ধতিৰ বিষয়ে বুজিবলৈ চেষ্টা কৰিম।

৯.৩ উৎপাদন পদ্ধতি

উৎপাদন পদ্ধতি ওপৰত অধ্যয়ন কৰাৰ লগতে কার্ল মার্ক্সক অন্যান্য দুটা সুকীয়া অৱদানৰ বাবে কৃতিত্ব দিয়া হয় ঃ উৎপাদনৰ নির্দিষ্ট সংজ্ঞা নিৰূপণ আৰু ঐতিহাসিক বিকাশৰ তত্ত্বৰ ভিত্তিত সেইবোৰৰ স্থান নির্ণয়ৰ বাবে এক বিশ্লেষণাত্মক অধ্যয়ন কৰা।

উৎপাদন পদ্ধতিটো উৎপাদন আৰু উৎপাদনৰ শক্তিৰ সম্পর্কৰে গঠিত। উৎপাদন আৰম্ভ

হয় ইয়াৰ নির্ণায়ক দিশটোৰ বিকাশৰ পৰা যিবোৰে উৎপাদনশীল শক্তিবোৰ এবাৰ এটা নির্দিষ্ট স্তৰত উপনীত হ'লে উৎপাদনৰ সম্পর্কৰ ভিতৰত বিকশিত হয় আৰু সংঘাতত লিপ্ত হয়। ইয়াৰ ফলত উৎপাদনৰ সম্পর্কসমূহৰ এক অনিবার্য পৰিৱর্তন ঘটে কিয়নো অচল ৰূপত সেইবোৰ উৎপাদন প্রক্রিয়াৰ অপৰিহার্য অৱস্থা হোৱা বন্ধ হৈ পৰে। ইয়াৰ পিছত উৎপাদনৰ সম্পর্কৰ পৰিৱর্তন, অর্থাৎ পুৰণিৰ সলনি নতুন অর্থনৈতিক ভিত্তিৰ প্রতিস্থাপনে সমগ্র সমাজখনত দ্রুত পৰিৱর্তন ঘটায়। গতিকে উৎপাদন পদ্ধতিৰ পৰিৱর্তন মানুহৰ ইচ্ছাশক্তিৰ দ্বাৰা নহয়, উৎপাদনশীল শক্তিসমূহৰ চৰিত্র আৰু বিকাশৰ স্তৰৰ সৈতে উৎপাদনশীল সম্পর্কসমূহৰ দ্বাৰা সংগঠিত হয়। ইয়াৰ বাবেই সমাজৰ বিকাশত আর্থ-সামাজিক গঠন এক স্বাভাৱিক ঐতিহাসিক পৰিৱর্তনৰ ৰূপ লয়। প্রতিটো উৎপাদন পদ্ধতিৰ নিজস্ব গতিশীল চৰিত্র দেখা যায়। মানুহক জীয়াই থাকিবলৈ খাদ্য, বস্ত্র, বাসস্থান আৰু জীৱনৰ অন্যান্য প্রয়োজনীয় বস্তুৰ দৰকাৰ। এই সকলোবোৰ বস্তু তেওঁলোকে প্রকৃতিৰ পৰা সংগ্রহ কৰিব নোৱাৰে। জীয়াই থাকিবলৈ তেওঁলোকে প্রকৃতিত পোৱা বস্তুৰ পৰা ভৌতিক সামগ্রীৰ উৎপাদন কৰে। মানুহৰ অস্তিত্বৰে পৰা এনে ভৌতিক বস্তুৰ উৎপাদন আৰম্ভ হৈছিল আৰু বর্তমানেও অব্যাহত আছে। কার্ল মার্ক্সৰ মতে, মানৱ সমাজৰ ইতিহাসৰ কাহিনী হৈছে মানুহে জীৱিকা নির্বাহৰ প্রচেষ্টাত ইজনে সিজনৰ লগত কেনেকৈ সম্পর্ক স্থাপন কৰে। তেওঁ কয়, "প্রথম ঐতিহাসিক কার্যটো হ'ল— বস্তুবোৰৰ ভৌতিক উৎপাদনৰ ৰূপ। এইটো সঁচাকৈয়ে এক ঐতিহাসিক কার্য আৰু সকলো ইতিহাসৰ এক মৌলিক চর্ত"।

মার্ক্সৰ মতে, বস্তুগত জীৱনৰ অর্থনৈতিক উৎপাদন বা উৎপাদন আৰম্ভ হৈছে সমাজৰ আন্তঃসম্পর্কীয় সামগ্রিক হিচাপে গঠন কৰা। তেওঁ অর্থনৈতিক কাৰক আৰু মানৱ জাতিৰ ঐতিহাসিক বিকাশৰ অন্যান্য দিশৰ মাজত পাৰস্পৰিকতাৰ কথা কয়। অর্থনৈতিক উৎপাদনৰ কাৰকটোৱেই সকলো একেই সমাজত ঘটা পৰিৱর্তনৰ ব্যাখ্যাৰ এটা মূল ধাৰণা। তেওঁ বিবেচনা কৰে যে উৎপাদনৰ সম্পর্কৰ লগতে উৎপাদন শক্তিসমূহে প্রতিখন সমাজৰ অর্থনৈতিক আৰু সামাজিক ইতিহাসৰ ভিত্তি গঠন কৰে। মার্ক্সে তেওঁৰ Introduction to the Grundrisse ত উল্লেখ কৰিছে যে উৎপাদন, বিতৰণ আৰু উপভোগৰ তিনিটা প্রক্রিয়া এক নহয় আৰু সমাজৰ উৎপাদনশীল স্তৰৰ লগত মিল থকা উৎপাদনৰ সম্পর্কবোৰে সম্পর্কবোৰে উৎপাদন প্রক্রিয়াত উৎপাদনশীল শক্তি আৰু মানুহক সংযোগ কৰে। এই সম্পর্ক দুটা বহুল প্রকাৰত দেখিবলৈ পোৱা যায়। প্রথমেটোৱে সেই কাৰিকৰী সম্পর্কবোৰক বুজায় যিবোৰ সামগ্রীৰ প্রকৃত উৎপাদন প্রক্রিয়াৰ বাবে প্রয়োজনীয়। দ্বিতীয়টোৱে অর্থনৈতিক নিয়ন্ত্রণৰ সম্পর্কক বুজায়, যিবোৰ আইনগতভাৱে সম্পত্তিৰ মালিকীস্বত্ব হিচাপে প্রকাশ পায়। তেওঁলোকে উৎপাদন আৰু উৎপাদনৰ শক্তিসমূহৰ প্রৱেশ নিয়ন্ত্রণ কৰে।

উৎপাদনৰ সম্পর্ক হৈছে উৎপাদনৰ সামাজিক সম্পর্ক। সেইবাবেই ইয়াত প্রত্যক্ষ উৎপাদক বা শ্রমিক আৰু তেওঁলোকৰ নিয়োগকর্তা বা তেওঁলোকৰ শ্রম নিয়ন্ত্রণ কৰাসকলৰ মাজৰ সম্পর্ক আৰু প্রত্যক্ষ উৎপাদকসকলৰ মাজৰ সম্পর্ক দুয়োটাকে অন্তর্ভুক্ত কৰা হয়। অৱশ্যে

উৎপাদনৰ সম্পৰ্ক কেৱল উৎপাদন মাধ্যমৰ মালিকীস্বত্ব নহয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ 'উৎপাদন পদ্ধতি'ৰ ধাৰণাটো ক'ৰ পৰা উদ্ভৱ হৈছিল ?

.....

.....

৯.৪ জনজাতি— সংজ্ঞা, উৎপাদন পদ্ধতি

মাৰ্ক্সৰ লেখনীসমূহত পোৱা যায় যে মানুহে যি উৎপাদন কৰে তাৰ দ্বাৰা নহয় বৰঞ্চ তেওঁলোকে কেনেকৈ, বা কি উপায়েৰে জীৱিকাৰ বাবে বস্তুগত সামগ্ৰী উৎপাদন কৰে তাৰ ওপৰত সামাজিক ইতিহাসৰ প্ৰৰ্যায়সমূহৰ পাৰ্থক্য নিৰূপন কৰা হয়। জনজাতীয় সমাজৰ কৃষিৰ আৰ্হিসমূহ উদ্যান শস্য ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল, যিটো উচ্চ ভূমিৰ সৈতে বিভিন্ন ধৰণৰ শস্য উৎপাদনৰ দ্বাৰা চিহ্নিত কৰা হয়, যদিও কম শ্ৰম আৰু মূলধনৰ যোগান দেখা যায়। সমাজৰ উৎপাদন শক্তিসমূহে প্ৰকৃতিত থকা মানুহৰ নিয়ন্ত্ৰণৰ কথা প্ৰতিফলিত কৰে। উৎপাদন শক্তি যিমানেই উন্নত হয় সিমানেই প্ৰকৃতিৰ ওপৰত তেওঁলোকৰ নিয়ন্ত্ৰণ বাঢ়ি যায়। উৎপাদন কৰিবলৈ মানুহে ইজনে সিজনৰ লগত নিৰ্দিষ্ট সম্পৰ্কত লিপ্ত হয়।

ইছ্যুৰ বিপৰীতে জনজাতি এটা বিতৰ্কিত শব্দ। জনজাতিক সৰ্বমুঠ গঢ়ি তোলা, সংজ্ঞায়িত কৰা আৰু ধাৰণা কৰাটো যথেষ্ট কঠিন। সামাজিক নৃতত্ত্ববিদ আৰু সমাজবিজ্ঞানীসকলে আৰম্ভণিৰে পৰাই জনজাতি অধ্যয়ন কৰিবলৈ চেষ্টা কৰিছিল যদিও আচৰিত কথাটো হ'ল তেওঁলোকৰ বেছিভাগেই জনজাতি শব্দটোৰ পৰ্যাপ্ত সংজ্ঞা দিবলৈ এক জটিল সমস্যাৰ সন্মুখীন হৈছিল। জনজাতিৰ সংজ্ঞা বা ধাৰণাকৰণ সমাজবিজ্ঞানী আৰু নৃতত্ত্ববিদসকলৰ বাবে সদায় কঠিন হৈ পৰে। এইটো কেৱল বিভিন্ন আৰ্থ-সামাজিক পৰিৱেশৰ বাবেই নহয়, বহল সামাজিক গাঁথনিৰ সৈতে তেওঁলোকৰ নিৰন্তৰ আত্মসাৎ আৰু সংস্কৃতিকৰণৰ বাবেও। জনজাতীয় উৎপাদন পদ্ধতিক আদিম উৎপাদন পদ্ধতি হিচাপেও শ্ৰেণীভুক্ত কৰিব পাৰি।

নৃতত্ত্ববিদ আৰু সমাজবিজ্ঞানীসকলে জনজাতিৰ সংজ্ঞা বিৱৰ্তনৰ কাঠামোত শিপাই আছে। বিৱৰ্তনবাদী এল.এইচ. মাৰ্গান আৰু কাৰ্যকাৰীতাবাদী এমিল দুৰ্খেইমৰ আদিম সমাজৰ অধ্যয়নে উদাহৰণ দাঙি ধৰে যে সমাজখন স্থিতিশীল নহয় বৰঞ্চ সময় স্থান সমীকৰণৰ সৈতে ক্ৰমান্বয়ে বিকশিত হয়। তেওঁলোকৰ বাবে জনজাতি শব্দটোৱে কেৱল এক প্ৰকাৰৰ সমাজকে নুবুজায় বৰঞ্চ বিৱৰ্তন আৰু বিকাশৰ এক পৰ্যায়কো বুজা যায়। মৰ্গানে সামাজিক বিৱৰ্তনৰ প্ৰতিটো পৰ্যায়তে সামাজিক সংগঠনৰ এক নিৰ্দিষ্ট ধৰণৰ বৈশিষ্ট্য আছে বুলি বিবেচনা কৰিলেও দুৰ্খেইমে জনজাতি

শব্দটো ব্যৱহাৰ কৰিছিল। 'The Division of Labour in Society' (১৮৩৯) নামৰ গ্ৰন্থখনত তেওঁ সমাজত দুবিধ সংহতিৰ ওপৰত আলোকপাত কৰিছে আৰু আদিম জনগোষ্ঠীৰ সামাজিক সংগঠনৰ বৈশিষ্ট্য হৈছে যান্ত্ৰিক সংহতি।

এল. এইচ. মৰ্গানে তেওঁৰ "এন্সিয়েণ্ট ছ'চাইটি" (১৮৭৭) নামৰ গ্ৰন্থখনত জনজাতিক এক সম্পূৰ্ণ সংগঠিত সমাজ বুলি সংজ্ঞায়িত কৰিছে য'ত সকলো ধৰণৰ সামাজিক সম্পৰ্কত আত্মীয়তা সম্পৰ্কৰ আধিপত্য থাকে। মৰ্গানৰ বাবে জনজাতীয় সমাজখন সম্পূৰ্ণৰূপে এনেদৰে সংগঠিত যে তেওঁলোকৰ সামাজিক সংগঠনৰ ৰূপটো নিজকে পুনৰুৎপাদন কৰিবলৈ সক্ষম। তেওঁৰ মতে জনগোষ্ঠী হ'ল সুকীয়া নামকৰণ, পৃথক ভাষা, সুকীয়া ৰাজনৈতিক সংগঠন আৰু নিজৰ দখলত থকা এখন ভূখণ্ড।

মাৰ্ক্সবাদী চিন্তাধাৰাত আদিম/ জনজাতীয় সাম্যবাদ হৈছে প্ৰাচীন উৎপাদন পদ্ধতি। কাৰ্ল মাৰ্ক্সে প্ৰস্তাৱ দিছিল যে এছিয়াটিক, প্ৰাচীন, সামন্তীয় আৰু বুৰ্জোৱা উৎপাদন পদ্ধতিসমূহ এনে যুগ যিয়ে সমাজৰ পৰিৱৰ্তনক চিহ্নিত কৰে। লগতে, আদিম সাম্যবাদৰ পৰা দাসত্ব, সামন্তবাদ, পুঁজিবাদ, সমাজবাদৰ জৰিয়তে সাম্যবাদলৈ উৎপাদন পদ্ধতিৰ পৰিৱৰ্তন ডায়েলেক্টিক পদ্ধতি আৰু বস্তুবাদৰ তত্ত্বৰ বাবেই হৈছে। ডায়েলেক্টিক পদ্ধতিত সংশ্লেষণত একত্ৰিত হোৱা চৰম শক্তিৰ জড়িত থাকে। আদিম সাম্যবাদৰ প্ৰাৰম্ভিক অৱস্থাত আদিম চিকাৰৰ পৰিবৰ্তে আদিম পদ্ধতিৰ কৃষি আৰু গৰু-ম'হ পালনৰ ঠাই ল'লে। লগতে, ইহ'তে এটা মূল গোটক প্ৰতিনিধিত্ব কৰে। কাৰণ সম্পূৰ্ণ হোৱাৰ পিছত তিনিটা প্ৰক্ৰিয়াৰ প্ৰত্যেকেই অন্য এক প্ৰক্ৰিয়া সৃষ্টি কৰে। এইদৰে এজনে আনজনৰ মধ্যস্থতা কৰে। যেনে— উৎপাদন, এবাৰ সম্পূৰ্ণ হ'লে, উপভোগৰ বস্তু হৈ পৰে। একেদৰে বিতৰণ আৰু উৎপাদন ঘনিষ্ঠভাৱে জড়িত প্ৰক্ৰিয়া। এইদৰে এই অৰ্থনৈতিক শ্ৰেণীসমূহে ইহঁতৰ মাজত নিৰ্দিষ্ট সম্পৰ্ক কঢ়িয়াই লৈ ফুৰে। মাৰ্ক্সৰ বাবে এটা নিৰ্দিষ্ট ধৰণৰ উৎপাদনে এক নিৰ্দিষ্ট ধৰণৰ বিতৰণ, বিনিময় আৰু খৰচৰ সৃষ্টি কৰে। এই সকলোবোৰ অৰ্থনৈতিক শ্ৰেণীৰ ভিত্তিত, উৎপাদনৰ কিছুমান বিশেষ ধৰণৰ সম্পৰ্ক গঢ় লৈ উঠে। মাৰ্ক্সে যুক্তি আগবঢ়ায় যে উৎপাদন পক্ৰিয়াই নিজেই অন্যান্য অৰ্থনৈতিক শ্ৰেণী আৰু উৎপাদন আৰু অন্যান্য অৰ্থনৈতিক ক্ৰিয়াৰ মাজত স্পষ্ট সম্পৰ্কৰ পেৰত ভিত্তি কৰি গঢ় লৈ উঠে। যিটো কথা স্পষ্ট হৈ পৰে যে মানৰ সমাজৰ বাবে বস্তুগত উৎপাদন মৌলিক। মাৰ্ক্সৰ বাবে উৎপাদন সমান্তৰালকৈ সাধাৰণ আৰু ঐতিহাসিক দুয়োটা শ্ৰেণী।

উৎপাদন শক্তিবোৰৰ দ্বাৰা মানুহে কিমান প্ৰকৃতিক নিয়ন্ত্ৰণ কৰে সেই কথা জানিব পাৰো। উৎপাদনশীল শক্তি যিমানেই উন্নত হয় সিমানেই প্ৰকৃতিৰ ওপৰত মানুহৰ নিয়ন্ত্ৰণ বেছি হয়। মাৰ্ক্সৰ মতে উৎপাদন শক্তিসমূহৰ ভিতৰত উৎপাদনৰ মাধ্যম আৰু শ্ৰম শক্তি অন্তৰ্ভুক্ত।

প্ৰতিটো সামাজিক ব্যৱস্থাতে উৎপাদনৰ বস্তুগত শক্তিৰ নিৰন্তৰ পৰিৱৰ্তন ঘটে। কেতিয়াবা জনজাতীয় সমাজৰ দৰে এই পৰিৱৰ্তন কিছুমান প্ৰাকৃতিক আৰু পৰিৱেশগত পৰিঘটনাৰ দ্বাৰা উৎপন্ন হয়, যেনে নদী শুকাই যোৱা, বনাঞ্চল ধ্বংস বা ভূমিস্খলন হোৱা ইত্যাদি। মানুহে সদায়

নিজৰ জীৱন উন্নত কৰাৰ লগতে অভাৱ দূৰ কৰাৰ চেষ্টা কৰি আহিছে। উৎপাদন শক্তিৰ বিকাশে মানুহৰ শ্ৰমৰ জৰিয়তে প্ৰকৃতিক আয়ত্ত কৰিবলৈ কৰা অহৰহ সংগ্ৰামক প্ৰতিফলিত কৰে।

উৎপাদন শক্তিৰ বিকাশ প্ৰাথমিক কাৰণ হ'ল এটা কাৰকৰ ফলাফল, যি এক অৰ্থত বহির্জাতীয়। (Motive forces) প্ৰেৰণা শক্তি উৎপাদনৰ শক্তিৰ সম্পৰ্কৰ বাহিৰত থাকে আৰু এটাই আনটোৰ ওপৰত প্ৰভাৱ কৰে।

প্ৰেৰণা শক্তি হ'ল মানুহৰ যুক্তিবাদী আৰু চিৰবৰ্তিত অনুপ্ৰেৰণা যিয়ে নিজৰ পৰিস্থিতি উন্নত কৰাৰ লগতে উৎপাদনশীল শক্তিসমূহ বিকশিত কৰি অভাৱ দূৰ কৰিবলৈ চেষ্টা কৰে। মানুহ সৰ্বোপৰি জীৱ-জন্তুৰ দৰে, নিজৰ শ্ৰমৰ জৰিয়তে প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি সমাজ গঠন কৰি আহিছে। উৎপাদনশীল শক্তিসমূহে প্ৰকৃতিক ব্যৱহাৰ মূল্য আৰু বিনিময় মূল্যলৈ ৰূপান্তৰিত কৰে। উৎপাদনশীল শক্তিয়ে মানুহৰ মাজত উৎপাদন পদ্ধতিসমূহৰ সৃষ্টি আৰু ধ্বংস কৰে।

উৎপাদনশীল শক্তিসমূহৰ বিকাশৰ এক অন্তর্নিহিত প্ৰৱণতা থাকে, কাৰণ সময়ৰ লগত মানুহে প্ৰকৃতিৰ ব্যৱহাৰযোগ্যতা আৰু জ্ঞান বৃদ্ধি পায়। ফলস্বৰূপে এই শক্তিসমূহৰ বিকাশৰ লগে লগে উৎপাদনৰ লগত সামাজিক সম্পৰ্কৰো বিকশিত হয়। বিকাশৰ এটা বিশেষ অৱস্থাত উৎপাদনশীল শক্তি আৰু উৎপাদন সম্পৰ্ক সংঘাতত লিপ্ত হয় ঃ পিছৰটোৱে প্ৰথমটোক ধৰি ৰাখিবলৈ অস্থিৰ হৈ পৰে। তেতিয়া সমাজত বিপ্লৱৰ যুগৰ সূচনা হয়। নতুন অৰ্থনৈতিক গাঁথনিৰ বাবে কৰা কাৰ্যকলাপত বিশ্বাসীসকল আৰু পু�ৰণিৰ ৰক্ষকত বিশ্বাসীসকলৰ মাজত নিজৰ নিজৰ চিন্তা আৰু যুক্তিৰে শ্ৰেণী সংগ্ৰামৰ অস্তিত্ব স্বীকাৰ কৰি সমাজত এনে বিষয়ে সচেতনতা বৃদ্ধি কৰে। মানৱ ইতিহাসৰ বৈশিষ্ট্য হিচাপে পৰিগণিত হোৱা উৎপাদনৰ বিভিন্ন আৰ্থ-সামাজিক সংগঠনে সমাজৰ উৎপাদন ক্ষমতাৰ সম্প্ৰসাৰণ সক্ষম বা বাধা প্ৰদান কৰাৰ লগে লগে উত্থান বা পতন ঘটে। এইদৰে উৎপাদনশীল শক্তিসমূহৰ বৃদ্ধিয়ে মানৱ ইতিহাসৰ সাধাৰণ গতিপথৰ ব্যাখ্যা কৰে।

সমাজতান্ত্রিক সমাজক আক্ষৰিকভাৱে সংজ্ঞায়িত কৰিবলৈ হ'লে ই সামাজিক সংগঠনৰ এনে এক ব্যৱস্থাক বুজায় যি মূলতঃ সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক জীৱনৰ সকলো দিশতে সমতাবাদী নীতিৰ দ্বাৰা পৰিচালিত সম্পদৰ উমৈহতীয়া মালিকানাৰ দ্বাৰা চিহ্নিত।

সমাজবাদৰ উৎপত্তিৰ সময় মাজদাকৰ সমসাময়িক বুলি ধৰা হয়, যাক প্রায় ষষ্ঠ শতিকাত পাৰস্যৰ পৰা অহা এজন ধর্মীয় সংস্কাৰক আৰু কর্মী হিচাপে গণ্য কৰা হৈছিল, যিয়ে ধর্মৰ ওপৰত আধাৰিত সমাজতান্ত্রিক সমাজৰ পোষকতা কৰিছিল। তদুপৰি, বহু পিছত, সমাজতান্ত্রিক চিন্তাধাৰাৰ সাৰাংশ কিছুমান ৰচনাত প্রতিফলিত হৈছিল। উদাহৰণস্বৰূপে, ১৭৯৭ চনত থমাছ পেইনে তেওঁৰ "কৃষিভিত্তিক ন্যায়বিচাৰ"ত দৰিদ্র লোকসকলৰ বাবে ধন পৰিশোধ কৰিবলৈ ধনী লোকসকলৰ ওপৰত কৰ আৰোপ কৰাৰ ধাৰণাটোৰ বিষয়ে আলোচনা কৰিছিল। আকৌ, চার্লছ হলে তেওঁৰ "ইউৰোপীয় ৰাষ্ট্রসমূহৰ জনসাধাৰণৰ ওপৰত সভ্যতাৰ প্রভাৱ" (১৮০৫) ত পুঁজিবাদ আৰু ই দৰিদ্র লোকসকলৰ ওপৰত ইয়াৰ পেলোৱা প্রভাৱসমূহক সমালোচনা কৰিছিল। এই গ্রন্থসমূহে সেই সময়ৰ সমাজবাদী চিন্তাধাৰাৰ প্রকৃতিৰ উদাহৰণ দিয়ে, যাৰ কেন্দ্রবিন্দু তুলনামূলকভাৱে সংকুচিত স্পর্শৰ ওপৰত আছিল আৰু সেয়েহে বর্তমানৰ সমাজবাদী চিন্তাধাৰাৰ পৰা এই চিন্তাধাৰা কিছু পৃথক আছিল।

১৭৮৯ চনৰ ফৰাচী বিপ্লৱৰ সময়ত আধুনিক সমাজবাদৰ ধাৰণাই গুৰুত্ব লাভ কৰিছিল। ফ্রান্সৰ সমাজৰ দ্রুতগতিত বৃদ্ধি পোৱা ঔদ্যোগিকৰণ আৰু মূলধনীকৰণে একে সময়তে দৰিদ্রতা, অন্যায়, প্রদূষণ আদিৰ দ্বাৰা চিহ্নিত প্রগতি আৰু উন্নয়নৰ অন্ধকাৰ দিশটো পোহৰলৈ আনিছিল। সমাজৰ উদাসীনতাৰ পৰা ওপৰলৈ উঠাৰ প্রয়াস হিচাপে সেই সময়ৰ চিন্তাবিদসকলে সমাজৰ বিকাশ আৰু প্রগতিক অধিক মানৱীয় ৰূপত আশা কৰিছিল। এই প্রচেষ্টাত, তেওঁলোকে ধনী আৰু দৰিদ্র, সুবিধাপ্রাপ্ত আৰু বঞ্চিত উভয়ৰে বাবে এক সমাজৰ কল্পনা কৰিছিল, যি সকলোৱে নিজকে প্রকাশ কৰাৰ এক স্থান হয়। অৱশ্যে, এই সময়ছোৱাত ৰাজনৈতিক দিশৰ সৈতে সমাজবাদৰ চিনাক্তকৰণ হোৱা নাছিল।

অৱশ্যে ১৯শ শতিকাত সমাজবাদক এক ব্যৱস্থা হিচাপে বহুলভাৱে আলোচনা কৰা হৈছিল। এই সময়ৰ সমাজবাদৰ ধাৰণাৰ সৈতে জড়িত কিছুমান প্রাৰম্ভিক চিন্তাবিদ আছিল ক্লৗড হেনৰী ডি. ৰুভৰয়, ক'ট ডি ছেইণ্ট চাইমন (১৭৬০-১৮২৫) চার্লছ ফ'ৰিয়াৰ (১৭৭২-১৮৩৭)

পিয়েৰ-যোচেফ প্ৰুধন (১৮০৯-১৮৬৫) লুই ব্লাঙ্ক (১৮১১-১৮৮২) ৰবার্ট অ'ৱেন ইত্যাদি। মন কৰিবলগীয়া যে এই সময়ছোৱাতো সমাজবাদৰ সমর্থকসকলে সমাজবাদক শাসন ব্যৱস্থাৰ ক্ষেত্ৰত বা উৎপাদনৰ মাধ্যমৰ অর্থত সংজ্ঞায়িত কৰা নাছিল। প্ৰাৰম্ভিক সময়ৰ দৰেই ইয়াক দ্ৰুতগতিত বৃদ্ধি পোৱা পুঁজিবাদী, উদ্যোগপতি সমাজত দৰিদ্ৰ লোকসকলৰ বাবে ন্যায় আৰু সমতা অনাৰ এক উপায় হিচাপে বিবেচনা কৰা হৈছিল।

তলত দিয়া বিৱৰণত সমাজবাদৰ ওপৰত প্ৰাৰম্ভিক পণ্ডিতসকলৰ চিন্তা আৰু ধাৰণাসমূহ বর্ণনা কৰা হৈছে।

ক্লড হেনৰী ডি ৰুভৰয়, ক'ট ডি ছেইণ্ট-চাইমনৰ ১৭৬০ চনৰ ১৭ অক্টোবৰত ফ্ৰান্সত জন্ম হৈছিল। তেওঁক এগৰাকী ইউটোপিয়ান সমাজবিজ্ঞানী হিচাপে জনা যায়। তেওঁক ফৰাচী সমাজবাদৰ প্ৰতিষ্ঠাপক বুলি গণ্য কৰা হয়। তেওঁৰ মতে সমাজতান্ত্ৰিক নীতিৰ দ্বাৰা পৰিচালিত এখন সমাজক ৰাষ্ট্ৰ শাসিত সামগ্ৰী আৰু সেৱাৰ উৎপাদন আৰু বিতৰণৰ দ্বাৰা চিহ্নিত কৰিব লাগে, যাৰ দ্বাৰা সকলো ব্যক্তিয়ে নিজৰ নিজৰ প্ৰতিভা আৰু দক্ষতাক পুষ্ট কৰাৰ সুযোগৰ সমতা লাভ কৰিব।

১৭৭২ চনৰ ৭ এপ্ৰিলত চার্লছ ফ'ৰিয়াৰৰ জন্ম হৈছিল। তেওঁক ফ্ৰান্সৰ এজন ইউটোপিয়ান সমাজবাদী হিচাপেও জনা যায়। নাৰীৰ স্বাধীনতাৰ হকে মাত মতাৰ বাবে তেওঁক কৃতিত্ব দিয়া হয়। ১৮০৯ চনৰ ১৫ জানুৱাৰীত ফ্ৰান্সত পিয়েৰ-জোসেফ প্ৰুধনৰ জন্ম হৈছিল। তেওঁ এজন বিখ্যাত ফৰাচী ৰাজনীতিবিদ আছিল। তেওঁ যুক্তি দিছিল যে ৰাষ্ট্ৰখন এক বলপূর্বক সত্তা আৰু ৰাষ্ট্ৰৰ বলপূর্বকতাক উৎখাত কৰাৰ উপায় হিচাপে সমাজবাদক সমর্থন কৰিছিল।

মিখাইল বাকুনিনৰ জন্ম হৈছিল ১৮১৪ চনৰ ১৮ মে'ত। তেওঁ ৰাছিয়াৰ এজন বিপ্লৱী নৈৰাজ্যবাদী হিচাপে সুপৰিচিত। তেওঁ যুক্তি দিছিল যে সমাজতান্ত্ৰিক ব্যৱস্থাত সকলোৱে বাবে সম্পদৰ সমতা থাকিব, আৰু উৎপাদনৰ উপায়সমূহ শ্ৰমিকসকলে নিজেই চোৱাচিতা কৰিব। সেয়েহে বাকুনিন এজন স্বাধীনতাবাদী সমাজবাদী হিচাপে পৰিচিত আছিল।

১২.৪ সামাজিক বিৱর্তনৰ মার্ক্সবাদী ধাৰণা-দ্বান্দ্বিক বস্তুবাদ

উপৰোক্ত বিৱৰণত এটা সাধাৰণ ধাৰণাৰ ওপৰত আলোকপাত কৰে অর্থাৎ, সমাজবাদৰ পর্যায়টোক সমাজৰ এক উন্নত পর্যায় হিচাপে গণ্য কৰা হয়। এই ভিত্তিয়ে অনিবার্যভাৱে বুজাই যে সমাজবাদ সামাজিক জীৱনৰ অন্যান্য পর্যায়ৰ আগত আছে। কার্ল মার্ক্সৰ সমাজ, সামাজিক প্ৰগতি আৰু বিবর্তনৰ বিৱৰণৰ দ্বাৰা ইয়াক ভালদৰে বুজিব পাৰি। মার্ক্সে তেওঁৰ 'দ্বান্দ্বিক বস্তুবাদ' ৰ ধাৰণাৰ জৰিয়তে সামাজিক বিবর্তন ব্যাখ্যা কৰিছিল। দ্বান্দ্বিকতাৰ আক্ষৰিক অর্থত যুক্তি আৰু যুক্তিৰ দ্বাৰা নির্দেশিত এক উন্নত পর্যায়ত উপনীত হ'বলৈ চেষ্টা কৰাৰ সময়ত বিৰোধী দৃষ্টিভংগীৰ মাজৰ আলোচনাক বুজায়। বস্তুবাদে এই ধাৰণাক বুজায় যে সামগ্ৰী হৈছে সকলো দিশৰ নির্ণায়ক। মার্ক্সে যুক্তি দিয়ে যে সকলো দিশ বস্তুগত পৰিঘটনাৰ দ্বাৰা নির্ধাৰণ কৰা হয়। তেওঁ আৰু যুক্তি

দিয়ে যে প্রগতি আৰু পৰিৱর্তনৰ পর্যায়বোৰ নিম্নলিখিত পর্যায়বোৰৰ মাজেৰে পাৰ হোৱা দেখা যায় ঃ thesis, antithesis, synthesis। ইয়াৰ অর্থ হৈছে যে এটা সামাজিক পর্যায় হৈছে এক নির্দিষ্ট প্রস্তাৱ (thesis) ৰ বৈশিষ্ট্য, যাৰ সময় আৰু জ্ঞানৰ প্রগতিৰ সৈতে খণ্ডন কৰাৰ প্রৱণতা আছে (antithesis), দ্বন্দ্ব আৰু বিতর্কই আৰু এক নতুন পর্যায়ৰ জন্ম দিব (synthesis)। এই উপলব্ধিৰ ভিত্তিত মার্ক্সে সামাজিক বিবর্তন বিশ্লেষণ কৰিছিল আৰু যুক্তি দিছিল যে সমাজ কিছুমান নির্ধাৰিত পর্যায়ৰ মাজেৰে আগবাঢ়ি যায়। তেওঁৰ মতে, প্রতিটো পর্যায় উৎপাদনৰ এক পৃথক পদ্ধতিৰ দ্বাৰা সংজ্ঞায়িত কৰা হয়, যি প্রযুক্তিৰ পৰিৱর্তনৰ সৈতে সলনি হয়।

উৎপাদনৰ ধৰণক উৎপাদন আৰু উৎপাদন শক্তিৰ সম্পর্কৰ মাজৰ সম্পর্ক হিচাপে সংজ্ঞায়িত কৰা হয়। সৰল অর্থত, উৎপাদনৰ সম্পর্কক উৎপাদনৰ মাধ্যমৰ মালিক আৰু অ-মালিকৰ মাজৰ সম্পর্ক হিচাপে সংজ্ঞায়িত কৰিব পাৰি। উৎপাদন শক্তিয়ে উৎপাদনত ব্যৱহৃত কৌশল, সঁজুলিসমূহক বুজায়।

মার্ক্সৰ মতে সমাজৰ বিকাশৰ পর্যায়সমূহ তলত উল্লেখ কৰা হ'ল ঃ

- **আদিম সাম্যবাদ ঃ** এই পর্য্যায়টো ব্যক্তিগত সম্পত্তিৰ অভাৱ, সামাজিক পদানুক্রম ইত্যাদিৰ দ্বাৰা চিহ্নিত কৰা হয়। ইয়াক সাধাৰণতে এক চিকাৰ-সংগ্রহ সমাজ হিচাপে গণ্য কৰা হয় যি সামূহিক জীৱনৰ গুৰুত্বৰ ওপৰত আধাৰিত।
- **প্রাচীন উৎপাদন পদ্ধতি ঃ** ইয়াক সম্পত্তিৰ ব্যক্তিগত মালিকানাৰ দ্বাৰা চিহ্নিত কৰা হয়। অৱশ্যে, ইয়াত সম্পত্তিয়ে সাধাৰণতে মানুহৰ ওপৰত অধিকাৰ বুজায়, অর্থাৎ দাসত্ব। লগতে, কৃষি আৰু কৃষিক্ষেত্রত জীৱ-জন্তুৰ ব্যৱহাৰ ইয়াত দেখা যায়।
- **সামন্তবাদী উৎপাদন পদ্ধতি ঃ** ইয়াক ভূমিৰ ৰূপত সম্পত্তিৰ মালিকানাৰ দ্বাৰা চিহ্নিত কৰা হয়। ভূমিৰ মালিকসকলক সামন্ত প্রভু বুলি কোৱা হয়, আৰু অ-মালিকসকলক দাস বুলি কোৱা হয়। ইয়াত কৃষি এক ব্যাপক প্রথা হৈ পৰে, য'ত কৃষিক্ষেত্রত যন্ত্র ব্যৱহাৰ কৰা হয়।
- **পুঁজিবাদ ঃ** এই পর্যায়টোক সম্পত্তিৰ ব্যক্তিগত মালিকানা, লাভ উপার্জনৰ উদ্দেশ্য, এক নিয়ন্ত্রিত বজাৰ ব্যৱস্থা আদিৰ দ্বাৰা চিহ্নিত কৰা হয়। এই পর্য্যায়টো উদ্যোগীকৰণৰ দ্রুত বিকাশৰ দ্বাৰা চিহ্নিত, যিয়ে আৰু অধিক পৃথক নগৰ আৰু গ্রাম্য অঞ্চল, পৃথক শ্রেণী বিভাজন, মানুহৰ মাজত বিচ্ছিন্নতা বৃদ্ধি আদিৰ সৃষ্টি কৰে।
- **সমাজবাদ ঃ** ই হৈছে সামাজিক বিকাশৰ এক উন্নত আৰু প্রগতিশীল পর্যায়। এই পর্যায়টো উৎপাদনৰ মাধ্যমৰ সাধাৰণ মালিকানাৰ দ্বাৰা চিহ্নিত কৰা হয়, অর্থনৈতিক কার্যকলাপত বজাৰৰ ভূমিকা কম, সম্পদ আবণ্টন ৰাষ্ট্রৰ দ্বাৰা পৰিচালনা কৰা হয়, অর্থনৈতিক শ্রেণীৰ অভাৱ ইত্যাদি।
- **সাম্যবাদ ঃ** এই পর্যায়টোক সমাজবাদৰ উন্নত পর্যায় বুলিও জনা যায়। সমাজতান্ত্রিক সমাজৰ বিপৰীতে ৰাষ্ট্রৰ অনুপস্থিতি ইয়াৰ বৈশিষ্ট্য। সেয়েহে, ৰাষ্ট্রৰ পৰিৱর্তে, ইয়াত

অর্থনৈতিক কার্যকলাপবোৰ সমবায়ৰ ৰূপত সম্প্রদায়ৰ দ্বাৰা হাতত লোৱা আৰু পৰিচালনা কৰা হ'ব। নাগৰিকসকলে সামূহিকভাৱে সমবায়সমূহৰ কাম-কাজ পৰিচালনা কৰিব।

১২.৫ সমাজবাদী সমাজ

ওপৰোক্ত বিৱৰণত বর্ণনা কৰা অনুসৰি পুঁজিবাদী সমাজ সমাজতান্ত্রিক সমাজৰ আগত আছে। সেয়েহে, ইয়াক সামাজিক ব্যৱস্থাৰ এক আদর্শ ব্যৱস্থা হিচাপে কল্পনা কৰা হৈছে যাক পুঁজিবাদী সমাজতকৈ উন্নত আৰু উৎকৃষ্ট বুলি গণ্য কৰা হয়। সেয়েহে, ইতিমধ্যে উল্লেখ কৰা সাধাৰণ বৈশিষ্ট্যসমূহৰ উপৰিও, সমাজবাদী সমাজক নিম্নলিখিতবোৰৰ দ্বাৰা স্বীকৃতি দিয়া বুলি দাবী কৰা হৈছে ঃ

১. পুঁজিবাদী অর্থনীতিৰ বিপৰীতে, অতিৰিক্ত উৎপাদন বা কম উৎপাদন, কর্মহীনতা আদিৰ অভাৱৰ বাবে সমাজবাদী অর্থনীতিৰ অর্থনৈতিক দক্ষতা আছে বুলি কোৱা হয়, যিটো অর্থনীতিৰ ৰাজ্যিক ব্যৱস্থাপনাৰ ফলত হয়।

২. সমাজতান্ত্রিক সমাজত সামগ্রী বা ধনৰ লেনদেনৰ ব্যৱস্থা হিচাপে বজাৰ নাই, কিয়নো সমাজতান্ত্রিক সমাজত এনে মাধ্যমৰ কোনো প্রয়োজন নাই। সমাজতান্ত্রিক সমাজত বিতৰণৰ কাম ৰাষ্ট্রৰ দ্বাৰা সম্পন্ন কৰা হয়, আদর্শগতভাৱে "প্রত্যেককে, তেওঁৰ প্রয়োজন অনুসৰি" নীতিৰ ওপৰত আধাৰিত।

৩. সমাজতান্ত্রিক সমাজক সম্পূর্ণৰূপে ৰাষ্ট্রৰ দ্বাৰা পৰিচালিত হোৱাৰ বাবে প্রকৃতিগতভাৱে গণতান্ত্রিক আৰু সমতাবাদী বুলি গণ্য কৰা হয়।

সমাজ হৈছে কেইবাটাও উপাদানৰ এক উপাদান, যি ইজনে সিজনৰ ওপৰত পৰস্পৰ নির্ভৰশীল, আৰু তেওঁলোকৰ আন্তঃ-সম্পর্কই সমাজৰ সত্তাৰ জন্ম দিয়ে। সমাজৰ কিছুমান গুৰুত্বপূর্ণ বিস্তৃত উপাদানৰ ভিতৰত আছে সমাজৰ ৰাজনীতি, অর্থনীতি আৰু সংস্কৃতি, আৰু আন কেইবাটাও। সমাজ এখনৰ অর্থনীতি সাধাৰণতে ইয়াৰ বজাৰ ব্যৱস্থা, শ্রম ব্যৱস্থাপনা, সামগ্রীৰ উৎপাদন আদিৰ দ্বাৰা উপলব্ধি কৰা হয়। বিস্তৃতভাৱে, অর্থনৈতিক কার্যকলাপসমূহক তলত দিয়া ধৰণে শ্রেণীবদ্ধ কৰা হৈছে ঃ উৎপাদন, সঞ্চাৰ আৰু ব্যৱহাৰৰ প্রণালী। এই তিনিটা প্রক্রিয়াই অর্থনীতিৰ এক সামগ্রিক বুজাত সহায় কৰে। তদুপৰি, এখন সমাজ আৰু ইয়াৰ উপাদানসমূহৰ কার্য্যকলাপ সমাজখনে পালন কৰা বৃহত্তৰ আদর্শগত আৰু ৰাজনৈতিক নীতিৰ ওপৰত আধাৰিত। সেয়েহে, এটা সমাজৰ কার্য্যকলাপৰ পদ্ধতি বেলেগ আদর্শগত পটভূমিৰ আন এখন সমাজৰ পৰা পৃথক হ'ব পাৰে। সমাজতান্ত্রিক অর্থনীতি, ইয়াৰ ওপৰত আধাৰিত আদর্শগত পৰিসৰৰ বাবে, এক নির্দিষ্ট আচৰণ পদ্ধতিৰ দ্বাৰা বৈশিষ্ট্যযুক্ত।

সমাজতান্ত্রিক অর্থনীতি বুজিবলৈ, তলত দিয়া বিৱৰণত তিনিটা বিস্তৃত অর্থনৈতিক কার্যকলাপৰ বিষয়ে আলোচনা কৰা হৈছে।

১২.৫.১ উৎপাদন পদ্ধতি

সমাজতান্ত্রিক উৎপাদন ব্যৱস্থাত সামগ্রী আৰু সেৱাৰ উৎপাদনৰ উদ্দেশ্য হৈছে ব্যৱহাৰ। পুঁজিবাদী সমাজৰ বিপৰীতে ইয়াত দেখা যায় যে উৎপাদনৰ আঁৰৰ উদ্দেশ্য কেৱল খৰচ নহয়, সামগ্রীৰ বাণিজ্যিকীকৰণ আৰু সেয়েহে অৱশেষত লাভ সৃষ্টি কৰা আৰু সর্বাধিক লাভ কৰা। ইয়াৰ অর্থ হৈছে যে সামগ্রী আৰু সেৱাসমূহৰ সংজ্ঞা আৰু মূল্য উপযোগিতাৰ বাবে নির্ধাৰণ কৰা হয়, সমাজতান্ত্রিক সমাজত তেওঁলোকৰ বজাৰ মূল্যৰ বাবে নহয়।

সমাজতান্ত্রিক অর্থনীতিত উৎপাদিত সামগ্রী আৰু সেৱাৰ বজাৰমুখীকৰণৰ অভাৱে স্পষ্টভাৱে সূচায় যে সামগ্রীসমূহ বজাৰ ব্যৱস্থা আৰু চাহিদা আৰু যোগানৰ চক্রৰ অধীন নহয়। সেয়েহে, পুঁজিবাদী অর্থনীতিৰ তুলনাত সমাজবাদী সমাজত উৎপাদন ব্যৱস্থা অধিক সুস্থিৰ আৰু বিপদমুক্ত।

উৎপাদনৰ মাধ্যমৰ মালিকীস্বত্বৰ কথা বিবেচনা কৰাৰ ক্ষেত্রত কেইবাটাও পদ্ধতি প্রস্তুত কৰা হৈছে যিবোৰ সমাজতান্ত্রিক সমাজৰ বাবে আদর্শ পদ্ধতি হিচাপে পৰিগণিত হৈছে। প্রথমতে, সমাজতান্ত্রিক সমাজত উৎপাদনৰ মাধ্যমসমূহ জনসাধাৰণৰ মালিকানাধীন হ'ব পাৰে। ৰাজহুৱা মালিকানাৰ অর্থ হ'ব যে উৎপাদনৰ মাধ্যমসমূহ ৰাষ্ট্রৰ মালিকানাধীন। ইয়াৰ পিছত, উৎপাদনৰ মাধ্যমৰ মালিকানা প্রত্যক্ষভাৱে ব্যৱহাৰকাৰীসকলৰ দ্বাৰা হ'ব পাৰে যাক সমবায়ৰ দ্বাৰা সহজ কৰি তুলিব পাৰি। আকৌ, উৎপাদনৰ মাধ্যমবোৰ সাধাৰণতে সমগ্র সমাজৰ মালিকানাধীন হ'ব পাৰে য'ত প্রক্রিয়াটো তেওঁলোকৰ মাজৰ মুষ্টিমেয় লোকৰ দ্বাৰা পৰিচালিত হ'ব।

তদুপৰি, সমাজতান্ত্রিক সমাজক বিশেষকৈ অর্থনৈতিক ক্ষেত্রত বৈষম্যহীন ক্ষমতাৰ সম্পর্কৰ দ্বাৰা চিহ্নিত কৰা হয়, যিয়ে কর্ম ব্যৱস্থাপনাৰ এক স্তৰবিহীন ব্যৱস্থাৰ প্রচাৰত আৰু সহায় কৰে। এক সমাজতান্ত্রিক কর্মক্ষেত্রৰ বৈশিষ্ট্য হ'ব সিদ্ধান্ত লোৱাৰ ক্ষমতা আৰু সকলো শ্রমিকৰ অংশগ্রহণ ক্ষমতা।

সমাজতান্ত্রিক সমাজৰ এটা প্রাথমিক লক্ষ্য হৈছে বিচ্ছিন্নতাৰ ধাৰণাটো আঁতৰ কৰা। পুঁজিবাদী সমাজক বিচ্ছিন্নতাৰ দ্বাৰা চিহ্নিত কৰা হয়, যাক কার্ল মার্ক্সে বিচ্ছিন্নতা বা বিচ্ছিন্নতাৰ অনুভূতি হিচাপে সংজ্ঞায়িত কৰে। মার্ক্সৰ "১৮৪৪ চনৰ অর্থনৈতিক আৰু দার্শনিক পাণ্ডুলিপি" ১৯২৭ ৰ মতে পুঁজিবাদী সমাজত বিচ্ছিন্নতা মূলতঃ চাৰিটা ভিন্ন প্রকাৰৰ হ'ব পাৰে ঃ

সামগ্রীৰ পৰা শ্রমিকৰ বিচ্ছিন্নতা ঃ ইয়াৰ উদ্ভৱ হয় কাৰণ পুঁজিবাদী সমাজত সামগ্রী আৰু সেৱা উৎপাদনৰ পৰিকল্পনা আৰু পদ্ধতি শ্রমিকৰ দ্বাৰা নির্ধাৰণ কৰা নহয়। উৎপাদন কার্যৰ পৰা শ্রমিকৰ বিচ্ছিন্নতাঃ কামৰ যান্ত্রিক আৰু পুনৰাবৃত্তিমূলক প্রকৃতিয়ে

শ্রমিকৰ বাবে কোনো মানসিক সন্তুষ্টি এৰি নিদিয়ে, যাৰ ফলত শ্রমিকজনৰ কামৰ প্রতি কোনো আসক্তি বা উৎসাহ নাথাকে।

সহকর্মী মানুহৰ পৰা শ্রমিকৰ বিচ্ছিন্নতা ঃ দীঘলীয়া আৰু নিয়মীয়া শ্রমৰ ফলত শ্রমিকসকলৰ মনোৰঞ্জন আৰু সামাজিকীকৰণৰ বাবে কম সময় থাকে, যাৰ ফলত শ্রমিকসকলৰ মাজত আনৰ পৰা বিচ্ছিন্নতাৰ অনুভৱ হয়।

শ্রমিকক আন শ্রমিকৰ পৰা বিচ্ছিন্ন কৰা ঃ পুঁজিবাদী সমাজত শ্রম এক সামগ্রী হৈ পৰে যি ধনৰ বিনিময়ৰ অধীন। কামৰ এই প্রকৃতিয়ে শ্রমিকসকলক সংযোগ আৰু তেওঁলোকৰ মাজত মিহলি হোৱাৰ মনোভাৱ হেৰুৱাই পেলায়।

সমাজতান্ত্রিক সমাজৰ লক্ষ্য হৈছে লোকসকলক বলপূর্বক শ্রমৰ পৰা মুক্ত কৰি বিচ্ছিন্নতা নির্মূল কৰা।

১২.৫.২ বিতৰণ পদ্ধতি

শ্রমৰ সামগ্রীৰ সঞ্চাৰ বা বিতৰণ হৈছে আন এক গুৰুত্বপূর্ণ অর্থনৈতিক কার্যকলাপ। উল্লেখ কৰা হৈছে যে পুঁজিবাদী সমাজত শ্রম, সামগ্রী আৰু সেৱাৰ মূল্য বজাৰ শক্তিৰ দ্বাৰা নির্ধাৰণ কৰা হয়, যাক বিনিময় মূল্যৰ ক্ষেত্রত প্রকাশ কৰা হয়। অৱশ্যে সমাজতান্ত্রিক সমাজত তেনে হোৱা নাই। সমাজতান্ত্রিক সমাজত যুক্তি দিয়া হয় যে বিতৰণৰ প্রক্রিয়া শ্রমিকসকলৰ সমবায়ৰ দ্বাৰা পৰিচালিত হ'ব যাৰ দ্বাৰা সকলো শ্রমিকই গণতান্ত্রিক সিদ্ধান্ত গ্রহণত অংশগ্রহণ কৰিব।

এইটো বিখ্যাত উক্তিৰ দ্বাৰা প্রকাশ কৰা হৈছে "সকলোৰে পৰা তেওঁলোকৰ সামৰ্থ্য অনুসৰি, সকলোকে তেওঁলোকৰ প্রয়োজন অনুসৰি"। ইয়াৰ অর্থ হৈছে যে সমাজতান্ত্রিক সমাজত সম্পদসমূহ ধনী লোকসকলৰ মাজৰ পৰা সংগ্রহ আৰু সংগ্রহ কৰা হয় আৰু দৰিদ্র লোকসকলক তেওঁলোকৰ নিজ নিজ প্রয়োজনীয়তা আৰু প্রয়োজনীয়তা অনুসৰি বিতৰণ কৰা হয়। সেয়েহে সমাজতান্ত্রিক সমাজত বিতৰণৰ প্রক্রিয়াটো বজাৰ নেতৃত্বাধীন হস্তক্ষেপ নহয়, বৰঞ্চ সমগ্র সম্প্রদায় বা সমাজৰ দ্বাৰা কৰা এক সামূহিক গণতান্ত্রিক প্রক্রিয়া।

ওপৰোক্ত বিৱৰণত পুঁজিবাদী আৰু সমাজতান্ত্রিক বিতৰণ ব্যৱস্থাৰ মাজৰ পার্থক্য স্পষ্টভাৱে প্রকাশ কৰা তাত্ত্বিক যুক্তিসমূহৰ ওপৰত আলোকপাত কৰা হৈছে। অৱশ্যে, কার্ল মার্ক্সেও স্বীকাৰ কৰাৰ দৰে দেখা যায় যে বাস্তৱত এনে এক স্পষ্ট পার্থক্য দেখা কঠিন। নতুন সমাজবাদী সমাজ হৈছে পুৰণি পুঁজিবাদী সমাজৰ পৰা এক প্রগতি, সেয়েহে পিছৱটোৰ চিহ্ন পূর্বৱটোত দেখা পোৱা যায়।

তদুপৰি, পুঁজিবাদী সমাজক সামাজিকভাৱে প্রয়োজনীয় শ্রমিক সময়ৰ ধাৰণাৰ দ্বাৰা চিহ্নিত কৰা হয়। এইটো হৈছে এজন শ্রমিকই এক নির্দিষ্ট পৰিমাণৰ সামগ্রী উৎপাদন

কৰিবলৈ কিমান সময়ৰ বাবে কাম কৰিব লাগে। সামাজিকভাৱে প্ৰয়োজনীয় শ্ৰমৰ সময়ই (অন্যান্য কাৰকৰ সৈতে) শ্ৰমিকজনে লাভ কৰিব লগা মজুৰি নিৰ্ধাৰণ কৰে। অৱশ্যে, সমাজতান্ত্ৰিক সমাজত, সামাজিকভাৱে প্ৰয়োজনীয় শ্ৰমিক সময় শ্ৰমিকৰ অৱস্থা আৰু মজুৰিৰ সৈতে আবদ্ধ নহয়। ইয়াত, ইয়াক শ্ৰমিকৰ অৱস্থা পৰিচালনা কৰাৰ বাবে সীমিত ক্ষমতা থকা এটা কাৰক হিচাপে দেখা যায়।

সমাজতান্ত্ৰিক সমাজত শ্ৰম, সময় আৰু মজুৰি নিৰ্ধাৰণৰ বাবে ব্যৱহাৰিক, আদৰ্শ আৰ্হিটো কাৰ্ল মাৰ্ক্সে তলত বৰ্ণনা কৰিছে। তেওঁ যুক্তি দিয়ে যে সকলো শ্ৰমিকৰ শ্ৰমিক সময়ৰ সঞ্চয়ে সামাজিক শ্ৰমিক দিৱসক সংজ্ঞায়িত কৰিব। শ্ৰমিক দিৱসৰ এই পৰিমাপ, যেতিয়া গণনা কৰা হয় তেতিয়া প্ৰতিজন শ্ৰমিকই কৰা কামৰ সঠিক অংশ আৰু কামত খৰচ কৰা সময় প্ৰকাশ কৰিব।

শ্ৰমিকসকলে লাভ কৰা মজুৰি এটা দিনত বা এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰা তেওঁৰ কামৰ অংশৰ ওপৰত আধাৰিত হ ক্সব, যিটো এটা সাধাৰণ পুঁজিৰ পৰা দিয়া হ'ব।

১২.৫.৩ উপভোগ পদ্ধতি

সমাজতান্ত্ৰিক সমাজত যুক্তি দিয়া হয় যে পুঁজিবাদী সমাজৰ দৰে উৎপাদন আৰু ব্যৱহাৰৰ ব্যৱস্থাৰ মাজত তীক্ষ্ণ পাৰ্থক্য নাই। পুঁজিবাদী সমাজত, ব্যৱহাৰৰ সত্তাসমূহক সাধাৰণতে দুটা প্ৰকাৰত শ্ৰেণীবদ্ধ কৰা হয় ঃ প্ৰয়োজনীয় সামগ্ৰী আৰু বিলাস সামগ্ৰী।

পূৰ্বৰটোক জীয়াই থকাৰ বাবে প্ৰয়োজনীয় সামগ্ৰী হিচাপে সংজ্ঞায়িত কৰা হৈছে, পিছৰটোক বিলাসিতাৰ উদ্দেশ্যে সামগ্ৰী (আৰু সেৱা) হিচাপে সংজ্ঞায়িত কৰা হৈছে, আৰু সেয়েহে সেইবোৰ সাধাৰণতে ধনী লোকসকলৰ ব্যৱহাৰৰ তালিকাৰ অংশ গঠন কৰে। যুক্তি দিয়া হয় যে সমাজবাদী সমাজে সামগ্ৰীৰ এই পাৰ্থক্য প্ৰদৰ্শন কৰিব নোৱাৰে। সেয়েহে, ইয়াত উৎপাদন বৃদ্ধিৰ লগে লগে ৰাষ্ট্ৰীয় আয় বৃদ্ধি হয় যাৰ ফলত অৱশেষত খৰচৰ পৰিমাণ বৃদ্ধি পায়।

ইয়াৰ ফলত সমাজত খৰচ বৃদ্ধি পায়, যাৰ ফলত জনসাধাৰণৰ প্ৰয়োজনীয়তা আৰু প্ৰয়োজনীয়তাৰ অধিক পূৰণৰ ইংগিত পোৱা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ "কৃষি ন্যায়" গ্ৰন্থখনৰ লেখক কোন?

.....

প্ৰশ্ন ২ ঃ বস্তুবাদক সংজ্ঞায়িত কৰক।

.....

.....

প্ৰশ্ন ৩ ঃ সামন্তবাদী উৎপাদন পদ্ধতিৰ এটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....



১২.৬ অধ্যায়টিৰ পৰা কি শিকিলোঁ

- সমাজতান্ত্ৰিক ধাৰণাৰ আৰম্ভণি প্ৰায় ষষ্ঠ শতিকাত হোৱা বুলি অনুমান কৰিব পাৰি। অৱশ্যে ফৰাচী বিপ্লৱৰ সময়ত সমাজবাদে গুৰুত্ব লাভ কৰিছিল। ইয়াৰ উপৰিও বৰ্তমানৰ দাৰ্শনিক ৰূপত ই কেৱল অষ্টাদশ আৰু ঊনবিংশ শতিকাত ব্যাপকভাৱে বিস্তৃত হ'বলৈ আৰম্ভ কৰিছিল।
- কাৰ্ল মাৰ্ক্সে সামাজিক বিবৰ্তন আৰু প্ৰগতিৰ বিষয়ে এক প্ৰক্ৰিয়া হিচাপে আলোচনা কৰিছিল, যাক দ্বান্দ্বিক বস্তুবাদ বুলি কোৱা হয়। ই কিছুমান পৰ্যায়ৰ দ্বাৰা বৈশিষ্ট্যযুক্ত, যিবোৰৰ মাজেৰে সকলো সমাজ পাৰ হয়। সমাজবাদক মাৰ্ক্সে সমাজৰ এক উন্নত পৰ্যায় হিচাপে কল্পনা কৰিছিল।
- সমাজতান্ত্ৰিক সমাজৰ কিছুমান সাধাৰণ বৈশিষ্ট্য হ'ল সমাজতান্ত্ৰিক সমাজ গণতান্ত্ৰিক, সমতাবাদী, অৰ্থনৈতিক দক্ষতাৰ দ্বাৰা চিহ্নিত, মুখ্য অৰ্থনৈতিক কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰিবলৈ বজাৰ নিৰ্ধাৰিত ব্যৱস্থাৰ অভাৱ।
- পুঁজিবাদী সমাজৰ বিপৰীতে সমাজতান্ত্ৰিক সমাজত উৎপাদনৰ মাধ্যমসমূহ বহুলাংশে সম্প্ৰদায়ভিত্তিক। তদুপৰি, ইয়াত, সামগ্ৰী আৰু সেৱাৰ উৎপাদনৰ আঁৰৰ উদ্দেশ্য হৈছে ব্যৱহাৰ, লাভ উপাৰ্জন নহয়।
- সমাজতান্ত্ৰিক সমাজত, সম্পদৰ সঞ্চাৰ বা বিতৰণ বজাৰ প্ৰণালীৰ দ্বাৰা নিৰ্দেশিত নহয়, ইয়াৰ বিপৰীতে সমতাবাদী নীতিৰ ওপৰত আধাৰিত কৰি সম্প্ৰদায়ৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়।
- সমাজতান্ত্ৰিক সমাজত, সকলো সামগ্ৰী আৰু সেৱা সকলো মানুহৰ ব্যৱহাৰৰ বাবে উপলব্ধ হ'ব। তদুপৰি, পুঁজিবাদী সমাজৰ বিপৰীতে, এক বৰ্ধিত সমাজবাদী অৰ্থনীতিয়ে সকলোৰে বাবে সম্পদৰ সমান বিতৰণৰ ইংগিত দিব।



১২.৭ অধিক জানিবলৈ

1) Abercrombie, Nicholas; Stephen Hill & Bryan S. Turner; 2000; The penguin Dictionary of Sociology; England.

2) Borgotta, Edgar F. & Rhonda J. V. Montgomery; 2000; Encyclopedia of Sociology; Cengage Learning Publisher.

3) Haralambos, H & R M Heald; 1997; Sociology : Themes and Perspectives; Oxford Publication.



১২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ থমাছ পেইন

২ নং প্রশ্নৰ উত্তৰ ঃ বস্তুবাদৰ অর্থ হ'ল বস্তুই সকলো দিশৰ নির্ধাৰক।

৩ নং প্রশ্নৰ উত্তৰ ঃ ভূমিৰ ৰূপত সম্পত্তিৰ মালিকানা সামন্তবাদী উৎপাদন পদ্ধতিৰ এটা বৈশিষ্ট্য।



১২.৯ আৰ্হি প্রশ্ন

(ক) চমু প্রশ্ন (প্রায় ১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ সমাজবাদী সমাজৰ সাধাৰণ বৈশিষ্ট্যসমূহ কিছুমান উল্লেখ কৰক।

প্রশ্ন নং ২ ঃ দ্বন্দ্বমূলক বস্তুবাদৰ ধাৰণাৰ সহায়ত মার্ক্সবাদী সামাজিক উন্নতিৰ ধাৰণা আলোচনা কৰক।

(খ) ৰচনাধর্মী প্রশ্ন (প্রায় ৩০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ সমাজবাদী সমাজৰ উৎপাদনৰ ব্যৱস্থাৰ বিৱৰণ দিয়া।

প্রশ্ন নং ২ ঃ সমাজবাদী সমাজৰ বিতৰণ আৰু উপভোগৰ ব্যৱস্থা পুঁজিবাদী সমাজৰ পৰা কেনেকৈ ভিন্ন ? ব্যাখ্যা কৰক।

****

অধ্যায় ১৩ঃ অর্থনীতি আৰু ৰাষ্ট্ৰ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ পৰিকল্পিত অর্থনীতি
১৩.৪ কল্যাণকামী ব্যৱস্থাৱলী
১৩.৫ ৰাষ্ট্ৰ আৰু গোলকীয় বজাৰ
১৩.৬ গোলকীকৰণ, অর্থনীতি আৰু সমাজ
১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৮ অধিক জানিবলৈ
১৩.৯ অগ্রগতিৰ খতিয়ান
১৩.১০ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টিৰ অধ্যয়নে আপোনাক সক্ষম কৰিব—

- পৰিকল্পিত অর্থনৈতিক ব্যৱস্থাৰ অর্থনৈতিক গাঁথনি আৰু পৰিচালনাৰ বিষয়ে আভাস পাব
- কল্যাণকামী অর্থনৈতিক ব্যৱস্থাৰ বিষয়ে জানিব পাৰিব
- ৰাজনীতি, অর্থনীতি আৰু সমাজৰ মাজেৰে থকা সম্পর্কৰ আধাৰত গোলকীকৰণৰ পৰিঘটনাটোৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব।

১৩.২ পৰিচয়

এখন সমাজ ইয়াৰ আদর্শগত নীতিৰ আধাৰত পৰিচালিত হয়। একেদৰে, সমাজখনৰ সকলো উপাদান আৰু সংস্থাত সেই মতে কার্যকৰী হৈ থাকে। এখন সমাজৰ অর্থনৈতিক ব্যৱস্থা সমাজখনৰ এক অন্যতম স্তম্ভস্বৰূপ, যাৰ কার্যকাৰিতা সমাজখনৰ আদর্শগত প্ৰেক্ষাপটে নির্দেশ কৰে। ইয়াৰ ওপৰত ভিত্তি কৰিয়ে সমাজভেদে অর্থনীতিৰ গাঁথনি আৰু পৰিচালনা ভিন ভিন হয়। সেয়ে, কেন্দ্ৰীভূত ৰাজনৈতিক ব্যৱস্থাৰে পৰিচালিত এখন সমাজত পৰিকল্পিত অর্থনীতিৰ প্ৰচলন থাকিব পাৰে আৰু অন্যহাতে উদাৰ সামাজিক ব্যৱস্থাপনাত মিশ্ৰ অর্থনীতিৰ প্ৰচলন থাকিব পাৰে। তদুপৰি, এখন সমাজৰ অর্থনৈতিক, ৰাজনৈতিৰ আৰু সাংস্কৃতিক গতিশীলতাও বিভিন্ন দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰিঘটনাই নির্ণয় কৰে। গোলকীকৰণৰ ধাৰণাৰ আধাৰত এই প্ৰক্ৰিয়াটো বুজিব পাৰি, যি প্ৰক্ৰিয়াই বিশ্বজুৰি চলি থকা এক বহুমাত্ৰিক ধাৰণাক প্ৰতিনিধিত্ব কৰে।

তলৰ আলোচনাত দুটা প্ৰধান অৰ্থনৈতিক ব্যৱস্থা, ইয়াৰ কাৰ্যাৱলী, ব্যৱস্থাপনা তথা ৰাজনৈতিক আৰু আদৰ্শগত মূলৰ সম্পৰ্কে ব্যাখ্যা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

১৩.৩ পৰিকল্পিত অৰ্থনীতি

পৰিকল্পিত অৰ্থনীতি বুলিলে এনে এক অৰ্থনৈতিক ব্যৱস্থাৰ কথা বুজোৱা হয়, য'ত আৰ্থিক বিনিয়োগ আৰু সম্পদ আৱণ্টনৰ সিদ্ধান্তসমূহ এটা নিৰ্দিষ্ট অৰ্থনীতি ভিত্তিক উৎপাদন পৰিকল্পনাৰ ওপৰত ভিত্তি কৰি কৰা হয়। পৰিকল্পিত অৰ্থনীতি মূলতঃ অংশগ্ৰহণমূলক বা বিকেন্দ্ৰীকৃত বা কেন্দ্ৰীভূত অৰ্থনীতিত পৰিলক্ষিত হয়। এনে অৰ্থনীতি ৰাষ্ট্ৰৰ পৰিকল্পনা কেন্দ্ৰীভূত নিয়ন্ত্ৰণ আৰু সিদ্ধান্ত গ্ৰহণৰ বৈশিষ্ট্য থকা অৰ্থনীতিৰ লগত সম্পৰ্কিত হৈ থাকে। ই পৰিকল্পিত আৰু অনা-পৰিকল্পিত অৰ্থনীতিৰ প্ৰধান বৈশিষ্ট্য। অনা-পৰিকল্পিত অৰ্থনীতিয়ে এনে এক অৰ্থনীতিক বুজায়, য'ত বজাৰ ব্যৱস্থা অৰ্থাৎ উৎপাদন, বিতৰণ আৰু উপভোগ ৰাষ্ট্ৰ বা কেন্দ্ৰীভূত কৰ্তৃত্বৰ সলনি বজাৰে নিয়ন্ত্ৰণ কৰে। পৰিকল্পিত অৰ্থনীতিৰ ৰাষ্ট্ৰৰ যাৱতীয় অংশগ্ৰহণ সমাজবাদী সমাজ বা সমাজবাদী আদৰ্শতহে দেখা পোৱা যায়। অৱশ্যে, ইয়াত মন কৰিবলগীয়া যে, পৰিকল্পিত অৰ্থনীতি কঠোৰ সমাজবাদী আদৰ্শৰে পৰিচালিত হ'ব লাগিব বুলি কোনো ধৰাবন্ধা নীতি নাই। বজাৰ ব্যৱস্থাপনাৰ পুঁজিবাদী শাসনক আঁতৰাই ৰাষ্ট্ৰ নিৰ্ধাৰিত বজাৰ নিয়মৰ সৈতে প্ৰতিস্থাপন কৰাটো মূলতঃ অৰ্থনীতিৰ এটা প্ৰৱণতা যি এক পৰিকল্পিত অৰ্থনীতিৰ আৰু সমাজবাদী সমাজৰ ছেদবিন্দু (intersection) হিচাপে কাম কৰে।

পৰিকল্পিত অৰ্থনীতিৰ ধাৰণাটো অনুশাসন বা আদেশ অৰ্থনীতি (Command Economy)ৰ ধাৰণাটোৰ যোগেদিও বুজিব পাৰি। কিয়নো প্ৰকৃতগতভাৱে দুয়োটাৰে কেতবোৰ সাদৃশ্য আৰু বৈসাদৃশ্য আছে। ওপৰত উল্লেখ কৰাৰ দৰে পৰিকল্পিত অৰ্থনীতিত অৰ্থনৈতিক কাৰ্যকলাপত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ থাকে। একেদৰে, অনুশাসন অৰ্থনীতিতো ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণৰ এক উপাদান থাকে, কিন্তু একে সময়তে ইয়াত উদ্যোগৰ ক্ষেত্ৰত বুজন পৰিমাণৰ ৰাজহুৱা মালিকীস্বত্ব থাকে আৰু সেয়ে উৎপাদন প্ৰক্ৰিয়াত জনসাধাৰণে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

তদুপৰি, সম্পদৰ ওপৰত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ থকাৰ বাবে পৰিকল্পিত অৰ্থনীতিৰ প্ৰকৃতি সাধাৰণতে গণতান্ত্ৰিক আৰু সমতাবাদী বুলি গণ্য কৰা হয় যি সম্পদৰ সমান আৰু ন্যায্য বিতৰণ আৰু ব্যৱস্থাপনা নিশ্চিত কৰে। ইয়াৰ বিপৰীতে, অনুশাসন অৰ্থনীতিৰ প্ৰকৃতি ইয়াৰ অৰ্থনৈতিক কাৰ্যকলাপৰ বজাৰ নিয়ন্ত্ৰিত ব্যৱস্থাৰ বাবে স্বেচ্ছাচাৰী হয়।

এইখিনিতে উল্লেখযোগ্য যে যদিও ৰাষ্ট্ৰৰ হস্তক্ষেপ পৰিকল্পিত অৰ্থনীতিৰ অন্যতম বৈশিষ্ট্য ইয়াৰ অৰ্থ এইটো নহয় যে ৰাষ্ট্ৰৰ কৰ্তৃত্বই সম্পদৰ মালিকীস্বত্ব আৰু ব্যৱস্থাপনাৰ একমাত্ৰ স্বৰূপ। পৰিকল্পিত অৰ্থনীতিত ইতিপূৰ্বে উল্লেখ কৰাৰ দৰে সম্পদৰ মালিকীস্বত্ব বিকেন্দ্ৰীকৃত বা অংশগ্ৰহণমূলক মাধ্যমেৰেও হ'ব পাৰে। উদাহৰণস্বৰূপে— সম্প্ৰদায়ভিত্তিক মালিকীস্বত্ব জনসাধাৰণৰ দ্বাৰা অধিকৃত আৰু সমবায় ব্যৱস্থাৰ দ্বাৰা ব্যৱস্থাপিত ইত্যাদি। বিভিন্ন সমাজ দাৰ্শনিকে

পৰিকল্পিত অর্থনীতি সম্পর্কে কৰা আলোচনাত ইয়াৰ ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশ বর্ণনা কৰিছে। তলত পৰিকল্পিত অর্থনীতিৰ সুবিধা আৰু অসুবিধা সম্পর্কে উল্লেখ কৰা হ'ল।

পৰিকল্পিত অর্থনীতিৰ সুবিধা ঃ

পৰিকল্পিত অর্থনীতিত অর্থনৈতিক সম্পদসমূহ (শ্রমিক, ভূমি, মূলধন ইত্যাদি) চৰকাৰ বা ৰাষ্ট্ৰ ব্যৱস্থাৰ দ্বাৰা সহজেই ব্যৱহাৰ আৰু সংগ্রহ কৰিব পাৰি। কিয়নো, এনে অর্থনীতিত অনা-পৰিকল্পিত অর্থনীতিৰ দৰে যিকোনো কার্য বা প্রকল্প আৰম্ভ কৰিবৰ বাবে কর্তৃত্বশালী পক্ষই মূলধন জমা হোৱা বা আর্থিক বিনিয়োগৰ বাবে অপেক্ষা কৰিব নালাগে। ইয়াক অত্যন্ত লাভজনক বুলি গণ্য কৰা হয় কাৰণ ই উন্নয়নমুখী কার্যাৱলীক সহজসাধ্য কৰি তোলে।

পৰিকল্পিত অর্থনীতিৰ অসুবিধা ঃ

যিহেতু পৰিকল্পিত অর্থনীতিৰ সিদ্ধান্ত গ্রহণ প্রক্রিয়া আৰু বজাৰ ব্যৱস্থা জনসাধাৰণৰ কোনোধৰণৰ হস্তক্ষেপ নোহোৱাকৈ ৰাষ্ট্ৰই নিয়ন্ত্রণ কৰে; সেয়ে জনসাধাৰণৰ পছন্দ, ৰুচি আৰু চাহিদা কর্তৃপক্ষই নির্ভুলভাৱে উপলব্ধি কৰিব নোৱাৰিব পাৰে। ইয়াৰ ফলত, উৎপাদন, বিতৰণ আৰু উপভোগৰ ক্ষেত্রত সঠিক সামঞ্জস্যৰ অভাৱ হ'ব পাৰে। তদুপৰি, ই অনিবার্যভাৱে সম্পদৰ ভুল আৱণ্টনৰ সৃষ্টি কৰিব পাৰে আৰু ফলত সম্পদৰ ভুল অপচয় হোৱাৰ সম্ভাৱনা থাকে।

গতিকে এই আলোচনাৰ আধাৰত যুক্তি দর্শাব পাৰি যে, জনসাধাৰণৰ পছন্দ আৰু পৰিৱর্তনশীল প্রয়োজনীয়তাক গুৰুত্ব নিদিয়াকৈ লোৱা সিদ্ধান্তই তেওঁলোকৰ গণতান্ত্রিক অধিকাৰ আৰু দাবীৰ ওপৰত কৰা আক্রমণকে বুজায়।

আকৌ, পৰিকল্পিত অর্থনীতিয়ে ন্যায়সন্মত সম্পদ আৱণ্টন আৰু বিতৰণৰ যোগেদি এক অধিক কার্যক্ষম অর্থনৈতিক ব্যৱস্থা প্রতিষ্ঠা কৰিব বুলি কৰা ধাৰণাৰ বিপৰীতে কর্তৃপক্ষৰ হাতত সিদ্ধান্ত গ্রহণৰ সর্ব্বোচ্চ ক্ষমতা থকাৰ ফলত ই এক অপৰিপক্ক বা বিসংগতিপূর্ণ অর্থনৈতিক ব্যৱস্থাপনাৰ সূচনা কৰাৰো সম্ভাৱনা আছে।

১৩.৪ কল্যাণকামী ব্যৱস্থাৱলী

কল্যাণকামী ব্যৱস্থাই এনে এক ব্যৱস্থাক সূচায় য'ত অভাৱগ্রস্ত আৰু উপযুক্ত জনক সাহার্য আগবঢ়োৱা হয়। ৰাজনৈতিক প্রেক্ষাপটত কল্যাণকামী ব্যৱস্থাক কল্যাণকামী ৰাষ্ট্ৰৰ ধাৰণাৰ সহায়ত বুজিব পাৰি। এখন ৰাষ্ট্রক তেতিয়াই কল্যাণকামী ৰাষ্ট্ৰ হিচাপ স্বীকৃতি দিয়া হয়, যেতিয়া সংশ্লিষ্ট ৰাষ্ট্রখনৰ চৰকাৰ বা অন্যান্য প্রশাসনীয় ব্যৱস্থাই জনসাধাৰণৰ কল্যাণ আৰু সুৰক্ষাৰ নিশ্চিতিৰ বাবে দায়বদ্ধ হৈ থাকে। উল্লেখযোগ্য যে, কল্যাণকামী ৰাষ্ট্ৰৰ প্রাথমিক বৈশিষ্ট্য হ'ল এনে ৰাষ্ট্ৰৰ নাগৰিকৰ কল্যাণ তথা সুৰক্ষাৰ দায়িত্ব কোনো ব্যক্তিগত বা বেচৰকাৰী খণ্ডৰ হাতত ন্যস্ত নাথাকে। যিকোনো কল্যাণকামী ব্যৱস্থা ইয়াৰ জনসাধাৰণক সমান সুযোগ সুবিধা প্রদান কৰা আৰু সম্পদৰ সমবিতৰণৰ সক্ষমতাৰ আধাৰত সংজ্ঞায়িত কৰা হয়, য'ত এই ব্যৱস্থাই সমাজৰ দুর্বল শ্রেণীৰ সকলো দায়িত্ব গ্রহণ কৰে।

কল্যাণকামী ৰাষ্ট্ৰই লাভ কৰা কৰসমূহ নাগৰিকসকলৰ প্ৰদান কৰা বিভিন্ন ৰাজ্যিক সেৱাত পুনৰ বিতৰণৰ যোগেদি কাম কৰে। এনে ধৰণৰ আৰ্থিক সাহাৰ্যৰ পুনৰ বিতৰণ বা বিতৰণ প্ৰক্ৰিয়া হয়তো বিভিন্ন সেৱা আৰু এই সেৱা পৰিচালনা কৰা প্ৰতিনিধি সংস্থাসমূহে লাভ কৰে অথবা নাগৰিকসকলে পোনপটীয়াকৈ লাভ কৰে।

বৰ্তমান সময়ত ৰাষ্ট্ৰৰ দ্বাৰা আগবঢ়োৱা কল্যাণকামী সেৱাসমূহ পূৰ্বৰ সেৱাসমূহৰ পৰা পৃথক হোৱা দেখা যায়। পূৰ্বতে, কল্যাণকামী সেৱাসমূহ মূলতে দৰিদ্ৰতা দূৰীকৰণৰ উপায় হিচাপে গ্ৰহণ কৰা হৈছিল। অৱশ্যে, বৰ্তমান সময়ত কল্যাণকামী সেৱাসমূহে স্বাস্থ্য, শিক্ষা, জীৱিকাৰ সুবিধা আদি বিভিন্ন দিশ সামৰি লয় আৰু কেৱল অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ ব্যৱস্থা কৰি দিয়াতে ই সীমাবদ্ধ নহয়।

কল্যাণকামী ৰাষ্ট্ৰৰ ধাৰণাটো বিভিন্ন সমাজ দাৰ্শনিকে আলোচনা কৰিছে আৰু ইয়াৰ সমালোচনাও কৰিছে।

কল্যাণকামী ব্যৱস্থাৰ বিৰুদ্ধে থকা এটা অন্যতম যুক্তি হ'ল ই এক উৎপাদন বিৰোধী ব্যৱস্থা। এই ব্যৱস্থাত থকা উৎসাহমূলক সাহাৰ্য (incentives) আৰু অন্যান্য সুবিধাসমূহে মানুহক উৎপাদনহীন কৰি তুলিব পাৰে আৰু সহজে প্ৰয়োজনীয়তাসমূহ পূৰণ হৈ থকাৰ বাবে মানুহৰ কৰ্মস্পৃহা হ্ৰাস পাব পাৰে বুলিও যুক্তি দৰ্শোৱা দেখা যায়।

কল্যাণকামী ব্যৱস্থাৰ বিৰুদ্ধে থকা মাৰ্ক্সীয় সমালোচনাত এনে ব্যৱস্থাসমূহক উৎকোচ হিচাপেহে গণ্য কৰিব লাগে বুলি কোৱা হৈছে। এই দৃষ্টিভংগী অনুসৰি, এনে উৎসাহমূলক সাহাৰ্যসমূহ জনসাধাৰণৰ বৈপ্লৱিক চেতনা আৰু সজাগতাক দুৰ্বল কৰাৰ বাবে কৰা প্ৰয়াসহে।

কল্যাণকামী ব্যৱস্থাৰ বিৰুদ্ধে থকা আন এটা অভিমত হৈছে এনে ব্যৱস্থাৰ ব্যৱস্থাপনা আৰু তদাৰকীৰ বাবে এক বৃহৎ আৰু যোগ্যতাসম্পন্ন আমোলাতান্ত্ৰিক সংৰচনাৰ প্ৰয়োজন হয়, যাৰ বাবে বৃহৎ পৰিমাণৰ আৰ্থিক খৰচ হয় আৰু ই কৰদাতাৰ ওপৰতে বোজা বৃদ্ধি কৰে।

১৩.৫ ৰাষ্ট্ৰ আৰু গোলকীয় বজাৰ

ৰাষ্ট্ৰক বিভিন্ন সংস্থাৰে গঠিত এক সামগ্ৰিক গাঁথনি হিচাপে অভিহিত কৰিব পাৰি যি এক নিৰ্দিষ্ট এলেকা আৰু তাৰ জনসাধাৰণৰ ওপৰত সমূহীয়াভাৱে নিয়ন্ত্ৰণ আৰু কৰ্তৃত্ব সাব্যস্ত কৰে। ৰাষ্ট্ৰৰ সম্পৰ্কে বিভিন্ন আলোচনা আৰু দৃষ্টিভংগী থকা পৰিলক্ষিত হয়। বিস্তৃতভাৱে ৰাষ্ট্ৰৰ ধাৰণাটো তিনিটা প্ৰধান চিন্তাধাৰাৰ যোগেদি বুজিব পাৰি।

১) **নৈৰাজ্যবাদ (Anarchism) ঃ** অক্সফ'ৰ্ড অভিধানে নৈৰাজ্যবাদক এক আইনবিহীন আৰু সংগঠিত নিয়ন্ত্ৰণৰ অৱস্থা হিচাপে সংজ্ঞায়িত কৰিছে। এক ৰাজনৈতিক দৰ্শন হিচাপে নৈৰাজ্যবাদে ৰাষ্ট্ৰ সম্পৰ্কে নেতিবাচক দৃষ্টি দি যুক্তি দিয়ে যে ই অত্যাৱশ্যকীয় নহয়। ইয়াৰ বিপৰীতে, নৈৰাজ্যবাদীসকলৰ মতে, ৰাষ্ট্ৰই যি ধৰণে কাম কৰে সেয়া ক্ষতিকাৰক হ'ব পাৰে আৰু ই আচলতে এক 'ৰাষ্ট্ৰবিহীন' (statelessness) অৱস্থাৰ সৃষ্টি কৰিব

পাৰে। এই দৃষ্টিভংগী অনুসৰি, ৰাষ্ট্ৰ এনে এক সংস্থা যি জনসাধাৰণৰ ওপৰত হেঁচা প্ৰয়োগ কৰে, তেওঁলোকক দমন আৰু শাসন কৰে। এই দৃষ্টিভংগীৰ সমৰ্থকসকলে ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণৰ ধাৰণা লুপ্ত কৰিব খোজে।

২) **মাৰ্ক্সবাদ ঃ** মাৰ্ক্সবাদী চিন্তাধাৰাৰ মতে, ৰাষ্ট্ৰ এনে এক সংস্থা য'ত শাসনতন্ত্ৰৰ ওপৰত হেঁচা প্ৰয়োগৰ যোগেদি বা ৰাষ্ট্ৰৰ প্ৰতিনিধিসমূহক অভিৰোচিত কৰি এচাম সম্ভ্ৰান্ত শাসকে নিয়ন্ত্ৰণ কৰি থাকে। ই ইয়াকেই সূচাই যে অৱধাৰিতভাৱেই ৰাষ্ট্ৰ এনে এক সংস্থালৈ ৰূপান্তৰিত হয় যি শাসকশ্ৰেণীক প্ৰতিনিধিত্ব কৰে আৰু তেওঁলোকৰ আশা-আকাংক্ষা পূৰণত অধিক গুৰুত্ব দিয়ে। কার্লমার্ক্স আৰু ফ্ৰেডৰিক এংগেলছে ৰাষ্ট্ৰক 'বুৰ্জোৱাসকলৰ সাধাৰণ বিষয়সমূহ পৰিচালনা কৰা সমিতি' হিচাপে 'দ্য কমিউনিষ্ট মেনিফেষ্টো'ও উল্লেখ কৰিছে। মাৰ্ক্সবাদীসকলেও ৰাষ্ট্ৰৰ ধাৰণাৰ অৱসান বিচাৰিছে।

৩) **বহুত্ববাদ (Pluralism) ঃ** বহুত্ববাদী চিন্তাধাৰাৰ সমৰ্থকসকলৰ মতে, ৰাষ্ট্ৰই সদায় শাসক শ্ৰেণীৰ ৰুচি আৰু আদৰ্শ অনুযায়ী কাম কৰে। অৱশ্যে মাৰ্ক্সবাদী ধাৰণাৰ বিপৰীতে তেওঁলোকে বিশ্বাস কৰে যে ক্ষমতা সকলো ব্যক্তি আৰু গোটৰে আকাংক্ষিত। ক্ষমতাৰ যুঁজত যিয়েই জয়ী হয়, ৰাষ্ট্ৰ অৱধাৰিতভাৱেই তেওঁৰ নিৰ্দেশমতে কাম কৰা এটা সত্তালৈ পৰ্যবসিত হয়। সেয়ে, এই চিন্তাধাৰাই ৰাষ্ট্ৰক পক্ষপাতদুষ্ট সংস্থা হিচাপে গণ্য নকৰে। তাৰ বিপৰীতে ৰাষ্ট্ৰক এনে এক সংস্থা বা সত্তা হিচাপে চিনাক্ত কৰে যি ক্ষমতাশালী শাসক শ্ৰেণীৰ কার্যাৱলীৰ যোগেদি পৰিচালিত হয় আৰু গঢ় লৈ উঠে।

ৰাষ্ট্ৰ আৰু গোলকীয় বজাৰৰ মাজৰ তুলনামূলক অধ্যয়ন ক্ৰমান্বয়ে বৃদ্ধি পাইছে। গোলকীয় বিশ্বৰ প্ৰেক্ষাপটত দুয়োৰে মাজৰ আন্তঃসম্বন্ধৰ অধ্যয়নে বিদ্যায়তনিক আলোচনাৰ ক্ষেত্ৰখনৰ দৃষ্টি আকৰ্ষণ কৰিছে। গোলকীয় বজাৰৰ উত্থানৰ সমান্তৰালভাৱে ৰাষ্ট্ৰৰ ভূমিকা আৰু গুৰুত্ব ক্ৰমাগতভাৱে হ্ৰাস পাই আহিছে বুলি যুক্তি আগবঢ়োৱা দেখা যায়। গোলকীয় বজাৰৰ উত্থানে ৰাষ্ট্ৰৰ ভৌগোলিক সীমাবোৰ নোহোনা কৰি পেলাইছে। দ্ৰব্য আৰু সেৱাৰ প্ৰৱাহ (inflow) আৰু বহির্গমন (outflow) সহজসাধ্য কৰি তুলিছে। ই বিভিন্ন নীতি-নিয়ম, শুল্ক আৰু বাণিজ্য সম্পৰ্কীয় বিভিন্ন নিৰ্দেশনা আদি শিথিল কৰাৰে ফলশ্ৰুতি। এই পৰিঘটনাই ইয়াকে সূচাই যে মুক্ত গোলকীয় বজাৰ ব্যৱস্থাত নিয়মাৱলী আৰু বাণিজ্যৰ প্ৰৱাহৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ মাত্ৰাধিক হস্তক্ষেপৰ কোনো প্ৰয়োজন নাই। ফলত ৰাষ্ট্ৰইও ইয়াৰ পূৰ্বৰ গুৰুত্ব হেৰুৱাই পেলাইছে। সমান্তৰালভাৱে দেখা গৈছে যে ৰাষ্ট্ৰৰ ভূমিকা বিভিন্ন গোলকীয় সংস্থা যে বহুজাতিক কোম্পানী, প্ৰতিষ্ঠান আদিয়ে অধিগ্ৰহণ কৰিছে। এনে প্ৰক্ৰিয়াৰ পৰিণতি কেৱল অর্থনৈতিক ক্ষেত্ৰতে সীমাবদ্ধ হৈ থকা নাই, সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰলৈও প্ৰসাৰিত হৈছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ সামগ্ৰী সহজে পাব পৰা হোৱাত খাদ্য, সাজ-পাৰ, মতাদর্শৰ আদিৰ ক্ষেত্ৰত এক বৃহৎ সাংস্কৃতিক সমন্বয় ঘটা দৃষ্টিগোচৰ হৈছে।

আনহাতে, অন্য এক দৃষ্টিভংগীয়ে ৰাষ্ট্ৰ আৰু গোলকীয় বজাৰৰ মাজৰ সম্পৰ্কৰ এক বিপৰীতধৰ্মী চিন্তাৰ পোষকতা কৰে। এই দৃষ্টিভংগী অনুসৰি ৰাষ্ট্ৰৰ সহযোগিতা অবিহনে গোলকীয় বজাৰৰ উত্থান আৰু প্ৰসাৰ সম্ভৱ নহয়। এই দৃষ্টিভংগীৰ সমৰ্থকসকলে যুক্তি দৰ্শাই যে, গোলকীয় বিশ্বৰ প্ৰেক্ষাপটত ৰাষ্ট্ৰই এক আন্তঃৰাষ্ট্ৰীয় চৰিত্ৰ গ্ৰহণ কৰিছে। এই পৰিঘটনাক ৰাষ্ট্ৰৰ আন্তঃৰাষ্ট্ৰীয়কৰণ বোলা হয় যিয়ে দেশীয় অৰ্থনৈতিক গতিশীলতা আৰু গোলকীয় দৃশ্যপটৰ মাজত এডাল সাঁকোৰ দৰে কাম কৰে। এই প্ৰক্ৰিয়াত দেখা গৈছে যে যিবোৰ ৰাষ্ট্ৰই দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতি ভালদৰে উপলব্ধি কৰিব পাৰে আৰু একে সময়তে দেশীয় উপভোক্তসকলৰ লগত কাৰ্যকৰীভাৱে সমন্বয় স্থাপন কৰে, সেইবোৰ ৰাষ্ট্ৰই গোলকীয় অৰ্থনীতিৰ পৰা অধিক লাভান্বিত হোৱাৰ সম্ভাৱনা আছে। তদুপৰি, এই দৃষ্টিভংগী মতে বহুজাতিক কোম্পানীৰ দৰে গোলকীয় প্ৰতিষ্ঠানবোৰে নহয়, বৰঞ্চ ৰাষ্ট্ৰইহে গোলকীয় অৰ্থনৈতিক প্ৰেক্ষাপটত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অৱশ্যে, চৰকাৰভেদে এই ভূমিকা আৰু গুৰুত্ব ভিন ভিন হ'ব পাৰে। ইয়াৰ ফলত বিভিন্ন ৰাষ্ট্ৰৰ ক্ষমতা অসমান হৈ পৰিছে আৰু ই ক্ষমতা আৰু প্ৰভাৱৰ ৰাজনীতিৰ সৃষ্টি কৰাৰ লগতে শক্তিশালী ৰাষ্ট্ৰসমূহৰ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক আধিপত্যৰ যোগেদি সমগ্ৰ বিশ্বতে নিজক বিস্তাৰিত কৰাৰ সম্ভাৱনা বৃদ্ধি পাইছে।

১৩.৬ গোলকীকৰণ, অৰ্থনীতি আৰু সমাজ

গোলকীকৰণ হৈছে এনে এটা প্ৰক্ৰিয়া, যি ভৌগোলিক পৰিসীমাৰ গুৰুত্ব হ্ৰাস কৰি সমগ্ৰ পৃথিৱীখনকে ওচৰ চপাই আনিছে। এই প্ৰক্ৰিয়াই সমগ্ৰ বিশ্বৰ জনসাধাৰণৰ মাজত ভৌগোলিক বা সাংস্কৃতিক পৰিচয় নিৰ্বিশেষে দ্ৰব্য, সেৱা, খাদ্য, সাজপাৰ আদিৰ মাধ্যমেৰে হোৱা ক্ৰমবৰ্ধমান আন্তঃক্ৰিয়াক সূচায়। প্ৰাৰম্ভিক অৱস্থাত, ১৯৬০-৭০ দশকৰ মাজৰ সময়ছোৱাত গোলকীকৰণৰ ধাৰণাৰ বিষয়ে আলোচনা হৈছিল। অৱশ্যে, ১৯৯০ দশকৰ সময়খিনিতহে গোলকীকৰণৰ ধাৰণাই বহুল জনপ্ৰিয়তা আৰু প্ৰসাৰতা লাভ কৰে। আন্তৰ্জাতিক মুদ্ৰানিধিয়ে ২০০০ চনত উল্লেখ কৰে যে, গোলকীকৰণক প্ৰধানকৈ চাৰিটা উপাদানৰ আধাৰত চিনাক্ত কৰিব পাৰি ঃ বাণিজ্য আৰু লেনদেন, প্ৰব্ৰজন আৰু অন্যান্য ধৰণৰ জন গতিশীলতা, মূলধন আৰু বিনিয়োগৰ প্ৰবাহ আৰু জ্ঞানৰ সৰবৰাহ। অন্যহাতে, গোলকীকৰণৰ ধাৰণাটো ইয়াৰ তিনিটা প্ৰধান উপাদানৰ যোগেদি বুজিবৰ বাবে প্ৰয়াস কৰা হয় আৰু এই তিনিটা হ'ল— অৰ্থনৈতিক গোলকীকৰণ, সাংস্কৃতিক গোলকীকৰণ আৰু ৰাজনৈতিক গোলকীকৰণ। গোলকীকৰণৰ সাংস্কৃতিক আৰু ৰাজনৈতিক দিশসমূহ সামাজিক দিশৰ লগত সন্নিৱিষ্ট কৰি আলোচনা কৰা হৈছে।

অৰ্থনৈতিক গোলকীকৰণ ঃ

অৰ্থনৈতিক গোলকীকৰণে ক্ৰমবৰ্ধমান আন্তঃসংযোগ আৰু আন্তঃনীতিৰ মাজতে সীমাবদ্ধ নাথাকি বিশ্ব অৰ্থনৈতিক ব্যৱস্থালৈকে প্ৰসাৰিত হয়। বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ ভিতৰত আৰু মাজত

হোৱা দ্ৰব্য আৰু সেৱা, মূলধন, বিনিয়োগ, প্ৰযুক্তি আদিৰ বিনিময়ৰ দ্ৰুত বৃদ্ধিৰ দ্বাৰা ইয়াক উপলব্ধি কৰিব পাৰি। মন কৰিবলগীয়া যে, অৰ্থনৈতিক গোলকীকৰণ কেৱল ব্যৱসায়ৰ গোলকীকৰণতে সীমাবদ্ধ নহয় যি বাণিজ্যিক বাধা শুল্ক আদিৰ সীমিতকৰণক সূচায়। বৰঞ্চ, অৰ্থনৈতিক গোলকীকৰণ এক বিস্তৃত ধাৰণা যি এক একক আৰু ঐক্যবদ্ধ গোলকীয় বজাৰ ব্যৱস্থাৰ যোগেদি প্ৰকাশ পোৱা গোলকীয় অৰ্থনৈতিক সংহতিৰ ধাৰণাক বুজায়। বৰ্তমান সময়ত, অৰ্থনৈতিক গোলকীকৰণ প্ৰধানতঃ উন্নয়নশীল অৰ্থনীতিৰ সৈতে উন্নত অৰ্থনীতিৰ সংহতি স্থাপনৰ দ্বাৰা চিহ্নিত কৰা হয়, যি প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ জৰিয়তে সম্পন্ন হয়।

অৰ্থনৈতিক গোলকীকৰণৰ তলত উল্লেখ কৰাৰ দৰে কিছুমান গুৰুত্বপূৰ্ণ সূচক আছে।

মান নিৰ্ধাৰণৰ আন্তৰ্জাতিক সংগঠন ঃ ই এক আন্তৰ্জাতিক সংস্থা বা সংগঠন, যাৰ উদ্দেশ্য হৈছে মান নিৰ্ধাৰণ। ই বিভিন্ন ৰাষ্ট্ৰীয় প্ৰৰ্যায়ৰ মান নিৰ্ণায়ক সংগঠনৰ প্ৰতিনিধিৰে গঠিত হয়।

বহুজাতিক সংস্থা (MNC) ঃ বহুজাতিক সংস্থা হৈছে এনে আন্তৰ্জাতিক সংস্থা, যি বিভিন্ন ৰাষ্ট্ৰত দ্ৰব্য আৰু সেৱাৰ উৎপাদন প্ৰক্ৰিয়া চলায়।

মুক্ত বাণিজ্য অঞ্চল ঃ ই এক নিৰ্ধাৰিত অঞ্চলক বুজাই যাক এক ব্যৱসায়িক গোট হিচাপে গণ্য কৰিব পাৰি। এনে গোটৰ অন্তৰ্গত দেশসমূহ এক মুক্ত বাণিজ্য চুক্তিৰ স্বাক্ষৰকাৰী যি সদস্য দেশসমূহৰ মাজত সীমিত বাণিজ্যিক বাধাৰে চিহ্নিত মুক্ত আৰু সহজ বাণিজ্যিক সম্পৰ্কক নিৰ্দেশ কৰে।

ব্যৱসায়িক প্ৰক্ৰিয়া আউটচ'ৰ্চিং ঃ ইয়াত দক্ষতা, জ্ঞান আৰু শ্ৰমৰ এখন দেশৰ আন এখন দেশলৈ হোৱা আউটচ'চিং প্ৰক্ৰিয়া অন্তৰ্ভুক্ত থাকে।

গোলকীকৰণৰ সামাজিক দিশ ঃ

১) **গোলকীকৰণ আৰু সংস্কৃতি ঃ** গোলকীয় বিশ্বৰ উত্থানৰ লগে লগে সংস্কৃতিৰ দ্ৰুত ৰূপান্তৰণ পৰিলক্ষিত হৈছে। ইয়াৰ প্ৰভাৱ সমগ্ৰ বিশ্বতে হোৱা ধাৰণা, আদৰ্শ, প্ৰমূল্য আদিৰ গতিশীলতাৰ মাজেদি দেখা যায়। সংস্কৃতিৰ প্ৰসাৰত গণমাধ্যম, ইণ্টাৰনেট আৰু বিশ্বজুৰি ক্ৰমবৰ্ধমান আন্তঃৰাষ্ট্ৰীয় পৰ্যটনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ইয়াৰ ফলশ্ৰুতিত ভৌগোলিক, প্ৰজাতীয় আৰু ৰাজনৈতিক সীমা অতিক্ৰমি সামাজিক সম্বন্ধ আৰু আন্তঃসংযোগ বৃদ্ধি পাবলৈ ধৰিছে। সাংস্কৃতিক গোলকীকৰণৰ শক্তিশালী প্ৰতিনিধি হিচাপে নিম্নোক্ত উপাদানসমূহৰ কথা ক'ব পাৰি—

ধৰ্ম ঃ প্ৰব্ৰজন, ঔপনিৱেশিকতাবাদ, বাণিজ্য আদিৰ দৰে বিভিন্ন কাৰকৰ প্ৰভাৱত ধৰ্ম অতীজৰে পৰা বিস্তৃতভাৱে প্ৰসাৰিত হৈ আহিছে।

ক্ৰীড়া ঃ ক্ৰীড়াই যোগাযোগ আৰু অংশগ্ৰহণৰ এক গুৰুত্বপূৰ্ণ কাৰক হিচাপে কাম কৰে। উদাহৰণস্বৰূপে, অলিম্পিক, ক্ৰিকেট, ফুটবল আদি জনপ্ৰিয় ক্ৰীড়াসমূহে বিভিন্ন ক্ষেত্ৰৰ লোকসমূহক দৰ্শক হিচাপে খেলপথাৰলৈ একেলগে লৈ আহে।

সংগীত ঃ মানুহৰ মাজত যোগাযোগ আৰু সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত সংগীতৰ ভূমিকা

অতি গুৰুত্বপূৰ্ণ। বৰ্তমান সময়ত দেখা যায় যে বিশ্বৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন স্বাদৰ সংগীতসমূহ সমগ্ৰ বিশ্বতে জনপ্ৰিয় হৈছে।

সাংস্কৃতিক গোলকীকৰণৰ ধাৰণা সমালোচনাৰ পৰাও মুক্ত নহয়। কোৱা হয় যে, সাংস্কৃতিক গোলকীকৰণৰ যোগেদি শক্তিশালী দেশ এখনৰ সংস্কৃতিয়ে তুলনামূলকভাৱে কম শক্তিশালী দেশ এখনৰ সংস্কৃতিৰ ওপৰত আধিপত্য বিস্তাৰ কৰিব পাৰে, যি কম শক্তিশালী দেশখনৰ সংস্কৃতিৰ বিকাশ আৰু অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব পাৰে। তদুপৰি নিজৰ ঠাই বা উৎপত্তিস্থলৰ উপৰিও কোনো সামগ্ৰীৰ গোলকীয় উপস্থিতিয়ে উক্ত সামগ্ৰীৰ গুণাগুণ বা স্বকীয়তাও হ্ৰাস কৰিব পাৰে।

১) **ৰাজনৈতিক গোলকীকৰণ ঃ** ৰাজনৈতিক গোলকীকৰণ সম্পৰ্কীয় আলোচনাই ৰাষ্ট্ৰক আটাইতকৈ গুৰুত্বপূৰ্ণ সত্তা হিচাপে বিবেচনা কৰি আলোচনা কৰে। তদুপৰি, ইয়াত আন কিছুমান উপাদানো জড়িত হৈ আছে যাক ৰাজনৈতিকভাৱে গোলকীকৃত বিশ্বৰ প্ৰেক্ষাপটত বিশেষ গুৰুত্ব আৰোপ কৰা হয়।

আন্তঃচৰকাৰবাদ ঃ আন্তঃচৰকাৰবাদৰ ধাৰণাটো দুটা ভিন্ন দৃষ্টিভংগীৰে ব্যাখ্যা কৰিব পাৰি। এটা দৃষ্টিভংগী অনুসৰি, ইয়াক বিভিন্ন অঞ্চলৰ একত্ৰীকৰণৰ এক তত্ত্ব হিচাপে বুজিব পাৰি। আকৌ, আনটো দৃষ্টিভংগী অনুসৰি চৰকাৰসমূহ (ৰাজ্যিক আৰু কেন্দ্ৰীয়) হৈছে একত্ৰীকৰণৰ অতি গুৰুত্বপূৰ্ণ স্তম্ভস্বৰূপ।

বহুস্তৰীয় প্ৰশাসন (Multi level governance) ঃ এই ধাৰণা অনুসৰি, এখন ৰাজনৈতিকভাৱে গোলকীকৃত বিশ্বত কৰ্তৃত্বৰ বিভিন্ন গাঁথনি বা সংৰচনা থাকে যি বিভিন্ন স্তৰত পৰস্পৰে আন্তঃসংযুক্ত হৈ থাকে।

বহু নাগৰিকত্ব ঃ ই এনে এক অৱস্থাক বুজায়, য'ত একে সময়তে এজন ব্যক্তিয়ে বৈধভাৱে এখনকৈ অধিক ৰাষ্ট্ৰৰ ৰাগৰিকত্ব উপভোগ কৰি থাকে।

গোলকীকৰণৰ পৰিঘটনা সম্পৰ্কে বিভিন্ন তাত্ত্বিক আলোচনা হৈছে যিয়ে ইয়াৰ সুবিধা আৰু অসুবিধা দুয়োটাই আঙুলিয়াই দিছে। ওপৰোক্ত আলোচনাই মূলতঃ গোলকীকৰণৰ ইতিবাচক দিশসমূহহে সামৰি লৈছে। সেয়ে, এতিয়া ইয়াৰ সমালোচনাসমূহ ইয়াত উল্লেখ কৰা হ'ব।

বহুতে গোলকীকৰণৰ দমনমূলক আৰু অত্যাধিক শক্তিশালী প্ৰৱণতাৰ বাবে ই সমাজৰ বাবে অপকাৰী বুলি গণ্য কৰে। সাংস্কৃতিক দমন, শক্তিশালী আৰু ধনীৰ অন্যান্যৰ ওপৰত শ্ৰেষ্ঠতা আদিৰ যোগেদি এইয়া প্ৰকাশিত হয়।

তদুপৰি দেখা যায় যে গোলকীকৰণৰ ফলত মানুহৰ মাজত বৃদ্ধি পোৱা যোগাযোগ আৰু সংস্পৰ্শৰ ফলত জেন'ফ'বিয়াৰ (বিদেশী/আনলৈ ভয়) সৃষ্টি হ'ব পাৰে। আত্মপৰিচয়ৰ সংকট, বিভিন্ন সম্প্ৰদায়ৰ মাজৰ শত্ৰুতা আদিৰ মাধ্যমেৰে ই পৰিদৃশ্যমান হ'ব পাৰে।

গোলকীকৰণৰ বিৰুদ্ধে থকা আন এক যুক্তি হ'ল, GDP ৰ দৰে অৰ্থনৈতিক সূচকসমূহে বৰ্ধিত অৰ্থনৈতিক দিশবোৰৰ ওপৰত আলোকপাত কৰে; কিন্তু প্ৰকৃত সামাজিক আৰু সাংস্কৃতিক

দিশসমূহ এনে সূচকে প্ৰতিনিধিত্ব নকৰে। সেয়ে, ব্যক্তিৰ দৈনন্দিন জীৱনত গোলকীকৰণৰ প্ৰভাৰ আৰু পৰিণতি বুজিবলৈ হ'লে গোলকীকৰণক সুখ, নিৰাপত্তা, শান্তি আদিৰ দৰে সামাজিক সূচকৰ জৰিয়তে পৰিমাপ কৰা প্ৰয়োজন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ কল্যাণকামী ব্যৱস্থাৰ এটা সমালোচনা উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ২ ঃ ৰাষ্ট্ৰৰ সংজ্ঞা দিয়ক।

.....

.....

প্ৰশ্ন ৩ ঃ গোলকীকৰণৰ এটা সমালোচনা উল্লেখ কৰক।

.....

.....



১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এটা পৰিকল্পিত অৰ্থনৈতিক ব্যৱস্থাৰ বৈশিষ্ট্য হৈছে ৰাষ্ট্ৰৰ আৱশ্যকীয় নিয়ন্ত্ৰণ, য'ত আৰ্থিক সিদ্ধান্তসমূহ আৰু কাৰ্যকলাপসমূহ এটা নিৰ্দিষ্ট পৰিকল্পনাৰ আধাৰত সম্পাদিত হয়। ই কেন্দ্ৰীভূত অথবা বিকেন্দ্ৰীভূত সমাজৰো বৈশিষ্ট্য হ'ব পাৰে।
- ৰাষ্ট্ৰ বা কৰ্তৃপক্ষৰ প্ৰকৃতি কল্যাণমুখী হ'ব পাৰে, অৰ্থাৎ ই নাগৰিকসকলৰ বাবে বিনামূলীয়া বা ৰাজসাহায্য দ্বাৰা প্ৰদান কৰা সামগ্ৰী আৰু সেৱাসমূহৰ ব্যৱস্থা কৰে। কল্যাণমুখী এই ব্যৱস্থাসমূহ বিভিন্ন সমাজত বিভিন্ন ৰূপত প্ৰকাশ পায়।
- গোলকীকৰণ হৈছে এনে প্ৰক্ৰিয়া য'ত মানুহ, সংস্কৃতি, ৰাষ্ট্ৰসমূহৰ মাজত বাঢ়ি থকা আন্তঃবিনিময় আৰু যোগাযোগৰ জৰিয়তে সংযুক্ত আৰু ওচৰকৈ আহে। ইয়াৰ তিনিটা মুখ্য মাত্ৰা আছে- আৰ্থিক, সাংস্কৃতিক আৰু ৰাজনৈতিক।
- গোলকীকৰণৰ সামাজিক দিশবোৰ ইয়াৰ ৰাজনৈতিক আৰু সাংস্কৃতিক গতিৰ জৰিয়তে বুজিব পাৰি। বিশেষকৈ ইয়াৰ ৰাজনৈতিক দিশটো বিশ্বায়নৰ পৃথিৱীত ৰাজ্যৰ ভূমিকাৰ জৰিয়তে বুজিব পাৰি।



১৩.৮ অধিক জানিবলৈ

1) Abercrombie, Nicholas; Stephen Hill & Bryan S. Turner; 2000; The penguin Dictionary of Sociology; England.
2) Borgotta, Edgar F. & Rhonda J. V. Montgomery; 2000; Encyclopedia of Sociology; Cengage Learning Publisher.
3) Haralambos, H & R M Heald; 1997; Sociology : Themes and Perspectives; Oxford Publication.
4) Ritzer, George; 2011; The McDonaldization of Society; Sage Publication; USA.



১৩.৯ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ কোৱা হয় যে, এক কল্যাণকামী ব্যৱস্থাৰ ব্যৱস্থাপনা আৰু ৰক্ষণাবেক্ষণৰ বাবে বৃহৎ আৰু যোগ্য আমোলাতান্ত্ৰিক ব্যৱস্থাৰ প্ৰয়োজন হয়, যাৰ ফলত বৃহৎ ধনৰাশিৰ ব্যয় হয় আৰু ইয়াৰ ফলত কৰদাতাসকলৰ ওপৰত অধিক বোজাৰ সৃষ্টি হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰক এনে এটা গোট হিচাপে বুজিব পাৰি, য'ত বিভিন্ন প্ৰতিষ্ঠান থাকে আৰু সিহঁতে মিলি কোনো নিৰ্দিষ্ট ভূখণ্ড আৰু তাত বসবাস কৰা মানুহৰ ওপৰত ক্ষমতা আৰু নিয়ন্ত্ৰণ আৰোপ কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কোৱা হয় যে, গোলকীয় পৃথিৱীত যদিও GDP প্ৰভৃতি অৰ্থনৈতিক সূচকে অৰ্থনৈতিক উন্নতিৰ দিশটো দেখুৱাব পাৰে, কিন্তু এনে সূচকে সমাজিক আৰু সাংস্কৃতিক দিশবোৰক প্ৰতিনিধিত্ব নকৰে।



১৩.১০ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (প্ৰায় ১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ পৰিকল্পিত অৰ্থনীতি কি?

প্ৰশ্ন নং ২ ঃ কল্যাণমুখী ৰাষ্ট্ৰ কাক বুজায়?

প্ৰশ্ন নং ৩ঃ গোলকীকৰণৰ তিনিটা মুখ্য দিশ কি কি?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ঃ পৰিকল্পিত অৰ্থনীতিৰ সুবিধা আৰু অসুবিধাসমূহ কি কি?

প্ৰশ্ন নং ২ঃ আধুনিক বিশ্বায়নৰ পৃথিৱীত ৰাষ্ট্ৰৰ ভূমিকা বুজাই কওঁক।

প্ৰশ্ন নং ৩ঃ গোলকীকৰণৰ আৰ্থিক আৰু সাংস্কৃতিক দিশসমূহ ব্যাখ্যা কৰক।

****



প্রসংগ গ্রন্থসমূহ

1. Abercrombie, Nicholas; Stephen Hill & Bryan S. Turner; (2000); The penguin Dictionary of Sociology; England.
2. Baker ,W.E. & Jimerson,J.B. (1992). The Sociology of Money. The American Behavioral;July/August,35,6
3. Borgotta, Edgar F. & Rhonda J. V. Montgomery; (2000); Encyclopaedia of Sociology; Cengage Learning Publisher.
4. Bottomore, Thomas B. (1975). Marxist Sociology. Macmillan: London.
5. Dalton, George. et al. (1972). Peasantries in Anthropology and History. Current Anthropology, Vol. 13, No. 3/4.
6. Edelman, Marc. (2013). What is a peasant? What are peasantries? A briefing paper on issues of definition. The City University of New York.
7. Haralambos, H & R M Heald; (1997); Sociology: Themes and Perspectives; Oxford Publication.
8. Krader, L. (1980). The Asiatic Mode of Production. International Journal of Politics, 10(2/3), 99-128.
9. Kundu, Abhijit. (2012) "Sociological Theory", Pearson publication, New Delhi.
10. Marx, K. (2010). A Contribution to the Critique of Political Economy. In Marx Today (pp. 91-94). Palgrave Macmillan, New York.
11. Popkin, Samuel. (1980).The Rational Peasant: Political Economy of Peasant Society. Theory and Society, Vol. 9, No. 3, 411-471.
12. Ritzer, George(2000) "Sociological Theory", Tata Mcgraw-Hill publication, New Delhi.
13. Ritzer, George; 2011; The McDonaldization of Society; Sage Publication; USA.
14. Shanin, Theodor. (1973).The nature and logic of the peasant economy 1: A Generalisation. The Journal of Peasant Studies, Vol.1, Issue. 1, 63-80.

15. Smelser Neil J. and Richard Swedberg (2005) The Handbook of Economic Sociology.
16. Swedberg Richard (2007) Principles of Economic Sociology.
17. Wolf, Eric R. (1969). Peasant Wars of the Twentieth Century. University of Oklahoma Press.

****